স্থাপিত ১৯৬৮ চন

# কামপুৰ মহাবিদ্যালয় আলোচনী

# Kampur College Magazine

২০২১-২২ বৰ্ষ

**SESSION - 2021-22**



তত্ত্বাৱধায়ক

শ্ৰীৰিজু লস্কৰ

শ্ৰীপ্ৰশান্ত লস্কৰ

সম্পাদিকা

শ্ৰীৰিচা বৰা

# মহাবিদ্যালয় সংগীত

**গীতিকাৰ - ভানু শইকীয়া**

**সুৰকাৰ - গগন বৰুৱা**

আলোক সন্ধানী আমি
আগুৱাই যাবলৈ প্ৰেৰণা দিয়া
বজাই জ্ঞান বীণা
বন্দো বাগ্‌দেবী
আমি আলোকৰে যাত্ৰী

কপিলী নিশাৰীৰ তীৰ উজলাই
জ্ঞানৰ দিপালী উঠিছে জ্বলি
ভেদা-ভেদ পৰিহৰি
যাওঁ আগবাঢ়ি
জ্ঞানৰ সৰগ ধিয়াই।

কন্দলি মাধৱৰ চৰণ ধিয়াই
জগত গুৰুৰ বন্দনা গাই
সম্প্ৰীতি বঢ়াই তুলি
যাওঁ আগবাঢ়ি
জ্ঞানৰ পোহৰ বিলাই
দশোদিশ যাওঁ উজ্বলাই।।

# কামপুৰ মহাবিদ্যালয়

# আলোচনী

২০২১-২২ বৰ্ষ

স্থাপিত ১৯৬৮ চন

## KAMPUR COLLEGE MAGAZINE

**Session : 2021-22**


তত্ত্বাৱধায়ক
**শ্ৰীৰিজু লস্কৰ**
**শ্ৰীপ্ৰশান্ত লস্কৰ**

সম্পাদিকা
**শ্ৰীৰিচা বৰা**

স্থাপিত ১৯৬৮ চন


**KAMPUR COLLEGE MAGAZINE**

An Annual publication of Kampur College, Session : 2021-22. Edited by Miss Risha Bora, Guided by Sri Riju Laskar and Sri Prasanta Laskar and published by Dr. Ashim Bora, Principal, Kampur College, Kampur, Nagaon, Assam, Pin - 782426.

Published : June, 2022

কামপুৰ মহাবিদ্যালয় বাৰ্ষিক আলোচনী, ২০২১-২০২২ বৰ্ষ, সহকাৰী অধ্যাপক শ্ৰীৰিজু লস্কৰ আৰু শ্ৰীপ্ৰশান্ত লস্কৰৰ তত্ত্বাৱধানত সম্পাদিকা শ্ৰীৰিচা বৰাৰ দ্বাৰা সম্পাদিত আৰু অধ্যক্ষ ড° অসীম বৰাৰ দ্বাৰা প্ৰকাশিত।

প্ৰকাশ ঃ জুন, ২০২২

**সম্পাদনা সমিতি**

**ড° অসীম বৰা,** অধ্যক্ষ, উপদেষ্টা

**শ্ৰীৰিজু লস্কৰ,** তত্ত্বাৱধায়ক

**শ্ৰীপ্ৰশান্ত লস্কৰ,** তত্ত্বাৱধায়ক

**ড° নলিনী বৰা,** শিক্ষক সদস্যা

**ড° কুশল টাইদ,** শিক্ষক সদস্য

**মঃ শ্বহিদুল ইছলাম,** ছাত্ৰ সদস্য

**শ্ৰীমুনি হান্সে,** ছাত্ৰ সদস্য

**শ্ৰীভাৰতী প্ৰজাপতি,** ছাত্ৰী সদস্যা

**শ্ৰীবন্দিতা দেৱী,** ছাত্ৰী সদস্যা

**শ্ৰীৰিচা বৰা,** আলোচনী সম্পাদিকা

**বেটুপাত**

সম্পাদনা সমিতি

**মুদ্ৰণ**

গিগাবাইট্‌চ প্ৰেছ এণ্ড পাব্লিকেশ্যন

মিলনপুৰ, নগাঁও (অসম)




# শ্ৰদ্ধাঞ্জলি

২০২১-২২ বৰ্ষৰ সময়ছোৱাত যিসকল মহানুভৱ ব্যক্তিয়ে সমাজ
আৰু দেশৰ বাবে সেৱা আগবঢ়াই ইহসংসাৰৰ পৰা বিদায় ল'লে,
যিসকল ব্যক্তি ক'ৰণা মহামাৰী
আৰু বানপানীৰ কবলত পৰি অকালতে মৃত্যুক সাবটি ল'লে,
সেইসকল ব্যক্তিলৈ মহাবিদ্যালয়ৰ তৰফৰ পৰা
শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

# সশ্ৰদ্ধ সোঁৱৰণ



**প্ৰয়াত ড° অৰুণ কুমাৰ ৰাউত ৰয়**
প্ৰাক্তন অধ্যক্ষ, কামপুৰ মহাবিদ্যালয়
জন্ম ঃ ১০/৬/১৯৫৬
মৃত্যু ঃ ৪/২/২০২১
কাৰ্যকাল ঃ ১/৯/১৯৭৯ ৰ পৰা ১০/৬/২০১৬ লৈকে



**প্ৰয়াত অজিত বৰা**
প্ৰাক্তন উচ্চ বৰ্গৰ কাৰ্যালয় সহায়ক, কামপুৰ মহাবিদ্যালয়
জন্ম ঃ ১/১/১৯৬২
মৃত্যু ঃ ১০/৩/২০২২
কাৰ্যকাল ঃ ২১/৪/১৯৮৫ ৰ পৰা ৩১/১/২০২২ লৈকে



**প্ৰয়াত শান্তিৰাম লস্কৰ**
প্ৰাক্তন চতুৰ্থ বৰ্গৰ কৰ্মচাৰী, কামপুৰ মহাবিদ্যালয়
জন্ম ঃ ২২/৪/১৯৬৪
মৃত্যু ঃ ১৫/২/২০২১
কাৰ্যকাল ঃ ২৩/৮/২০০২ ৰ পৰা ২৪/৪/২০২৪ লৈকে

২০২১-২২ বৰ্ষত মৃত্যুবৰণ কৰা
আমাৰ মহাবিদ্যালয়ৰ এই সকল ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছোঁ আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

— **সম্পাদনা সমিতি**
কামপুৰ মহাবিদ্যালয়

ড° হিমন্ত বিশ্ব শৰ্মা
**Dr. Himanta Biswa Sarma**

সত্যমেব জয়তে

মুখ্যমন্ত্ৰী, অসম
**Chief Minister, Assam**



# শুভেচ্ছাবাণী

কামপুৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন প্ৰকাশৰ বাবে উদ্যোগ লোৱা হৈছে বুলি জানিবলৈ পাই মই সুখী হৈছোঁ।

মানৱ জীৱনক সমুজ্জ্বল ৰূপত গঢ়ি তুলিবলৈ হ'লে উপযুক্ত তথা গুণগত শিক্ষাৰ প্ৰয়োজন। শিক্ষাই মানসিক জগতৰ সন্তুলন সম্ভৱ কৰি তোলে। জ্ঞানমুখী চেতনাৰে আগুৱাই যোৱাৰ বাবে শক্তি প্ৰদান কৰে। সেই বাবে সত্যনাথ বৰাদেৱে কৈছে যে --- 'বিদ্যা মানৱ মনৰ দিপ্তী, তাৰ ৰশ্মিৰ পোহৰত কাম কৰি মানুহে ধন মান আৰু যশস্যা লাভ কৰে।' সত্যনাথ বৰাই কোৱাৰ দৰে বিদ্যাই মানুহৰ অন্তৰৰ অজ্ঞান আন্ধাৰ দূৰ কৰি মানুহক জ্ঞানৰ জ্যোতিৰে আগুৱাই যোৱাৰ পথ প্ৰদৰ্শন কৰে। আনহাতে ব্যক্তিৰ অন্তৰত নিহিত থকা সুপ্ত প্ৰতিভাৰ উন্মেষ সাধন কৰে। বুদ্ধি প্ৰয়োগৰ প্ৰণালী শিকায়। কৰ্ম শক্তিক উৎসাহ, উদ্যম আৰু অনুপ্ৰেৰণা যোগায়। ব্যক্তিক সক্ষম আৰু কৰ্মমুখী কৰি তোলে। প্ৰজ্ঞা আৰু অধ্যৱসায় অবিহনে এজন বিদ্যাৰ্থীয়ে কৃতিত্বৰ শিখৰত উপনীত হ'বগৈ নোৱাৰে। নিজৰ মনৰ মাজত আত্মবিশ্বাস গঢ়ি তুলিব লাগিলে শিক্ষাৰ আলমত সামাজিক চেতনামুখী দৃষ্টিভংগীৰে আগুৱাই যোৱাৰ প্ৰৱণতা আহৰণ কৰিব লাগিব। আমাৰ দেশৰ নতুন শিক্ষানীতিয়ে যিবোৰ ব্যৱস্থা গ্ৰহণ কৰিছে, তাক প্ৰকৃতাৰ্থত ৰূপায়ণ কৰাৰ দিশত প্ৰতিখন শিক্ষানুষ্ঠানে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব। তেনে দিশেৰে আগুৱাই যোৱাৰ বাবে সৰ্বাত্মক প্ৰয়াস চলালে আমাৰ নতুন প্ৰজন্মই প্ৰকৃত মানৱ সম্পদ হিচাপে নিজকে গঢ়ি তোলাৰ পৰিৱেশ লাভ কৰিব। মহাবিদ্যালয় চৌহদত এনেবোৰ দিশৰ সৰৱ আলোচনা হোৱাটো বাঞ্চনীয়।

মই কামপুৰ মহাবিদ্যালয়ৰ আলোচনীখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশৰ কামনা কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

**ৰণোজ পেগু**
মন্ত্ৰী
শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা
শ্ৰেণীৰ কল্যাণ বিভাগ, অসম চৰকাৰ

সত্যমেব জয়তে

ব্লক - বি, তৃতীয় মহলা,
জনতা ভৱন
দিশপুৰ, গুৱাহাটী - ৭৮১০০৬
দূৰভাষ - ০৩৬১-২২৩৭০২৩ (অঃ)
৯৯৫৪৭০৩৮২৫ (মঃ)
E-mail : ranojpegu@gmail.com



# শুভেচ্ছাবাণী

মই জানিবলৈ পাই সুখী হৈছোঁ যে নগাঁও জিলাৰ অন্তৰ্গত উচ্চ শিক্ষাৰ এক অগ্ৰণী শিক্ষানুষ্ঠান কামপুৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন প্ৰকাশৰ দিহা কৰা হৈছে।

এই শিক্ষানুষ্ঠানখনে প্ৰতিষ্ঠা কালৰ পৰাই শিক্ষা আৰু জ্ঞানৰ পোহৰেৰে উজ্বলাই তুলি ছাত্ৰ-ছাত্ৰীসকলক সময় উপযোগী আৰু গুণগত শিক্ষা প্ৰদান কৰি শত-সহস্ৰ মানৱ সম্পদ গঢ় দিয়াত এক গুৰুদায়িত্ব বহন কৰি অহাৰ লগতে বৃহত্তৰ কামপুৰ অঞ্চলৰ শৈক্ষিক, সাহিত্যিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনত এক বিশেষ অৰিহণা আগবঢ়াই আহিছে। মই আশা কৰোঁ, এই আলোচনীখনে ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভাসমূহ বিকশিত কৰাৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাব। মই সম্পাদনা সমিতিৰ সদস্যসকলক তেওঁলোকৰ এই প্ৰয়াসৰ বাবে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে আলোচনীখনে পাঠকৰ সমাদৰ লাভ কৰিব বুলি আশা কৰি শিক্ষানুষ্ঠানখনৰ উজ্বল ভৱিষ্যত কামনা কৰিলোঁ।

**(ডাঃ ৰণোজ পেগু)**

**Jitu Goswami**
**Member,**
**Assam Legislative Assembly**
**87, Barhampur LAC**

सत्यमेव जयते

**Residence:**
Pratap Sarma Road, Amolapatty,
Nagaon - 782 003 (Assam)



# শুভেচ্ছাবাণী

নগাঁও জিলাৰ উচ্চশিক্ষাৰ এক অন্যতম উচ্চ শিক্ষানুষ্ঠান কামপুৰ মহাবিদ্যালয়ে শিক্ষা দানৰ যোগেদি বৃহত্তৰ কামপুৰ অঞ্চলত শৈক্ষিক পৰিৱেশ এটা সৃষ্টি কৰাত অহোপুৰুষাৰ্থ কৰি আহিছে। সেয়েহে মহাবিদ্যালয়খনৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত সদাশয় ব্যক্তি সকল আৰু মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল ধন্যবাদৰ পাত্ৰ।

শিক্ষানুষ্ঠান সমূহৰ আলোচনী এখন অঞ্চলটোৰ দাপোণ স্বৰূপ। কামপুৰ মহাবিদ্যালয়ে প্ৰতিবছৰৰ দৰে এই বছৰো ‘কামপুৰ মহাবিদ্যালয় আলোচনী’ শীৰ্ষক বাৰ্ষিক আলোচনীখন প্ৰকাশ কৰাৰ কাম হাতত লৈছে বুলি জানিবলৈ পাই নথৈ সুখী হৈছোঁ।

আশা ৰাখিছোঁ, জন্ম লগ্নৰে পৰা আলোচনীখনে মহাবিদ্যালয়খনৰ যি গৌৰৱ বহন কৰি আহিছে এইবাৰো সেই গৌৰৱৰ ধাৰা অব্যাহত ৰাখিব, লগতে অনাগত দিনসমূহত শিক্ষাৰ জ্যোতি অধিক ভাৱে বিলোৱাৰ প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰিব।

আলোচনীখনিৰ প্ৰকাশৰ লগত জড়িত সকলোকে মোৰ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(শ্ৰীজিতু গোস্বামী)



## শুভেচ্ছাবাণী

ঐতিহ্যমণ্ডিত কামপুৰ অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান কামপুৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন প্ৰতিবছৰৰ দৰে এইবাৰো প্ৰকাশৰ দিহা কৰিছে বুলি জানিবলৈ পাই নথৈ সুখী হ'লোঁ। কামপুৰ মহাবিদ্যালয়খনে ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভা বিকাশৰ বিভিন্ন কৰ্মসূচীৰ মাজেৰে যি যৎকিঞ্চিত কামপুৰৰ সমাজ জীৱনক সমৃদ্ধ কৰি আহিছে ইয়াৰ এক অংশ বিশেষ হৈছে মহাবিদ্যালয়খনৰ এই বাৰ্ষিক আলোচনীখন। মই আশা কৰোঁ, আলোচনীখনে এইবাৰো এই মহৎ উদ্দেশ্য সাধন কৰিবলৈ সমৰ্থ হৈ উঠিব। সন্মানীয় অধ্যক্ষ মহোদয়, শিক্ষক-শিক্ষয়িত্ৰী, মৰমৰ ছাত্ৰ-ছাত্ৰী সমন্বিতে আলোচনীখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ কৰিবলৈ অহোপুৰুষাৰ্থ কৰা সকলোলৈকে মোৰ শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(প্ৰবীণ কুমাৰ শৰ্মা)<br>
সভাপতি<br>
কামপুৰ মহাবিদ্যালয় প্ৰশাসনীয় সমিতি



# শুভবাৰ্তা



শিক্ষাবৰ্ষ ২০২১-২২ ৰ বাবে কামপুৰ মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ হোৱাত মই সুখী হৈছোঁ। মই আন্তৰিকতাৰে আশা কৰোঁ যে আলোচনীখন মহাবিদ্যালয়ৰ শিক্ষাৰ্থী আৰু শিক্ষক উভয়ৰ বাবে উপযোগী আৰু উপভোগ্য হ'ব।

মই এইটোও নিশ্চিত যে এই শিক্ষাবৰ্ষৰ আলোচনীখনে মহাবিদ্যালয়ৰ শিক্ষকসকলৰ লগতে শিক্ষাৰ্থীসকলৰ বাবে ভৱিষ্যতে নিয়মীয়াকৈ প্ৰবন্ধ, গল্প, কবিতা আদি আগবঢ়োৱাৰ বাবে অনুপ্ৰেৰণাৰ উৎস হিচাপে কাম কৰিব।

কামপুৰ মহাবিদ্যালয়ৰ আলোচনীখন সফলতাৰে প্ৰকাশ কৰি উলিওৱাৰ বাবে ইয়াৰ লগত জড়িত প্ৰতিজন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীক মোৰ হৃদয়ৰ অন্তঃকোণৰ পৰা অভিনন্দন জ্ঞাপন কৰিলোঁ।

(ড° অসীম বৰা)
অধ্যক্ষ
কামপুৰ মহাবিদ্যালয়, কামপুৰ




কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অসীম বৰা

 

# তত্ত্বাৱধায়কৰ একাষাৰ...

**ন**গাঁও জিলাৰ দক্ষিণ অংশত অৱস্থিত কামপুৰৰ একমাত্র উচ্চ শিক্ষানুষ্ঠানখন হৈছে কামপুৰ মহাবিদ্যালয়। এই মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা মহাবিদ্যালয়খনৰ বাৰ্ষিক আলোচনীখনিয়ে অঞ্চলটোৰ শৈক্ষিক, সাহিত্য তথা সাংস্কৃতিক ক্ষেত্ৰখনতো বিশিষ্ট অৱদান আগবঢ়াই আহিছে। মহাবিদ্যালয়খনৰ এই বৌদ্ধিক যাত্ৰাক গতিশীল কৰি তোলাৰ মানসেৰে এইবাৰো ২০২১-২২ বৰ্ষৰ বাৰ্ষিক আলোচনীখন প্ৰকাশ কৰা হৈছে। আলোচনীখনৰ তত্ত্বাৱধায়ক হিচাপে আমাৰ অনুভৱ বৰ উৎসাহজনক নহয়। বিশেষকৈ ছাত্ৰ-ছাত্ৰী সকলৰ পৰা লেখা বিচাৰি দুবাৰ তিনিবাৰকৈ তাগিদা দিয়াৰ পাছতো পৰ্যাপ্ত লেখা পোৱা নাছিলোঁ। যিখিনি লেখা পোৱা হৈছিল তাৰ সৰহখিনিৰে মানদণ্ড আশানুৰূপ নাছিল। তথাপি মহাবিদ্যালয়ৰ বিভাগীয় প্ৰাচীৰ পত্ৰিকা সমূহৰ পৰা নিৰ্বাচিত কিছু লেখা সংগ্ৰহ কৰি আৰু শিক্ষকসকলৰ লেখা সমূহ সন্নিৱিষ্ট কৰি আলোচনীখন প্ৰকাশৰ উপযোগী কৰিবলৈ প্ৰয়াস কৰা হৈছে।

যিহেতু বছৰটোৰ দুটাকৈ বিনাশকাৰী বানে যোৱা দুটা মাহত বৃহত্তৰ কামপুৰ অঞ্চলক জুৰুলা কৰি ৰাখিছে। এনে পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীৰ পৰা সৃষ্টিশীল কৰ্ম আশানুৰূপভাৱে নোপোৱাটোৱেই স্বাভাৱিক। কামপুৰলৈ সুস্থিৰ জীৱন প্ৰবাহ ঘূৰি আহিবলৈ আৰু বহুদিনৰ প্ৰয়োজন হ'ব। কামপুৰৰ সাহিত্য সংস্কৃতি ক্ষেত্ৰখনলৈ স্বাভাৱিক স্বচ্ছলতা আহিবলৈও কিছু সময়ৰ প্ৰয়োজন হ'ব। কামপুৰৰ নতুন প্ৰজন্মৰ মাজত প্ৰচুৰ সম্ভাৱনা আছে বুলি আমাৰ বিশ্বাস। কোনো দুৰ্যোগেই এই সম্ভাৱনাক দীৰ্ঘ সময়লৈ হেঁচি ৰাখিব নোৱাৰে। ভৱিষ্যতলৈ আশা কৰিম যে ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যক্ৰমৰ শিক্ষাৰ লগতে সাহিত্য সংস্কৃতিৰ সৃষ্টিশীল কৰ্মৰাজিতো সমানে মনোনিৱেশ কৰি নিজৰ লগতে কামপুৰ অঞ্চলৰ সাহিত্য সংস্কৃতি আৰু বৌদ্ধিক ক্ষেত্ৰখনক সমৃদ্ধ কৰি তুলিবলৈ সমৰ্থ হৈ উঠিব।

শেষত আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত বিশেষভাৱে দিহা-পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়খনৰ মাননীয় অধ্যক্ষ ড° অসীম বৰা ছাৰ, সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ সম্পাদনা সমিতিৰ সদস্য তথা শিক্ষক-শিক্ষয়িত্ৰীসকল, লেখা আগবঢ়োৱা লেখক-লেখিকাসকল, ছাত্ৰ একতা সভাৰ বিষয়-ববীয়াসকলৰ সমন্বিতে সকলোলৈকে কৃতজ্ঞতা যাচিছোঁ। সম্প্ৰতি এই বানপানীৰ দুৰ্যোগৰ মাজতো আলোচনীখন ছপা কৰি উলিয়াই দিয়াৰ বাবে গিগাবাইট্‌চ প্ৰেছ এণ্ড পাব্লিকেশ্যনৰ স্বত্বাধিকাৰী শ্ৰীযুত কংকন গোস্বামী আৰু সমূহ কৰ্মচাৰীবৃন্দলৈ ধন্যবাদ জনাইছোঁ। তত্ত্বাৱধায়কৰ দায়িত্ব পালনত যদি কিবা ভুল ভ্ৰান্তি হৈ গৈছে তাৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিছোঁ।

বিনয়েৰে —

ৰিজু লস্কৰ  
প্ৰশান্ত লস্কৰ  
তত্ত্বাৱধায়কদ্বয়  
কামপুৰ মহাবিদ্যালয় আলোচনী



# সম্পাদকীয়...

মহাবিদ্যালয়ৰ আলোচনীখন মহাবিদ্যালয়খনৰ দাপোণ স্বৰূপ। ইয়াত মহাবিদ্যালয়খনৰ শিক্ষা, কলা-সাহিত্য, সংস্কৃতি, খেলা আদি বিভিন্ন দিশ প্ৰতিফলিত হয়। মহাবিদ্যালয়খন ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক, সাহিত্যিক, সাংস্কৃতিক আৰু ক্ৰীড়া ক্ষেত্ৰৰো কঠীয়াতলী সদৃশ। ইয়াৰ পৰাই নিজ নিজ প্ৰতিভাৰে ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতে নিজক প্ৰতিষ্ঠিত কৰিবলৈ সুযোগ পায়। সাহিত্যৰ বিশাল পথাৰখনত খোজ পেলোৱাৰ ক্ষেত্ৰতো মহাবিদ্যালয়ৰ আলোচনীখন এক বাটচ'ৰা। ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভাৰ বিকাশ ঘটোৱাত মহাবিদ্যালয়ৰ আলোচনীখনে বিশেষ ভূমিকা পালন কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অধ্যয়ন, সাহিত্যচৰ্চা, চিন্তাধাৰা আৰু প্ৰমূল্যবোধৰ উত্তৰণ ঘটাই সামাজিক শ্ৰীবৃদ্ধিতো আলোচনীখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

সেয়েহে মহাবিদ্যালয়ৰ আলোচনীখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক উৎকৰ্ষ সাধনৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সুচিন্তা, সু-অভ্যাস আৰু সু-সংস্কাৰৰ বাবে অনুপ্ৰাণিত কৰিবলৈ এই আলোচনীখন প্ৰকাশৰ প্ৰয়াস কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ পৰা সংগ্ৰহ কৰা লেখা কম হোৱাত মহাবিদ্যালয়ৰ বিভাগীয় প্ৰাচীৰ পত্ৰিকাসমূহৰ পৰা কিছু নিৰ্বাচিত লেখা আৰু শিক্ষাগুৰুসকলে আগবঢ়োৱা লেখাসমূহ সন্নিৱিষ্ট কৰি আলোচনীখন প্ৰকাশৰ ৰূপ দিয়াটো সম্ভৱ হৈ উঠিল। অৱশ্যে কৰোনা মহামাৰীৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল কৰ্মৰ ধাৰাটোত কিছু পৰিমাণে স্থবিৰতা আহি পৰিছিল। শেহতীয়াকৈ বৃহত্তৰ কামপুৰ অঞ্চলত দুবাৰকৈ হোৱা প্ৰলয়ংকাৰী বানপানীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ বিদ্যায়তনিক দিশ আৰু মানসিক স্থিতি অস্থিৰ কৰি ৰাখিছিল। তথাপি প্ৰাকৃতিক দুৰ্যোগে সৃষ্টি কৰা প্ৰত্যাহ্বানকো নেওচি সময়ৰ সৈতে খোজ মিলাই যিসকল ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুৱে লেখাসমূহ প্ৰদান কৰিলে সেই সকলোকে মোৰ ফালৰ পৰা অশেষ কৃতজ্ঞতা জনাইছোঁ।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত যিসকলে বিভিন্ন দিহা-পৰামৰ্শৰে সহায়-সহযোগিতা আগবঢ়ালে সেই সকলকো আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে অনুমতি আৰু দিহা-পৰামৰ্শৰে আলোচনীখন প্ৰকাশত সহায়-সহযোগিতা আগবঢ়াই আমাক কৃতাৰ্থ কৰিলে। তেখেতলৈ আমি আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আলোচনীখনৰ তত্ত্বাৱধায়কৰ গুৰু দায়িত্বত থকা ভূগোল বিভাগৰ অধ্যাপিকা শ্ৰীযুতা ৰিজু লস্কৰ বাইদেউ আৰু হিন্দী বিভাগৰ অধ্যাপক শ্ৰীযুত প্ৰশান্ত লস্কৰ ছাৰৰ সহায়-সহযোগিতা, দিহা-পৰামৰ্শ অবিহনে আলোচনীখন প্ৰকাশ কৰাটো সম্ভৱ নহ'লহেঁতেন। দুয়োগৰাকীকে আন্তৰিক ধন্যবাদ জনালোঁ। আলোচনীখনৰ সকলো দিশতে সহায় সহযোগ কৰা আলোচনীখনৰ সম্পাদনা সমিতিৰ সদস্যবৃন্দলৈ আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকললৈও কৃতজ্ঞতা জনালোঁ। আলোচনীখন সুন্দৰকৈ ছপা কৰা গিগাবাইট্চ প্ৰেছ এণ্ড পাব্লিকেশ্যনক ধন্যবাদ জনালোঁ।

সৰ্বশেষত আলোচনীখনত জ্ঞাতে-অজ্ঞাতে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা মাগিলোঁ।

জয়তু কামপুৰ মহাবিদ্যালয়।

ধন্যবাদেৰে—

ৰিচা বৰা
আলোচনী সম্পাদিকা
কামপুৰ মহাবিদ্যালয় আলোচনী

# সূচীপত্ৰ


<u>অসমীয়া শিতান</u>

**<u>প্ৰবন্ধ</u>**

- এক সন্ধিক্ষণত নতুন প্ৰজন্ম ☛ **ভাৰতী প্ৰজাপতি**।। ১
- বিপ্লৱ এনেকৈয়ো আহে... ☛ **সঞ্জীৱ হাজৰিকা**।। ৩
- ভাৰতৰত্ন ড° এ.পি.জে. আব্দুল কালাম ☛ **ৰিচা বৰা**।। ৫
- অসমীয়া বিহু আৰু ভাষাত আধুনিকতাৰ বৰষুণ ☛ **বৰষা বৰা**।। ৭
- অভিশপ্ত ২০২০ ☛ **লিপিকা বৰুৱা**।। ৯
- ভেলেণ্টাইন ডে'ৰ তাৎপৰ্য ☛ **পলী দেৱী**।। ১১
- জীৱশ্ৰেষ্ঠ মানৱৰ পাশৱিকতা ☛ **বন্দিতা দেৱী**।। ১৩
- সাম্প্ৰতিক সময়ত মূল্যবৃদ্ধিৰ প্ৰভাৱ ☛ **ৰক্তিম শইকীয়া**।। ১৫
- 'জীৱনৰ বাটত' উপন্যাসত প্ৰতিফলিত সামাজিক অন্যায় আৰু... ☛ **ড° কুশল টাইদ**।। ১৭
- শিক্ষাই জীৱন, জীৱনেই শিক্ষা ☛ **ৰুবী দত্ত**।। ২৩
- সফলতাৰ ধ্ৰুৱতৰা ☛ **ড° জ্যোতিৰূপা ডেকা**।। ২৬
- মেৰী ওলষ্টুনক্ৰেফ্‌ট প্ৰথম নাৰীবাদী মহিলা চিন্তাবিদ ☛ **ড° নুৰুল হাছান**।। ২৯
- জীৱন গঢ়াত মানুহ ☛ **পাৰুল ভূঞা**।। ৩১
- সঠিক বৃত্তি (কেৰিয়াৰ) নিৰ্বাচন ঃ ছাত্ৰজীৱনৰ এটা গুৰুত্বপূৰ্ণ পদক্ষেপ ☛ **দীপ কলিতা**।। ৩৪
- ভাৰতীয় যুৱসমাজৰ জনগাঁথনিগত লভ্যাংশ আৰু দেশৰ প্ৰগতি ☛ **ড° প্লাৱিকা নেওগ**।। ৩৬
- নাৰী আৰু পৰিবেশ সংৰক্ষণ ঃ সৰ্বভাৰতীয় প্ৰেক্ষাপটত পৰিবেশকেন্দ্ৰিক... ☛ **বনশ্ৰী দেৱী**।। ৩৮
- অসমত কৃষক বিদ্ৰোহৰ বাটকটীয়া 'ফুলগুৰি ধেৱা' ঃ এক... ☛ **ড° মণ্টু চেতিয়া**।। ৪২
- প্ৰাচীন অসমৰ লোকধৰ্ম হিচাপে শাক্ত ধৰ্ম ☛ **জুৰি দেৱী**।। ৪৫
- কামপুৰৰ বানপানী — এক সংক্ষিপ্ত ভৌগোলিক বিশ্লেষণ ☛ **ৰিজু লস্কৰ**।। ৪৮

**<u>গল্প</u>**

- এখন নৈৰ আৰ্তনাদ ☛ **জোনমণি ৰাজখোৱা**।। ৫৪
- সময়ৰ চাকনৈয়া ☛ **হীমা দাস**।। ৫৫
- ক্ষমা প্ৰাৰ্থনা ☛ **ভৱানী প্ৰজাপতি**।। ৫৬

**<u>কবিতা</u>**

- প্ৰেম গাথা ☛ **মিনি দেৱী**।। ৫৮
- এমুঠি গদ্যৰ কথকতা ☛ **জ্যোতিৰেখা কলিতা**।। ৫৮
- প্ৰাৰ্থনা ☛ **পান্নালাল পুৰকায়স্থ**।। ৫৯
- দেউতা ☛ **ধৰিত্ৰী বড়ো**।। ৬০
- ধৰাৰ বিননি ☛ **ৰুবলী বৰা**।। ৬০

- নাৰী তুমি অনন্যা ☛ **বন্দিতা দেৱী**।। ৬১
- বসুন্ধৰাৰ দুৰ্দশা ☛ **পংখী গোঁহাই**।। ৬১
- শ্বহীদ তুমি মহান ☛ **স্বৰূপ ৰয়**।। ৬২
- বন্ধুত্ব ☛ **ভাৰতী প্ৰজাপতি**।। ৬২
- আহ্বান ☛ **মুনি হাঞ্চে**।। ৬৩
- প্ৰতিবাদী কণ্ঠ ☛ **চিন্ময় চৌধুৰী**।। ৬৩
- প্ৰাণ পোৱাৰ পিছত ☛ **সুৰুজমনি দেৱী**।। ৬৪
- মই ভবাৰ দৰেই সকলো নহয় ☛ **নিপন ৰাজখোৱা**।। ৬৪


## English Section

- The Role of Draupadi in Mahabharata ☛ **Kabyashree Saikia**।। ৬৭
- Sudraka's Mrichchhakatikam ☛ **Basumati Das**।। ৬৯
- Indian English Poetry : An Overview ☛ **Dr. Nalini Bora**।। ৭১
- Global Warming and its impact ☛ **Bhalindar Singh**।। ৭৪
- Use of E-resource repositories for online access... ☛ **Deepamoni Das**।। ৭৬
- I'm a warrior until I die ☛ **Sikandar Ali**।। ৮০


## हिन्दी अनुभाग

- सफाई एक सन्धान ☛ **भूपेन शर्मा**।। ৮৩
- सर्व शिक्षा अभियान के लक्ष्य एवं उदेश्य ☛ **सुमन बरा**।। ৮৮
- हिन्दी भाषा का उद्‌भव ☛ **हिमाक्षी देवी**।। ৯০
- असम में भक्ति आन्दोलन ☛ **प्रशांत लस्कर**।। ৯১
- धैर्य ☛ **भवानी प्रजापति**।। ৯৫
- कलम ☛ **भारती प्रजापति**।। ৯৫
- मैं एक सैनिक हुँ ☛ **सुमन बरा**।। ৯৬
- मेरा देश ☛ **महानन्द बरदलै**।। ৯৬


## অন্যান্য শিতান

- সভাপতিৰ প্ৰতিবেদন...।। ৯৯
- সাধাৰণ সম্পাদকৰ প্ৰতিবেদন...।। ১০১
- সহ-সাধাৰণ সম্পাদকৰ প্ৰতিবেদন...।। ১০৩
- গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন...।। ১০৫
- লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন...।। ১০৬
- সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন...।। ১০৭
- তৰ্ক শাখা সম্পাদকৰ প্ৰতিবেদন...।। ১০৮
- ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন...।। ১০৯
- ২০২১-২২ বৰ্ষৰ কামপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য।। ১১০
- কামপুৰ মহাবিদ্যালয়ৰ প্ৰকাশিত আলোচনীসমূহৰ সম্পাদক আৰু তত্বাৱধায়কসকল।। ১১১
- ২০২১-২২ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ বিভিন্ন প্ৰতিযোগিতাসমূহৰ ফলাফল।। ১১২

# অসমীয়া
# শিতান



# এক সন্ধিক্ষণত নতুন প্ৰজন্ম

☛ **ভাৰতী প্ৰজাপতি**
চতুৰ্থ যান্মাসিক

**প্ৰ**তিটো সূৰ্য্যোদয়ৰ সোণালীপুৱাত পৃথিৱীখন উদ্ভাসি উঠাৰ দৰে প্ৰতিটো নৱপ্ৰজন্মৰ স্বাভিমান আৰু উদ্দীপনাৰে উদ্দীপিত হৈ উঠে সমাজ, ৰাষ্ট্ৰ। নৱনিৰ্মাণৰ সেন্দূৰীয়া বাটত আগবাঢ়ে দেশ।

যুৱ শক্তি হ'ল দেশৰ মূল চালিকা শক্তি। যুগে যুগে যুৱশক্তিয়ে দেশ আৰু জাতিৰ উন্নয়নত তথা উন্নয়নৰ ইতিহাসত নিৰ্ণায়ক ভূমিকা পালন কৰি আহিছে।

লকডাউনে ভাঙি পেলোৱা অসমৰ অৰ্থনীতি, হতাশ কৰ্মহীন দিশহাৰা নতুন প্ৰজন্মৰ সন্মুখত এতিয়া বহুতো প্ৰশ্ন আহি পৰিছে।

প্ৰশ্নবোৰৰ উত্তৰ বিচাৰি বিচাৰি গৈ থাকিলে আমি য'ত ৰৈ যাওঁগৈ সেই ৰৈ যোৱাৰ পৰাই আচলতে নতুন উত্তৰ বিচৰাৰ প্ৰস্তুতি এটা আৰম্ভ কৰিব লাগিব। ভৱিষ্যৎ নিৰ্মাণৰ যুদ্ধখন নিজৰ পৰাই আৰম্ভ কৰিব লাগিব।

এই প্ৰতিযোগিতা, এই দৌৰৰ গুৰুত্ব, নিজক নিৰ্মাণৰ কষ্টকৰ অনুশীলন এইবোৰৰ একোকেই আচলতে নস্যাৎ কৰিব নোৱাৰি। কিন্তু মূল কথাটো হ'ল নিজক এককভাৱে তুলি ধৰোঁতেই সকলো যাত্ৰাৰ অন্ত নপৰে। উত্তৰণৰ যাত্ৰা আচলতে চলিব লাগিব সামূহিক স্তৰত।

উল্লেখনীয় যে প্ৰতিযোগিতাৰ নিগনি দৌৰত যুৱচাম স্বনিৰ্ভৰশীল হ'বই লাগিব। ধন উপাৰ্জন কৰিবই লাগিব। কিন্তু কেৱল ধন ঘটিলেই নহ'ব। ধনৰ ওপৰতো কি থাকে? সততা, নৈতিকতা, সমাজৰ প্ৰতি দায়িত্ব। তাতকৈও ওপৰত প্ৰেম, মানৱীয়তা। গতিকে যুৱ প্ৰজন্মৰ দায়িত্ব অধিক।

সমান্তৰালভাৱে ৰাজনীতিৰ পথাৰখনত এতিয়া নতুন মুখৰ প্ৰয়োজন হৈছে। যি নতুন মুখ আহিব লাগিব উদ্যমভৰা যুৱ সমাজৰ পৰা। আজিৰ যুৱশক্তিয়ে জ্ঞানপুষ্ট হৈ সমাজখন ধৰি ৰাখিব লাগিব। সংসদৰ মজিয়াত বলিষ্ঠ কণ্ঠেৰে ৰাইজৰ সমস্যাবোৰ উপস্থাপন কৰিব লাগিব। দাবী তথা প্ৰাপ্য অধিকাৰবোৰ সজোৰে উত্থাপন কৰিবও লাগিব। তেতিয়াহে অসমৰ ৰাজনীতিত নতুন দিগন্তৰ সূচনা হ'ব।

যিমানেই প্ৰত্যাহ্বান নহওক কিয় যুৱছামে প্ৰাণটাকি

যুঁজিব লাগিব। জাতি, ভাষা থাকিলেহে দেশ থাকিব। গতিকে নিজৰ জননীৰ ওপৰত হোৱা প্ৰতিটো অন্যায়ৰ প্ৰতিবাদো কৰিব লাগিব। জাতিৰ সুৰক্ষাৰ বাবে আমাৰ যুৱ প্ৰজন্মই দেখুৱাব পাৰিব লাগিব যে দেশ জাতি সমাজ উদ্ধাৰ আৰু ৰক্ষাৰ বাবে তেওঁলোক প্ৰস্তুত। এজন ভাল ৰাজনীতিক হ'বলৈ প্ৰথমেই এজন অধ্যয়নশীল ভাল ছাত্ৰ হ'ব লাগিব। এজন ছাত্ৰৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য হৈছে অধ্যয়ন আৰু জ্ঞানাৰ্জন। যুৱশক্তি হ'ল সমাজৰ এক অভিন্ন অংগ। গতিকে যুৱছাত্ৰ সমাজৰ প্ৰতি সম্পূৰ্ণ উদাসীন হ'ব সেইটো গ্ৰহণযোগ্য কথা নহ'ব। নিজৰ সমাজখনক বিভিন্ন সমস্যা, অন্যায় অনীতি, কু-সংস্কাৰ আদিৰ পৰা মুক্ত কৰাৰ চিন্তা চৰ্চা কৰাটোও একোজন ছাত্ৰৰ দায়িত্বৰ ভিতৰত পৰে। তদুপৰি একোজন সুদক্ষ নাগৰিক হ'বলৈ তেওঁলোকৰ সমসাময়িক ৰাজনীতি, সমাজনীতি, বুৰঞ্জী, অৰ্থনীতি, ভূগোল আদিৰ লগতে বৈদেশিক নীতি, কূটনীতি, আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আদিৰ বিষয়ে জ্ঞান থকাতো অতিকৈ জৰুৰী।

যুৱশক্তিৰ কথা লিখি বিপ্লৱৰ কথা নিলিখিলে আধৰুৱা হ'ব। বিপ্লৱৰ অৰ্থ শীৰ্ষক ৰচনাত বিষ্ণু প্ৰসাদ ৰাভাই লিখিছিল সামাজিক অৱস্থাৰ পৰিবৰ্তনৰ অৰ্থ হৈছে 'বিপ্লৱ'। অৰ্থাৎ যুৱশক্তিয়ে কেৱল ৰাজপথত বিপ্লৱ কৰিলেই নহ'ব। যুৱশক্তিয়ে বিপ্লৱ কৰক দৰিদ্ৰতাৰ বিৰুদ্ধে, যুৱশক্তিয়ে বিপ্লৱ কৰক দুৰ্নীতিৰ বিৰুদ্ধে, যুৱশক্তিয়ে বিপ্লৱ কৰক কু-সংস্কাৰৰ বিৰুদ্ধে, যুৱশক্তিয়ে বিপ্লৱ কৰক নিবনুৱা সমস্যাৰ বিৰুদ্ধে। বিপ্লৱ যদি চিৰাচৰিত সত্য তেন্তে এই বিপ্লৱ হওক শিল্পৰ বিপ্লৱ, শিক্ষাৰ বিপ্লৱ, কৰ্মসংস্কৃতিৰ বিপ্লৱ।

আমি কিমান কি হেৰুৱালোঁ! কিমান যুৱশক্তি হেৰুৱালোঁ! হাবিত হেৰুৱালোঁ, ৰাস্তাত হেৰুৱালোঁ, কাৰাগাৰত হেৰুৱালোঁ।

এতিয়া হেৰুৱাৰ সময় নহয়, পোৱাৰ সময়।

শ্বহীদ নালাগে, নেতা লাগে। যোগ্য, দক্ষ, আদৰ্শৱান আৰু অসমক নিস্বাৰ্থভাৱে ভালপোৱা যুৱশক্তিক লাগে।

এথূপ মানুহে, এখন সমাজে, এটা জাতিয়ে আশাৰ দৃষ্টিৰে এতিয়াও যুৱচামলৈকে মূৰ তুলি চাই আছে। ■

## মহৎ বাণী

☛ তিনিজন উপকাৰীৰ উপকাৰ পৰিশোধ কৰা টান
**— পিতৃ-মাতৃ, অভিভাৱক আৰু গুৰুজন।**

☛ তিনিজনৰ সংগ এৰা
**— জুৱাৰী, মদাহী আৰু ব্যভিচাৰী।**

☛ তিনিটা বস্তু নিজৰ মনৰ পৰা মচি পেলোৱা
**— লোভ, খং আৰু দ্বেষ।**

☛ তিনিজনক বাধা নিদিবা
**— ধৰ্ম প্ৰচাৰ কৰোঁতাক, দান দিওতাক আৰু শুশ্ৰূষা কৰোঁতাক।**

☛ তিনিটা সদায় নিজৰ কৰি লোৱা
**— সত্য, ধৰ্ম আৰু সদাচাৰ।**

☛ তিনিটা গুণ আয়ত্ত কৰা
**— নম্ৰতা, সৰলতা আৰু ভদ্ৰতা।**

☛ তিনিটা বস্তু নাচাবা
**— নিজৰ গুণ, আনৰ দোষ আৰু দুষ্টৰ মহত্ব।**



# বিপ্লৱ এনেকৈয়ো আহে...

☛ **সঞ্জীৱ হাজৰিকা**
চতুৰ্থ ষান্মাসিক

বিষ্ণুপ্ৰসাদ ৰাভাদেৱে ভাৰতবৰ্ষৰ স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত এই স্বাধীনতা ভুৱা বুলি কৃষক শ্ৰমিকৰ সৰ্বাঙ্গীণ মুক্তিৰ লক্ষ্যৰে নতুন সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ বিপ্লৱ আগবঢ়াই নিছিল। তাৰ পৰৱৰ্তী সময়ত অসম ভাষা আন্দোলন, মাধ্যম আন্দোলন, অসম আন্দোলন আদি নানানটা বিপ্লৱৰ সাক্ষী হ'ল। শেহতীয়াকৈ ২০১৯ বৰ্ষত অসম আৰু ইয়াৰ জনগণ সাক্ষী হৈ ৰ'ল আন এটা গুৰুত্বপূৰ্ণ বিপ্লৱৰ। বিভিন্ন সংগঠনকে ধৰি অসমৰ সাধাৰণ ৰাইজে নাগৰিকত্ব সাংশোধনী আইন বাতিল কৰিবৰ বাবে বিপ্লৱ কৰিলে। যাক সকলোৱে 'কা আন্দোলন' বুলি অভিহিত কৰিলে। কিন্তু এই বিপ্লৱ বা আন্দোলনসমূহৰ সমান্তৰালভাৱে আমি অন্য এক বিপ্লৱো আৰম্ভ কৰিব লাগিব। সেই বিপ্লৱ বা আন্দোলন হৈছে ভাষা-সংস্কৃতিৰ বিপ্লৱ। সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই বিপ্লৱ বৰ্তমান যথেষ্ট জৰুৰী হৈ পৰিছে। কাৰণ আমি আমাৰ আপুৰুগীয়া তথা সোণসেৰীয়া সংস্কৃতি যিদৰে বৰ্তমান অৱজ্ঞা কৰি আহিছোঁ, অপ্ৰিয় হ'লেও সত্য যে আজি আমাৰ মাজৰ বহুজনে অসমীয়া ভাষাটো শুদ্ধকৈ ক'ব বা লিখিব নাজানে। যুগে যুগে এক দীঘলীয়া পৰিক্ৰমাৰ অন্তত গঢ় লৈ উঠা অতি চহকী অসমীয়া ভাষাটোক আজি আমি প্ৰতিক্ষণতে অৱহেলা কৰিছোঁ। আমি আমাৰ সন্তানক মাত ফুটা বয়সৰ পৰাই নিজৰ সুৱদি-সুৰীয়া শব্দবোৰ শিকোৱাৰ

পৰিৱৰ্তে কিছুমান ইংৰাজী শব্দ শিকাবলৈ যত্নপৰ হওঁ। অথচ অসমীয়া ভাষাত ইমান সুৰীয়া সুমধুৰ শব্দ আছে। ফলত শিশুটোৱে নিজৰ সুৱদি সুৰীয়া শব্দবিলাকৰ লগত চিনাকি হোৱাৰ পৰা বিৰত থাকিবলগীয়া হয়। নিজৰ মাতৃভাষাটো বাৰে বাৰে এনেদৰেই আমাৰ পৰা অৱহেলিত হৈ আহিছে। অসমীয়া ভাষাটোৰ অস্তিত্বৰ সংকট নামি আহিছে। দিনে দিনে অসমীয়া ভাষীৰ সংখ্যাও কমি আহিছে।

আনহাতে অসমত অজস্ৰ সোণসেৰীয়া কৃষ্টি সংস্কৃতিমূলক পৰম্পৰা আছে, যিবোৰ লৈ এটা জাতিয়ে গৌৰৱবোধ কৰিব পাৰে, পৃথিৱীৰ বুকুত এক সুকীয়া স্থান দখল কৰিব পাৰে। অথচ আমি আজি নিজকে আধুনিক সজাবলৈ গৈ সেই কৃষ্টি-সংস্কৃতি-পৰম্পৰাক দলিয়াই দিছোঁ। তাৰ পৰিবৰ্তে আমি বহিৰাগত কৃষ্টি-সংস্কৃতি-পৰম্পৰাক আঁকোৱালি লৈছো। আজি আমি কিমানজনে নিজৰখিনিক শুদ্ধকৈ, নীতি-নিয়মেৰে পালন কৰিছোঁ। আমাৰ বাপতি সাহোন বিহু তিনিটাকে জানো শুদ্ধৰূপত উপস্থাপন কৰিব পাৰিছো? আমাৰ সন্তানক কাতি বিহু, মাঘ বিহু বা বহাগ বিহুৰ ৰীতি-নীতি, লোকাচাৰসমূহ শুদ্ধৰূপত দেখুৱাব পাৰিছোনে? তাৰ পৰিবৰ্তে কিন্তু আমি বাহিৰৰ পৰা আমদানি কৰা উৎসৱ পাৰ্বণসমূহক লাহে লাহে আঁকোৱালি লৈছোঁ আৰু পালনো কৰিছোঁ। গতিকে কথাবোৰ সূক্ষ্মভাৱে ভাবি চাবৰ হ'ল। নিজৰ ভাষা-কৃষ্টি-সংস্কৃতি-পৰম্পৰা বেয়া বুলি দলিয়াই পেলাওঁতে বিদেশী আহি আমাৰ বৰঘৰত থিতাপি লোৱাৰ উপক্ৰম হ'ল। সেয়েহে যিখিনি সময় আমাৰ হাতত বাচি আছে, সেইখিনি সময়ৰ ভিতৰতে আমি পণ ল'ব লাগিব আমাৰ ভাষা-কৃষ্টি-সংস্কৃতি পৰম্পৰাক উদ্ধাৰ কৰি সম্পূৰ্ণ শুদ্ধ ৰূপেৰে পালন কৰিবলৈ।

সেয়েহে আহকচোন, আমি এক সংকল্প লওঁ যে, আজিৰ পৰাই আমাৰ ভাষাটোক শুদ্ধকৈ ক'বলৈ বা লিখিবলৈ শিকোঁ। তাৰ লগতে আহকচোন, আমাৰ সন্তান বা উঠি অহা চামক সুৱদি-সুৰীয়া আমাৰ ভাষাৰ সুন্দৰ সুন্দৰ শব্দবোৰ শিকোৱাৰ লগতে আমাৰ ভাষাৰ সম্বন্ধসূচক শব্দবোৰৰ জৰিয়তে আমি ইজনে-সিজনৰ মাজত আত্মীয়তাৰ বান্ধোন গঢ়োঁ। লগতে আমাৰ সোণসেৰীয়া কৃষ্টি সংস্কৃতি পৰম্পৰাক নিৰ্দিষ্ট নীতি-নিয়মেৰে পালন কৰিবলৈ লওঁ। অনা অসমীয়াৰ উৎসৱ পাৰ্বণসমূহ আমি পালন কৰাৰ পৰিবৰ্তে আমাৰ উৎসৱ পাৰ্বণসমূহ সুন্দৰকৈ পালন কৰিবলৈ শিকোঁ। আহক আমি আটায়ে আমাৰ অসমীয়া ভাষা-কৃষ্টি-সংস্কৃতি-পৰম্পৰাৰ ৰক্ষাৰ হ'কৈ এক নতুন বিপ্লৱত জঁপিয়াই পৰোঁ। ■



আনৰ দোষ-গুণ বা আনে কি কৰিলে, কি নকৰিলে, তালৈ চকু নিদি নিজে কি কৰিছে বা কৰা নাই তালৈহে চকু দিয়া উচিত।

**— বুদ্ধদেৱ**



# ভাৰতৰত্ন ড° এ.পি.জে. আব্দুল কালাম

☛ **ৰিচা বৰা**
চতুৰ্থ যাণ্মাসিক

‘‘মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ
আমিও কৰিব পাৰো জীৱন গঢ়িত।
অভিনয় শেষ হ’লে আয়ু বেলি মাৰ গ’লে
থৈ যাব পাৰো খোজ সময় বালিত।।’’

ড° এ.পি.জে. আব্দুল কালামৰ জন্ম হৈছিল ১৯৩১ চনৰ ১৫ অক্টোবৰত। তেওঁৰ সম্পূৰ্ণ নাম আছিল আবুল পকিৰ জয়নুলাবাদীন আব্দুল কালাম। তেওঁৰ দেউতাকৰ নাম জয়নুলাবেদীন আৰু মাকৰ নাম আছিল আচিয়াম্মা। মাক--দেউতাকৰ পাঁচজন সন্তানৰ ভিতৰত কালাম আছিল সকলোতকৈ সৰু।

তেওঁ তামিলনাডুৰ ৰামেশ্বৰমৰ এটা দুখীয়া পৰিয়লত জন্ম লৈ অতি কষ্টেৰে শৈশৱ কাল পাৰ কৰিছিল।

শিক্ষা ঃ এ.পি.জে. আব্দুল কালামৰ শিক্ষা জীৱন আৰম্ভ হৈছিল ৰামনাথপুৰমৰ শ্বাৰ্টজ স্কুলত। ইয়াৰ পৰা আই.এ. (এতিয়াৰ হায়াৰ ছেকেণ্ডেৰী) পাছ কৰি তিৰুচিৰাপল্লীৰ ছেণ্ট জোছেফ কলেজৰ পৰা পদাৰ্থ বিজ্ঞানত স্নাতক ডিগ্ৰী লাভ কৰিছিল। ১৯৬০ চনত মাদ্ৰাজ ইন্সটিটিউট অৱ টেকন'লজিৰ পৰা এৰ'নটিকেল ইঞ্জিনীয়াৰিং ডিগ্ৰী সফলতাৰে অৰ্জন কৰিছিল।

ছাত্ৰ হিচাপে তেওঁ অত্যন্ত পৰিশ্ৰমী আৰু উচ্চাকাংক্ষী আছিল। পৰিয়ালৰ অভাৱ অনাটনৰ মাজতো তেওঁ হতাশ হোৱা নাছিল। প্ৰচণ্ড ইচ্ছা শক্তিৰ বলত তেওঁ অসাধ্য সাধন কৰাৰ সপোন দেখিছিল। ইয়াৰ মাজতে ছাত্ৰ অৱস্থাতে দেউতাকৰ আৰ্থিক দিশত সহায় হোৱাকৈ উপাৰ্জনমুখী কামত ব্ৰতী হৈছিল। ছাত্ৰ আব্দুল কালামৰ সততা, নিষ্ঠা আৰু কৰ্তব্যপৰায়ণতা দেখি তেওঁৰ শিক্ষকসকল অভিভূত হৈছিল আৰু আশীৰ্বাদ দিছিল।

**কৰ্মজীৱন ঃ**

সৰুৰে পৰাই এই প্ৰজ্ঞাৰ সাধকজনৰ স্বদেশৰ প্ৰতি গভীৰ প্ৰেম আৰু দায়বদ্ধতা আছিল। সৰুৰে পৰা নতুন ভাৰত গঢ়াৰ সপোন দেখা আব্দুল কালামে এৰ'ন'টিকেল ইঞ্জিনীয়াৰিং সমাপ্ত কৰি বাংগালোৰৰ হিন্দুস্তান এৰ'নটিক্স লিমিটেডৰ শিক্ষা নবিচ হিচাপে নিয়োজিত হৈছিল। পিছলৈ তেওঁ Defence Research and Development Organisation (RRDO) ত সহকাৰী বিজ্ঞানী হিচাপে যোগদান কৰিছিল। ১৯৬৯ চনত তেওঁ Indian Space Research Organisation (ISRO) ৰ প্ৰকল্প সঞ্চালক হিচাপে নিয়োজিত হৈছিল। ১৯৮০ চনত প্ৰথমবাৰৰ বাবে ভাৰত চৰকাৰে তেওঁৰ তত্ত্বাৱধানতে আৰম্ভ কৰিছিল 'মিছাইল ডেভেলপমেণ্ট প্ৰগ্ৰেম'। কোনো বিদেশী কাৰিকৰী কৌশলৰ সহায় নোলোৱাকৈ 'পৃথ্বী', 'আকাশ', 'নাগ', 'অগ্নি', 'ত্ৰিশূল' আদি বিভিন্ন মিছাইল প্ৰস্তুত কৰিছিল। এই কৰ্মৰ বাবেই তেওঁক 'মিছাইল মেন' নামেৰে অভিহিত কৰিছিল। ইয়াৰোপৰি তেওঁৰ তত্ত্বাৰধানতে 'ৰোহিনী' কৃত্ৰিম উপগ্ৰহৰ জৰিয়তে 'SLV-III' নামৰ মহাকাশ যানখন পৃথিৱীৰ কক্ষপথত সফলতাৰে স্থাপন হৈছিল। তেওঁ ভাৰতৰ প্ৰধানমন্ত্ৰীৰ উপদেষ্টা বিজ্ঞানী হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। অৱশেষত ভাৰতমাতাৰ এই সুসন্তান ড° আব্দুল কালাম ভাৰতৰ সৰ্বোচ্চ অসামৰিক পদত একাদশ ৰাষ্ট্ৰপতিৰূপে সন্মানিত হৈছিল।

১৯৯৭ চনত ভাৰত চৰকাৰে তেওঁক ভাৰতৰ সৰ্বোচ্চ সন্মান ভাৰত ৰত্ন প্ৰদান কৰিছিল। ৰাষ্ট্ৰীয় সংহতিৰ বাবে তেওঁ ইন্দিৰা গান্ধী বঁটা, ১৯৯৮ চনত বীৰ ছাভাৰকাৰ বঁটা, ২০০২ চনত ৰামানুজন বঁটা লাভ কৰিছিল। মহাকাশ বিজ্ঞানী, ৰাষ্ট্ৰপতি হিচাপে প্ৰতিষ্ঠিত হৈও তেওঁ প্ৰকৃততে আছিল এজন শিক্ষক। ৰাষ্ট্ৰপতি হৈ থকাৰ সময়তো ভাৰতৰ বিভিন্ন ঠাইৰ ছাত্ৰ-ছাত্ৰীৰ লগত অন্তৰংগ মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক উত্তৰণত দিক্ নিৰ্দেৰ্শনা দিছিল।

২০১৫ চনত শিক্ষানুৰাগী প্ৰাক্তন ৰাষ্ট্ৰপতি গৰাকীয়ে শ্বিলঙৰ এখন শিক্ষানুষ্ঠানত 'বাসোপযোগী ধৰিত্ৰী' বিষয়ক বক্তৃতা দি থাকোতে তেওঁৰ অতি প্ৰিয় ছাত্ৰ-ছাত্ৰী সকলৰ মাজতে ঢলি পৰিছিল আৰু চিৰকালৰ বাবে পৃথিৱীৰ পৰা বিদায় লৈছিল। তেওঁ সকলোৰে মাজলৈ বিলাই থৈ গ'ল স্বপ্ন দেখাৰ সাহসিকতা আৰু অনুপ্ৰেৰণা।

ৰামেশ্বৰমৰ এখন ভিতৰুৱা ঠাইৰপৰা ৰাষ্ট্ৰপতি ভৱনলৈকে এই দিঘলীয়া সংগ্ৰামত শ্ৰম, অধ্যাৱসায় আৰু সততাৰ সফল পৰিক্ৰমাৰে দেশৰ যুৱ প্ৰজন্ম তথা ছাত্ৰ-ছাত্ৰীৰ হৃদয়ত মনত সদায় চিৰনমস্য ব্যক্তি হৈ জীয়াই থাকিব।

'ভাঙি গ'ল বীণখনি ছিগি গ'ল তাঁৰ।
ৰৈ গ'ল অৱশেষ অমিয়া জোকাৰ।' ■

**গ্ৰন্থপঞ্জী ঃ**

১। চক্ৰৱৰ্তী, আ. ৰা. 'এ. পি. জে. আব্দুল কালাম' ২০১৬, হৃষীকেশ পাব্লিকেশ্যন, পাণবজাৰ, গুৱাহাটী - ৭৮১০০১।

২। শইকীয়া, ই. কলিতা উ. 'মহান শৈক্ষিক চিন্তাবিদ সকল' ২০২০, শান্তি প্ৰকাশন, গুৱাহাটী - ১।



# অসমীয়া বিহু আৰু ভাষাত আধুনিকতাৰ বৰষুণ

☛ **বৰষা বৰা**
ষষ্ঠ ষান্মাষিক

।। এক।।

বিহু অসম আৰু অসমীয়াৰ স্বাভিমান। বিহু অসমীয়া কলা-সংস্কৃতিৰ ধ্বজাবাহক। অতীজৰে পৰা বিভিন্ন ৰীতি-নীতিৰে বিহু পালন কৰি অহা হৈছে। আমাৰ ককা-আইতাৰ দিনত বিহু বুলি ক'লেই ঘৰে ঘৰে ঢেঁকীৰ শব্দই চুবুৰিত ৰজনজনাই আছিল। লাডু-পিঠা,সান্দহ, দৈ আদিয়ে পাকঘৰ ভৰি পৰিছিল। ডেকা-গাভৰু সকলোৱে মিলি ঘৰে ঘৰে হুঁচৰি গাইছিল। গাঁৱৰ মহিলাসকলে গছৰ তলত জেং বিহু উদ্‌যাপন কৰিছিল। ককা-আইতাৰ সেই দিনবোৰত বিহু বুলি ক'লেই এক সুকীয়া পৰিৱেশৰ সৃষ্টি হৈছিল। সময় পৰিৱৰ্তনৰ লগে লগে কলা-সংস্কৃতিৰ ধাৰণাৰো পৰিৱৰ্তন হ'বলৈ ধৰিলে। মানুহে দৈনন্দিন জীৱনটোক আধুনিক কৰাৰ লগতে অতীতৰ সেই ৰীতি-নীতি, কলা-সংস্কৃতিত আধুনিকতাৰ ৰং বুলাই দিছে। পাশ্চাত্য সংস্কৃতিৰ প্ৰতি অন্ধ অনুকৰণে অসমীয়া সংস্কৃতিৰ ভেটি কঁপাই তুলিছে। আমি যেতিয়া সৰু হৈ আছিলোঁ, ব'হাগ বুলি ক'লেই চুবুৰিৰ দাদা, ভাইটি, ভণ্টিহঁত একগোট হৈ ক'ত, কেতিয়া হুঁচৰি গাব পাৰি, একলগে এসাজ ভোজ-ভাত খাব পাৰি তাৰ আলোচনাতেই ব্যস্ত হৈ পৰিছিলোঁ। কিন্তু যিমানেই ডাঙৰ হৈ আহিছোঁ আমাৰ ধ্যান-ধাৰণাবোৰ সলনি হৈ আছে। আজিকালি ব'হাগ আহিলে ক'ত, কোন গায়ক-গায়িকা আহিব তাৰহে আলোচনাত ব্যস্ত যুৱপ্ৰজন্ম। বিহুক বৰ্তমানৰ নৱ প্ৰজন্মই মঞ্চমুখী কৰি তুলিছে। আজিকালিৰ জেং বিহু গছৰ তলৰ পৰিৱৰ্তে আৰু হুঁচৰি গৃহস্থৰ চোতালৰ পৰিৱৰ্তে জাক-জমকতা পূৰ্ণ মঞ্চতহে প্ৰদৰ্শন কৰা দেখা যায়। লাখ-লাখ টকাৰ বাজেট বনাই মঞ্চত বিহুনাচ, বিহু গীত প্ৰদৰ্শন কৰোৱা হয়। ব'হাগ বিহু বুলি ক'লেই ঘৰে ঘৰে গৈ চিৰা-দৈৰ জুটি লোৱাৰ পৰিৱৰ্তে হাজাৰ হাজাৰ টকাৰ বৰগুণিৰে

দুখীয়া ৰাইজক হাৰাশাস্তি কৰা দেখা যায়। আধুনিকতাৰ ঢৌত ইমানেই ডুবি গৈছে যে অসমীয়াৰ স্বাভিমান বিহুত সুন্দৰী প্ৰতিযোগিতাৰ দৰে বিভিন্ন অনুষ্ঠান পাতি মানৱ জাতি আৰু তললৈ নামি গৈছে। অতিকৈ চেনেহৰ ৰঙালী বিহুটোক আমি এসপ্তাহ জুৰি উদ্‌যাপন কৰি আহিছোঁ। চ'ত মাহৰ সংক্ৰান্তিৰ পৰা ব'হাগৰ ছয় তাৰিখলৈকে সাত দিনকৈ আমি ব'হাগ বিহু পালন কৰোঁ। এই সাতটা দিনক এটা এটা নিৰ্দিষ্ট নাম দিয়া হৈছে। আমাৰ নৱ প্ৰজন্মই হয়তো এই সাত বিহুৰ নামকেইটা একাদিক্ৰমে ক'বলৈও জিভা পিচলিব। আৰু সেই যুৱ প্ৰজন্মই চিঞৰি চিঞৰি কয় বিহু আমাৰ জাতীয় উৎসৱ!!

আমাৰ জনসাধাৰণো ব্যস্ত নিজক আধুনিক কৰাত,কলা-সংস্কৃতিক আধুনিক কৰাত। এই ক্ষেত্ৰত তেঁওলোকে সামাজিক মাধ্যমক ব্যয় বহুল ভাৱে ব্যৱহাৰ কৰি অহা দেখা যায়। আগৰ দিনত বিহুৰ এসপ্তাহ আগৰ পৰা দুহাতত জেতুকা লগোৱাৰ বতাহ বলিছিল। আৰু আজিৰ আধুনিক সমাজত বিহুৰ সাত দিন আগৰ পৰা সামাজিক মাধ্যমবোৰত অসমীয়া সংস্কৃতিৰ পূজাৰী (?) জনসাধাৰণে সুন্দৰ সুন্দৰ দুই-এষাৰ কথাৰে অসমীয়া সাজযোৰক মৰম দেখুৱাই প্ৰচাৰ কৰা কিছুমান প'ষ্ট দিয়াহে দেখা যায়। এইয়াই পৰিৱৰ্তন, এইয়াই আধুনিকীকৰণ।

শেষত এটা কথাই কওঁ যে, আধুনিকতা আমাক লাগে। পৰিৱৰ্তনো আমাক লাগিব। কিন্তু পৰিৱৰ্তনৰ নামত আমি আমাৰ কিছুমান আপুৰুগীয়া সাংস্কৃতিক অভিব্যক্তিক একেবাৰে দলিয়াই পেলাই আধুনিক হ'বলৈ চেষ্টা কৰাটো শুভ লক্ষণ হ'ব নোৱাৰে। এই প্ৰসংগত জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে এক মত আগবঢ়াইছিল। তেঁওৰ মতে- সংস্কৃতিৰ গতিপথত দেশী-বিদেশী যিবোৰ সাংস্কৃতিক সম্পদ লগ পোৱা যায়, সেইবোৰ গ্ৰহণ কৰোঁতে সদায় নিজৰ জাতীয় ৰূপত সজাই পৰাই ল'লেহে সংস্কৃতি গতিধৰ্মী হয়। এনে সংস্কৃতিৰ গতিধৰ্মিতাই ভৱিষ্যতৰ সংস্কৃতিৰো বাট মুকলি কৰি ৰখাৰ লগতে বাটটো বহল আৰু সুগম কৰি তোলে। গতিকে অসমীয়া সংস্কৃতিক আগুৱাই নিবলৈ হ'লে আমি পাশ্চাত্য সংস্কৃতিক অনুসৰণ কৰি আমাৰ সংস্কৃতিক পাহৰি যাব নালাগিব। আমিয়েই আমাৰ সংস্কৃতিক জীয়াই ৰাখিব লাগিব। বাহিৰা সংস্কৃতিয়ে জীৱনটো সুচাৰুৰূপে চলাই নিয়াত সহায়হে কৰিব পাৰে,কিন্তু সেইটোৱে জাতিটোৰ ভেটি কেতিয়াও দৃঢ় কৰিব নোৱাৰে। আমাৰ সংস্কৃতি, আমাৰ হাতত।

।। দুই।।

বৰ্তমান যুৱ প্ৰজন্মক নতুনকৈ ইম'জি ব্যৱহাৰ কৰিবলৈ শিকোৱাৰ প্ৰয়োজন নাই। আধুনিক পৃথিৱীত এই ইম'জিয়ে এক সুকীয়া স্থান দখল কৰিছে। এই ইম'জি শব্দৰ উৎপত্তি জাপানী ভাষাৰ পৰা হৈছে। 'E' মানে ছবি আৰু 'Miji' মানে আখৰ। ১৯৯০ দশকত আপেল (Apple) মোবাইল ফোনত ইম'জিৰ প্ৰথম আৱিৰ্ভাৱ হয়। ইয়াৰ পিছৰে পৰা ইম'জিৰ জনপ্ৰিয়তা বৃদ্ধি পাই আহিছে। কিন্তু এই ইম'জিৰ ব্যৱহাৰ কিমান সাৰ্থকপূৰ্ণ? ই বাৰু ক'ৰবাত ভাষা শিকা আৰু লিখনত ব্যাঘাত জন্মাইছে নেকি?

সৰুৰে পৰাই 'মা' শব্দটোৰে আৰম্ভ কৰিছিলোঁ মাতৃভাষা শিকাৰ অনুশীলন। ভাষা শিকাৰ আগ্ৰহ আমাৰ সকলোৰে থাকে। ভাষা আছে বাবেই সাহিত্য আছে। সুখ-দুখ, হাঁহি-কান্দোন, শান্তি-অশান্তি সকলো অনুভৱ আমি ভাষাৰ মাজেৰে প্ৰকাশ কৰোঁ। ইমানলৈকে সকলো ঠিকেই আছিল। কিন্তু এই 'ইম'জি'ৰ ব্যৱহাৰে যেন কৰ'বাত ভাষা ব্যৱহাৰত বাধা হৈ থিয় দিছে। আধুনিকতাৰ প্ৰবল সোঁতত উটি ভাঁহি ফুৰা আজিৰ মানৱ সভ্যতাই কি হেৰুৱাই কিহক আঁকোৱালি লৈছে সেয়া হয়তো কোনেও লক্ষ্য কৰা নাই। মনৰ ভাব প্ৰকাশ কৰিবলৈ ভাষা শব্দৰ পৰিৱৰ্তে ব্যৱহাৰ কৰে ইম'জি'। সুখটো ইম'জি, দুখটো ইম'জি, কেৱল ইম'জি। ই ভাষাৰ স্বকীয়তাক কিছু হ'লেও আঘাত হানিছে। ইম'জিৰ ব্যৱহাৰে কেতিয়াবা মানুহৰ এলেহুৱা স্বভাৱটোও ফুটাই তোলে। দুই তিনিটা শব্দ লিখি অনুভৱবোৰ ব্যক্ত কৰাতকৈ অতি সহজে ইম'জি প্ৰেৰণ কৰি অনুভৱ প্ৰকাশ কৰাটোৱেই যেন শ্ৰেয় আজিৰ যুৱ সমাজত। আজিৰ মানৱ সভ্যতাই ইম'জিৰ পৰা সুবিধা আদায় কৰিলে ঠিকেই কিন্তু নিজৰ ভাষাটোক হেয় প্ৰতিপন্ন কৰিছে। আমাৰ ভাষাটো আমাৰ স্বাভিমান। তেনেস্থলত এই ইম'জিৰ ব্যৱহাৰ ভাষাৰ ক্ষেত্ৰতেই হওক বা সমাজ গঢ়াৰ ক্ষেত্ৰতেই হওক উৎকৃষ্ট মাধ্যম হ'ব নোৱাৰে। এই ক্ষেত্ৰত সজাগ আৰু সচেতন আমিয়েই হ'ব লাগিব। ইম'জিৰ ব্যৱহাৰ আমিয়েই কৰিম কিন্তু ভাষাক পাহৰি নহয়। ভাষা থাকিলেহে এটা জাতি থাকিব, ভাষা থাকিলেহে সাহিত্য থাকিব। গতিকে আমাৰ ভাষাক জীয়াই ৰখাৰ দায়িত্বও আমাৰেই। ■



# অভিশপ্ত ২০২০

☛ **লিপিকা বৰুৱা**
ষষ্ঠ ষাণ্মাসিক

**২**০২০ চন। যিটো বছৰৰ কথা মনত পৰিলে গাৰ নোম শিয়ৰি উঠে। এই বছৰটোত ঘটা ঘটনাই কেৱল আমাৰ ৰাজ্য বা দেশৰেই নহয়, সমগ্ৰ বিশ্বকে জোকাৰি থৈ গ'ল। ক'বলৈ গ'লে এই বছৰটো আমাৰ বাবে এক ভয়াবহ স্মৃতি হৈ ৰ'ব।

'Corona Virus' এই নামটো হয়তো সকলোৰে পৰিচিত। সমগ্ৰ বিশ্বই এই ভাইৰাছৰ বিষয়ে বৰ্তমান জানিব পাৰিছেই। এই ভাইৰাছৰ উৎপত্তি হৈছিল চীনৰ য়ুহান চহৰত। মানুহৰ সংস্পৰ্শলৈ আহিলে এই ভাইৰাচ বিয়পি যায়। বতাহৰ লগতে অন্যান্য প্ৰকাৰেও এই ভাইৰাছ বিয়পে। এই ভাইৰাছ ইমানেই ক্ষিপ্ৰতাৰে বিয়পিছিল যে চীন যি 'Corona Virus' ৰ উৎপত্তিস্থল তাত বহুতো লোক এই ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হোৱাৰ লগতে মৃত্যুৰ মুখত পৰিছিল। এই ভাইৰাছ অকল চীনতেই আবদ্ধ নাথাকি আন আন দেশসমূহলৈও বিয়পি পৰিছিল। ফলত সমগ্ৰ বিশ্বজুৰি এই ভাইৰাছ ত্ৰাসৰ কাৰণ হৈ পৰিছিল।

চীনৰ পৰা উৎপত্তি হৈ এই ভাইৰাছে পৃথিৱীৰ অন্যান্য দেশসমূহৰ লগতে আমাৰ ভাৰতবৰ্ষতো প্ৰৱেশ কৰিলে। ২০২০ চনত ভাৰতৰ কেৰেলাত এই ভাইৰাছৰ দ্বাৰা প্ৰথমে আক্ৰান্ত হৈছিল। চৰকাৰে জনহিতাৰ্থে লকডাউন ঘোষণা কৰিলে। সেই সময়ত আমি এই ভাইৰাছৰ ভয়াবহতাৰ উমান পোৱা নাছিলোঁ। আৰু লকডাউন শেষ

হোৱালৈ অপেক্ষা কৰি ৰৈছিলোঁ। কিন্তু যেতিয়া এই ভাইৰাছ নাশ হোৱাৰ পৰিৱৰ্তে বৃদ্ধি পাবলৈ ধৰিলে আৰু দুজন, চাৰিজনকৈ পাছত শ, হাজাৰ, লাখ মানুহ ইয়াৰ দ্বাৰা আক্ৰান্ত হ'বলৈ ধৰিলে তেতিয়া লকডাউনৰ দিনো বাঢ়ি গৈ থাকিল। বিভিন্ন দোকান-বজাৰ, অনুষ্ঠান-প্ৰতিষ্ঠান সমূহৰ লগতে গাড়ী-মটৰ, যাতায়ত ব্যৱস্থাও বন্ধ হৈ পৰিছিল। যাৰ বাবে সেই সময়ত বহুতো মানুহ বহু ঠাইত আবদ্ধ হৈ ৰৈছিল। তেওঁলোকৰ নিজ ঘৰ বা নিজ ঠাইলৈ যাবলৈ কোনো সুবিধা নাছিল। কিয়নো তেতিয়া কৰোণা ভাইৰাছ অতি মাত্ৰাত বিয়পি পৰিছিল। এই আৱদ্ধ হৈ থকা লোসকলৰ ভিতৰৰ বহুতো কৰ্মজীৱী লোক আছিল যি বেলেগ ঠাই বা দেশ আদিৰ ফেক্টৰী, উদ্যোগ আদিত কাম কৰিছিল। কিন্তু লকডাউনৰ বাবে এইবোৰ বন্ধ হৈ পৰিছিল। যাৰ বাবে কৰ্মজীৱী লোকসকল কৰ্মহীন হৈ দিশহাৰা হৈ পৰিছিল। অৱশেষত এনে বহুতো লোকে খোজকাঢ়ি, চাইকেল লৈ বহুত কষ্টৰে বহুত দূৰ ৰাস্তা নিজ ঘৰ অভিমুখে যাত্ৰা কৰিবলগীয়া হৈছিল। এই সময়খিনি এনে এক সংকটময় পৰিস্থিতি আছিল যে তেওঁলোকে অনিদ্ৰা, অনাহাৰে মাথো দিন পাৰ কৰিছিল। কিন্তু এনে কষ্টকৰ পৰিস্থিতিৰ মাজেৰে তেওঁলোকে যে নিজ গৃহ পাবগৈ তাৰ কোনো নিশ্চয়তা নাছিল। বহুতো লোকৰ ঘৰৰ সৈতে যোগাযোগ বিচ্ছিন্ন হৈ গৈছিল। এনে জটিল, যন্ত্ৰণাময় পৰিস্থিতিত যাত্ৰা কৰি কেইবাজনো লোকে নিজ গন্তব্য স্থান নাপাওঁতেই প্ৰাণ ত্যাগ কৰিছিল।

এই লকডাউনৰ সময়খিনিত ঘৰৰ চাৰিবেৰৰ ভিতৰত থকা মানুহো সমস্যাৰ সন্মুখীন হৈছিল। অৱশ্যে সেই সময়ত চৰকাৰে খাদ্যৰ যোগান ধৰিছিল যদিও মানুহৰ অভাৱ পূৰণ কৰিব পৰাকৈ যথেষ্ট নাছিল। সেই সময়ত কভিড ৰোগীৰ সংখ্যা ইমানেই বাঢ়ি গৈছিল যে কভিড ৰোগীসকলৰ চিকিৎসা কৰি থকাৰ বাবে আন ৰোগীসকলক চাব পৰা নাছিল। যাৰ বাবে অন্যান্য ৰোগত আক্ৰান্ত ৰোগীসকল বিপদৰ সন্মুখীন হৈছিল।

এই ২০২০ বছৰটোৱে মানুহৰ জীৱনৰ গতিপথেই সলনি কৰি পেলালে। এই বছৰটোতে কৰোণা ভাইৰাছে মহামাৰী ৰূপ ধাৰণ কৰি সমগ্ৰ বিশ্বক জোকাৰি পেলালে। বহুলোকে এই মহামাৰীত প্ৰাণ হেৰুৱালে, বহু লোক কৰ্মহীন হ'ল, বহুতো আত্মীয় স্বজনক হেৰুৱাই দিশহাৰা হ'ল। এই বৰ্ষটোৱে মানুহক ইমানেই হাৰাশাস্তি কৰিলে যে ইতিহাসৰ পাতত সদায় এই ২০২০ বৰ্ষটো অভিশপ্ত হৈ ৰ'ব। ■

কিতাপেই আধুনিক পৃথিৱীখন শাসন কৰিছে। যি সমাজত কিতাপৰ প্ৰচলন নাই সেই সমাজ থকা-নথকা একে কথা।

— ভলটেয়াৰ





# ভেলেণ্টাইন ডে'ৰ তাৎপৰ্য


☛ **পলী দেৱী**
দ্বিতীয় ষাণ্মাসিক


'**ফে**ব্ৰুৱাৰী মাহ' বুলি ক'লে বৰ্তমানে নৱপ্ৰজন্মৰ মাজত এক আনন্দৰ ঢৌ উঠে। মৌন হৃদয়বোৰতো এক ৰহস্যময় ঝংকাৰৰ সৃষ্টি হয়। সহজ-সৰল মনৰ মাজতো এক অচিন বতাহে কোবাই লৈ যোৱা ধূলিবোৰৰ দৰেই মনটোকো উৰুৱাই লৈ যায়। বহুদিনৰ পৰা বুকুৰ কোনো এক চুকত লৈ থকা যন্ত্ৰণাদায়ক বিষবোৰ যেন এই ফেব্ৰুৱাৰী মাহটোৱে ধুই পখালি লৈ যায়। সকলোবোৰ আগৰ দৰেই হৈ উঠে, যেতিয়া ফেব্ৰুৱাৰী মাহটোৱে আমাৰ পৰা বিদায় মাগি আকৌ লগ পোৱাৰ প্ৰতিশ্ৰুতি দি যায়। বৰ্তমান নৱপ্ৰজন্মৰ মাজত ফেব্ৰুৱাৰী মাহটো প্ৰেমৰ মাহ বুলি স্বীকৃতি পাই আহিছে। ইয়াৰ জনপ্ৰিয়তা বহু পৰিমাণে বৃদ্ধি পাইছে।

ফেব্ৰুৱাৰী মাহটো হৈছে প্ৰেমৰ মাহ। প্ৰত্যেক ইংৰাজী বছৰৰ দ্বিতীয় মাহটোৰ কাৰণে সকলো যুৱক-যুৱতীয়ে বাট চাই থাকে। প্ৰেমেই হৈছে জীৱনৰ উৎস। জীয়াই থকাৰ দুৰ্বাৰ হেঁপাহ। প্ৰেমৰ অনুভূতি থকালৈকেহে মানুহে জীয়াই থকাৰ সাৰ্থকতা বিচাৰি পায়। অৱশ্যে প্ৰেমৰ প্ৰকৰণবোৰ ভিন্ন হ'ব পাৰে। যদি আমি পাৰ্থিৱ প্ৰেমৰ ফালে চাওঁ তেতিয়াহ'লে, আমি ইয়াত কেৱল মানৱীয় সম্পৰ্কৰ বিষয়ে পাম। গতিকে প্ৰেম বুলি ক'লে স্বামী-স্ত্ৰী বা যুৱক-যুৱতীৰ মাজৰ মধুৰ প্ৰেম বা এজন পুৰুষে আন এগৰাকী নাৰীৰ প্ৰতি হোৱা আকৰ্ষণকেই বুজায়। সেয়েহে ফেব্ৰুৱাৰী মাহটো যিহেতু প্ৰেমৰ মাহ বুলি কোৱা হয় প্ৰেমিক-প্ৰেমিকাসকলে ৰোমাঞ্চিত হোৱাটো তেনেই সাধাৰণ কথা। কিয়নো পবিত্ৰ প্ৰেমৰ মাজতেই জীৱনৰ সুখ-দুখৰ হিচাপ-নিকাচবোৰ জড়িত হৈ থাকে।

জীৱনৰ ব্যস্ততাৰ মাজতো সকলোৱে জীৱনলৈ একোবাৰ প্ৰেম আহেই। কোনোৱে ইয়াৰ প্ৰভাৱৰ পৰা মুক্ত বুলি ক'ব নোৱাৰি। এজন প্ৰকৃত প্ৰেমিকেহে বুজি পায় প্ৰেমৰ মূল্য কি? প্ৰেম কোনো সংজ্ঞাত আৱদ্ধ নহয়। প্ৰেম স্বৰ্গীয় অনুভূতি। প্ৰেমৰ সম্পৰ্কই মানুহক পৰম সত্যৰ সন্ধান দিব পাৰে, একমাত্ৰ পবিত্ৰ হৃদয়ৰ স্পৰ্শানুভূতিৰে। বিজ্ঞানত যিদৰে সৃষ্টি আৰু ধ্বংসৰ দুটা নিয়ম আছে, সেইদৰে প্ৰেমত সত্য আৰু শান্তি পোৱা যায়, যদিহে সেই প্ৰেম প্ৰকৃত প্ৰেম হয়।

প্ৰকৃতিয়ে যিদৰে দুই বিপৰীত লিংগৰ প্ৰতি আকৰ্ষক এই প্ৰেমৰ সৃষ্টি কৰিছে, ঠিক সেইদৰে এই প্ৰেম নিবেদনৰ কাৰণেও কোনো এক বিশেষ দিনৰ সৃষ্টি কৰিছে। সেই বিশেষ দিনটোৱেই হ'ল বৰ্তমান দ্ৰুতগতিত জনপ্ৰিয়তা লাভ কৰা আমাৰ প্ৰেমিক-প্ৰেমিকাসকলৰ আশাৰ, হেঁপাহৰ ১৪ ফেব্ৰুৱাৰী দিনটো। ১৪ ফেব্ৰুৱাৰী হৈছে 'প্ৰেম দিৱস' বা 'ভেলেণ্টাইন ডে'। নতুন প্ৰজন্মৰ মাজত আজি দুগুণে উজ্বলি উঠিছে যৌৱনৰ বাৰিষা। গোটেই বিশ্বৰ চৌদিশে প্ৰেমিক-প্ৰেমিকাসকলে যিদৰে জনপ্ৰিয়তা লাভ কৰিছে, সেইদৰে আমাৰ অসমৰ যুৱক-যুৱতীসকলেও পিছপৰি থকা নাই। গতিকে পাখি লগাই ওখোৰা-মোখোৰা বাটত বিশ্ব যুৱ মনৰ সৈতে একেলগে উৰিব খোজে। ডেকা-গাভৰুৰ মাজত গঢ়ি উঠা প্ৰেমৰ সম্পৰ্কক কোনোবাই জানো বাধা দিব পাৰে? যদিও কোনোৱে এইক্ষেত্ৰত বাধা প্ৰদান কৰে বা দিলেও ইজনে-সিজনৰ প্ৰতি থকা হিয়াভৰা মৰম একাঁজলি দিবলৈ বাধাৰ প্ৰাচীৰ একেকোবেই ভাঙি থৈ যায়। নৱবৰ্ষৰ ভেলেণ্টাইন ডে' অৰ্থাৎ 'প্ৰেম দিৱস' পশ্চিমীয়া ডেকা-গাভৰুৱে যিদৰে জাক-জমকতাৰে পালন কৰে, সেইদৰে আমাৰ ডেকা-গাভৰুৱে পালন কৰিব নোৱাৰিলেও ইয়াৰ শিপাই উজনিৰ পৰা নামনিলৈকে খলকনি লগায়। অৱশ্যে পবিত্ৰ মনেৰে গঢ়া প্ৰেমৰ বান্ধোন জানো

কোনোবাই চিঙিব পাৰে? বুকুৰ মাজত থকা জীপাল মৰমবোৰ দুয়োয়ে দুয়োকে ভগাই নিদিয়ালৈকে জানো ক্ষান্ত থাকিব? এই সকলোৰে উপায় হিচাপে ফেব্ৰুৱাৰী মাহৰ ১৪ তাৰিখে প্ৰেম দিৱস হিচাপে উদ্‌যাপন কৰা হয়।

কিংবদন্তী, ২৬৯ খ্ৰীষ্টাব্দৰ কথা। সেই সময়ত ৰোম শাসন কৰিছিল সম্ৰাট দ্বিতীয় ক্লাউডিয়াছে। সম্ৰাটজনে চেণ্ট ভেলেণ্টাইন নামৰ এজন সুদৰ্শন ডেকাক বন্দী কৰি ৰাখিছিল। ভেলেণ্টাইনৰ প্ৰধান দোষ আছিল বিবাহ কৰিব খোজাটো। সেই সময়ত সম্ৰাট ক্লাউডিয়াছৰ যুদ্ধ-বিগ্ৰহৰ বাবে সৈনিকৰ অভাৱ আছিল। তেওঁ ভাবিছিল বিবাহপাশত আৱদ্ধ হোৱা লোক পৰিয়ালৰ মায়া-মোহ এৰি সৈন্য বাহিনীত যোগ দিবলৈ অনিচ্ছুক হয়। প্ৰেমৰ সম্ৰাট তথা প্ৰেম পূজাৰী ভেলেণ্টাইন সেই সময়ত এজন অতি সুদৰ্শন তথা ব্যক্তিত্ববান বিবাহোপযোগী পুৰুষ আছিল। সেই সময়ত তেওঁৰ সৈতে অনেক সুন্দৰী গাভৰুৰ গোপনে 'হিয়া-দিয়া-নিয়া' চলিছিল। প্ৰেমৰ ৰজা ভেলেণ্টাইনৰ এই গোপন প্ৰেমৰ কথা জানিব পাৰি সম্ৰাটে তেওঁক কৰ্টত হাজিৰ কৰায় আৰু তেওঁক বিবাহ নকৰাবলৈ প্ৰতিশ্ৰুতি দিবলৈ কয়। কিন্তু ভেলেণ্টাইনে অনেক মদালসা গাভৰু প্ৰেমিকাৰ হৃদয় বিৰসনা কৰি, হৃদয় দাৱানল জ্বলাই এনে প্ৰতিশ্ৰুতি দিবলৈ অমান্তি হয়। ফলত সম্ৰাটে তেওঁক কাৰাগাৰত বন্দী কৰি ৰাখে।

বন্দী অৱস্থাত কাৰাগাৰ কক্ষৰ চাৰিওফালে বহুতো গাভৰু ৰমনীয়ে ভেলেণ্টাইনক আৱৰি ৰাখে। বন্দী অৱস্থাতো তেওঁ কোমল হৃদয়ৰ গছৰ পাত ছিঙি তাত 'ৰিমেম্বাৰ ইয়ৰ ভেলেণ্টাইন বুলি লিখি বেৰৰ বিন্ধাৰে প্ৰেয়সীসকললৈ প্ৰেৰণ কৰিছিল। আনকি তেওঁ এনে প্ৰেমপত্ৰ কাৰাগাৰৰ অধ্যক্ষ অন্ধ জীয়েক আষ্টিৰিয়াছলৈও প্ৰেৰণ কৰিছিল। সেয়েহে ২৬৯ খ্ৰীষ্টাব্দৰ (কোনোৱে ২৭০ বুলি কয়) ১৪ ফেব্ৰুৱাৰী তাৰিখে তেওঁক শিল, যাঁঠি, গদা আদিৰে কোবাই কোবাই সম্ৰাটৰ সৈন্যই নিৰ্মমভাৱে হত্যা কৰে। আনকি মৃত্যুৰ দিনাও ভেলেণ্টাইনে 'তোমাৰ ভেলেণ্টাইনৰ পৰা' বুলি গাভৰু প্ৰেমিকাসকললৈ এক বিদায় বাৰ্তা প্ৰেৰণ কৰিছিল।

তেতিয়াৰপৰাই ভেলেণ্টাইনৰ মৃত্যু তিথি অৰ্থাৎ ১৪ ফেব্ৰুৱাৰী দিনটোক তেওঁৰ প্ৰতি সন্মান জনাই প্ৰেমিক-প্ৰেমিকাৰ মাজত সৰ্বত্ৰতে প্ৰেম দিৱস হিচাপে পালন কৰিবলৈ ধৰে। সেই ভেলেণ্টাইন ডে'য়ে আজিৰ ভাৰতবৰ্ষৰ লগতে অসমতো আমদানিকৃত 'প্ৰেমৰ বিশেষ এদিন' বা 'প্ৰেমিক-প্ৰেমিকাৰ দিৱস' হিচাপে পৰিগণিত হয়।

ভেলেণ্টাই ডে' যেতিয়া ভাৰতবৰ্ষত প্ৰৱেশ ঘটিছিল, তেতিয়া দেশ ইংৰাজৰ অধীনত আছিল। প্ৰথমতে ই কিছুমান উন্নতমানৰ চহৰৰ মাজতে সীমাবদ্ধ আছিল যদিও বৰ্তমানে ইয়াৰ প্ৰভাৱ সকলোৰে ওপৰতে পৰা দেখা যায়। ভেলেণ্টাইন ডে'ৰ প্ৰভাৱ পাশ্চাত্য দেশসমূহত অধিক। ভেলেণ্টাইন ডে'ৰ কিছুমান পৰম্পৰা সকলোবোৰ দেশতেই ভিন্ন হয়। আমেৰিকাত এপাহ ফুল বা কিনিবলৈ পোৱা গিফট কাৰ্ড নাইবা নিজ হাতেৰে প্ৰিয়জনলৈ তৈয়াৰী বিশেষ বস্তু প্ৰদান কৰে। ঠিক সেইদৰে, ইংলেণ্ড আৰু ইটালীত এক আমোদজনক পৰম্পৰা হৈছে— ভেলেণ্টাইন ডে'ৰ দিনাখন ৰাতিপুৱা সূৰ্য উদয় হোৱাৰ লগে লগে ইংলেণ্ড আৰু ইটালীৰ কুমাৰী সকলে খিৰিকীৰ সন্মুখত থিয় দিয়ে আৰু সূৰ্যৰ প্ৰথম কিৰণত প্ৰত্যক্ষ কৰা প্ৰথম ব্যক্তিগৰাকীয়েই তেওঁলোকৰ জীৱনসংগী হ'ব বুলি বিশ্বাস কৰে। এনেদৰে বিভিন্ন ঠাইত বিভিন্ন ধৰণে ভেলেণ্টাইন ডে' পালন কৰা দেখা যায়।

নৱবৰ্ষৰ ফেব্ৰুৱাৰী মাহটো সকলোৰে প্ৰিয় হোৱাৰ কাৰণ সেই বিশেষ দিনটো। কিন্তু নতুন প্ৰজন্মই এই বিশেষ দিনটোত এনেকৈ ৰোমাঞ্চিত হোৱা দেখা যায় যে পাছত তেওঁলোক বিপদত পৰে। কিয়নো কৈশোৰ কালটোক ধুমুহা আৰু উৎপীড়নৰ সময় বুলি ধৰা হয়। ফলত নজনাকৈয়ে কৰা ভুলৰ শাস্তি তেওঁলোকে নোপোৱাকৈ নাথাকে। প্ৰেম স্বৰ্গীয় বস্তু। প্ৰেমত বাধা নাথাকে। কিন্তু নিজে সকলো বুজি পোৱালৈকে অপেক্ষাত থাকিব লাগে নহ'লে মা-দেউতাকৰ লগত সকলো কথা আলোচনা কৰিব লাগে। ল'ৰা-ছোৱালীৰ সমস্যা কেৱল মাক-দেউতাকেহে সমাধান কৰিব পাৰে। গতিকে প্ৰত্যেক যুৱক-যুৱতীয়ে সাৱধানতাৰে আগবাঢ়িব লাগে।

ফেব্ৰুৱাৰী মাহ ডেকা-গাভৰুৰ প্ৰণয়ৰ ঋতু। প্ৰত্যেক ডেকা-গাভৰুৱে অধীৰ আগ্ৰহেৰে বাট চাই ৰয় সেই বিশেষ দিনটোলৈ, যিদিনা হৃদয়ৰ এচুকত থুপাই থোৱা প্ৰেম নিবেদন কৰিব তেওঁৰ প্ৰিয়জনলৈ। প্ৰেম দিৱস ১৪ ফেব্ৰুৱাৰী এক মধুৰ ক্ষণ। গতিকে সকলোৱে প্ৰেম পূজাৰী ভেলেণ্টাইনৰ কথা মনত ৰাখি তেওঁৰ প্ৰতি সন্মান জনাই ভেলেণ্টাইন ডে' উদ্‌যাপন কৰা উচিত। এই দিনটোত কেৱল প্ৰেম নিবেদন কৰাৰহে দিন। এইক্ষেত্ৰত সকলো সাৱধান হৈ চলিলে আগন্তুক বিপদৰ শংকা মনত উদয় নহয়। ■

# জীৱশ্ৰেষ্ঠ মানৱৰ পাশৱিকতা

☛ **বন্দিতা দেৱী**
চতুৰ্থ ষাণ্মাসিক

**ব**ৰ্তমান আমাৰ সমাজত ভয়ংকৰ ব্যাধিৰূপে বিয়পিবলৈ ধৰিছে এক দুষ্কাৰ্য। বিভীষিকাত সৰ্বশৰীৰ কঁপি উঠা এক শব্দ, ঘৃণাত নাক কোচ খাই যোৱা এক কাণ্ড যাৰ ফলত ধ্বংস হৈ আহিছে আমাৰ মাজৰে বহু বাই-ভনী মহিলা। আনকি নাবালিকা, বৃদ্ধা সকলো এনে দুষ্কাৰ্যৰ বলি হোৱাৰ পৰা ৰক্ষা পৰা নাই। এনে ভয়ংকৰ দুষ্কাৰ্যবিধেই হৈছে ধৰ্ষণ। বৰ্তমান সময়ত এই ধৰ্ষণ কাৰ্য অত্যধিক পৰিমাণে বৃদ্ধি পাই আহিছে। ভাৰতবৰ্ষৰ অন্যান্য প্ৰান্তৰ লগতে অসমকে ধৰি উত্তৰ-পূব ভাৰতৰ ৰাজ্য কেইখনতো ধৰ্ষণকাণ্ডৰ সংখ্যা দিনকদিনে বৃদ্ধি পাবলৈ ধৰিছে। যিটো আমাৰ সমাজখনৰ বাবে অতিশয় চিন্তাৰ বিষয় হৈ পৰিছে। কিছুদিনৰ পূৰ্বে পশ্চিম কাৰ্বি আংলঙৰ এগৰাকী ১১ বছৰীয়া যুৱতী বিহু অনুষ্ঠান চাই ঘৰলৈ উভতাৰ পথত দুৰ্বৃত্তই ধৰ্ষণ কৰি অতি বৰ্বৰভাৱে হত্যা কৰিলে। তদুপৰি নগাঁও যমুনামুখৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী (৫৮) অৰ্ণমাই বৰাৰ ক্ষেত্ৰত ২০১৭ চনত হোৱা ঘটনাটোৱে সমগ্ৰ অসম জোকাৰি গৈছিল। মানুহ গঢ়াৰ কৰ্মশালাত নিয়োজিত হৈ শেষত অৰ্ণমাই বৰাই প্ৰতিদান হিচাপে পালে মানুহৰূপী কিছুমান পিশাচৰ জঘন্য অত্যাচাৰ। শেহতীয়াকৈ ২০২১ চনত সংঘটিত হোৱা চুমিলা ৰংহাংপীৰ হত্যাকাণ্ডই ৰাজ্যৰ বিবেকবান মানুহৰ মাজত তীব্ৰ জোঁকাৰণিৰ সৃষ্টি কৰি তুলিছে। এগৰাকী ১২ বছৰীয়া কিশোৰীক যৌন নিৰ্যাতন কৰি জীৱন্ত অগ্নিসংযোগ কৰি হত্যা কৰে। কি দোষ আছিল এই কিশোৰী গৰাকীৰ। কি দোষ আছিল বিভিন্ন সময়ত ধৰ্ষিতা হৈ থকা মহিলা সকলৰ। ইয়াৰ উচিত বিচাৰ হ'বনে? দোষীয়ে উচিত শাস্তি পাবনে? নে আইনৰ সুৰুঙাৰে সৰকি দোষীয়ে মুকলি আকাশৰ তললৈ ওলাই আহিব? যাৰ বাবে সেই পাষণ্ডবোৰে পুনৰ তেনে জঘন্য কাণ্ড সংঘটিত কৰিবলৈ অলপো কেৰেপ নকৰিব! সেই ধৰ্ষণকাৰীবিলাকৰ উপযুক্ত শাস্তি নহ'লে চুমিলা ৰংহাংপীৰ বিদেহী আত্মাই কেতিয়াও শান্তি নাপাব, শান্তি নাপাব বিভিন্ন সময়ত ধৰ্ষিতা হৈ অকালতে মৃত্যুক সাবটি লোৱা আমাৰ বাই-ভনী, মাতৃসকলৰ অন্তৰ আত্মাই।

ধৰ্ষণৰ দৰে জঘন্য ঘটনাৰ পৰা নাৰীক সুৰক্ষা দিয়াৰ ক্ষেত্ৰত চৰকাৰে উচিত পদক্ষেপ লোৱাটো অতি প্ৰয়োজনীয়। চৰকাৰৰ লগতে আমিও নাৰীৰ প্ৰতি সচেতন

হ'ব লাগিব। আমি আমাৰ চুবুৰী তথা অঞ্চলটোৰ মহিলাসকলক আৰু আমাৰ অঞ্চলৰ বিভিন্ন ক্ষেত্ৰত কৰ্মৰত মহিলাসকলক নিজৰ বাই-ভনী, মাতৃ স্বৰূপে জ্ঞান কৰি প্ৰয়োজন অনুসৰি সহায় কৰাৰ মানসিকতা গঢ়ি তুলিব লাগিব।

আমাৰ দেশৰ ন্যায়িক ব্যৱস্থাটো ইমানেই মন্থৰ যে দোষীক কৰায়ত্ত কৰাৰ পৰা দণ্ড দিয়ালৈকে বছৰ বছৰ লাগি যায়। সেয়েহে বৰ্তমান সময়ত এনে এখন বিশেষ আইনৰ প্ৰয়োজনীয়তা আহি পৰিছে যাৰ জৰিয়তে এই জঘন্য অপৰাধীবোৰক তৎকালীনভাৱে চূড়ান্ত শাস্তি দিয়াৰ পথ মুকলি হ'ব। কাৰণ এনে পাষণ্ডবোৰৰ জীয়াই থকাৰ কোনো অধিকাৰ নাই। সেয়ে এনে অপৰাধীৰ ক্ষেত্ৰত নৰম নহৈ কঠোৰৰ পৰা কঠোৰতম শাস্তি দিয়াৰ ব্যৱস্থা হ'ব লাগে। তেতিয়াহে নাৰীসকলে কিছু হ'লেও সকাহ পাব।

নাৰীক পণ্য সামগ্ৰী হিচাপে গণ্য কৰাৰ পৰিৱৰ্তে সমাজৰ প্ৰতিজন ব্যক্তিয়েই নাৰীৰ সুৰক্ষাৰ প্ৰতি সচেতন হ'ব লাগিব। আমি আমাৰ চুবুৰিটোৰ, অঞ্চলটোৰ মহিলাসকলৰ লগতে বিভিন্ন ক্ষেত্ৰত কৰ্মৰত মহিলাসকলকো নিজৰ বাই-ভনী, মাকৰ দৰে জ্ঞান কৰি প্ৰয়োজন অনুসৰি সহায় কৰাৰ মানসিকতা গঢ়ি তুলিব লাগিব। অকলশৰে গৈ থকা বা ৰৈ থকা নিঃসহায় মহিলাগৰাকীক কিৰীলি পাৰি অশ্লীল ইংগিত দিয়াৰ পৰিৱৰ্তে তেওঁ কিবা বিপদত পৰিলে সহায় কৰাৰ মানসিকতা গঢ়ি তুলিব পাৰিলেহে আপোনাৰ মোৰ বাই-ভনী সকলোৱে সুৰক্ষিত হ'ব। ■

## কোনজন বিজ্ঞানীয়ে কি আৱিষ্কাৰ কৰিছিল?

| | |
|---|---|
| ● অনুবীক্ষণ যন্ত্ৰ | ☛ এন্টনি ভন লিউৱেন হুক |
| ● বেৰ'মিটাৰ | ☛ ই টৌ'ৰিছেলি |
| ● টেলিফোন | ☛ আলেকজেণ্ডাৰ গ্ৰাহমবেল |
| ● ৰেডিঅ' | ☛ জি মাৰ্কনী |
| ● উৰাজাহাজ | ☛ উইলবাৰ ৰাইট আৰু অৰভিল ৰাইট |
| ● প্ৰেচাৰ কুকাৰ | ☛ ডেনিছ পেপিন |
| ● কম্পিউটাৰ | ☛ ছাৰ চাৰ্লছ বেবেজ |
| ● দিয়াচলাই | ☛ জন ৱাকাৰ |
| ● পেৰাচুট | ☛ এলিছা ওটিজ |
| ● বৈদ্যুতিক বাল্ব | ☛ টমাজ আলভা এডিছন |



# সাম্প্ৰতিক সময়ত মূল্যবৃদ্ধিৰ প্ৰভাৱ

☛ **ৰক্তিম শইকীয়া**
ষষ্ঠ ষাণ্মাসিক

**অ**সমী আই আজি বিভিন্ন সমস্যাৰে জৰ্জৰিত। যেনিয়েই চাওঁ তেনিয়ে মাত্ৰ সমস্যা আৰু সমস্যা। সমস্যা সমূহৰ সমাধান বিচাৰোতে বিচাৰোতে পুনৰ আন এটা নতুন সমস্যাৰহে আৰ্বিভাৱ হয়। ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, ভৌগোলিক, শৈক্ষিক ইত্যাদি বিভিন্ন ক্ষেত্ৰত সমস্যা দেখিবলৈ পোৱা যায়। বৌদ্ধিক সমাজে এই সমস্যা সমূহৰ নিৰাময়ৰ কাৰণে চিন্তাচৰ্চা অব্যাহত ৰাখিছে যদিও উপযুক্ত সমাধানৰ পথ উলিয়াব পৰা নাই। দিনে দিনে নিবনুৱা সমস্যা যিধৰণে তীব্ৰগতিত বৃদ্ধি পাব ধৰিছে অসমৰ বাবে ই এক বিৰাট প্ৰত্যাহ্বান হিচাপে থিয় দিছে। তদ্ৰূপ সাম্প্ৰতিক সময়ৰ আন এক প্ৰবল প্ৰত্যাহ্বান হৈছে 'মূল্যবৃদ্ধি'। যি প্ৰত্যাহ্বানে দুখীয়া সমাজখনক কোঙা কৰি পেলাইছে।

অসমৰ প্ৰায় ৭০ শতাংশ লোকে সাধাৰণভাৱে জীৱন নিৰ্বাহ কৰে। অত্যাৱশ্যকীয় সামগ্ৰীৰ অভাৱনীয় মূল্য বৃদ্ধিৰ প্ৰভাৱে অসমৰ প্ৰতিজন লোককে চুই গৈছে। হয়তো অভিজাত, বিলাসী সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে অসমৰ সাধাৰণ জনসাধাৰণৰ মাজত প্ৰভাৱ নেপেলালেহেঁতেন। কিন্তু অত্যাৱশ্যকীয় সামগ্ৰীৰ অধিক মূল্যবৃদ্ধিয়ে অসমৰ জনতাক মাধমাৰ সোধাইছে। নিজৰ পৰিয়ালৰ ভৰণ-পোষণৰ ক্ষেত্ৰত বহুলোকৰ চিন্তাৰ কাৰণ হৈ পৰিছে। আনকি বহুলোকে নিজ আদৰ্শৰ পৰা বিচলিত হৈ বক্ৰপথেৰে ধন আহৰণৰ পথ বাচি ল'ব লগা হৈছে। যিটো হয়তো সমগ্ৰ সমাজখনৰ বাবেই ক্ষতিকাৰক। নিজ পৰিয়ালক সঠিকভাৱে পৰিচালনা কৰাত ব্যৰ্থ হৈ নিজৰ সন্তানকে বিক্ৰী কৰাও আমাৰ সমাজত নজিৰ আছে। মূল্যবৃদ্ধিয়ে খাতিখোৱা জনতাকে আদি কৰি মধ্যবিত্ত পৰিয়ালসমূহলৈ ঘোৰ অমানিশা নমাই আনিছে। মুঠৰ ওপৰত অত্যধিক মূল্যবৃদ্ধিয়ে সমাজৰ অগ্ৰগতিত বাধাৰ প্ৰাচীৰ ৰূপে থিয় দিছে।

অসমৰ বহু সংখ্যক লোক ইতিমধ্যে কৰ্ম সংস্থাপনৰ উদ্দেশ্যে অসমৰ বাহিৰত বাস কৰি আহিছে। মাহিলী নূন্যতম পাৰিশ্ৰমিকেৰে সৈতে অসমৰ বিভিন্ন উদ্যোগিক প্ৰতিষ্ঠানত

কাম কৰাৰ লগতে বহুতে ব্যক্তিগত প্ৰতিষ্ঠানত নিয়োজিত হৈ নিজৰ নিজৰ পৰিয়ালৰ সৈতে জোৰা টাপলি মাৰি কোনোমতে চলাই আহিছে। ইয়াৰ উপৰিও বহুজনে ক্ষুদ্ৰ ক্ষুদ্ৰ ব্যৱসায় কৰিও নিজৰ জীৱিকা পালন কৰা দেখা যায়। কিছু সংখ্যকে সাংস্কৃতিক দিশৰ লগত জড়িত হৈয়ো নিজৰ নিজৰ পৰিয়ালৰ ভৰণ-পোষণৰ দায়িত্ব পালন কৰি আহিছে। মাহিলী এক নূন্যতম বাজেটৰ মাজেৰে এই সকল অসমীয়াই জীৱন নিৰ্বাহ কৰা পৰিলক্ষিত হয়। কিন্তু বিগত ২০২০-২১ বৰ্ষৰ কৰোণা মহামাৰীৰ বাবে এই শ্ৰেণীৰ লোকসকল সৰ্বস্বান্ত হৈ দিকবিদিক্ হেৰুৱাৰ উপক্ৰম হৈছে। যদিও ‘কৰোণাৰ ভয়াবহতা কিছু পৰিমাণে শাম কাটিছে তথাপি এই শ্ৰেণীৰ লোকসকলে পুনৰ পূৰ্বৰ স্থিতিলৈ আহিব পৰা নাই। বহুলোকে ইতিমধ্যে নিজৰ নিজৰ কৰ্ম সংস্থাপন হেৰুৱাই দিনতে আন্ধাৰ দেখিছে। বিশেষকৈ কৰোণাৰ সময়ছোৱাত লকডাউনৰ প্ৰভাৱে এই সকল লোকক বাৰুকৈয়ে জুৰুলা কৰিছিল। ক্ষুদ্ৰ ব্যৱসায়ী সকলৰ ব্যৱসায় অধঃনমিত হৈ পৰিছিল। শ্ৰমিকসকল নিবনুৱা হৈ পৰিল। উপাৰ্জন একেবাৰে শূন্য হৈ পৰাত বহুলোকৰে জীৱন নিৰ্বাহ কৰাটো অত্যন্ত জটিল হৈ পৰিল। মুঠতে কৰোণাৰ বিভীষিকাই জনসাধাৰণৰ গতিপথ সম্পূৰ্ণ সলনি কৰি পেলাইছে। এনে এক ভয়ানক পৰিস্থিতিৰ মাজতে আকৌ ‘ভূতৰ ওপৰত দানৰ’ পৰাদি জনসাধাৰণৰ মূৰত পৰিলে ‘মূল্যবৃদ্ধি’ৰ এক দাঙিব নোৱাৰা বোজা। প্ৰতিদিনে প্ৰতিপদ বস্তুৰে মূল্যবৃদ্ধি হৈ হৈ সাধাৰণ জনতা কোঙা হৈ পৰিছে।

শেহতীয়াভাৱে ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত চলি থকা যুদ্ধৰ ফলতো মূল্যবৃদ্ধিৰ ইন্ধন যোগাইছে। যাৰ ফলত পেট্ৰল জাতীয় ইন্ধনৰ মূল্য শতকৰ ঘৰ অতিক্ৰম কৰা পৰিলক্ষিত হৈছে। ইন্ধনৰ দাম বঢ়াৰ লগে লগে পৰিবহণ ব্যৱস্থাৰো মূল্যবৃদ্ধি হ’বলৈ আৰম্ভ কৰিলে। ফলত অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ অত্যধিক মূল্যবৃদ্ধি হ’বলৈ ধৰিলে। ৰাজ্যখনৰ বিভিন্ন দিশৰ উন্নয়নৰ স্বাৰ্থত চৰকাৰে প্ৰস্তুত কৰা বিলাসী আঁচনিসমূহত ধন বিনিয়োগ কৰিব লগা হোৱাত চৰকাৰে বিভিন্ন ক্ষেত্ৰত কৰ নিৰ্ধাৰণ কৰাও হৈছে মূল্যবৃদ্ধিৰ অন্যতম কাৰণ। চৰকাৰৰ টোলগেট নিৰ্মাণৰ উপৰিও দুষ্ট চক্ৰৰ চৰকাৰ বিৰোধী কাৰ্যও মূল্যবৃদ্ধিৰ আন এটা কাৰণ। ইয়াৰ উপৰিও কৃষি কাৰ্যৰ প্ৰতি মানুহৰ অনীহা, উপযুক্ত পৰিমাণৰ উদ্যোগৰ অভাৱ, বাহিৰৰ ৰাজ্যৰ পৰা আমদানি কৰা কাৰ্য, প্ৰযুক্তিৰ অভাৱ ইত্যাদি হৈছে মূল্যবৃদ্ধিৰ প্ৰধান কাৰণ। মূল্যবৃদ্ধিৰ কাৰণ সমূহ পুংখানুপুংখ ভাৱে অধ্যয়ন কৰি বৈজ্ঞানিক দৃষ্টিভংগীৰে সমাধান সূত্ৰ উলিয়াই পদক্ষেপ হাতত নল’লে অদূৰ ভৱিষ্যতে অসমৰ মানুহে পংগুৰ জীৱন কটাব লাগিব।

‘হিতাধিকাৰী সৃষ্টি’ আঁচনি প্ৰস্তুত কৰা বন্ধ কৰি ইয়াৰ বিপৰীতে উৎপাদন মুখী আঁচনি প্ৰস্তুত কৰাত বিভাগ সমূহে গুৰুত্ব প্ৰদান কৰিব লাগিব। উৎপাদন বৃদ্ধি হ’লে জনতা স্বচ্ছল হ’ব পাৰিব আৰু জনতা স্বনিৰ্ভৰশীল হ’ব পাৰিলেই মূল্যবৃদ্ধি ৰোধ হ’ব। হকে বিহকে জনতাক অনুদান আগবঢ়ালে মানুহৰ মনত কৰ্ম উদ্যম নোহোৱা হয়। মানুহে নিজ কৰ্মৰ প্ৰতি উদাসীন হৈ সহজতে ধন ঘটা প্ৰৱণতা বৃদ্ধি পায়। যিটো সমাজৰ বাবে ক্ষতিকাৰক। যুৱ-প্ৰজন্মক কৃষি কৰ্মৰ প্ৰতি আকৃষ্ট কৰিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিব লাগিব। কৃষি কৰ্মত আওপুৰণি ব্যৱস্থাৰ অৱসান ঘটাই বিজ্ঞান আৰু প্ৰযুক্তিৰ নৱসংযোজন ঘটাব লাগিব। শিক্ষাৰ পাঠ্যক্ৰমত মূল্যবোধৰ শিক্ষাৰ সংযোজন ঘটাই মানৱ সম্পদ গঢ়াৰ লক্ষ্য স্থিৰ কৰিব লাগিব। বৃত্তিমুখী শিক্ষাৰ প্ৰৱৰ্তন কৰি মহামানৱ মহাত্মা গান্ধীৰ সপোন বাস্তৱত ৰূপায়ণ কৰিব লাগিব। বিভাগীয় কৰ্তৃপক্ষই সেৱাৰ মনোভাৱেৰে নিজৰ নিজৰ কৰ্তব্য পালন কৰিব লাগিব। বিজ্ঞ সকলৰ পৰামৰ্শৰ ভিত্তিত অসমৰ ঔদ্যোগিক ক্ষেত্ৰখন চহকী কৰি তুলিব লাগিব। প্ৰচুৰ সম্ভাৱনা থকা প্ৰাকৃতিক সম্পদসমূহক সুপৰিকল্পিত ভাৱে ব্যৱহাৰৰ উপযোগী কৰি আমাৰ প্ৰয়োজনবোৰ পূৰ কৰিব লাগিব। চিন্তাবিদ আৰু অৰ্থনীতিবিদসকলৰ ভূমিকাও এই ক্ষেত্ৰত যথেষ্ট গুৰুত্বপূৰ্ণ। যিকোনো পৰিস্থিতিত যিকোনো ব্যৱস্থাৰে আমাৰ ৰাজ্য আৰু দেশৰ মূল্যবৃদ্ধি ৰোধ হ’বই লাগিব। নহ’লে সমগ্ৰ ভাৰতবৰ্ষৰ পাঁচখন উন্নত ৰাজ্য হিচাপে অসমক পৰিচয় কৰোৱাৰ সপোন দিঠকত কেতিয়াও পৰিণত নহ’ব। ■

# ‘জীৱনৰ বাটত’ উপন্যাসত প্ৰতিফলিত সামাজিক অন্যায় আৰু দুৰ্নীতিঃ এটি আলোচনা

☛ ড° কুশল টাইদ
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

দুৰ্নীতি আৰু অন্যায় কেৱল সাম্প্ৰতিক সময়ৰ সমাজত প্ৰকট আৰু প্ৰচ্ছন্ন ৰূপত ৰৈ থকা প্ৰপঞ্চ নহয়, ই আৱহমান কালৰে পৰা নতুবা ইতিহাসে ঢুকি নোপোৱা সময়ৰে পৰা ভিন ভিন সময়ৰ ভিন্ ভিন্ সমাজ ব্যৱস্থাত কম বেছি পৰিমাণে পৰিব্যপ্ত হৈ আছে। দুৰ্নীতি শব্দটো সাধাৰণভাৱে ক'বলৈ গ'লে নীতিৰ বিপৰীত বাচক শব্দ। য'ত নীতি নাথাকে তাতে দুৰ্নীতিৰ জন্ম হয়। নীতি য'ত বাধা গ্ৰস্ত বা পক্ষাঘাত গ্ৰস্ত হৈ পৰে, তেতিয়াই দুৰ্নীতিয়ে নীতিৰ স্থান গ্ৰহণ কৰে। বিশ্ব সাহিত্যৰ পাততো দুৰ্নীতি আৰু অন্যায় সম্পৰ্কে আলোচনা-সমালোচনাৰ পয়োভৰ ঘটিছে প্ৰভূত হাৰত। অসমীয়া সাহিত্যৰ ক্ষেত্ৰতো তাৰ প্ৰতিফলন পৰিস্ফুট। অসমীয়া উপন্যাস সাহিত্যৰ পাততো দুৰ্নীতি-অন্যায় সম্পৰ্কে বহুবোৰ উল্লেখ পৰিদৃশ্যমান।

**সাহিত্যত দুৰ্নীতি ঃ**

সাহিত্য সমাজৰ দাপোণ স্বৰূপ। মানৱ জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, প্ৰেম-পিৰিতি, বিৰহ-বিচ্ছেদ, আশা-আকাংক্ষা, দুখ-বেদনা আদি সাহিত্যৰ মাজেদি প্ৰকাশিত হয়। সাহিত্যত সামাজিক অন্যায়, দুৰ্নীতি আদিৰ প্ৰতিফলন বিশ্ব সাহিত্যৰ সৰ্বত্ৰতে পৰিস্ফুত আৰু বাংময়। দুৰ্নীতি আৰু সামাজিক অন্যায়ক মৰ্মবস্তু হিচাপে প্ৰক্ষেপ কৰি অলেখ সাহিত্যই বিশ্ব সাহিত্যৰ পৰিক্ষেত্ৰত এক নিয়ামক ভূমিকা গ্ৰহণ কৰিছে। দুৰ্নীতি সম্পৰ্কে ভিন ভিন সংজ্ঞা ভিন ভিন পণ্ডিতে উল্লেখ কৰিছে যদিও গ্ৰহণযোগ্য হিচাপে সাৰ্বজনীনতা পোৱা সৰল সংজ্ঞাটো হ'ল— In philosophical, theological or moral discussion corruption is spiritual or moral impurity or deviation from an ideal.[১]

অৰ্থাৎ দাৰ্শনিক, আধ্যাত্মিক আৰু নৈতিক আলোচনাৰ পৰিপ্ৰেক্ষিতত দুৰ্নীতি হ'ল আদৰ্শৰ স্খলন। অৰ্থাৎ নৈতিক, আধ্যাত্মিক বা দাৰ্শনিক ভেটিটোত নামি অহা বিচ্যুতিকে সাধাৰণভাৱে দুৰ্নীতি হিচাপে সংজ্ঞায়িত কৰা হৈছে। ইয়াৰ বিপৰীতে অৰ্থনৈতিক পৰিক্ষেত্ৰত এই সংজ্ঞাৰ ৰূপ আৰু প্ৰকাৰ পৃথক। বিশ্বৰ বিভিন্ন প্ৰান্তত অন্যায় আৰু দুৰ্নীতি সম্পৰ্কীয় বিভিন্ন গ্ৰন্থ সমালোচনা প্ৰকাশ পাইছে।

ইংৰাজী সাহিত্যত দুৰ্নীতি সম্পৰ্কে অজস্ৰ উপন্যাস ৰচিত হৈছে। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল জৰ্জ অৰৱেলৰ এনিমেল ফাৰ্ম, (George orwell 'Animal Farm'), মাৰ্গাৰেণ্ট আইউদৰ ‘দি হেণ্ডমেইডেন্স টেল, (Margarant atwood 'The Handmaidens tale') ৰয় ব্ৰেণ্ডব্ৰিউৰিৰ ‘ফেৰিয়েন হাইথ ৪৭১’ (Ray Branbury 'Farien height 471') আৰু হাৰপাৰ লীৰ ‘টু কিল এ মকিং বাৰ্ড’, (Harper lee 'To kill a mocking bird')

ইত্যাদি। তেওঁলোকৰ উপন্যাসসমূহত সামাজিক অন্যায় আৰু দুৰ্নীতিৰ এক ছন্দোময় প্ৰতিফলন পৰিলক্ষিত হয়। উপন্যাসিকসকলে তদানীন্তন সমাজত প্ৰকট আৰু প্ৰচ্ছন্ন ৰূপত অৱস্থান কৰা সামাজিক অন্যায় আৰু দুৰ্নীতিক অকপট চিত্তে তুলি ধৰিছে।

ভাৰতীয় সাহিত্যতো তেনে উপন্যাসৰ প্ৰাচুৰ্য বিৰাজমান। শ্ৰীলাল শুক্লাৰ 'কাহানী' হ'ল এই সম্পৰ্কত এখন অনবদ্য উপন্যাস, য'ত প্ৰতিফলিত হৈছে আমোলা-তান্ত্ৰিকতা, দুৰ্নীতি আৰু অন্যায়ৰ পৰিণতিত প্ৰোথিত সমাজ জীৱন। উপন্যাসৰ নায়ক অমৃতলাল আৰু ভাগৱতীৰ মুখত আপোচহীন ভাৱে তুলি দিছে সমস্যা জৰ্জৰ, দুৰ্নীতিৰ অতলান্ত গভীৰতাত নিমজ্জিত সমাজ জীৱনৰ বহু ঘটনা আৰু পৰিঘটনা। একেদৰে উপন্যাসিক অৰবিন্দ আদিগাই তেওঁৰ প্ৰথমখন উপন্যাস 'দি হোৱাইট টাইগাৰ'ৰ যোগেদি সাম্প্ৰতিক সমাজত ভয়াবহ ৰূপত আগ্ৰাসন ঘটা ধৰ্ম, জাতি গোষ্ঠী, বৰ্ণ আদিৰ আকস্মিক সত্বাটোক প্ৰক্ষেপ কৰি সমাজৰ কেউদিশত দুৰ্নীতি আৰু সামাজিক অন্যায়ৰ পোহাৰ মেলি দিয়া সুযোগ সন্ধানীসকলৰ সমুখত এক প্ৰবল প্ৰত্যাহ্বান থিয় কৰিছে। বংকিম চন্দ্ৰ চট্টোপাধ্যায়ৰ 'দুৰ্গেশ নন্দিনী' (১৮৬৫), বিষবৃক্ষ (১৮৭৩), চেতন ভগত 'ফাইভ পইণ্ট চাম ওৱান' (২০০৪), ৰিভলিউচন ২০২০ (২০১১) আদিবোৰ উপন্যাস একেদৰে ওলাই আহিছে দুৰ্নীতি আৰু অন্যায়ৰ বিভীষিকাই ক্ৰমশঃ পংগু কৰি তোলা আমাৰ সমাজ জীৱনৰ ৰূপৰেখাৰ আলিংগনৰ পৰা।

অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনতো সমাজত হোৱা অন্যায়, ভ্ৰষ্টাচাৰ, দুৰ্নীতি সম্পৰ্কীয় উপন্যাস মুঠেও তাকৰ নহয়। তেনে কেইখনমান উপন্যাস হ'ল চৈয়দ আব্দুল মালিকৰ 'আধাৰশিলা' (১৯৬৬), 'অঘৰী আত্মাৰ কাহিনী' (১৯৬৯), যোগেশ দাসৰ 'ডাৱৰ আৰু নাই', লক্ষীনন্দন বৰাৰ 'পাতাল ভৈৰবী', হোমেন বৰগোহাঞিৰ 'হালধীয়া চৰাইয়ে বাওধান খায়', দেবেন্দ্ৰনাথ আচাৰ্যৰ 'জংগম' আদি উপন্যাস সমূহত নানা সামাজিক অন্যায়-দুৰ্নীতিৰ চিত্ৰৰ প্ৰতিফলন ঘটিছে।

**বিষয়বস্তুৰ পটভূমি**

সাহিত্যৰ এটি অবিচ্ছেদ্য অংগ হৈছে উপন্যাস। ই আধুনিক শিল্পীমনৰ সৃষ্টি। ইয়াৰ জন্মস্থল ইউৰোপ। আধুনিকতাৰ বিকাশৰ লগত উপন্যাস সাহিত্যৰ বিশেষ সম্পৰ্ক আছে আৰু অসমত উপন্যাস সাহিত্যৰ বিকাশ হয় মূলতঃ ব্ৰিটিছসকল অহাৰ পিছত। ১৮৪৬ চনত প্ৰকাশ পোৱা 'অৰুনোদই' কাকতৰ পৰৱৰ্তী সময়ৰ পৰা অসমৰ পাঠক সমাজে বিভিন্ন সাহিত্যৰ সোৱাদ ল'বলৈ ধৰে। ভ্ৰমণ কাহিনীৰ পৰা আৰম্ভ কৰি কবিতা, গল্পধৰ্মী লেখনি, উপন্যাস ধৰ্মী ৰচনাৰ প্ৰকাশ হ'ল আৰু এনেকৈয়ে আৰম্ভ হয় সৃষ্টিশীল সাহিত্যৰ নতুন যাত্ৰা।[২]

উপন্যাসৰ ইংৰাজী প্ৰতিশব্দ হ'ল 'নভেল' (Novel)। নভেল শব্দৰ অৰ্থ হ'ল নতুন অভিনৱ, সতেজ, জীৱন্ত। অৱশ্যে ইংৰাজী অভিধানত ইয়াৰ এটা নতুন অৰ্থ এনেদৰে দিয়া হৈছে- 'এবিধ যথেষ্ট দীঘল মনে সজা কথাৰ ভাষাৰ গল্প, য'ত প্ৰকৃত জীৱনৰ প্ৰতিনিধিত্ব মূলক চৰিত্ৰ আৰু কাৰ্যকলাপ কম পৰিমাণে জটিল কাহিনীত চিত্ৰিত হয়।[৩]

অৰুনোদই যুগত ৰচিত কেইখনমান পুথিত উপন্যাসৰ কিছু লক্ষণ পৰিস্ফুট হ'লেও সাহিত্য কলাৰ এটা বিশিষ্ট অঙ্গৰূপে অসমীয়া উপন্যাসে প্ৰতিষ্ঠা লাভ কৰে উনবিংশ শতিকাৰ শেষ দশকতহে। উক্ত দশকতহে ঐতিহাসিক উপন্যাসৰ লগতে সামাজিক উপন্যাসৰ ধাৰাটোও আৰম্ভ হয়।

যুদ্ধোত্তৰ যুগৰ ঔপন্যাসিক তথা অসমীয়া লোক-সংস্কৃতিৰ প্ৰথিতযশা পণ্ডিত বিৰিঞ্চি কুমাৰ বৰুৱাই বীণা বৰুৱা ছদ্ম নামেৰে 'জীৱনৰ বাটত' (১৯৪৫) আৰু ৰাস্না বৰুৱাৰ ছদ্মনামত 'সেউজী পাতৰ কাহিনী' (১৯৫৯) উপন্যাস দুখনেৰে অসমীয়া উপন্যাস সাহিত্য জগতত এটি নতুন যুগৰ সূচনা কৰে। ঔপন্যাসিকে 'জীৱনৰ বাটত' উপন্যসত অসমীয়া সমাজ-সংস্কৃতিৰ দিশৰ আৰু 'সেউজী পাতৰ কাহিনী'ত অসমত বসবাস কৰা চাহজনগোষ্ঠীয় লোকসকলক কেন্দ্ৰ কৰি গঢ়ি উঠা অসমীয়া সমাজখনক মূল উপজীব্য হিচাপে দাঙি ধৰিছে। দুয়োখন উপন্যাসে অসমীয়া সাহিত্যৰ মাইলৰ খুটি। এই আলোচনাত 'জীৱনৰ বাটত' উপন্যাসত প্ৰতিফলিত সামাজিত অন্যায় আৰু দুৰ্নীতিৰ সম্পৰ্কে আলোচনা কৰাক প্ৰয়াস কৰা হৈছে।

**উপন্যাসৰ পটভূমি ঃ**

'জীৱনৰ বাটত' উপন্যাসখনৰ বিষয়বস্তু গ্ৰাম্য সমাজৰ পটভূমিত আৱৰ্ত্তিত। অসমৰ গ্ৰাম্য সংস্কৃতিৰ অৱক্ষয়ৰ সুঁতিত সামাজিক কুটিলতাৰ বাবে সুস্থ

জীৱনবোধৰ গতি হেৰুৱাই জীৱনৰ খলা-বমা পথত বিভিন্ন প্ৰতিকূলতাৰ সন্মুখীন হ'ব লগা হোৱা এগৰাকী সৰলা যুৱতীৰ মৰ্মস্পৰ্শী বেদনাৰ ইতিহাসেই হ'ল 'জীৱনৰ বাটত' উপন্যাসখনৰ মূল পটভূমি।

জীৱনৰ বাট সেন্দুৰীয়া নহয়, ইয়াৰ গতিপথো মসৃণ নহয়। যৌৱনৰ পদুলিমুখত এদিন যাক লগ পাই দীৰ্ঘপথৰ 'সাৰথি' হ'ব বুলি কামনা কৰে, যাৰ খন্তেকীয়া স্নেহকোমল স্পৰ্শ জীৱনৰ পাথেয় হ'ব বুলি মধুৰ কল্পনা কৰে, সেই ক্ষণিকৰ অতিথি জীৱনৰ কুটিল পথত হেৰাই গ'লেও তাৰ অব্যক্ত মধুৰ বেদনাই যাত্ৰা পথৰ স্তৰে স্তৰে হৃদয়ৰ নিভৃতত সহাঁৰি দি যায়। এগৰাকী সৰলা, মধুমতী যুৱতীৰ জীৱন পথৰ তেনে মৰ্মস্পৰ্শী বেদনাৰ ইতিহাস অংকিত হৈছে বীণা বৰুৱাৰ উপন্যাস 'জীৱনৰ বাটত'।

গোলাঘাটৰ ওচৰৰ মৰঙ্গি মৌজাৰ মৌজাদাৰ ভোগদত্ত শইকীয়াৰ জীয়ৰীৰ বিয়াৰ হুলস্থুলৰ মাজতে গাঁৱৰ সৰলা, কৰ্মচঞ্চলা তগৰৰ পৰিচয় আৰু ঘনিষ্ঠতা হয় বি.এ. পঢ়া উচ্চ শিক্ষিত চহৰীয়া ডেকা কমলাকান্তৰ লগত। বিয়াৰ উলহ-মালহ মাৰ যোৱাৰ পাছত প্ৰণয়ৰ মধুৰ মুহূৰ্তত কমলাকান্তই ক'ব নোৱাৰাকৈ তগৰৰ আঙুলিত পিন্ধাই দিলে প্ৰেমৰ অভিজ্ঞান এটা আঙুঠি, তগৰে এই কাৰ্যৰ সম্ভাব্য প্ৰতিক্ৰিয়াৰ কথা সোঁৱৰাই দিয়াত কমলাকান্তই সেই ভুলৰ শুধৰণি ঘটোৱাৰ প্ৰতিশ্ৰুতি দিলে। চহৰলৈ ঘূৰি যোৱা কমলাকান্তৰ হৃদয়ত নতুন পৰিৱেশৰ ন আকৰ্ষণত তগৰৰ ছবি ক্ৰমে ম্লান হৈ যায়। এ. চি. এছ.ৰ বাবে 'ৰিকমেণ্ডেশ্যন' বিচাৰি দেউতাকৰ উপদেশমতে কমলাকান্ত ৰায়বাহাদুৰ মাণিক হাজৰিকাৰ কাষ চাপে। ৰায়বাহাদুৰৰ ধন-দৌলত, জীয়ৰী সুপ্ৰভাৰ সৌন্দৰ্য আৰু উচ্চ চাকৰিৰ আকৰ্ষণে তগৰক পাহৰি যোৱাত কমলাকান্তক ইন্ধন যোগালে। তগৰৰ মাকৰ আকস্মিক মৃত্যুৱেও তাত অৰিহণা যোগালে। অদৃষ্টৰ পৰিহাসত পিতাকেও তগৰৰ পথত বিধি-পথালিৰ মেৰজাল তৰিলে। জীয়েকৰ ইচ্ছা অনিচ্ছাৰ প্ৰতি উদাসীনতা প্ৰদৰ্শন কৰি প্ৰত্যাখ্যানৰ অপমান ঢাকি ৰাখিবলৈ বাপুৰাম বৰাই টোপাকুছি গাঁওৰ ধৰণী মাষ্টৰলৈ তগৰক বিয়া দিলে।

গৃহবধূৰূপে তগৰৰ বোৱাৰী জীৱন আৰম্ভ হ'ল ধৰণী মাষ্টৰৰ গাঁৱৰ ঘৰত। পৰিয়াল-পৰিজনৰ বিনা অনুমতিত বিয়া কৰোৱা বাবে তগৰৰ ওপৰত চলিল শাহুৱেক আহিনীৰ গালি-শপনি আৰু অত্যাচাৰ। তাৰ মাজতে কমলীৰ জন্ম হ'ল। ইফালে ধৰণীয়ে দেশৰ মুক্তিৰ কাৰণে স্বাধীনতা আন্দোলনত যোগদান কৰিলে। আহিনীৰ মৃত্যুৰ পাছত ধৰণীয়ে দেশপ্ৰেমৰ অভিযোগত কাৰাবাস খাটিবলগীয়া হয়। কাৰাবাসৰ পৰা মুক্তি পোৱাৰ পাছত যক্ষ্মাৰোগত ধৰণীৰ মৃত্যু হয়। বৈধব্যৰ যন্ত্ৰণাক আকোৱালি লৈ তগৰে কমলীৰ লগত অবৰ্ণনীয় দুখ-কষ্টৰ মাজত দিন কটাব লগাত পৰে। এনেতে ধৰণীৰ বেমাৰত চিকিৎসা কৰা গোলাপ ডাক্তৰৰ সহায়ত তগৰে শিপিনী সংঘৰ কামত আত্মনিয়োগ কৰি জীৱিকাৰ উপায় উলিয়াবলৈ চেষ্টা কৰিলে। গাঁৱলৈ বদলি হৈ অহা হাকিমৰ ঘৈণীয়েকক তাঁতৰ কামত সহায় কৰিবলৈ যাওঁতে তগৰৰ সাক্ষাৎ হ'ল তাইৰ প্ৰথম যৌৱনৰ পুৰুষ কমলাকান্তৰ সৈতে। তাৰ পাছতে কমলাকান্তৰ ঘৈণীয়েক সুপ্ৰভাৰ অলংকাৰ চুৰি কৰাৰ অভিযোগত অভিযুক্ত তগৰৰ ঘৰত খানা তালাচী চলোৱা হয় আৰু গোলাপ ডাক্তৰৰ লগত তগৰৰ অবৈধ সম্পৰ্ক থকা বুলি অপপ্ৰচাৰ চলে। তগৰৰ ঘৰত পোৱা আঙুঠিটোৱে কমলাকান্তৰ মনত প্ৰথম যৌৱনৰ স্মৃতি জগাই তোলে আৰু তেওঁ মাটিত বাগৰি পৰে। ইয়াতেই উপন্যাসখনৰ যৱনিকা পৰিছে। উপন্যাসখনৰ সামৰণিত তগৰে অৱস্থান কৰা নাই, কিন্তু কমলাকান্তৰ পৰিণতিৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত কমলাকান্তৰ হাতৰ পৰা মাটিত পৰি ঘূৰি-ঘূৰি মজিয়াত স্তব্ধ হৈ পৰা আঙুঠিটোৱে যেন উপন্যাসখনৰ কাহিনীৰ সামৰণিকে নিৰ্দেশ কৰিছে।

উপন্যাসখনৰ গুৰুত্বপূৰ্ণ বিষয়বস্তুৰ মূলতে হ'ল নায়ক কমলাকান্তই তগৰৰ প্ৰতি কৰা সামাজিক অন্যায় আৰু তগৰৰ জীৱনলৈ নামি অহা কৰুণ পৰিণতি। সৰলা তগৰে পদে পদে তথাকথিত সমাজখনত অৱহেলিত হ'বলগীয়া হৈছে। কাহিনীৰ মাজতে তগৰক কেন্দ্ৰ কৰি নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে উদ্ভাষিত হৈছে সমাজত প্ৰচলিত দুৰ্নীতি-ভ্ৰষ্টাচাৰ তথা জীৱনৰ দুখ-কষ্ট, লঘু-লাঞ্চনাৰ কাহিনী।

আহোমসকলৰ ছশবছৰীয়া ৰাজত্ব কালত গঢ় লৈ উঠা অভিজাত সমাজখনৰ অস্তমিত ৰূপ আৰু বিট্ৰিছ শাসনত গঢ়লৈ উঠা ন অসমীয়া সমাজ-সভ্যতা এই দুয়োটাৰ পটভূমিত উপন্যাসখনত চিত্ৰিত হৈছে সমান্তৰাল ভাৱে দুখন সমাজ। এখন সততা, মানৱতা, আদি গুণ তথা আভিজাত্যৰে পৰিপূৰ্ণ পুৰণি সভ্যতা সমৃদ্ধ সমাজ আৰু আনখন ব্ৰিটিছ আমোলাৰ শিক্ষা-দীক্ষাৰ ফলত গঢ় লৈ উঠা

নতুন ধনী শ্ৰেণীটোৰ শিপাহীন সমাজ। উপন্যাসৰ কাহিনীভাগৰ মাজত দুয়োখন সমাজৰে প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে। ইংৰাজ শাসনৰ সময়ছোৱাত কেনেকৈ থলুৱা প্ৰাচীন প্ৰমূল্যৰাজিৰ অৱলুপ্তি ঘটিছিল আৰু নতুন আভিজাত্যৰ নামত জীৱন কিদৰে কৃত্ৰিমতা সৰ্বস্ব হৈ পৰিছিল অথবা মধ্যবিত্ত শ্ৰেণীয়ে অভিজাত শ্ৰেণীলৈ উঠাৰ প্ৰয়াসত কিদৰে ফোঁপোলা অন্তঃসাৰশূন্য জীৱনক আঁকোৱালি লৈছিল, 'জীৱনৰ বাটত' সেই সমাজ জীৱনৰ সাৰ্থক প্ৰতিচ্ছবি।

বিবাহ অসমীয়া সমাজ জীৱনত অনাবিল আনন্দৰ এক ৰাজহুৱা উৎসৱ। কিন্তু সাতামপুৰুষীয়া সমাজ নীতি-নিয়মক উপেক্ষা কৰি প্ৰৱঞ্চক কমলাকান্তই আগপিছ নাভাবি প্ৰেমত পুলক-বিভোৰ হৈ অকস্মাতে তগৰৰ আঙুলিত অভিজ্ঞানম আঙঠিটো পিন্ধাই দিলে। কিন্তু সেয়া তদানীন্তন অসমীয়া সমাজৰ সম্পূৰ্ণ নীতি বৰ্হিভূত।

সহজ-সৰলা তগৰে লাজ-ভয় আৰু শংকাৰে ক'লে- "আপুনি, মোৰ সৰ্বনাশ কৰিলে কিয়?"[৪] এনেধৰণৰ উক্তিৰ পৰা অসামাজিক ভাৱে আঙঠি পিন্ধোৱা কাৰ্যই নিঠৰুৱা তগৰৰ ওপৰত কৰা নিপীড়নৰ নতুন কদাকাৰ ৰূপ, তথা জীৱনৰ ক্লেশ-যাতনা, লঘু-লাঞ্চনাৰ চিত্ৰ প্ৰকাশ পাইছে।

উপন্যাসখনত সেই সময়ৰ প্ৰচলিত সমাজৰ জাত-কুলৰ কুসংস্কাৰেও অসমীয়া সমাজখনত কিছুপৰিমাণে ছানি ধৰিছে। বিশেষকৈ বৈবাহিক সম্বন্ধ স্থাপন কৰাৰ ক্ষেত্ৰত এই সংস্কাৰে গুৰুত্ব লাভ কৰিছিল। যাৰ ফলত জাত-পাত নিমিলাকৈ বিয়া পাতিলে কেতিয়াবা সমাজৰ পৰা এঘৰীয়া বা সমাজৰ ওচৰত দোষণীয়ও হ'ব লগা হয়। এনে সংস্কাৰৰ প্ৰকাশ ঘটিছে উপন্যাসখনৰ তগৰ আৰু ধৰণীৰ বিয়াৰ ক্ষেত্ৰত- "কেনেবাকৈ যদি জাতিকুল মাৰি ছোৱালী আনিব লাগিল, তেনেহ'লে চিৰদিনলৈ কুলত কুখ্যাতি ৰ'ব, সমাজৰ পৰা এঘৰীয়া হ'ব লাগিব।"[৫]

ধৰণী মাষ্টৰে মাতৃ আহিনীৰ অমতত তগৰক বিয়া কৰোৱা বাবে তগৰে শাহুৱেক আহিনীৰ পৰা পদে পদে গালি শপনি খাব লগা হৈছে। এইয়া সামাজিক অন্যায়। কুটনীতি বা অন্যায়— উপন্যাসখনৰ জেতুকী, নাদুকী, পাভৈ আদি জীয়ৰী-বোৱাৰীৰ মাজত কুৎসা ৰটনাৰ প্ৰৱণতা সেইসকলৰ চৰিত্ৰৰ মাজেৰে উন্মুক্ত হৈছে আমাৰ সমাজ জীৱন। আনৰ বিষয়ে পানী ঘাটত, ঢেঁকীশালত বদনাম গোৱা, আনৰ মাজত কাজিয়া লগাই ফুৰা আদি কুটনীতিৰ চিত্ৰ উপন্যাসত সুন্দৰকৈ ফুটি উঠিছে। জেতুকীৰ মন্তব্য - 'এ আই, শিৰতনো মাহটো মান সেন্দূৰ হ'ব পাইনে? সেন্দূৰৰনো ইমান আটক পৰিলনে? ধৰণী ককাইটিক ক'লেও দেখোন চান্দমল কেএণ্ডাৰ' গোলাৰ পৰা এটেমা আনি দিব।[৬] ইত্যাদি।

জীৱনৰ বাটত উপন্যাসখনত বৰ্ণিত কাহিনীৰ সময়ছোৱাত নাৰীৰ প্ৰতি সমাজে কৰা পক্ষপাত মূলক দৃষ্টিভংগী তাৎপৰ্যপূৰ্ণ। নাৰীক সদায় দ্বিতীয় শ্ৰেণীৰ নাগৰিক হিচাপে গণ্য কৰা হৈছে। লগতে স্ত্ৰী শিক্ষাৰ প্ৰতিও অসমীয়া সমাজখনৰ আগ্ৰহ যথেষ্ট কম আছিল। তগৰৰ দেউতাকৰ মুখৰ পৰাই এনে বক্তব্য প্ৰতিধ্বনিত হৈছে-"ছোৱালীৰ মত লৈ বিয়া দিয়াৰ প্ৰথা আমাৰ সমাজত এতিয়াও চলা নাই।"[৭] আকৌ মৌজাদাৰণীৰ মুখৰ বক্তব্য- "মাক বাপেকে ক'লে বুলি য'তে বিয়া দিয়ে ছোৱালীৰ তাতে সন্তুষ্ট।"[৮] এনেধৰণৰ নাৰীৰ প্ৰতি অন্যায়, লঘু-লাঞ্চনা অকল তগৰে ভুক্তভোগী নাছিল কাৰ্যতঃ সমগ্ৰ নাৰী সমাজেই প্ৰতিটো ক্ষেত্ৰতে অৱহেলিত হৈ ইচ্ছা-অনিচ্ছাৰ প্ৰাপ্যখিনিৰ পৰা বঞ্চিত হ'ব লগাত পৰিছে। সেয়া চূড়ান্তভাৱে নাৰীৰ প্ৰতি কৰা অন্যায়।

স্বৰাজ আন্দোলনৰ পৰিপ্ৰেক্ষিতত পশ্চিমীয়া আদৰ্শত মোহগ্ৰস্ত নব্য সমাজখনৰ এক উচ্চ শ্ৰেণীৰ প্ৰতিনিধি কমলাকান্ত, সুপ্ৰভা, ৰায়বাহাদুৰ মাণিক হাজৰিকা, এছ আই মাধৱ মহন্ত আদিৰ জৰিয়তে ইংৰাজ সংস্কৃতিৰ অক্ষম অনুকৰণত সেই সময়ত গঢ় লৈ উঠা শিপাহীন সমাজখনৰ পৰিচয় দাঙি ধৰিছে। ইংৰাজ সভ্যতাৰ অনুকৰণত কিছুমান মানুহে মানৱীয় প্ৰমূল্যৰাজি জলাঞ্জলি দি যিকোনো উপায়েৰে ধন অৰ্জন কৰাই তেওঁলোকৰ উদ্দেশ্য হৈ পৰিছিল। ধন আহৰণ কৰিব পাৰিলেও ইংৰাজৰ পদলেহন কৰি ৰায়বাহাদুৰ, ৰায়চাহাব আদি উপাধি লৈ বিভিন্ন সামাজিক কামত আগশাৰীত আসন ল'বলৈ সক্ষম হৈছিল। কানিৰ বেহা কৰি ধন উপাৰ্জন কৰা ৰায়বাহাদুৰ খিতাপ লোৱা মাণিক হাজৰিকা হ'ল এনে শ্ৰেণীৰ লোকৰে প্ৰতিভূ। তেনে ক্ষেত্ৰত মাণিক হাজৰিকা দুৰ্নীতিৰ মহান প্ৰতিভূ হিচাপে চিহ্নিত।

নতুন ধনতান্ত্ৰিক সভ্যতাৰ পোহৰ পোৱা বুৰ্জোৱা মানসিকতাৰ এনে শ্ৰেণীৰ লোকে দৰিদ্ৰতাক উপহাস কৰা কাৰ্যৰ উপন্যাসখনত সুন্দৰ প্ৰতিফলন ঘটিছে। অপব্যয়

আনন্দক জীৱন উপভোগৰ অপৰিহাৰ্য আহিলা হিচাপে গ্ৰহণ কৰিছিল। অন্তঃসাৰশূন্য মানসিকতাই স্বামী-স্ত্ৰীৰ প্ৰেমো ধনকেন্দ্ৰিক কৰি তুলিছিল। সুপ্ৰভা আৰু কমলাকান্তৰ সাংসাৰিক জীৱনৰ চিত্ৰৰ জৰিয়তে উপন্যাসিকে সেই সময়ৰ নগৰকেন্দ্ৰিক সমাজ, সভ্যাতৰ প্ৰতিচ্ছবি ফুটাই তুলিছে। একমাত্ৰ ধনৰ লালসাত মানুহৰ সুখ-দুখৰ তথা মানৱীয় প্ৰমূল্যবোধৰ কথা পাহৰি গৈছে।

নব্য অভিজাত শ্ৰেণীৰ বাহিৰেও ব্ৰিটিছ আমোলত এচাম নিম্ন মধ্যবিত্ত শ্ৰেণীৰ সৃষ্টি হৈছিল। যিকোনো উপায়েৰে অভিজাত শ্ৰেণীৰ লগত সম্পৰ্ক গঢ়ি তুলি সুবিধা আদায় কৰাটোৱেই এই শ্ৰেণীৰ লোকৰ উদ্দেশ্য আছিল। কমলাকান্তৰ দেউতাক মহীকান্ত বৰুৱা এই শ্ৰেণীৰে দুৰ্নীতিগ্ৰস্ত লোক আছিল। উন্নতিৰ জখলাত আৰোহণ কৰিবলৈ সেইখন সমাজৰ মানুহে নিজৰ প্ৰমূল্যৰাজিক বিসৰ্জন দিবলৈও কুণ্ঠাবোধ নকৰিছিল। এনে শ্ৰেণীৰ মানুহৰ বাবেই মানুহৰ অৰ্থনৈতিক জীৱনত, থলুৱা সংস্কৃতিত অস্থিৰতা আহি পৰাৰ লগতে জাতীয় জীৱন বিপন্ন হোৱাৰ উপক্ৰম ঘটিছিল। একমাত্ৰ টকাৰ লোভত চৰকাৰী বিষয়া আমোলাসকলো হাজাৰ হাজাৰ মৈমনচিঙীয়া লোকক মাটিৰ পট্টা দি থলুৱা কৰিবলৈ চেষ্টা কৰিছিল। এনে দুৰ্নীতি তথা অন্যায়ে সমকালীন অসমীয়া সমাজ-জীৱনৰ অৱক্ষয়ৰ ইংগিত বহন কৰিছে— "নিজে অসমীয়া অফিচাৰ হৈ, পুৰণি লালুং গাঁও এখনৰ ওচৰত মৈমনচিঙীয়া ইমিগ্ৰেণ্টচ বহুৱাই চিৰদিনৰ কাৰণে মৰামৰি-কটাকটি, বাদ-বিবাদৰ সৃষ্টি কৰাৰ আঁচনি দিয়াত ডেপুটী কমিছনাৰে চাৰডেপুটীক বিবেকহীন কৰ্মচাৰী বুলি লিখিছে।"[৯]

আকৌ— "ব্ৰহ্মপুত্ৰৰ গোটেই দক্ষিণ পাৰ মৈমনচিঙীয়াই দখল কৰাৰ লগতে ব্ৰহ্মপুত্ৰৰ পানীয়ে এই খণ্ড নোচোৱাহি হ'ল। ব্ৰহ্মপুত্ৰ নৈৰ কাষে কাষে ওখ ঢাপ মাৰি আহল-বহল বাৰী পতাত, সাপ নেগুৰীয়া আলি পদুলি বান্ধি পানী ওলোৱা সোমোৱা বাটত ভেটা দিয়াত ব্ৰহ্মপুত্ৰৰ ধল বাগৰি আহিবলৈ সুচল নোহোৱা হ'ল। ওখ চাপৰিবোৰ মৈমনচিঙিয়াই দখল কৰিলে, লগে লগে অসমীয়া খেতিয়কৰ মাহ-সৰিয়হ পেলাবলৈ ধনিষ্ঠামানো মাটি নৰ'ল।"[১০]

এনেধৰণৰ উপন্যাসখনৰ কাহিনীত বৰ্ণিত বক্তব্যই গোটেই অসমীয়া সমাজৰ খেতিয়কসকলক কৰা অন্যায়, ভ্ৰষ্টাচাৰ, বঞ্চনা, প্ৰতাৰণাৰ এক সুন্দৰ দলিল হিচাপে দাঙি ধৰিছে।

ইয়াৰ লগতে সহজ-সৰল অসমীয়া সমাজখনলৈ আহিল গঞা ৰাইজক টকা ধাৰে দি কৰা মহাজানৰ শোষণ, সুবিধাবাদীৰ দালালি, আৰু আমোলা মাতবৃৰৰ আতিশয্য। সোনাৰাম মণ্ডলে একে গাঁৱৰে বিধবা বোৱাৰীক দৰিদ্ৰতাৰ সুযোগ লৈ ফুচুলাই নি পতিতা কৰিছে। গোসাই হৈও নাৰায়ণ গোস্বামীয়ে কানিৰ মহল চলাইছে। এনে কৰ্মই সমাজখনক কলুষিত কৰিছে।

গান্ধীজীৰ স্বদেশপ্ৰেমৰ মন্ত্ৰত উদ্বুদ্ধ হৈ স্বাধীনতা আন্দোলনত ঘৰ-সংসাৰ, পৰিয়াল-পৰিজন, সকলো এৰি উপন্যাসখনৰ অন্যতম মূল পুৰুষ চৰিত্ৰ কংগ্ৰেছ ভলণ্টিয়াৰ ধৰণীয়ে গান্ধীজীৰ অসহযোগ আন্দোলনত জঁপিয়াই পৰি অৱশেষত কাৰাবাস খাটিছিল। শেষত এদিন ধৰণী যক্ষ্মাৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰিবলগীয়া হৈছিল। কিন্তু ধৰণীৰ পৰিয়ালে সমাজখনৰ পৰা অৱহেলা, উপেক্ষা আৰু জীৱন যন্ত্ৰণাত ঘনীভূত শংকাই জাপি দিয়া অভিশাপৰ ব্যতিৰেকে স্বাধীনতা সংগ্ৰামীৰ চৰম আত্মত্যাগৰ নূন্যতম মৰ্যাদাৰ পৰাও বঞ্চিত হ'ব লগা হ'ল। প্ৰাপ্যৰ পৰা বঞ্চিত বৈধব্য পত্নী তগৰৰ জীৱনৰ দুৰ্বিসহ জীৱন যন্ত্ৰণা তেনে পৰিণতিৰে নিকৃষ্ট আৰু নিষ্ঠুৰ-নিৰ্মম প্ৰতিফলন। গাঁৱলীয়া জীৱনৰ শঠতা, প্ৰৱঞ্চনা, বিশ্বাসঘাতকতা, সুবিধাবাদী মনোবৃত্তি, যৌন-বাসনা, স্বাৰ্থপৰতা আদি নিদৰ্শনৰ মাজেদি গ্ৰাম্য সমাজৰ সভ্যতাৰ অৱক্ষয়ৰ সুন্দৰ ৰূপ চিত্ৰিত হৈছে।

উপন্যাসখনত বৰ্ণিত সেই সময়ৰ দ্বন্দ্ব খৰিয়াল জাতিগত বিদ্বেষে বিভিন্ন খেলৰ সৃষ্টি আৰু তাৰ পৰিণতিত সৃষ্টি হোৱা অৰিয়া-অৰিয়ে নানা ধৰণৰ খেলি-মেলি তথা হাই-কাজিয়াৰ সুত্ৰপাত ঘটাইছিল। উপন্যাসখনত এনে ছবি প্ৰতিফলিত হোৱা দেখা যায়-

"ভাদমহীয়া গাঁৱৰ ৰাজহুৱা নামঘৰত তিনিও প্ৰসঙ্গৰ নাম-কীৰ্তনেৰে খলক লাগি থাকে। পুৱা দুপৰীয়া গোপিনী-সকলৰ জাত জাত নাম, সন্ধিয়া মুনিহসকলে নামৰ অন্ত শাস্ত্ৰ ব্যাখ্যা শুনে। তিথিকেইটাত দিন ৰাতি ভাওনা, আগেয়ে মহাপুৰুষৰ তিথি উপলক্ষে তিনি দিন দিনে-নিশাই বাৰখেলীয়া ভাওনা হৈছিল। আজি কালিৰ গাঁৱৰ মাজত তেনে বান্ধ নাই, উৎসাহ নাই, মিলা-প্ৰীতিও নাই। বাৰখেলীয়া ভাওনা কদাচিতহে হয়। দিনক দিনে বাদ বিসম্বাদ বাঢ়ি গৈ এখন গাঁৱতে কেইবাটাও নামঘৰ হৈছে।

ধৰণীহঁতৰ গাঁৱত কোচ-কলিতাৰ দ্বন্দ্বখন পুৰিণ কলীয়া। কলিতাসকলে পূৰ্বৰে পৰা কথাই কথাই কোচসকলক হেয়জ্ঞান কৰি সমাজৰ তলত ৰাখিবলৈ বিচাৰি আহিছে।"[১১]

এনেধৰণৰ অলেখ কথা-উপকথাৰে তদানীন্তন সমাজৰ মাজত প্ৰভাৱী প্ৰবঞ্চ হিচাপে আৰ্থিক, সামাজিক, সাংস্কৃতিক, ধৰ্মীয়, গোষ্ঠীয় আদিবোৰৰ সমাহাৰত বীণা বৰুৱাৰ, জীৱনৰ বাটত, উপন্যাসখন চিত্ৰিত হৈছে এক অনবদ্য সামাজিক দলিল হিচাবে। ইয়াৰ উপৰিও গাঁৱলীয়া সমাজৰ কু-সংস্কাৰ, অন্ধ-গোড়ামি, কুৎসা ৰটনা, নাৰীৰ প্ৰতি অৱজ্ঞাৰ ভাৱ, মধ্যবিত্ত শিক্ষিত শ্ৰেণীৰ সুবিধাবাদী মনোবৃত্তি কাহিনীত সুন্দৰভাৱে অভিব্যক্ত হৈছে।

অসমীয়া গ্ৰামীণ সমাজৰ পটভূমিত লিখা এই উপন্যাসখনৰ কাহিনীৰ সৰলতা, সংযম, আৰু অৰ্থঘনত্বই ইংৰাজী সাহিত্যৰ প্ৰখ্যাত ঔপন্যাসিক জৰ্জ এলিয়ট আৰু বাংলা সাহিত্যৰ বিভূতিভূষণ বন্দোপাধ্যায়, মাণিক বন্দোপাধ্যায় আদিৰ উপন্যাসৰ কথা সোঁৱৰাই দিয়ে। অসমীয়া সামাজিক জীৱনৰ বিভিন্ন তথা বিচিত্ৰ দিশ উক্ত উপন্যাসখনত প্ৰতিফলিত হৈছে।

জীৱনৰ বাটত উপন্যাসখনক গভীৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ বীক্ষাৰে সমৃদ্ধ এখন অসাধাৰণ উপন্যাস হিচাপে আখ্যা দিব পাৰি। ইংৰাজ শাসনৰ কবলত কেনেকৈ আমাৰ থলুৱা প্ৰমূল্যৰাজিৰ অৱলুপ্তি ঘটিছিল, নতুন আভিজাত্যৰ নামত কেনেকৈ জীৱন কৃত্ৰিমতা সৰ্বস্ব হৈ পৰিছিল অথবা অভিজাত শ্ৰেণীলৈ উঠাৰ ব্যৰ্থ প্ৰচেষ্টাত মধ্যবিত্ত জীৱনৰ কি দুৰ্গতি হৈছিল আৰু অৱশেষত তেনে কষ্টোপাৰ্জিত সভ্যতাৰ ফোঁপোলা আৰু অন্তঃসাৰশূন্য স্বৰূপ কিদৰে প্ৰকাশ পাই উঠিছিল, 'জীৱনৰ বাটত' উপন্যাসখনত সেইসমাজখনৰ সাৰ্থক প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে।

আনহাতে সামাজিক নীতি-নিয়ম আৰু নতুন যুগৰ আচহুৱা বতাহে সৃষ্টি কৰা কমলাকান্ত আৰু তগৰৰ জীৱন ট্ৰেজেদীয়েই 'জীৱনৰ বাটত' উপন্যাসৰ মুখ্য উপজীব্য হ'লেও কাহিনীৰ পটভূমিত অসমীয়া সমাজখনৰ লগতে প্ৰাকৃতিক বৰ্ণনায়ো স্থান লাভ কৰিছে। বিৰিঞ্চি কুমাৰ বৰুৱাদেৰৰ বৰ্ণিত কাব্যিক সুযমাৰে পৰিপূৰ্ণ বৰ্ণনাৰ সংখ্যাই অধিক। অসমীয়া উপন্যাস সাহিত্যৰ বৈচিত্ৰহীন জগতখনলৈ এই উপন্যাসখনে কঢ়িয়াই আনিলে এছাটি মলয়া বতাহ, বিস্তীৰ্ণ গাঁৱলীয়া পটভূমিত চিত্ৰিত কৰিলে সাধাৰণ মানুহৰ সুখ-দুখ, হাঁহি কান্দোনৰ চিত্ৰ। ■

**পাদটীকা ঃ**

১. Polner, Mariya, Ireland, Robert Overview of Literature on Corruption, March 2010, WCO Research Paper No.7
২. প্ৰহ্লাদ কুমাৰ বৰুৱা ঃ চিন্তাৰ আভাস, পৃ. ৪৫-৬৩
৩. মহেন্দ্ৰ বৰা ঃ সাহিত্য উপক্ৰমণিকা, পৃ. ১৩০
৪. বীণা বৰুৱা, জীৱনৰ বাটত, পৃ. ২১
৫. উক্তগ্ৰন্থ, পৃ. ৫৪
৬. পূৰ্বোক্ত গ্ৰন্থ,পৃ. ৯১
৭. পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৫৭
৮. পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৪১
৯. পূৰ্বোক্ত গ্ৰন্থ,পৃ. ২০৭
১০. পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১১৮
১১. পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১৯১

**প্ৰসংগ পুথিঃ**


বৰুৱা, বীণা। *জীৱনৰ বাটত*। গুৱাহাটীঃ বীণা লাইব্ৰেৰী, ২০০৫। মুদ্ৰিত।

বৰা, মহেন্দ্ৰ। *সাহিত্য উপক্ৰমণিকা*। গুৱাহাটীঃ ষ্টুডেন্টচ্ ষ্ট'ৰচ, ২০১৯। মুদ্ৰিত।

বৰুৱা, প্ৰহ্লাদ কুমাৰ। *চিন্তাৰ আভাস*। ডিব্ৰুগড়ঃ বনলতা, ১৯৮৩। মুদ্ৰিত।

শৰ্মা, সত্যেন্দ্ৰনাথ। *অসমীয়া উপন্যাসৰ ভূমিকা*। গুৱাহাটীঃ সৌমাৰ প্ৰকাশ,২০১০। মুদ্ৰিত।

শৰ্মা, গোবিন্দ প্ৰসাদ। *উপন্যাস আৰু অসমীয়া উপন্যাস*। গুৱাহাটীঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ,২০০৯। মুদ্ৰিত।

......, ..........। *নাৰীবাদ আৰু অসমীয়া উপন্যাস* । গুৱাহাটীঃ অসম প্ৰকাশন পৰিষদ, ২০১১। মুদ্ৰিত।

Anderson, H. James and Cheryl W. Gray (2007) : Policies and Corruption OUtcomes, The World Bank

Amundsen, Inge (2000) : Analysis and Definition of Corruption and Its Common Forms', Published by the Utstein Anti-Corruption Resource Centre.

# শিক্ষাই জীৱন, জীৱনেই শিক্ষা

☛ ৰুবী দত্ত
সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ

মানৱ ইতিহাস অতি প্ৰাচীন। প্ৰাচীন কালৰেপৰা ক্ৰমবিৱৰ্তন প্ৰক্ৰিয়াৰে আহি মানৱ সমাজ বৰ্তমান অৱস্থাত উপনীত হৈছে। সভ্যতাৰ এই দীঘলীয়া পৰিক্ৰমাত প্ৰতি মুহূৰ্ততে মানুহে বিভিন্ন ধৰণে বিভিন্ন পৰিৱেশ পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হৈছিল। জয়-পৰাজয়ৰ মাজেদি আগবাঢ়োতে আদিম মানৱে তেওঁলোকৰ উৰ্বৰ মস্তিষ্ক আৰু পূৰ্ব অভিজ্ঞতাৰ আলমত নিজৰ আচৰণ সংশোধন কৰি প্ৰকৃতিৰ প্ৰতিকূল পৰিবেশক অনুকূল কৰি নিজৰ অস্তিত্ব প্ৰতিপন্ন কৰিছিল। প্ৰকৃতিক আয়ত্তাধীন কৰিবলৈ প্ৰয়াস কৰা সভ্যতাৰ উষাকালৰ পৰাই আচৰণ সংশোধন প্ৰক্ৰিয়া মানৱ জীৱনৰ এক এৰাব নোৱাৰা অংশত পৰিণত হৈছিল। এক দীঘলীয়া বিৱৰ্তনিক প্ৰক্ৰিয়াৰে মানুহে প্ৰকৃতিৰ লগত মিলা-মিছা কৰি সামাজিক জীৱনৰ পাতনি মেলিবলৈ সক্ষম হৈছিল। যি প্ৰক্ৰিয়াই পৰিবেশৰ লগত মানুহৰ অভিজ্ঞতাৰ পৰিপুষ্টি সাধন আৰু সংস্কাৰ কৰিব পাৰে সেয়াই হৈছে শিক্ষা।

শিক্ষাৰ ইতিহাস মানৱ সভ্যতাৰ ইতিহাসৰ সমানেই প্ৰাচীন। যাযাবৰী জীৱন এৰি সংগঠিত ৰূপত মানুহ থাকিবলৈ লোৱাৰ লগে লগেই মানুহৰ জীৱনৰ দুটা দিশ অধিক স্পষ্ট ৰূপত জিলিকি উঠিল। সেয়া ক্ৰমে জৈৱিক দিশ আৰু সমাজতাত্ত্বিক দিশ। মানৱ সভ্যতাৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে মানুহৰ বৌদ্ধিক, সামাজিক প্ৰচেষ্টা কোনো ক্ষেত্ৰতেই ৰৈ যোৱা নাই। মানুহে সমাজৰ সকলো দিশৰ বিকাশ সাধনৰ কাৰণে অহৰহ প্ৰচেষ্টা চলাই আহিছে আৰু বহুখিনি সফলতাও অৰ্জন কৰিবলৈ সক্ষম হৈছে। জৈৱিক দিশৰ পৰিৱৰ্তন হোৱাৰ লগে লগে আচৰণসমূহো ক্ৰমান্বয়ে উন্নত হৈছিল। নিজ সুৰক্ষাৰ বাবেই হওক বা দলগত প্ৰবৃত্তিৰ বাবেই হওক দলবদ্ধভাৱে বসবাস কৰি মানুহে সমাজৰ সৃষ্টি কৰিছিল। মানুহৰ সামাজিক কৰ্ম কাণ্ডৰ লগত জড়িত হ'ল সংস্কৃতি। ইয়ে মানুহক অন্য প্ৰাণীৰ পৰা পৃথক কৰি গঢ়ি তুলিলে। জীৱনৰ স্থায়িত্ব বৰ্তাই ৰখাৰ বাবে জৈৱিক চাহিদা গুৰুত্বপূৰ্ণ। মানুহে জৈৱিক চাহিদা পূৰণৰ সমান্তৰালভাৱে প্ৰতিকূলতাৰ বিৰুদ্ধে যুঁজিবলৈ চিন্তা চেতনাৰ প্ৰয়োগ ঘটালে। নৃতত্ত্ববিদসকলৰ মতে পৃথিৱীৰ আজিৰ মানৱগোষ্ঠী অৰ্থাৎ হোমো ছেপিয়েনচ্ (Homeo Sapiens) হ'ল প্ৰথম মানৱগোষ্ঠী হোমো ইৰেকটাচ (Homo Erectus)ৰ বংশধৰ। বিৱৰ্তনৰ ফলস্বৰূপে মানৱৰূপী প্ৰাণীবোৰে দুভৰিত ভৰ দি খোজকঢ়াৰ ফলত তেওঁলোকৰ হাত দুখন মুক্ত হৈ পৰিল। বিৱৰ্তনে মানৱৰ হাত-ভৰিৰ কাম-কাজত স্পষ্ট পাৰ্থক্য আনিলে। হাতেৰে শিলত শিল ঘঁহি অস্ত্ৰ নিৰ্মাণ কৰিছিল। সেই শিলাস্ত্ৰই আছিল মানুহৰূপী প্ৰাণীৰ প্ৰথম সৃষ্টি আৰু সংস্কৃতিৰ প্ৰথম উপাদান।

পৰিপূৰ্ণ জীৱনৰ সন্ধানত মানুহে কৰা বিভিন্ন ধৰণৰ কাৰ্যৰ মাজেদিয়েই শিক্ষাৰ সূচনা হৈছিল। এই ক্ষেত্ৰত গোৰেটিঙে মত পোষণ কৰিছিল যে, যেনেকৈ জৈৱিক

অৰ্থত জীৱনৰ কিছুমান গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া আছে, ঠিক তেনেদৰে শিক্ষাক সামাজিক অৰ্থত এক গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া হিচাপে গণ্য কৰা হ'ব পাৰে। সমাজত নিজস্ব গোটৰ মুখীয়ালসকলেই সু-সংগঠিত আৰু সু-শৃংখলিত সামাজিক জীৱনৰ বাবে প্ৰয়োজনীয় নীতি আদৰ্শ, জীৱন ধাৰণ প্ৰণালী সম্পৰ্কে অৱগত কৰিছিল। যি অভিজ্ঞতাৰে মানুহে সমাজত জীয়াই থাকিবলৈ সক্ষম হৈছিল সেই প্ৰচেষ্টাই হৈছে শিক্ষা। বিভিন্ন সময়ত বিভিন্ন ক্ষেত্ৰৰ পৰা আহৰণ কৰা অভিজ্ঞতাক মানুহে উত্তৰণৰ স্বাৰ্থত ব্যৱহাৰ কৰিছিল। সেয়ে কোৱা হয় শিক্ষা অতীত সংস্কৃতিৰ বাহক, বৰ্তমান সভ্যতাৰ পৰিপোষক আৰু ভৱিষ্যত প্ৰগতিৰ জনক।

আমাৰ সামাজিক, সাংস্কৃতিক সৰ্বতোপ্ৰকাৰৰ অগ্ৰগতিৰ নেপথ্যত আছে অভিজ্ঞতাৰ সমষ্টি বা শিক্ষা। শিক্ষা হৈছে মানুহক পশুত্বৰ পৰা মনুষ্যত্বলৈ ৰূপান্তৰিত কৰিব পৰা এক সাধন। মানুহ আৰু জীৱ জন্তু উভয়েই ভোকত খাদ্য, ভাগৰত টোপনি আৰু বংশ বৃদ্ধিৰ বাবে যৌন ক্ৰিয়া কৰে। কিন্তু জীৱ জন্তুতকৈ মানুহৰ স্থান উচ্চ। ই সম্ভৱ হৈছে শিক্ষাৰ বাবে। মানুহৰ শিক্ষা প্ৰক্ৰিয়াৰ লগত একাত্ম হ'ব পৰা যোগ্যতা আৰু ক্ষমতা বেছি কাৰণেই মানুহক জীৱশ্ৰেষ্ঠ বুলি অভিহিত কৰা হয়। John Locke এ কৈছিল, "Plants are developed by cultivation and men by education". অৰ্থাৎ উদ্ভিদ যিদৰে কৃষি কৰ্মৰ দ্বাৰা লালিত-পালিত হয়, ঠিক সেইদৰে মানুহ শিক্ষাৰ দ্বাৰা লালিত-পালিত হয় বা জ্ঞানৰ পোহৰ পায়। শিক্ষা সু-সভ্য সমাজ ব্যৱস্থাৰ এক অত্যাৱশ্যকীয় অংগ। এটি শিশু ভূমিষ্ঠ হৈয়ে শিক্ষা আহৰণত ব্ৰতী হয়, অৱশ্যে সকলোৰে অলক্ষিতে। পৰিবেশৰ লগত হোৱা ক্ৰিয়া, আন্তঃ ক্ৰিয়াৰ অবিৰত প্ৰক্ৰিয়াৰ ফলত মানুহৰ অভিজ্ঞতাৰ যি পৰিপুষ্টি সাধন আৰু সংস্কাৰ হয়, সেয়াই প্ৰকৃত শিক্ষা। সামাজিক পৰিৱৰ্তন আৰু ৰূপান্তৰ প্ৰক্ৰিয়াৰ ফলশ্ৰুতিত শিক্ষাত নতুন দৃষ্টিভংগীয়ে স্থান পাইছে। ফলত সময়ে সময়ে শিক্ষাৰ ধাৰণাও সলনি হৈ আহিছে।

প্ৰাচীন কালত শিক্ষাৰ ধাৰণা আছিল আত্মাৰ মুক্তিলাভ। শিক্ষাক দিব্যজ্ঞান, দিব্যজ্যোতি অথবা চিৰজ্যোতিস্মান ভগৱানৰ অস্তিত্বক উপলব্ধি স্বৰূপে বিবেচনা কৰা হৈছিল। সেয়ে কোৱা হৈছিল — 'সা বিদ্যা য়া বিমুক্তয়ে' (Education is that, whose end product is salvation) — অৰ্থাৎ সেয়াই শিক্ষা যি আমাক মুক্তি দিয়ে। এই মুক্তি হৈছে অজ্ঞানতাৰ অন্ধকাৰৰ পৰা মুক্তি। দেহ বন্ধনৰ পৰা জীৱাত্মাক মুক্ত কৰি দিব্যজ্যোতি স্বৰূপ পৰমাত্মাত বিলীন হোৱাটোৱেই মানুহৰ জীৱনৰ চৰম লক্ষ্য আৰু এই লক্ষ্য সাধনৰ একমাত্ৰ উপায় হৈছে শিক্ষা। এনে উপলব্ধিৰে সেয়েহে কোৱা হয় — 'নহি জ্ঞানেন সদৃশং পৱিএমিহ বিদ্যতে' অৰ্থাৎ মানুহৰ জীৱন পৱিত্ৰ কৰি তুলিব পৰা বিষয় শিক্ষাৰ বাহিৰে আন একো নহয়। প্ৰাচীন কালৰ শিক্ষাৰ লক্ষ্যই মানৱ জীৱনৰ পাৰ্থিৱ দিশৰ ক্ষণস্থায়িত্ব আৰু পৰম সত্যৰ উপলব্ধি কৰিবলৈ শিকাইছিল। শিক্ষা হৈছে মানৱক অৰ্ন্তদৃষ্টি দান কৰা তৃতীয় নয়ন।

বৰ্তমান সময়ত বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু কাৰিকৰী জ্ঞানৰ প্ৰভাৱে শিক্ষাৰ ধাৰণাও যথেষ্ট সলনি কৰি তুলিছে। সৰ্বসাধাৰণৰ দৃষ্টিত বিদ্যালয়, মহাবিদ্যালয় অথবা অন্য কোনো শিক্ষানুষ্ঠানৰ জৰিয়তে লাভ কৰা শিক্ষাহে প্ৰকৃত শিক্ষা। কিন্তু শিক্ষাই কেৱল সেই অৰ্থক নুবুজায়। শিক্ষাৰ সংকীৰ্ণ ধাৰণা অনুসৰি, শিক্ষা হৈছে বিদ্যালয় বা অইন শিক্ষা প্ৰতিষ্ঠানৰ পৰা অৰ্জন কৰা জ্ঞান, য'ত নিৰ্ধাৰিত আঁচনি, পাঠ্যক্ৰম, সময়সূচী আৰু নীতি-নিয়ম বান্ধি দিয়া থাকে। অন্যহাতে বহল অৰ্থত শিক্ষা হৈছে এক জীৱনজোৰা প্ৰক্ৰিয়া। ইয়াৰ কোনো আৰম্ভণি বা শেষ বিন্দু নাই। জন্মৰ পৰা মৃত্যুৰ আগমুহূৰ্তলৈকে ঘৰ, সমাজ, পুথিভঁৰাল, খেলপথাৰ, কৰ্মশালা, ধৰ্মীয় অনুষ্ঠানসমূহৰ পৰা শিক্ষা আহৰণ কৰা হয়। সেয়ে Damvile এ কৈছিল, 'জন্মৰ পৰা মৃত্যুলৈকে সুদীৰ্ঘ জীৱন পথত ব্যক্তিৰ ক্ৰিয়াই হ'ল শিক্ষা।'

একৈশ শতিকাৰ শিক্ষাৰ ধাৰণা ব্যক্তি আৰু সমাজৰ সকলো দিশৰ বিকাশৰ লগত জড়িত। বৰ্তমান শিক্ষাক ব্যক্তিৰ অন্যতম মৌলিক অধিকাৰ হিচাপে গণ্য কৰা হয়। ১৯৪৮ চনৰ ভাৰতীয় শিক্ষা আয়োগে শিক্ষাৰ পৰম্পৰাগত ধাৰণাৰ বিষয়ে মন্তব্য দি কৈছিল যে, 'ভাৰতীয় লোকৰ দৃষ্টিত শিক্ষাই ব্যক্তিক কেৱল জীৱিকা নিৰ্বাহ কৰিবলৈ, চিন্তাশক্তি জাগ্ৰত কৰিবলৈ আৰু নাগৰিকত্বৰ শিক্ষাদান কৰাতেই ক্ষান্ত নাথাকে। প্ৰকৃতাৰ্থত এই শিক্ষাই ব্যক্তিৰ আধ্যাত্মিক শক্তি জাগ্ৰত কৰে। সত্য অন্বেষণৰ বাবে আৰু সুনীতি পৰায়ণতাৰ প্ৰায়োগিক দক্ষতা দান কৰে।' শিক্ষাই জীৱনৰ দিক্ নিৰ্ণয়ত সহায় কৰে। প্ৰাচীন ভাৰতীয় ঋষিয়ে উচ্চাৰণ কৰিছিল — 'অসতো মা সদ্গময়, তমসো মা

জ্যোতির্গময়, মৃত্যোর্মা অমৃত গময়'। তেওঁলোকৰ এনে উচ্চাৰণ আজিও প্ৰাসংগিক। অসত্যৰ পৰা সত্যলৈ আন্ধাৰৰ পৰা পোহৰলৈ আৰু বিনাশশীল জগতৰ বান্ধোনৰ পৰা অমৃতলোকলৈ যাবলৈ শিক্ষাই সহায় কৰে।

জন্মৰ সময়ত প্ৰতিটো শিশু অসামাজিক। লাহে লাহে চৌপাশৰ পৰিৱেশৰ স'তে অভিযোজন কৰি শিশু ক্ৰমাৎ সামাজিক হৈ উঠে। শিক্ষাৰ যোগেদি শিশুৰ অন্তৰ্নিহিত ক্ষমতা আৰু সম্ভাৱনাসমূহ পৰিপূৰ্ণ ৰূপত বিকাশৰ প্ৰচেষ্টা চলোৱা হয়। বিকাশৰ ধনাত্মক আৰু ঋনাত্মক দুটা দিশ আছে। সঠিক পথেৰে বিকাশ নহ'লে জীৱন দিক্‌হীন হৈ পৰে। এই দিক্‌হীনতাই কেৱল ব্যক্তি জীৱনকেই লক্ষ্যহীন নকৰে সমাজ জীৱনো বিদীৰ্ণ কৰে। সেয়েহে ব্যক্তি আৰু সমাজৰ বিকাশ কোন দিশে অগ্ৰসৰ হ'ব সেয়া নিৰ্ধাৰণ কৰে শিক্ষাই।

শিক্ষাই জীৱনক দিক্ আৰু গতি প্ৰদান কৰে। যিহেতু লক্ষ্যহীন জীৱন বঠাহীন নাওৰ দৰে, শিক্ষাবিহীন জীৱন উদ্দেশ্যহীন হৈ পৰিব। শিক্ষাৰ সুস্থিৰ লক্ষ্যইহে বিকাশৰ শুদ্ধ গতি নিশ্চিত কৰি তোলে। শিক্ষাই ব্যক্তিৰ মাজত অন্তৰ্নিহিত শক্তিসমূহৰ সৰ্বতোপ্ৰকাৰৰ বিকাশৰ জৰিয়তে তেওঁলোকক সমাজৰ উৎপাদনশীল ব্যক্তি হিচাপে গঢ় দিব পাৰে। এনে উপলব্ধিৰেই জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীয়ে শিক্ষাৰ লক্ষ্য সম্পৰ্কে মত পোষণ কৰি কৈছিল যে, 'শিক্ষাৰ দ্বাৰা মই শিশুৰ শৰীৰ, মন আৰু আত্মাত নিহিত হৈ থকা সৰ্বোৎকৃষ্ট গুণৰাজি সম্পূৰ্ণকৈ বিকাশ হোৱা প্ৰক্ৰিয়াকে বুজি পাওঁ।'

আচলতে শিক্ষা এক বিমূৰ্ত অস্তিত্ব আৰু ই গতিশীল। শিক্ষাৰ ধাৰণা এটুকুৰা হীৰাৰ দৰে, য'ত বিভিন্ন দিশৰ পৰা চালে বিভিন্ন ৰং দেখা পোৱা যায়। শিক্ষাৰ ধাৰণা ব্যক্তি আৰু সমাজভেদে ভিন্ ভিন্ ধৰণে উপলব্ধি হ'ব পাৰে বৰ্তমান সময়ত মহাত্মা গান্ধীৰ শিক্ষাৰ ধাৰণাক সৰ্বোৎকৃষ্ট ধাৰণা হিচাপে গ্ৰহণ কৰা পৰিলক্ষিত হয়। বৰ্তমান শিক্ষা ব্যৱস্থাত শিশুৰ সৰ্বতোমুখী যেনে — শাৰীৰিক, মানসিক, আধ্যাত্মিক, নৈতিক, আৱেগিক, সৌন্দৰ্যবোধ ইত্যাদি দিশৰ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰা দেখা যায়। ■

**প্ৰসংগ সূচী ঃ**


১) ঘোষ, কু. (২০১২), শিক্ষাৰ আধাৰ, সৰস্বতী প্ৰকাশন, গোলাঘাট ৭৮৫৬২১

২) বৰুৱা, য. (২০১১), উচ্চতম মাধ্যমিক শিক্ষা, অৰুণ প্ৰকাশন, গুৱাহাটী - ৭৮১০০১

৩) গগৈ বৰুৱা, মামনি শৰ্মা, অনু নেওগ, বিজয়লক্ষ্মী বৰঠাকুৰ, ইন্দ্ৰানী আৰু দুৱৰা ভূঞা, নীহাৰিকা (২০১১), শিক্ষাতত্ত্বৰ আধাৰ, বনলতা প্ৰকাশন, ডিব্ৰুগড়-১




ঈশ্বৰে আমাৰ মন আৰু ব্যক্তিত্বত সীমাহীন শক্তি আৰু সামৰ্থ্য প্ৰদান কৰিছে। ঈশ্বৰক কৰা প্ৰাৰ্থনাই আমাক এই শক্তিসমূহ বিকাশ কৰাত সহায় কৰে।

**— ড° এ.পি.জে. আব্দুল কালাম**

# সফলতাৰ ধ্ৰুৱতৰা

☛ ড° জ্যোতিৰূপা ডেকা
সহকাৰী অধ্যাপিকা, ইংৰাজী বিভাগ

আজিৰ পৰা প্ৰায় ১৫০ বছৰৰ আগৰ কথা। যেতিয়া নাৰীসকলে পুৰুষৰ সমানে সমানে শিক্ষা গ্ৰহণ কৰাৰ সুযোগ পোৱা নাছিল, যেতিয়া নাৰীসকলক পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাই সম-অধিকাৰৰ পৰা বঞ্চিত কৰি ৰাখিছিল, ঠিক তেনে সময়তে ৰুছ শাসনাধীন পোলেণ্ড দেশৰ ৱাৰ্শ্বা চহৰত ১৮৬৭ চনৰ ৭ নবেম্বৰত এহাল শিক্ষক দম্পতী ৱান্তিস্লাভা আৰু ব্ৰনিস্লাভাৰ ঘৰত মাৰিয়া ছেলমিনা স্কলডভস্কা জন্ম হৈছিল। মাৰিয়া তেওঁলোকৰ পাঁচজন সন্তানৰ আটাইতকৈ কনিষ্ঠ সন্তান আছিল। মাৰিয়াৰ পিতৃ-মাতৃয়ে শিক্ষাৰ মৰ্যাদা বুজি পাইছিল আৰু সেয়েহে আটাইকেইটা সন্তানকে উন্নত মানৰ শিক্ষা দিয়াৰ চেষ্টা কৰিছিল। তেওঁলোকে প্ৰচলিত সমাজ ব্যৱস্থাৰ বিপৰীতে গৈ ল'ৰা আৰু ছোৱালীৰ মাজত কোনো ধৰণৰ ভেদ-ভাৱ ৰখা নাছিল। মাৰিয়াই দেউতাকৰ পৰা বিজ্ঞানত অতিৰিক্ত প্ৰশিক্ষণ লাভ কৰিছিল আৰু হাইস্কুলৰ শিক্ষান্ত পৰীক্ষাত প্ৰথম হৈ উত্তীৰ্ণ হৈছিল। মাৰিয়াৰ বায়েক ব্ৰনিস্লাভাও অত্যন্ত মেধা সম্পন্ন আছিল। তেওঁ স্কুলৰ চূড়ান্ত পৰীক্ষাত সোণৰ পদক লাভ কৰি চিকিৎসা বিদ্যা পঢ়িবলৈ পেৰিচলৈ যায়। বায়েকক দেখি মাৰিয়াইও ডাক্তৰ হোৱাৰ ইচ্ছা প্ৰকাশ কৰে। কিন্তু দেউতাকে খুব দুখেৰে জনায় যে দুয়োজনীকে একেলগে চিকিৎসাবিদ্যা পঢ়ুওৱাৰ জোখাৰে তেওঁৰ আৰ্থিক সামৰ্থ্য নাই। পিছে মাৰিয়া নিজৰ লক্ষ্যৰ পৰা বিচলিত হোৱা নাছিল। তেওঁ স্থিৰ কৰিলে যে বৰ্তমান তেওঁ সৰু চাকৰি কৰি ব্ৰনিস্লাভাক ডাক্তৰী পঢ়াৰ খৰচ যোগাব আৰু পাছত ব্ৰনিস্লাভা ডাক্তৰ হৈ মাৰিয়াক পঢ়াব। সময়বোৰ বাগৰিব ধৰিলে আৰু এদিন ১৮৯১ চনত ব্ৰনিস্লাভাই মাৰিয়াক উচ্চশিক্ষাৰ বাবে পেৰিচলৈ মাতি পঠালে। সেই সময়ত একমাত্ৰ পেৰিছ বিশ্ববিদ্যালয়তহে ছোৱালীক বিজ্ঞান শাখাত ভৰ্ত্তি হ'বলৈ অনুমতি প্ৰদান কৰা হৈছিল। তাতে চিকিৎসা বিজ্ঞানৰ সলনি পদাৰ্থ বিজ্ঞান বিষয়ত, তেওঁৰ নামৰ ফৰাচী উচ্চাৰণ মেৰী নামেৰে নামভৰ্ত্তি কৰিছিল। সেই বিশ্ববিদ্যালয়ৰ পৰাই ১৯৯৩ চনত মেৰীয়ে প্ৰথম স্থান লৈ স্নাতক ডিগ্ৰী লাভ কৰে যদিও তাতে শান্ত নাথাকি তেওঁ পুনৰ ৰসায়ন বিজ্ঞান আৰু গণিত বিষয়ত ডিগ্ৰী লাভ কৰাৰ চেষ্টাত ৰত হয়।

বিশ্ববিদ্যালয়ত পঢ়ি থকা সময়ত, আৰ্থিক অনাটনৰ বাবে মেৰীয়ে নিচেই সৰু কোঠা এটা ভাড়া লৈ আছিল। গৰম কাপোৰৰ অভাৱৰ বাবে শীতকালত তেওঁ তেওঁৰ লগত থকা গোটেইবোৰ কাপোৰকে পিন্ধি শীতৰ প্ৰকোপৰ পৰা হাত সৰাৰ চেষ্টা চলাইছিল। তেওঁ দিনত বিশ্ববিদ্যালয়লৈ পঢ়িবলৈ গৈছিল আৰু গধূলি ঘৰুৱা শিক্ষকতাৰ কাম কৰিছিল। মেৰীয়ে অধ্যয়নত ইমান মনোনিবেশ কৰিছিল যে কোনো কোনো সময়ত তেওঁ খাবলৈকো পাহৰি গৈছিল। বন্দিতা ফুকনে তেওঁৰ লিখনিত লিখিছে যে লঘোণে ভোকে থকাৰ ফলত এদিন পঢ়ি থকা অৱস্থাতে মেৰী কুৰী মূৰ্চ্ছাও গৈছিল।

১৮৯৪ চনত মেৰীৰ জীৱনলৈ পদাৰ্থ বিজ্ঞানৰ শিক্ষক পীয়েৰ কুৰীৰ আগমন ঘটিছিল। দুয়োজনৰে ভৌতিক বিজ্ঞানৰ প্ৰতি থকা আকৰ্ষণে এজনক আনজনৰ কাষ চপাই আনিছিল। এদিনাখন পীয়েৰে মেৰীক বিবাহৰ প্ৰস্তাৱ দিলে। কিন্তু মেৰীয়ে সেই সময়ত স্বদেশ পোলেণ্ডলৈ উভতি যোৱাৰ কথা গুণা-গথা কৰি থকা হেতুকে পীয়েৰৰ প্ৰস্তাৱ প্ৰত্যাখান কৰিছিল যদিও মেৰী পোলেণ্ডলৈ উভতি গৈছিল কিন্তু পীয়েৰে তেওঁৰ বাবে পেৰিচতে অপেক্ষা কৰি আছিল। আনহাতে উচ্চশিক্ষিত মেৰীক সেই সময়ৰ পোলেণ্ডৰ পুৰুষতান্ত্ৰিক সমাজখনে গ্ৰহণ কৰিব পৰা নাছিল আৰু ক্ৰাক'ৰ বিশ্ববিদ্যালয়ৰ নিযুক্তি প্ৰক্ৰিয়াত তেওঁক একমাত্ৰ নাৰী হোৱাৰ বাবেই তেওঁক পাব লগীয়া চাকৰিটোৰ পৰা বঞ্চিত কৰা হৈছিল। এই ঘটনাৰ পাছত মেৰী পুনৰ পেৰিচলৈ উলটি গৈছিল আৰু তাত তেওঁ ডক্তৰেট ডিগ্ৰীৰ বাবে গৱেষণা আৰম্ভ কৰিছিল।

১৮৯৫ চনত মেৰী আৰু পীয়েৰ কুৰী অনাড়ম্বতাৰে বিবাহ পাশত আবদ্ধ হয়। বিয়াৰ পাছতো তেওঁলোকৰ আৰ্থিক অৱস্থাৰ বিশেষ পৰিবৰ্ত্তন নহ'ল যদিও ১৯০৩ চনত মেৰীয়ে সফলতাৰে ডক্তৰেট ডিগ্ৰী লাভ কৰে।

১৮৯৭ আৰু ১৯০৪ চনত কুৰী দম্পতীৰ আইৰিণ আৰু ইভ নামৰ দুজনী কন্যা সন্তানৰ জন্ম হয়। তেওঁলোকৰ ওপৰত এতিয়া দুটি সন্তান ডাঙৰ কৰাৰ দায়িত্ব আহি পৰিল যদিও তেওঁলোক লক্ষ্যভ্ৰষ্ট নহ'ল আৰু কঠোৰ পৰিশ্ৰমৰ অন্তত তেওঁলোকে দুটা তেজষ্ক্ৰীয় পদাৰ্থ আৱিষ্কাৰ কৰিলে। নিজৰ দেশ পোলেণ্ডৰ স্মৃতিত এটা পদাৰ্থৰ নাম দিলে পোলোনিয়াম আৰু ৰশ্মি অৰ্থাৎ ray-ৰ নামেৰে আনটো পদাৰ্থক ৰেডিয়াম নামকৰণ কৰিলে। বৰ্ত্তমান ৰেডিয়ামৰ সহায়ত কেঞ্চাৰৰ নিচিনা জটিল ৰোগো আৰোগ্য কৰিব পাৰি।

পোলোনিয়াম আৰু ৰেডিয়ামৰ আৱিষ্কাৰৰ পাছত কুৰী দম্পতীক বিভিন্ন পুৰস্কাৰেৰে পুৰস্কৃত কৰা হয় কিন্তু যেতিয়া ন'বেল বঁটা প্ৰদানৰ কথা আলোচনা কৰা হয় তেতিয়া পুৰুষ প্ৰধান সমাজখনে প্ৰথমে পদাৰ্থবিদ হেন্ৰি বেকুৰেল আৰু পীয়েৰ কুৰীকহে এই বঁটাৰ বাবে বিবেচনা কৰিছিল। কিন্তু পাছত বহুত আলোচনা বিলোচনাৰ অন্তত মেৰীকো যুটীয়া ভাৱে এই বঁটা প্ৰদান কৰা হয় আৰু মেৰী কুৰীয়ে নবেল বটা পোৱা প্ৰথম গৰাকী মহিলা ৰূপে স্বীকৃত হয়।

১৯০৬ চনত মেৰী কুৰীৰ জীৱনলৈ দুৰ্যোগ নামি আহে। ১৯ এপ্ৰিল তাৰিখে এক পথ দুৰ্ঘটনাত পীয়েৰ কুৰীৰ মৃত্যু হয়। স্বামীৰ মৃত্যুৰ পাছত কিছুদিনলৈ মেৰী কুৰী হতাশাত ভুগিছিল যদিও এদিন তেওঁ দুয়ো চলাই যোৱা আধৰুৱা হৈ ৰোৱা গৱেষণাবোৰ অকলেই চলাবলৈ মন স্থিৰ কৰে। পীয়েৰ কুৰীক বঁটা পোৱাৰ পাছত পেৰিচ বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যক্ষৰ পদত নিযুক্তি দিয়া হৈছিল। তেওঁৰে মৃত্যুৰ পিছত খালী হৈ পৰা সেই পদটোত ১৯০৬ চনৰ ১৩ মে' তাৰিখে মেৰী কুৰীয়ে নিযুক্তি লাভ কৰে। তেওঁৱে হৈছে এই বিশ্ববিদ্যালয়ত অধ্যাপকৰ পদত নিযুক্তি পোৱা প্ৰথম গৰাকী মহিলা।

১৯১০ চনত মেৰীয়ে বিশুদ্ধ ৰেডিয়াম পৃথক কৰি পৃথিৱীক আন এক চমকপ্ৰদ উপহাৰ দিয়ে। পিছে সমাজে তাৰ প্ৰতিদান স্বৰূপে তেওঁৰ চৰিত্ৰৰ ওপৰত কিছুমান বদনামহে জাপি দিছিল। ইয়াৰ মাজতে ১৯১১ চনত ৰয়েল স্বোডিশ একাডেমী অৱ ছাইন্সে তেওঁক ৰসায়ন বিজ্ঞানৰ ন'বেল বঁটাৰে সন্মানিত কৰিছিল। মেৰী কুৰীয়ে হ'ল ন'বেল বঁটা দুবাৰকৈ পোৱা একমাত্ৰ মহিলা। আশ্চৰ্যজনক ভাৱে যিখন পোলেণ্ড এসময়ত তেওঁক ন্যায্য প্ৰাপ্তিৰ পৰা বঞ্চিত কৰিছিল সেই পোলেণ্ডৰে উচ্চশিক্ষিত লোকসকলৰ দ্বাৰা গঠিত সদনে বঁটা পোৱাৰ পাছত মেৰীক স্বদেশলৈ উলটি আহি গৱেষণা কৰিবলৈ অনুৰোধ জনাইছিল।

মানুহৰ পৰা পোৱা বদনাম সদনামলৈ কাণ নিদি মেৰীয়ে কেৱল নিজৰ গৱেষণাৰ কামত লাগি আছিল। প্ৰথম বিশ্বযুদ্ধৰ সময়তো মেৰীয়ে মানৱ সমাজৰ হিতাৰ্থে কাম কৰি গৈছিল। তেওঁ জীয়েক আইৰিণৰ সৈতে লগ লাগি যুদ্ধৰ হস্পিতালবোৰত এক্স-ৰে ইউনিত স্থাপন কৰিছিল আৰু সেই ইউনিটৰ বিষয়ে মহিলাসকলক প্ৰশিক্ষণো দিছিল। বিশ্বযুদ্ধৰ পাছত মেৰিয়ে আমেৰিকা, বেলজিয়াম, ব্ৰাজিল, স্পেইন আদি বিভিন্ন দেশত বক্তৃতা প্ৰদান কৰে। কিন্তু যি ৰেডিয়াম ৰশ্মিৰ ওপৰত তেওঁ গৱেষণা কৰি গৈছিল সেই ৰশ্মিয়েই মেৰীৰ অজানিতেই তেওঁৰ দেহত ক্ষতি কৰিবলৈ ধৰিলে যাৰ ফলত তেওঁ তেজৰ কেঞ্চাৰ ৰোগত আক্ৰান্ত হৈ ১৯৩৪ চনত মৃত্যুবৰণ কৰে।

মেৰী কুৰী হ'ল নাৰীবাদীসকলৰ বাবে কিংবদন্তি

স্বৰূপ। তেওঁ মানুহে সৃষ্টি কৰা লিংগ ভিত্তিক পৰিসীমাৰ মাজত আবদ্ধ হৈ নাথাকি ৰক্ষণশীল সমাজক প্ৰত্যাহ্বান জনাইছিল। তেওঁ বিজ্ঞানৰ জগতখনত মহিলাসকলৰ বাটকটীয়া আছিল। তেওঁ তেওঁৰ আৱিষ্কাৰৰ দ্বাৰা চিকিৎসা বিজ্ঞানত এক নতুন দিগন্তৰ ৰচনা কৰিছিল আৰু মানৱ জাতিক আধুনিকতাৰ ফাললৈ অগ্ৰসৰ কৰাইছিল। কঠোৰতকৈ কঠোৰ পৰিশ্ৰমৰ বলত তেওঁ এগৰাকী সফল পত্নী, মাতৃ আৰু বিজ্ঞানী হৈছিল। তেওঁৰ নাৰীবাদিতা কেৱল কথাৰ দ্বাৰা নহয়, কামৰ দ্বাৰাহে প্ৰকাশ পাইছিল। পুৰুষ প্ৰধান বিজ্ঞানৰ জগতখনত তেওঁ সকলো পুৰুষকে চেৰ পেলাই দুবাৰকৈ ন'বেল বঁটা লাভ কৰি তথাকথিত লিংগ-বৈষম্যক নৎস্যাত কৰি থৈ যায়। তেওঁ সমাজৰ পৰা সম অধিকাৰ বিচৰা নাছিল কিন্তু নিজৰ কৰ্মৰদ্বাৰা সমাজক তেওঁ সম অধিকাৰ দিবলৈ বাধ্য কৰাইছিল। জীৱনযুদ্ধত তেওঁ দৰিদ্ৰতা, প্ৰচলিত সামাজিক ৰীতি-নীতি, আনকি নিজৰ আবেগ অনুভূতিৰ লগতো সাহসেৰে মুখামুখি হৈছিল।

মেৰী কুৰীৰ কৰ্মৰাজি যুৱতীসকলৰ বাবে প্ৰেৰণাৰ উৎস হোৱা উচিত। মেৰীয়ে যেতিয়া ডাক্তৰ হোৱা বা বিজ্ঞান পঢ়াৰ কথা ভাবিছিল তেতিয়া সেই সময়ৰ সমাজৰ বাবে এয়া আছিল এক অলৌকিক কল্পনা। কিন্তু মেৰীয়ে বিভিন্ন বিষয়ত ডিগ্ৰী লাভ কৰাৰ লগতে পদাৰ্থ বিজ্ঞানৰ ডক্টৰেট হ'বলৈ সক্ষম হৈছিল।

উঠি অহা যুৱ প্ৰজন্মৰ বাবে মেৰী কুৰীৰ জীৱনৰ পৰা শিকিব লগা বহুত কথা আছে। তাৰ ভিতৰত অন্যতম দুটা হৈছে ইচ্ছাশক্তি আৰু অধ্যৱসায়। যদি তুমি অধ্যৱসায়ী তেনেহ'লে তোমাৰ প্ৰৱল ইচ্ছাশক্তিৰে নিশ্চয়কৈ সফলতাৰ শিখৰত আৰোহণ কৰিব পাৰিবা। ■

প্ৰতিদিনে পুৰা পাঁচটা কথা নিজৰ মাজতে কওক —



- মই শ্ৰেষ্ঠ।
- মই এইটো কৰিব পাৰোঁ।
- ঈশ্বৰ সদায় মোৰ লগত আছে।
- মই এজন বিজয়ী।
- আজিৰ দিনটো মোৰ দিন।

— **ড° এ.পি.জে. আব্দুল কালাম**

# মেৰী ওলষ্টুনক্ৰেফ্‌ট প্ৰথম নাৰীবাদী মহিলা চিন্তাবিদ

☛ ড° নুৰুল হাছান
সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

**বি**শ্ব ইতিহাসৰ পাত লুটিয়ালে হয়তো নাৰীৰ দুখলগা চিত্ৰ এখনহে বিচাৰি পোৱা যায়। সমাজৰ প্ৰতিটো স্তৰতে নাৰী শোষণ, নিৰ্যাতন, বঞ্চনা, অৱহেলাৰ বলি হৈ আহিছে আৰু যি পুৰুষতান্ত্ৰিক সমাজৰ বাবে লজ্জাজনক। আজিৰ তাৰিখত আধুনিক তথা উদাৰবাদী ব্যৱস্থাপনাতো নাৰীৰ স্থান দ্বিতীয়ই নহয়, সৰ্বশেষত। অৱশ্যে নাৰীৰ এই অবাঞ্চিত অৱস্থা সম্পৰ্কে যথেষ্ট চৰ্চা হৈছে অথবা বহুখিনি উন্নয়ন তথা প্ৰসাৰতা লাভ কৰিছে, যদিও সেয়া মুঠেই পৰ্য্যাপ্ত নহয়। এইক্ষেত্ৰত বহুতেই পোনছাটে পুৰুষতান্ত্ৰিক মানসিকতাক দোষাৰোপ কৰে, আকৌ বহুতে নাৰীৰ শত্ৰু নাৰীয়েই বুলি ক'ব বিচাৰে। সাম্প্ৰতিক সময়ত উদাৰবাদী, মাৰ্ক্সবাদী, উগ্ৰ নাৰীবাদী, কৃষ্ণাংগবাদী আদি ভিন্ন নাৰীবাদী ধাৰাই সমাদৰ লাভ কৰিছে। ওঠৰ শতিকাতে সেই সময়ৰ ৰক্ষণশীল পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাপনাৰ বিৰুদ্ধে অৱস্থান কৰি মেৰী ওলষ্টুনক্ৰেফ্টয়ে যি নতুন ধাৰাৰ সৃষ্টি কৰিছিল, সেয়া পৰৱৰ্তী কালত প্ৰবহমান হৈ আছে। ১৭৫৯ চনত ইংলেণ্ডত জন্ম গ্ৰহণ কৰি মাত্ৰ ৩৬ বছৰ বয়সতে অৰ্থাৎ ১৭৯৭ চনত জীৱনৰ ইনিংছ সামৰা এইগৰাকী মহিয়সী নাৰীয়ে নাৰীৰ উন্নয়ন, অধিকাৰৰ হকে বলিষ্ঠ ভাৱে নিজৰ যুক্তি প্ৰদৰ্শন কৰিছিল।

পোন্ধৰ শতিকাৰ মাজভাগৰ পৰা ইউৰোপত প্ৰায় তিনিশ বছৰ কাল নৱজাগৰণৰ ফলত আমূল পৰিবৰ্তন হৈছিল। এই সময়ছোৱাৰ ভিতৰত হোৱা বিভিন্ন ঘটনা পৰিঘটনাই গোটেই বিশ্বৰ ৰেহৰূপ পৰিবৰ্তন কৰিছিল। ১৬১৮ ৰ পৰা ১৬৪৮ চনলৈ ইউৰোপৰ ত্ৰিশ বছৰীয়া যুদ্ধ ৱেষ্টফেলীয়া চুক্তিৰ দ্বাৰা সমাপ্ত হৈছিল আৰু পৰবৰ্ত্তী পৰ্য্যায়ত জাতিৰাষ্ট্ৰ তথা ৰাষ্ট্ৰৰ ভৌগোলিক পৰিসীমাই স্থায়িত্ব লাভ কৰিছিল। ১৬৮৮ চনত ইংলেণ্ডত গৌৰৱময় বিপ্লৱৰ জৰিয়তে ক্ষমতাৰ শান্তিপূৰ্ণ হস্তান্তৰ হৈছিল। সেইদৰে ১৮ শতিকাত আমেৰিকাৰ স্বাধীনতা আন্দোলন (১৭৭৬) আৰু ফৰাচী বিপ্লৱ (১৭৮৯) আদিয়ে গোটেই বিশ্বৰ ৰাজনৈতিক ব্যৱস্থাপনাৰ ব্যাপক পৰিবৰ্তন কৰিছিল। নৱজাগৰণৰ প্ৰভাৱ সমাজৰ বিভিন্ন স্তৰ সমাজ, বিজ্ঞান, সাহিত্য, কলা, ৰাজনীতি, অৰ্থনীতি, বাণিজ্য আদিয়ে এক বিশেষ মাত্ৰা লাভ কৰিছিল। সমাজ ব্যৱস্থাপনাৰ সকলো দিশত পৰিবৰ্তন হ'লেও পুৰুষৰ তুলনাত নাৰীৰ স্থান দুখজনক হৈ আছিল। সমসাময়িক বৌদ্ধিক জগতখনত নাৰীৰ বিষয়ে আওপকীয়াকৈ পৰ্যালোচনা হ'লেও সেয়া পৰ্যাপ্ত নাছিল।

ফৰাচী বিপ্লৱে সমাজত স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্ববোধ স্থাপন কৰাৰ বাবে অহৰহ প্ৰয়াস কৰিছিল যদিও সেই সময়ৰ ৰক্ষণশীল লিখক সমূহৰ অন্যতম এডমাণ্ড বাৰ্কৰ

"Reflection on the Revolution in France" (1790) কিতাপখনত সাংবিধানিক ৰাজতন্ত্ৰৰ সপক্ষে যুক্তি দৰ্শোৱাই নহয়, ফৰাচী বিপ্লবৰ নেতিবাচক দিশসমূহ উদঙাই দিছিল। তেওঁৰ লিখনিক "Rights of Man" নামৰ কিতাপখনেৰে থমাচ পেইনে যোগ্য প্ৰত্যুত্তৰ দিছিল। মেৰী ওলষ্টনক্ৰেফটেও "Vindication of Rights of Man" (১৭৯০) পুস্তিকাৰ জৰিয়তে আলোচনা কৰিছিল। পৰবৰ্ত্তী সময়ত মহিলাক উদ্দেশ্য কৰি লিখা "A vindication of the Rights of women" (১৭৯২) কিতাপখন সেই সময়ৰ পুৰুষতান্ত্ৰিক ৰক্ষণশীল সমাজৰ বাবে উপযুক্ত বিশ্লেষণ। ইয়াক নাৰীবাদী চিন্তাধাৰাৰ সাংবিধান তথা বাইবেল বুলিও কোৱা যায়। নাৰীৰ অধিকাৰ, প্ৰাপ্য, ক্ষমতাৰ প্ৰয়োজনীয়তা আদি যে সৰলীকৰণৰ বাবে আৱশ্যক সেয়া পোন প্ৰথমে উপলব্ধি কৰাৰ বাবে মেৰী ওলষ্টনক্ৰেফটক নাৰীবাদৰ মাতৃস্বৰূপ বুলি গণ্য কৰা হয়।

এইগৰাকী লেখিকা, দাৰ্শনিক, অনুবাদক তথা নাৰীবাদী ব্যক্তিত্বৰ জীৱন পৰিক্ৰমা বেছি সন্তোষজনক নাছিল। অসফল প্ৰেম, বিচ্ছেদ আদিয়ে আত্মহনন কৰিবলৈ বাৰে বাৰে উদগনি যোগাইছিল যদিও বলিষ্ঠতাৰে তাক মুখা মুখি কৰি সমস্যা সমাধানতহে তেওঁ গুৰুত্ব দিছিল। সমাজত নাৰী আৰু পুৰুষৰ সম্বন্ধ কেনেকুৱা হোৱা উচিত তাৰেই বিশ্লেষণ তেওঁৰ লিখনিত প্ৰকাশ পাইছে। তেওঁৰ বিচাৰ বিশেষকৈ পুৰুষে নাৰীক ব্যক্তিগত তথা সামূহিক দিশত কেনেধৰণে ব্যৱহাৰ কৰে, পুৰুষক নাৰী কিয় প্ৰয়োজন এই প্ৰশ্নবোৰৰ অৱতাৰণা তেওঁৰ মনলৈ আহিছিল আৰু সমাধান সূত্ৰও তেওঁ সুন্দৰভাৱে লিখনিৰ জৰিয়তে দিব বিচাৰিছে। তেওঁৰ মূল মন্ত্ৰই হৈছে শিক্ষাৰ জৰিয়তে নাৰীৰ সৱলীকৰণ। তেওঁৰ প্ৰাৰম্ভিক লিখনি সমূহত ল'ৰা-ছোৱালীৰ জীৱন সম্পৰ্কে বিশেষকৈ শিক্ষা আৰু নৈতিকতাৰ ওপৰত আলোকপাত কৰে। এই ক্ষেত্ৰত তেওঁৰ কিতাপ "Thoughts on the Education of the Daughters" (1787) আৰু Original Stories of Real Life" (1788) ত বিশেষকৈ লিংগ ভিত্তিক সমতা আৰু সমূহীয়া শিক্ষাৰ কথা পোৱা যায়। পৰবৰ্তী পৰ্য্যায়ত লিখা "A vindication of the Rights of Women" সেই সময়ত ৰক্ষণশীল ব্যৱস্থাপনাৰ ওপৰত থকা আক্ৰোশৰ বহিঃ প্ৰকাশহে মাত্ৰ। সেই সময়ত গীৰ্জা, অভিজাত শ্ৰেণী, ৰাজতন্ত্ৰৰ প্ৰভাৱৰ পৰা নাৰী সমাজক মুক্তিৰ বাবে প্ৰয়াস কৰিছিল। তেওঁৰ লিখনি পুৰুষতান্ত্ৰিক সমাজৰ বাবে পৰিপন্থী নহয়। নাৰীৰ অধিকাৰ, লিংগ ভিত্তিক সমতাৰ বাবেহে তেওঁ যুক্তি প্ৰদৰ্শন কৰিছিল। শিক্ষা সকলোকে লাগে, নাৰী শিক্ষাই পুৰুষৰ দৰে মহিলাকো নিজৰ স্থান সুৰক্ষিত কৰাত সহায় কৰে। শিক্ষাৰ জৰিয়তে নাৰীয়ে নিজকে এক পৰিবৰ্ত্তিত ৰূপত সজাব পাৰে বুলি ওলষ্টনক্ৰেফটে মত প্ৰকাশ কৰিছিল। নাৰী শিক্ষাই চাৰিদুৱাৰৰ বান্ধোনৰ পৰা মুকলি কৰি লিংগ ভিত্তিক বৈষম্য সমাধান কৰাৰ প্ৰয়াস কৰে। নাৰী পুৰুষৰ ভোগ্য সামগ্ৰী নহয়, নাৰী এগৰাকী পুৰুষৰ স্ত্ৰী হোৱাতকৈ বন্ধু তথা সহধৰ্মীনীও হ'ব পাৰে। স্ত্ৰী হোৱাৰ বাবে নাৰীক পুৰুষে বেশ্যা হিচাপে ব্যৱহাৰ কৰে। পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাপনাত নাৰীৰ নাৰীত্ব এক আবেগ, অলংকাৰ, দুৰ্বলতা আৰু যাৰ বাবে নিষ্পেষিত হৈ আহিছে।

ওলষ্টনক্ৰেফটে নাৰীৰ সৱলীকৰণৰ ধাৰা, লিংগ ভিত্তিক বৈষম্যৰ অৱসান, নাৰী শিক্ষাৰ প্ৰসাৰ, বিবাহ সম্বন্ধীয় সমিধান, নাৰীৰ অধিকাৰ এই বিষয়বোৰ সামৰি লৈছে। তেওঁৰ মতে নাৰীক পুৰুষৰ ওপৰত কৰ্তৃত্ব কৰাৰ ক্ষমতা নালাগে, কিন্তু নাৰীয়ে নিজৰ ওপৰতহে ক্ষমতা থকাটো বাঞ্চনীয়। মেৰীৰ ওপৰত ৰুছোৰ গণতান্ত্ৰিক প্ৰগতিবাদৰ ধাৰাই যথেষ্ট প্ৰভাৱিত কৰিছে। সোঁতৰ বিপৰীতে যাব পৰা, নাৰী শক্তিৰ মূল বুজি পোৱা, এইগৰাকী মহিয়সী নাৰী সকলোৰে বাবে সদায় প্ৰেৰণাৰ উৎস হৈ থাকিব। বৰ্তমান সমাজ ব্যৱস্থাপনা যদিও দ্ৰুত গতিত আগবাঢ়িছে, কিন্তু ওঁঠৰ শতিকাৰ ৰক্ষণশীল ধ্যান ধাৰণাৰ সম্পূৰ্ণ পৰিবৰ্তন হোৱা নাই আৰু ভাৰতীয় সমাজ ব্যৱস্থা এইক্ষেত্ৰত বহু পিছ পৰি আছে। নাৰী-শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্ক বহুতে উপলব্ধি কৰে, কিন্তু কথা আৰু কাৰ্যৰ পাৰ্থক্য থকা দেখা যায়। আজিৰ তাৰিখত ভাৰতত যোল্ল শতাংশ মানুহ অশিক্ষিত, আধাতে স্কুল এৰা নাৰীৰ সংখ্যাও যথেষ্ট বেছি, পিছপৰা অশিক্ষিত সমাজত বাল্য বিবাহ এতিয়াও প্ৰচলিত, বহুতো মহিলাই এতিয়াও পুৰুষৰ তলতীয়া হৈ তৃপ্তি লাভ কৰে। এই চিন্তা চৰ্চাবোৰ নিঃশেষ কৰিবৰ বাবে লাগিব দৃঢ়তা, ইতিবাচক মনোবল। সকলো স্তৰৰ লোকৰ পৰা বিশেষকৈ পুৰুষ শ্ৰেণীৰ পৰা লাগিব সম্পূৰ্ণ সহযোগিতা। অন্যথা নাৰীৰ সৱলীকৰণ এটা শ্ল'গান হৈয়েই ৰ'ব। ■

# জীৱন গঢ়াত মানুহ

☛ পাৰুল ভূঞা
মুৰব্বী অধ্যাপিকা, শিক্ষা বিভাগ

**মা**নুহৰ পৃথিৱীত মানুহৰ সৈতে সুন্দৰ ব্যৱহাৰ, ভাষাৰ ব্যৱহাৰ, ভাল বেয়া বিচাৰৰ সংস্কাৰ আদি সকলোৰেই গুৰুত্ব দিয়াৰ প্ৰয়োজনে দেখা দিছে। পশু-পক্ষী যদি জন্মৰ পৰাই পশুপক্ষী হয়, তেতিয়া হ'লে মানৱ সন্তানক 'মানুহ' হ'বলৈ বেলেগে শিক্ষাৰ কিয় প্ৰয়োজন? বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত শিক্ষা প্ৰাপ্ত হ'লেই জানো মানুহ হয়? সমাজত ধনী, প্ৰতিষ্ঠিত যিসকল তেওঁলোকেই কি মাথোঁ মানুহ? মানুহ কোন? এজন দাৰ্শনিকে দিন দুপৰীয়া হাতত লেম্প এটা লৈ বজাৰে বজাৰে ঘূৰি ফুৰিছিল। কোনোবাই সোধাত তেওঁ কৈছিল- 'মানুহ বিচাৰিছোঁ।' স্বামী বিবেকানন্দই সমগ্ৰ মানৱ সমাজক উদ্দেশ্যি কৈছিল— "মানুহ লাগে, মনত ৰাখিব, মানুহ লাগে।"

পশুৰ ভিতৰত থাকে পশুত্ব, দেৱতাৰ ভিতৰত থাকে দেৱত্ব, কিন্তু আচৰিতভাৱে মানুহৰ মাজত থাকে পশুত্ব, মানৱত্ব আৰু দেৱত্ব তিনিটা ভাৱ। সেইকাৰণে মানৱ সন্তানক শিক্ষা আৰু অনুশীলনৰ মাজেৰে পশুত্বক পৰাভূত কৰিবলৈ সমৰ্থ কৰি তুলিব লাগে। সকলো জীৱৰ ভিতৰত একমাত্ৰ মানুহৰ মাজত দৈৱিক গুণৰ আৱিৰ্ভাব হ'ব পাৰে। কিন্তু সেয়া বহুক্ষেত্ৰত সম্ভৱ নহয়গৈ। প্ৰকৃত মানুহ হ'বলৈ বহু বছৰৰ উদ্যম আৰু কঠিন পৰিশ্ৰমৰ প্ৰয়োজন। কণমানি মানৱ শিশু মাটি, বোকা আৰু আবৰ্জনাত লুতুৰি-পুতুৰি হয়। পোৱালি কুকুৰৰ মুখৰ পৰা খোৱা বস্তু আনি নিজৰ মুখত সোমোৱায়। কোনো বোধ-বিচাৰ নাই, পশুৰ লগত ব্যৱহাৰৰ কোনো পাৰ্থক্য নাই। এনে ক্ষেত্ৰত মাক-দেউতাক বা ঘৰৰ জ্যেষ্ঠজনে শিশুটিক বুজায়— এনে নকৰিবা, এনেকুৱা কৰিব নালাগে, এইটো কৰা, সেইটোহে কৰিব লাগে ইত্যাদি ইত্যাদি। আৰম্ভ হয় শিক্ষাৰ। পশুত্বক জয় কৰাৰ শিক্ষা। লাহে লাহে সেই অবোধ-অবুজ শিশুৰ মাজত বোধ-বুদ্ধিহীন মানৱ সন্তানে বিকাশ হ'বলৈ ধৰে, বৃদ্ধি হ'বলৈ ধৰে, 'মানুহ' হৈ গৈ থাকে। তথাপি প্ৰশ্ন হয়, কেনেকুৱা অৱস্থাত উপনীত হ'লে সেই মানৱ সন্তানক মানুহ বুলি কোৱা হ'ব?

মানুহ বুলিলে শ্ৰদ্ধা আৰু কৃতজ্ঞতা গুণবিশিষ্ট মানুহেই প্ৰকৃত মানুহ। শ্ৰদ্ধা আৰু কৃতজ্ঞতা দুটা সৰু সৰু শব্দ। কিন্তু এই শব্দ দুটাৰ ভিতৰতে স্থাপিত হয় মানুহৰ স্তম্ভ (Pillar)। শাস্ত্ৰই কয়— আহাৰ, নিদ্ৰা, ভয়, সংসাৰ, কামনা-বাসনা এইবোৰ পশু আৰু মানুহৰ মাজত সমানে থাকে। ধৰ্মইহে মানুহক পশুৰ পৰা পৃথক কৰে। "ধৰ্মেন

হীনাঃ পশুভিঃ সমানাঃ"- অৰ্থাৎ ধৰ্মহীন মানুহ পশুৰ সমান। ধৰ্ম শব্দৰ অৰ্থ হ'ল- যি ধাৰণ কৰি থাকে। শ্ৰদ্ধা আৰু কৃতজ্ঞতাই হ'ল সেই ধৰ্ম, যিয়ে মানুহক মানুহ হিচাপে ধৰি ৰাখে।

শ্ৰদ্ধাৰ অৰ্থ তিনি প্ৰকাৰৰ ঃ

১। শাস্ত্ৰ বাক্যে বিশ্বাস-শাস্ত্ৰশ্ৰদ্ধা

২। গুৰুবাক্যত বিশ্বাস গুৰুশ্ৰদ্ধা

৩। নিজৰ ওপৰত বিশ্বাস - আত্মশ্ৰদ্ধা।

মহামতি শঙ্কৰাচাৰ্যই শ্ৰদ্ধাৰ সংজ্ঞা নিৰ্ধাৰণ কৰিবলৈ গৈ কৈছে- "শাস্ত্ৰস্য গুৰু বাক্যস্য সত্য বুদ্ধ্যব ধাৰণম মা শ্ৰদ্ধা"- অৰ্থাৎ শাস্ত্ৰ আৰু গুৰু বাক্যত সত্য বৃদ্ধি কৰা বা পৰিপূৰ্ণ ভাৱে বিশ্বাস কৰাকেই শ্ৰদ্ধা বোলে।

এইখিনিতেই প্ৰশ্ন হয়— শাস্ত্ৰ কাক বোলে? আপ্ত বাক্যয়েই হ'ল শাস্ত্ৰ। যিজনাই অনুভৱ কৰিছে, জানিছে, উপলব্ধি কৰিছে তেওঁ হ'ল আপ্ত। তেওঁ যেনে ধৰণৰ কথাবোৰ কয়, সেয়াই শাস্ত্ৰ আৰু গুৰু হ'ল তেওঁ, যিজনে নিজে যি জানিছে বা শিকিলে সেয়া মানুহৰ কল্যাণৰ বাবে নিস্বাৰ্থভাৱে উত্তৰ পুৰুষ সকলৰ ওচৰত বোৱাই দিয়ে। নিজৰ জ্ঞানৰ জ্যোতিৰে জ্বলাই দিয়ে ছাত্ৰ আৰু শিষ্যসকলৰ জ্ঞানৰ বন্তি। শ্ৰদ্ধাহীন ব্যক্তি অত্যন্ত হীনস্তৰৰ প্ৰাণী। শ্ৰদ্ধাহীন মানুহে সঁচা জ্ঞান লাভ কৰিব নোৱাৰে। ভগৱদ্গীতাত কোৱা হৈছে— "শ্ৰদ্ধাৱান লভতে জ্ঞানং" অৰ্থাৎ শ্ৰদ্ধাৱান মানুহেহে মাথো জ্ঞান লাভ কৰিব পাৰে। বিদ্যালয়, মহাবিদ্যালয়ত আমি যিবোৰ বিষয় পঢ়োঁ বা পঢ়ুৱাওঁ কেতিয়াবা ভাৱোঁ নে— কিমান দীৰ্ঘদিনৰ পৰিশ্ৰমৰ ফল সেয়া। ভূগোল পঢ়িলে আমি মুহূতৰ্তে জানিব পাৰোঁ এখন মহাদেশৰ নদী, সাগৰ, পৰিৱেশ, জলবায়ু ইত্যাদি সকলো। কিন্তু আমাৰ মনলৈ নাহে কিমান মানুহৰ কিমান দিনৰ অধ্যৱসায় আৰু পৰিশ্ৰমৰ ফলস্বৰূপে এইবোৰ আমি কিতাপৰ পৃষ্ঠাত পঢ়িবলৈ পালোঁ। সাহিত্য, বিজ্ঞান, শিক্ষা, ইতিহাস, অৰ্থশাস্ত্ৰ যিকোনো বিষয় যদি আমি শ্ৰদ্ধা সহিতে পঢ়োঁ, সেয়া হ'ব অধ্যয়ন আৰু যেতিয়া আমি অশ্ৰদ্ধাৰ স'তে পঢ়োঁ সেয়া হ'ব সংবাদ গ্ৰহণ। অধ্যয়ন আৰু সংবাদ গ্ৰহণৰ মাজত আকাশ পাতাল মানসিকতাৰ পাৰ্থক্য থাকে আৰু শিক্ষাৰ্থীৰ ব্যৱহাৰতো বহুত পাৰ্থক্য পৰিলক্ষিত হয়। অধ্যয়নৰ মাজেৰে আহৰণ কৰা জ্ঞানে শিক্ষাৰ্থীৰ হৃদয় আলোকিত কৰে আৰু সেই আলোকত উদ্ভাসিত হয় মানৱ সমাজ। আকৌ জ্ঞান যেতিয়া সংবাদ গ্ৰহণৰ দৰে সাধাৰণ বিষয়ত পৰিণত হয়, তেতিয়া সেই বিদ্যা কেৱল নিজৰ স্বাৰ্থত ব্যৱহৃত হয়। সমাজ উপেক্ষিত হয়, এনে ধৰণৰ মানুহ সমাজত যিমানে বেছি হয় স্বাৰ্থপৰতা, ঈষা, হিংসা প্ৰভৃতি ভয়ঙ্কৰ পাশৱিক ভাৱবোৰ সিমান বেছি প্ৰকাশিত হয় আৰু পশু মনবিশিষ্ট মানৱ সমাজ মানুহৰ বাসযোগ্য কৰি ৰাখিবলৈ হ'লে শাস্ত্ৰ শ্ৰদ্ধা একান্ত প্ৰয়োজন। যিজনে আমাক এন্ধাৰৰ পৰা পোহৰলৈ নিছে, পশুত্বৰ পৰা মানৱলৈ উন্নীত কৰিছে, তেনে শিক্ষকৰ প্ৰতি যদি শ্ৰদ্ধা নাথাকে তেনেহ'লে সেই শিক্ষাৰ্থী কেতিয়াও মানুহ হ'ব নোৱাৰে। তেওঁৰ বিদ্যা অপূৰ্ণ হৈ ৰয়।

ভাৰতবৰ্ষই বহু যুগ আগতেই সেই সত্য লাভ কৰিছিল, সেয়েহে মানৱ সভ্যতাৰ উন্মেষৰ প্ৰথম প্ৰভাততে শুনা যায় আমাৰ মননশীল পূৰ্ব পুৰুষসকলৰ "মাতৃদেৱো ভৱ, পিতৃদেৱো ভৱ, আচাৰ্য্য দেৱো ভৱ"- ইত্যাদি মহামন্ত্ৰ স্বৰূপ বাক্য। মানুহৰ প্ৰথম আচাৰ্য্য বা শিক্ষাগুৰু হ'ল তেওঁৰ মা-পিতা। সেয়েহে তেওঁলোকক দেৱতাৰ নিচিনা শ্ৰদ্ধা কৰিবলৈ শিকিব লাগে।

আচাৰ্য্য শঙ্কৰাচাৰ্য্যই শিকাইছে শাস্ত্ৰ আৰু গুৰু বাক্যক শ্ৰদ্ধা কৰিবলৈ। বৰ্তমান যুগৰ যুগাচাৰ্য বিবেকানন্দই শিকাইছে, আত্ম শ্ৰদ্ধা সম্পূৰ্ণ নতুন, পৰিপূৰ্ণ বৈপ্লৱিক এক সাহসী ঘোষণা। প্ৰাচীন ধৰ্মই শিকাইছিল, যিজনে ঈশ্বৰক বিশ্বাস নকৰে তেওঁ হ'ল নাস্তিক আৰু আধুনিক ধৰ্ম স্বামী বিবেকানন্দৰ ব্যাখ্যাত ধৰ্ম হৈছে যিজনে নিজক বিশ্বাস নকৰে তেওঁ হে নাস্তিক।" আত্ম শ্ৰদ্ধাই মানুহক প্ৰকৃততে স্বাধীন চিতীয়া কৰে। আত্ম শ্ৰদ্ধাবান মানুহে আনৰ উন্নতি দেখি হিংসা নকৰে, বৰঞ্চ নিজে উন্নত হোৱাৰ চেষ্টা কৰে। আনক সমালোচনা নকৰে, কাৰণ নিজৰ অভিজ্ঞতাৰ পৰা তেওঁ জানিছে যে কাম কৰিবলৈ হ'লে ভুল ত্ৰুটি হ'ব পাৰে। নিজৰ ব্যৰ্থতা ঢাকিবলৈ আনক দোষ দিয়া আত্মশ্ৰদ্ধাহীনতাৰ লক্ষণ।

অহংকাৰ আৰু আত্ম শ্ৰদ্ধা কিন্তু একে বস্তু নহয়। অহংকাৰে মানুহক দানৱতা পৰিণত কৰে আৰু আত্মশ্ৰদ্ধাই মানুহক দেৱতা কৰি তোলে। অহংকাৰে কয় "আন কোনেও নোৱাৰে কেৱল মই হে পাৰিম" আৰু আত্ম শ্ৰদ্ধাৱানে কয় "মইও পাৰিম।" আত্মশ্ৰদ্ধাহীন ব্যক্তি যদি নেতা হয় তেতিয়া হলে তেওঁ সকলো সময়তে চেষ্টা কৰে

তেওঁতকৈ হীন, সকলো বিষয়তে তেওঁতকৈ নীচ স্তৰৰ মানুহসকলক তেওঁৰ সহকৰ্মী কৰি ৰাখিবলৈ। আত্মশ্ৰদ্ধাহীন নেতাই নিজে হয়তো আনন্দবোধ কৰে, কিন্তু দেশ তথা সমাজ লাহে লাহে ধ্বংস প্ৰাপ্ত হয়। সেয়েহে স্বামী বিবেকানন্দই মানৱ সমাজক ৰক্ষা কৰিবৰ বাবে আত্মবিশ্বাসী আৰু আত্ম শ্ৰদ্ধাপন্ন হ'বলৈ আহবান কৰিছে।

যদি কোনো ছাত্ৰ-ছাত্ৰীয়ে কোনো বিষয়ত ভাল ফল দেখুৱাব নোৱাৰে তেতিয়া সাধাৰণতে তেওঁৰ সমাজ বা পৰিয়ালে কয়— তই নোৱাৰিবি, তোৰ দ্বাৰা একো এটা নহ'ব ইত্যাদি ইত্যাদি।" এইটো এটা ডাঙৰ ভুল। মাথো ভুল নহয় ই এক অন্যায়। বৰঞ্চ তুমি এইটো নোৱাৰিলে কি হব সেইটোতো ভালদৰে পাৰা। মই পঢ়াশুনা নোৱাৰো, কিন্তু খুউব ভাল ৰান্ধিব পাৰো, ঘৰুৱা দায়িত্ব মুৰ পাতি ল'ব পাৰো। কিবা নহয় কিবা এটাতো মই পাৰোঁ আৰু সেইটোত বহুতৰ ভিতৰত মই প্ৰথম হ'ব পাৰোঁ।

কৃতজ্ঞতা মানুহ হৈ উঠাৰ দ্বিতীয় পদক্ষেপ। মানৱ সন্তানক 'মানুহ' হৈ উঠাৰ প্ৰথম পদক্ষেপ হ'ল শ্ৰদ্ধা আৰু দ্বিতীয় পদক্ষেপ হ'ল কৃতজ্ঞতা। মানুহ তেতিয়াহে মানুহ হয় যেতিয়া তেওঁৰ মনত কৃতজ্ঞতাবোধ থাকে। কৃতজ্ঞতাক মানুহৰ শ্ৰেষ্ঠ গুণ হিচাপে বিবেচনা কৰা হয়। কৃতজ্ঞতাহীন মানুহে নিজৰ বাদে আনৰ চিন্তা কৰিব নোৱাৰে।

যি ভূখণ্ডত আমি জন্মগ্ৰহণ কৰো, বাস কৰো ডাঙৰ দীঘল হওঁ, সেই মাতৃভূমিক গভীৰ শ্ৰদ্ধা কৰিবলৈ শিকোৱা হয়। জন্মদাত্ৰী মা আৰু মাতৃভূমিক হিন্দুসকলে সৰ্ব্বোচ্চ কৃতজ্ঞতা জ্ঞাপন কৰিবলৈ শিকাইছে। "জননী জনমভূমিচ স্বৰ্গাদপি গৰীয়সী"। জন্মভূমিক ভালপোৱা, জন্ম ভূমিক কোনো প্ৰকাৰৰ ক্ষতি হ'বলৈ নিদিয়া, এইয়া কোনো ক্ষুদ্ৰ মানসিকতাৰ পৰিচয় নহয়। এইয়া মানুষ্যত্বৰ চৰম প্ৰকাশ- কৃতজ্ঞতা। যিমান তাকৰ হওক, যিমান ক্ষুদ্ৰ হওক কাৰোবাৰ পৰা কোনো প্ৰকাৰ সহায় পালে তাক পাহৰিব নালাগে। অকৃতজ্ঞতাই মানুহক সৰু কৰি তোলে। অকৃতজ্ঞতা মনুষ্যত্বৰ অৱমাননা। স্বামী বিবেকানন্দই আমাক প্ৰাৰ্থনা কৰিবলৈ শিকাইছে আৰু কৈছে— জগত জননীৰ ওচৰত প্ৰাৰ্থনা কৰা। মা আমাক মানুহ কৰা। মনুষ্য সমাজখনক আহ্বান কৰি কৈছে—

"আহা মানুহ হওঁ।"

শ্ৰদ্ধা আৰু কৃতজ্ঞতা সম্পন্ন মানুহেই মানুহ।। ■

**গ্ৰন্থপঞ্জী ঃ**


দৈনিক জনমভূমি প্ৰকাশ ডিচেম্বৰ ২০১৭

জীৱন গঢ়াৰ সাধনা ঃ অজয়লাল দত্ত।

https://as.vikaspedia.in>education

বিবেক ভাস্কৰ ঃ ৰামকৃষ্ণ মিশনৰ দ্বাৰা প্ৰকাশিত

https://as.m.wikipedia.orgywiki>n




শিখৰত উপনীত হ'বলৈ মানসিক শক্তিৰ প্ৰয়োজন সেয়া লাগিলে মাউণ্ট এভাৰেষ্টেই হওক বা আপোনাৰ পেচাগত জীৱনেই হওক।

**— ড° এ.পি.জে. আব্দুল কালাম**

# সঠিক বৃত্তি (কেৰিয়াৰ) নিৰ্বাচন ঃ ছাত্ৰজীৱনৰ এটা গুৰুত্বপূৰ্ণ পদক্ষেপ

☛ **দীপ কলিতা**
সহকাৰী অধ্যাপক, অৰ্থনীতি বিজ্ঞান বিভাগ

'The future depends on what you do today'
***- M.K. Gandhi***

**ছা**ত্ৰজীৱনৰ প্ৰধান উদ্দেশ্য হৈছে জ্ঞান অৰ্জন। এই জ্ঞানৰ কোনো পৰিধি নাই। কিন্তু জীৱিকাৰ বাবে শিক্ষা বুলি ক'লে ইয়াৰ পৰিধি সংকীৰ্ণ হৈ পৰে। ই এক প্ৰকাৰ 'হাতী মাৰি ভুৰুকাত ভৰোৱা'ৰ দৰে। অৰ্থাৎ শিক্ষাৰ বিশাল পথাৰখনৰ পৰা জীৱিকাৰ বাবে কোনো এক নিৰ্দিষ্ট শিক্ষাৰ পথক বাচি উলিওৱাটো সহজ কাম নহয়। এই সমস্যাই বৰ্তমানৰ যুৱ প্ৰজন্মক যথেষ্ট বিমোৰত পেলাইছে। লগতে অভিভাৱকসকলো ইয়াৰ ভুক্তভোগী হৈছে। গতিকে সঠিক সময়ত বৃত্তি বা কেৰিয়াৰ বাছনি ছাত্ৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ।

বৃত্তি বাছনিয়ে এজন ব্যক্তিৰ জীৱনৰ গুৰুত্বপূৰ্ণ দিশসমূহ যেনে — পৰিয়াল, শিক্ষা, সামাজিক মৰ্যাদা, অৰ্থনৈতিক দক্ষতা এই সকলোবোৰ দিশ সামৰি লয়। বৃত্তি বুলি ক'লে প্ৰকৃততে এজন ব্যক্তিৰ জীৱনজোৰা বিশেষকৈ কোনো এক নিৰ্দিষ্ট কৰ্মজীৱন অথবা জীৱিকাৰ লগত জড়িত ক্ৰিয়া আৰু ইয়াৰ ফলস্বৰূপে লাভ কৰা উন্নতিক বুজায়। সহজকৈ ক'বলৈ হ'লে, বৃত্তি মানে এজন ব্যক্তিয়ে তেওঁৰ জীৱনৰ সকলোবোৰ দিশত আগুৱাই যাবৰ বাবে কৰা কাৰ্য অথবা ক্ৰিয়া। গতিকে সঠিক কেৰিয়াৰ নিৰ্বাচনে এজন ব্যক্তিক পৰিয়াল বা সমাজত স্বচ্ছল ভাৱে জীয়াই থাকিবলৈ সুযোগ দিয়ে। এজন ছাত্ৰই কোনো এটা বিশেষ পাঠ্যক্ৰম বাছনি কৰি লোৱাৰ কাৰণ হ'ল তেওঁ ভাবে যে ইয়াৰ জৰিয়তে তেওঁ জীৱনত বিচৰা প্ৰয়োজনীয় সকলোবোৰ বস্তু পাব পাৰিব। যিহেতুকে বৃত্তিগত জীৱনে এজন ব্যক্তিৰ সকলোবোৰ দিশতেই প্ৰভাৱ পেলায় সেয়েহে উপযুক্ত বৃত্তি বাছনি জীৱনৰ এক গুৰুত্বপূৰ্ণ দিশ বুলি ভাবিব পাৰি।

জীৱনৰ লক্ষ্যত উপনীত হ'বলৈ হ'লে সঠিক সময়ত লক্ষ্য স্থিৰ কৰাটো খুবেই প্ৰয়োজনীয়। প্ৰত্যেকৰে জীৱনত এক উদ্দেশ্য থাকে আৰু সেই উদ্দেশ্য পূৰণৰ বাবে সঠিক পথেৰে অগ্ৰসৰ হোৱা উচিত। তাকে কৰিবলৈ যাওঁতে মানুহে প্ৰথমেই নিজক চিনি বা বুজি পোৱাটো খুবেই প্ৰয়োজনীয়। কাৰণ প্ৰত্যেকৰে পছন্দ, প্ৰাপ্তি বা সুখৰ সংজ্ঞা বেলেগ বেলেগ হয়। গতিকে নিজৰ পছন্দ, চিন্তাশক্তি বা দক্ষতাৰ ওপৰত ভিত্তি কৰিহে কেৰিয়াৰ নিৰ্বাচন কৰা উচিত। কোনোবা এটা বৃত্তি নিৰ্বাচন কৰাৰ আগতেই সেই বিষয়ে প্ৰথমেই খুটি নাটি মাৰি জনা উচিত। অৰ্থাৎ সেই বৃত্তিটোৰ সুবিধা আৰু সীমাবদ্ধতা সকলোবোৰ জানি লৈহে আগুৱাব লাগে। এনেদৰে আগবাঢ়িলে ভৱিষ্যৎ সুৰক্ষিত হোৱাৰ উপৰিও মানসিক সন্তোষ লভাৰ যথেষ্ট সম্ভাৱনীয়তা থাকে। আমি সকলোৱে নিজক সকলোতকৈ ভালকৈ বুজি পাওঁ। সেয়েহে নিজৰ ভৱিষ্যৎ সুৰক্ষাৰ খাতিৰত পৰিকল্পিত

ভাবেহে কেৰিয়াৰ নিৰ্বাচন কৰা উচিত।

এই বৃত্তি বাছনি প্ৰক্ৰিয়া এজন ব্যক্তিৰ স্কুলীয়া জীৱন শেষ হোৱাৰ আগতেই কৰা উচিত। সময় থাকোতেই যদিহে আমি সঠিক বৃত্তি নিৰ্বাচন কৰিব নোৱাৰো তেতিয়া হ'লে পিছত আনকদোষ দিয়াৰ বাহিৰে অন্য বিকল্প নাথাকিব। বহুতেই দেখা যায় কেৰিয়াৰ নিৰ্বাচনত ভুল সিদ্ধান্ত লয় আৰু পিছত হাবুডাবু খাই চৰকাৰী নীতি তথা পৰিকল্পনা, দেশৰ অৰ্থনীতি অথবা ভাৰতীয় শিক্ষা ব্যৱস্থাক দোষাৰোপ কৰে। 'নাচিব নাজানিলে চোতালখন বেঁকা।' এনে ক্ষেত্ৰতেই এই বাক্যশাৰী সুন্দৰকৈ খাপ খায়। ভুল বৃত্তি নিৰ্বাচনৰ অন্তৰালত অকল ছাত্ৰ-ছাত্ৰীকে দোষাৰোপ কৰাটো উচিত নহ'ব। বহু ক্ষেত্ৰত আমাৰ অভিভাৱক সকলেও কিছুপৰিমাণে জগৰীয়া। ভুল বৃত্তি নিৰ্বাচনৰ আঁৰৰ কিছুমান কাৰণ হ'ল —

১) বহুতো অভিভাৱকে তেওঁৰ সন্তান পৰম্পৰাগত ভাৱে সমাজত প্ৰচলিত উচ্চ মৰ্যাদা সম্পন্ন ডিগ্ৰীধাৰী হোৱাটো বিচাৰে। ফলস্বৰূপে সেই শিশুটিৰ জন্মগত প্ৰতিভাৰ স্বাভাৱিক বিকাশ নহয়।

২) বৰ্তমান সমাজ ব্যৱস্থাত কেৰিয়াৰ বহুতো পথ আছে। কিন্তু প্ৰকৃত পৰামৰ্শ বা সচেতনতাৰ অভাৱৰ বাবেও বহুতেই ভুল কেৰিয়াৰ বাছি লয়।

৩) নিৱনুৱা সমস্যা বা টকা পইচাৰ অভাৱত জুৰুলা হৈ থকাৰ বাবেও বহুতেই সঠিক সময়লৈ অপেক্ষা নকৰি ভুল কেৰিয়াৰ বাছনি কৰে।

৪) দীৰ্ঘ সময় ধৰি নিৱনুৱা বা আৰ্থিক সমস্যাত ভুগি থাকিলে মানুহ মানসিকভাৱে অস্থিৰ হৈ যায়। এনে অস্থিৰতাই সুস্থ আৰু সবল সিদ্ধান্ত লোৱাত বাধা প্ৰদান কৰে।

৫) 'আদাক দেখি উঠিল গা কেতুঁৰিয়ে বোলে মোকো খা' বহুতেই বেলেগক দেখি অকণো নভৰা নিচিন্তাকৈ কেৰিয়াৰ নিৰ্বাচনত ভুল কৰে আৰু পিছত অনুতপ্ত হয়।

বৰ্তমান যুগত প্ৰতিযোগিতা ইমানেই বৃদ্ধি পাইছে যে, সঠিক সময়ত যদিহে শুদ্ধ সিদ্ধান্ত লোৱা নাযায়, তেনেহ'লে মন পচন্দৰ চাকৰি বা কৰ্মসংস্থাপন পোৱাটো অসম্ভৱ হৈ পৰে। গতিকে শিক্ষা জীৱন শেষ হোৱাৰ আগতেই ছাত্ৰ-ছাত্ৰীসকলে কেৰিয়াৰক লৈ সচেতন হোৱা উচিত। তেওঁলোকে নিজৰ দক্ষতা, বুদ্ধি, কৌশল আৰু পচন্দৰ ওপৰত ভিত্তি কৰিহে ভৱিষ্যৎ জীৱনৰ বাবে নিজৰ পথ বাছি লোৱা উচিত। এই ক্ষেত্ৰত অভিভাৱকসকলেও সন্তানক কেৰিয়াৰ নিৰ্বাচনৰ বিষয়ত স্বাধীনতা দিয়া উচিত। ভাৰতীয় যুৱপ্ৰজন্মৰ অধিকাংশই এতিয়াও অকল পৰম্পৰাগত বৃত্তিসমূহৰ লগতেই পৰিচিত। আধুনিক সমাজ বা অৰ্থনীতিতে নিতৌ উদ্ভাৱিত ন ন বৃত্তি সমূহ তেওঁলোকৰ জ্ঞাত নহয়। ২০১৯ চনত সৰ্বভাৰতীয় পৰ্যায়ত হোৱা এটা জৰীপৰ তথ্য অনুসৰি এতিয়াও নতুন প্ৰজন্মই পৰম্পৰাগত ভাৱে সমাজত প্ৰচলিত হৈ অহা বৃত্তি সমূহক অগ্ৰাধিকাৰ দিয়ে। তেওঁলোকক প্ৰায় ২৫০টা কেৰিয়াৰ পথ দিয়া হৈছিল যদিও ৯৩ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে পচন্দ কৰিছিল মাত্ৰ ৭টা কেৰিয়াৰ বিকল্প। অৰ্থাৎ বেছিভাগ বৃত্তিয়ে তেওঁলোকৰ অপৰিচিত বা তেওঁলোক তাৰ বিষয়ে অজ্ঞাত আছিল। গতিকে যুৱপ্ৰজন্মক সঠিক পথ দেখুওৱাৰ দায়িত্ব প্ৰত্যেকজন সু-নাগৰিকৰ কান্ধত আহি পৰিছে। জীৱনত কৰা এটা ভুল সিদ্ধান্তৰ বাবে গোটেই জীৱনত ব্যৰ্থতা, খেলিমেলি, অশান্তি আদি ভোগ কৰিবলগীয়া হ'ব পাৰে। কেতিয়াবা ইয়াৰ পৰিণতি ইমান ভয়ানক হৈ পৰে যে মানুহে ব্যৰ্থতাৰ লগত যুঁজি যুঁজি শেষত আত্মহত্যাৰ দৰে চৰম পথ বাছি লয়। ইয়ে দেশৰ মানৱ সম্পদৰ অৱক্ষয় ঘটায়।

ছাত্ৰ-ছাত্ৰীসকল হৈছে সমাজৰ মেৰুদণ্ড স্বৰূপ। কথাতেই কয় 'আজিৰ ছাত্ৰই ভৱিষ্যতে দেশৰ নাগৰিক'। গতিকে দেশৰ এই অমূল্য মানৱ সম্পদক সঠিক ভাৱে গঢ় দিয়াটো সকলোৰে কৰ্তব্য। ছাত্ৰ-ছাত্ৰীসকলেও সময় থাকোতেই পৰিকল্পিতভাৱে কেৰিয়াৰ নিৰ্বাচন কৰা উচিত। শিক্ষাব্যৱস্থা আৰু শিক্ষানুষ্ঠানসমূহক অধিক ভিন্নমুখী কৰা উচিত। শিক্ষক, অভিভাৱক আৰু কেৰিয়াৰ পৰামৰ্শদাতা সকলে সুপৰিকল্পিত ভাৱে যুৱ প্ৰজন্মক পথ দেখুওৱা উচিত। গতিকে ছাত্ৰ-ছাত্ৰীসকলেও সময় নষ্ট নকৰি নিজৰ কলা-কৌশল তথা দক্ষতাক সাৰথি কৰি ভৱিষ্যতৰ জীৱনযুদ্ধৰ বাবে নিজকে সাজু কৰিবলৈ প্ৰকৃত বৃত্তি বা কেৰিয়াৰ নিৰ্বাচন কৰাটো অতিকৈ প্ৰয়োজনীয়। শেষত পণ্ডিত চানক্যৰ এটা উক্তিৰে সামৰিব পাৰি—

"Once you start working on something don't be afraid of failure and abandon it. People who work sincerely are the happiest." ■



# ভাৰতীয় যুৱসমাজৰ জনগাঁথনিগত লভ্যাংশ আৰু দেশৰ প্ৰগতি

☛ ড° প্লাবিকা নেওগ
সহযোগী অধ্যাপিকা, অৰ্থনীতি বিজ্ঞান বিভাগ

**জ**নসংখ্যাৰ ফালৰপৰা বিশ্বৰ বিভিন্ন দেশসমূহৰ ভিতৰত ভাৰতৰ স্থান দ্বিতীয়। এই তালিকাৰ প্ৰথম স্থানত আছে চীনদেশ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ স্থান হ'ল তৃতীয়। বৰ্তমান সময়ত চীনদেশৰ জনসংখ্যাই ১৪৫ কোটি স্পৰ্শ কৰাৰ বিপৰীতে ভাৰতবৰ্ষ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ জনসংখ্যাৰ পৰিমাণ হ'ল ক্ৰমান্বয়ে ১৩৮ কোটি আৰু ৩৪ কোটি। ইউৰোপিয়ান ইউনিয়নৰ দেশসমূহৰ ভিতৰত সবাতোকৈ জনবহুল দেশ জাৰ্মানীৰ বৰ্তমান জনসংখ্যা হ'ল ৯ কোটি। তৃতীয় বিশ্বৰ দেশসমূহত বৰ্তমান সময়তো জনসংখ্যা বৃদ্ধিৰ হাৰ নিয়ন্ত্ৰণলৈ অহা নাই। আনহাতে, উন্নত বিশ্বৰ দেশসমূহে জনসংখ্যা নিয়ন্ত্ৰণত সফলতা লাভ কৰা পৰিলক্ষিত হৈছে। উদাহৰণস্বৰূপে, বৰ্তমান জাৰ্মানীৰ জনসংখ্যা ক্ৰমহ্ৰাসমান হাৰত বাঢ়ি থকাৰ বিপৰীতে ভাৰত, বাংলাদেশ, পাকিস্তান আদি তৃতীয় বিশ্বৰ দেশসমূহত এতিয়াও জনবিস্ফোৰণ ঘটি আছে।

ভাৰতৰ জনসংখ্যাৰ বয়সৰ গাঁথনিগত বৈশিষ্ট্য লক্ষ্য কৰিলে দেখা যায় যে মুঠ জনসংখ্যাৰ প্ৰায় ২৬.১৬ শতাংশ লোক ০ ৰ পৰা ১৪ বছৰ বয়সৰ, ৬৭.২৭ শতাংশ লোক ১৫ বছৰৰ পৰা ৬৫ বছৰ বয়সৰ শ্ৰেণীৰ আৰু ৬৫ বছৰ উৰ্দ্ধৰ বয়সৰ লোকৰ সংখ্যা প্ৰায় মুঠ জনসংখ্যাৰ ৬.৫৭ শতাংশ। গতিকে দেখা যায় যে ভাৰতৰ জনসংখ্যাৰ ৬৭.২৭ শতাংশ লোকেই কৰ্মক্ষম বয়সৰ গোটৰ অন্তৰ্গত।

বৰ্তমান ভাৰতবৰ্ষক পৃথিৱীৰ ভিতৰতে যুৱশক্তিৰ দেশ হিচাপে জনা যায়। ২০২০ চনৰ পৰিসংখ্যা মতে

আমাৰ দেশৰ জনসংখ্যাৰ মধ্যম বয়স ২৮ বছৰ, য'ত চীনদেশ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৩৭ বছৰ, পশ্চিম ইউৰোপীয় দেশসমূহৰ মধ্যম বয়স ৪৫ বছৰ আৰু জাপানৰ ৪৯ বছৰ। দেখা যায় যে জাপানৰ জনসংখ্যাৰ বয়োবৃদ্ধ আৰু তেওঁলোকৰ নিৰ্ভৰশীল জনসংখ্যাৰ অনুপাত পৃথিৱীৰ ভিতৰতে অধিক।

ভাৰতৰ জনসংখ্যাৰ বয়সৰ গাঁথনিৰ এনে পৰিৱৰ্তনৰ মূলতে হৈছে উন্নত চিকিৎসা আৰু স্বাস্থ্য সেৱাৰ ফলস্বৰূপে জীৱনৰ প্ৰত্যাশা বৃদ্ধি আৰু মুঠ জন্মৰ নিম্নগামী হাৰৰ লগতে প্ৰজননৰ হাৰ হ্ৰাস পোৱা। ইয়াৰ ফলত আমাৰ সমাজত নিৰ্ভৰশীলতাৰ হাৰ হ্ৰাস পাব বুলি আশা কৰা হৈছে। কিয়নো, ০-১৪ বছৰ বয়সৰ লোক আৰু ৬৫ বছৰৰ ওপৰৰ লোকসকলৰ সংখ্যাতকৈ কৰ্মক্ষম বা উৎপাদনশীল (১৫-৬৫ বছৰ) লোকৰ সংখ্যা বেছি। যেতিয়া কোনো অৰ্থনীতিত অনোৎপাদনশীল লোকৰ তুলনাত উৎপাদনশীল কৰ্মক্ষম লোকৰ পৰিমাণ বৃদ্ধি পায়, তেনে অৰ্থনীতিত আৰ্থিক উন্নয়নৰ বিভিন্ন সম্ভাৱনীয়তাও বৃদ্ধি পায়। সেয়েহে বৰ্দ্ধিত জনসংখ্যাৰ এই অংশটোক জনসংখ্যাৰ লভ্যাংশ (Demographic Dividend) বুলি কোৱা হয়।

ৰাষ্ট্ৰসংঘৰ জনসংখ্যা প্ৰতিবেদন অনুসৰি, ২০২০-২০৫০ চনৰ ভিতৰত বিশ্বৰ মুঠ কৰ্মক্ষম জনসংখ্যালৈ ভাৰতে প্ৰায় ১৮৩ নিযুত কৰ্মক্ষম লোকৰ যোগান ধৰিবলৈ সক্ষম হ'ব। ই বিশ্বৰ কৰ্মক্ষম লোকৰ প্ৰায় ২২ শতাংশ। জনসমষ্টিক মানৱ মূলধন হিচাপে গঢ়ি তুলিবলৈ হ'লে জনসংখ্যা নিয়ন্ত্ৰণ হ'ল প্ৰাথমিক চৰ্ত। বহুল জনসংখ্যাৰ দেশবোৰে দৰিদ্ৰতা, নিবনুৱা সমস্যা আৰু জনশক্তি পৰিকল্পনাৰ ক্ষেত্ৰত গভীৰ সমস্যাৰ সন্মুখীন হৈছে। আনহাতে কম জনসংখ্যাৰ দেশবোৰে অৰ্থনৈতিক বিকাশ আৰু মানৱ সম্পদ উন্নয়নৰ ক্ষেত্ৰত চমকপ্ৰদ সফলতা লাভ কৰিছে।

Centre for Monitoring Indian Economy (CMIE) ৰ তথ্যই দেখুৱাইছে যে বিগত বৰ্ষৰ শেষভাগত ভাৰতৰ নিবনুৱাৰ হাৰ ৮ শতাংশ হৈছেগৈ। তথ্যৰ পৰা গম পোৱা গৈছে যে ২০-২৪ বছৰ বয়সৰ জনসমষ্টিৰ ভিতৰত নিবনুৱাৰ হাৰ ৩৭ শতাংশ বৃদ্ধি পাইছে। এটা কথা ব্যাপকভাৱে প্ৰচাৰ চলিছে যে অনাগত কেইটামান বছৰৰ ভিতৰত ভাৰতবৰ্ষ বিশ্বৰ ভিতৰতে যুৱশক্তিৰ দেশলৈ ৰূপান্তৰিত হ'ব আৰু এই যুৱশক্তিক মানৱ মূলধনৰূপে ব্যৱহাৰ কৰি নতুন অৰ্থনৈতিক সম্ভাৱনাৰ সৃষ্টি কৰিব পৰা যাব। কিন্তু ইয়াৰ বাবে সৰ্বাধিক প্ৰয়োজনীয় চৰ্ত হ'ল— এই যুৱশক্তিৰ দক্ষতা আৰু উদ্যমিতা বৃদ্ধি কৰিবলৈ মানৱ সম্পদৰ উপযুক্ত পৰিকল্পনাৰ প্ৰয়োজনীয়তা। যুৱশক্তিৰ বাবে উপযুক্ত নিয়োগৰ সম্ভাৱনা সৃষ্টি কৰিব পৰাটো এইক্ষেত্ৰত সৰ্বাধিক প্ৰয়োজনীয় বিষয় হিচাপে চিহ্নিত হৈছে। এই উদ্দেশ্য আগত ৰাখি ভাৰত চৰকাৰে ২০১৫ চনৰ ১৫ জুলাইত 'দক্ষ ভাৰত অভিযান' বা 'Skill India Mission' আৰম্ভ কৰে। ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই আৰম্ভ কৰা 'National Skill Development Mission', 'National Skill Development Corporation' ৰ তত্বাৱধানত বৰ্তমান পৰিচালিত হৈ আছে। মহিলা আৰু যুৱশক্তিক দক্ষ মানৱ সম্পদ হিচাপে গঢ়ি তুলিবলৈ বিভিন্ন দক্ষতা বিকাশ পাঠ্যক্ৰম তৈয়াৰ কৰি এই বিভাগটোৱে 'কৌশল ভাৰত কুশল ভাৰত'— এই শ্ল'গানৰ যোগেদি যুৱশক্তিৰ দক্ষতা বিকাশ কৰিব বিচাৰিছে। কেন্দ্ৰীয় চৰকাৰৰ বাজেটত ইতিমধ্যে প্ৰায় চাৰি হাজাৰ কোটি টকা 'Skill acquisition and knowledge awareness for livelihood promotion programme' ৰ অধীনত ব্যয় ধাৰ্য কৰা হৈছে। আশা কৰা হৈছে যে এনে পদক্ষেপৰ জৰিয়তে ভাৰতৰ যুৱশক্তিক মানৱ লভ্যাংশ হিচাপে গঢ়ি তুলি জনসংখ্যাৰ নিৰ্ভৰশীলতাৰ অনুপাত হ্ৰাস কৰিব পৰা যাব।

সম্পদৰ সঠিক বণ্টনৰ জৰিয়তে বিনিয়োগ, উৎপাদন আৰু সঞ্চয় বৃদ্ধি কৰি অৰ্থনৈতিক উন্নয়নৰ হাৰ ত্বৰান্বিত কৰিব পাৰি। শিক্ষা, গৱেষণা, স্বাস্থ্য আৰু দক্ষতা বিকাশ আদিত অধিক গুৰুত্ব প্ৰদান কৰি যুৱসমাজক ৰাষ্ট্ৰৰ মূল্যৱান মানৱ সম্পদৰূপে গঢ়ি তুলিব পাৰিলেহে জনসংখ্যাগত লভ্যাংশৰ সুফল লাভ কৰিব পৰা যাব। ■

**References :**

**Web sources :**


1. https://www.drishtiias.com.paper1–India's Demographic Divident – accessed on 10/07/22 at 10.30 am.
2. https://en.m.wikipedia.org – demographic dividend – accessed on 10.07.22 at 10.45 am.

# নাৰী আৰু পৰিবেশ সংৰক্ষণ ঃ সৰ্বভাৰতীয় প্ৰেক্ষাপটত পৰিবেশকেন্দ্ৰিক নাৰী আন্দোলনৰ এক সামগ্ৰিক বিশ্লেষণ

☛ **বনশ্ৰী দেৰী**
সহকাৰী অধ্যাপিকা, ভূগোল বিজ্ঞান বিভাগ

অতি প্ৰাচীন কালৰ পৰাই ভাৰতীয় জনবিশ্বাসত নাৰীক শক্তিৰ প্ৰতীক হিচাপে গণ্য কৰা হৈছে। নাৰীক দুৰ্গা, কালী আদিৰ ৰূপত পূজা কৰা হয়। কিন্তু সেই একেখন সমাজতেই নাৰী শোষণ আৰু অত্যাচাৰৰ বলি হোৱাও দেখা যায়। ভাৰতীয় সমাজ ব্যৱস্থাক বিশ্লেষণ কৰিলে দেখা যায় যে প্ৰতিটো যুগত নাৰীৰ স্থান সমাজত একে নাছিল। সিন্ধু সভ্যতাত প্ৰকৃতিক পূজা কৰা হৈছিল। বৈদিক যুগৰ আৰম্ভণিতেও সমাজত নাৰীৰ এক উচ্চ স্থান আছিল। বিভিন্ন সভা সমিতিবোৰত পুৰুষৰ লগত নাৰীয়ে সমান স্থান লাভ কৰিছিল। সেই যুগৰ বিদূষী মহিলাসকলৰ ভিতৰত গাৰ্গী মৈত্ৰেয়ীৰ নাম উনুকিয়াব পাৰি। বৈদিক যুগৰ শেষৰ ফালৰ পৰা সমাজত নাৰীৰ স্থান লাহে লাহে অৱনমিত হয়। বিশেষকৈ মনুস্মৃতিৰ ৰচনাৰ পিছৰ পৰাই সমাজত নাৰীৰ স্থান যথেষ্ট নিম্নগামী হয় আৰু নাৰীয়ে পূৰ্বৰ সকলো সন্মান হেৰুৱাই পেলায়। মধ্যযুগৰ সমাজ ব্যৱস্থাত নাৰীৰ স্থান ইমানেই পুতৌ লগা হয় যে বহু পণ্ডিতে এইসময়খিনিক নাৰীৰ বাবে 'ক'লা অধ্যায়' বুলি ক'ব খোজে। এই সময়ছোৱাত ভাৰতীয় সমাজ ব্যৱস্থাত সতীদাহ প্ৰথা, জৌহৰ (ৰাজপুত সমাজত একেলগে বহু নাৰীয়ে কৰা আত্মদাহ প্ৰক্ৰিয়া), বাল্যবিবাহ, পৰ্দা ব্যৱস্থাৰ বহুল প্ৰচলন আছিল। তাৰোপৰি বিধৱাসকলৰ ওপৰত যথেষ্ট শোষণ আৰু উৎপীড়ন চলিছিল আৰু নাৰীৰ শিক্ষাৰো কোনোধৰণৰ সুব্যৱস্থা নাছিল। বৃটিছ শাসনৰ শেষৰ ফালে কেইজনমান বৰেণ্য ব্যক্তিৰ উদ্যোগত নাৰী আন্দোলনে গা কৰি উঠিছিল। এইসকলৰ ভিতৰত ৰাজা ৰামমোহন ৰায়, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ, মহাত্মা জ্যোতিৰাও ফুলে, স্বামী দয়ানন্দ সৰস্বতী আদিৰ নাম উল্লেখযোগ্য। ১৮ আৰু ১৯ শতিকাত আৰম্ভ হোৱা এই নাৰী আন্দোলনৰ মূল উদ্দেশ্য আছিল সমাজত সমাজ সংস্কাৰৰ যোগেদি নাৰীৰ স্থান উৰ্দ্ধগামী কৰা আৰু নাৰীৰ সৰ্বাংগীণ বিকাশ সাধন কৰা। স্বাধীনতা আন্দোলনৰ সময়ছোৱাত জাতিৰ পিতা মাহাত্মা গান্ধীয়েও নাৰীসকলৰ উন্নতি আৰু সমতাৰ হকে যথেষ্ট চেষ্টা কৰিছিল। স্বাধীন ভাৰতৰ সংবিধানত নাৰীসকলৰ উন্নয়নৰ অৰ্থে বিভিন্ন নিৰ্দেশনা দিয়া হৈছে। উদাহৰণস্বৰূপে অনুচ্ছেদ ১৪, ১৫(১), ১৬, ৩৯ (ডি), ১৫(৩), ৪২, ৫১ (১) ৫১এ(ই) ৫১ এ (ই)আদিৰ কথা উনুকিয়াব পাৰি।

বৃটিছ শাসনত আৰম্ভ হোৱা এই নাৰী আন্দোলনে স্বাধীনতাৰ পিছত বিভিন্ন ক্ষেত্ৰত দৃঢ় পদক্ষেপ হাতত

লৈছিল। কেতিয়াবা যদি তাৰ উদ্দেশ্য নাৰী সুৰক্ষা আছিল, কেতিয়াবা আকৌ এই আন্দোলনৰ মূল লক্ষ্য পৰিবেশ সুৰক্ষা আছিল। সমাজত নাৰীক সদায় অৱলা ৰূপেই জ্ঞান কৰা হয়। যেতিয়া এই অৱলা নাৰীয়েই মাৰ বান্ধি থিয় হয় তেতিয়াই এক পৰিৱৰ্তনৰ জোৱাৰ আহে। পৰিৱেশ আন্দোলন বুলি ক'লে এক ধৰণৰ সামাজিক আন্দোলনক বুজা যায় য'ত কিছুমান ব্যক্তি বা গোট আৰু সংগঠনে একলগ হৈ পৰিৱেশ সুৰক্ষাৰ বাবে মাত মাতে। ভাৰতত আৰম্ভ হোৱা পৰিৱেশ কেন্দ্ৰিক আন্দোলনৰ প্ৰধান কাৰণসমূহ হৈছে— প্ৰাকৃতিক সম্পদৰ সুৰক্ষা প্ৰদান, চৰকাৰৰ উন্নয়নৰ নামত প্ৰচাৰ কৰা মিথ্যা আঁচনিৰ প্ৰতিবাদ, বনজ সম্পদৰ প্ৰকৃত আৰু মিতব্যয়ী ব্যৱহাৰ বৃদ্ধি কৰা, সামাজিক ন্যায়, পৰিৱেশ ধ্বংসৰ প্ৰতিবাদ আৰু পৰিৱেশ সম্পৰ্কীয় সজাগতা সৃষ্টি। নাৰী যিহেতুকে প্ৰকৃতিৰ লগত প্ৰত্যক্ষভাৱে জড়িত আৰু পুৰুষৰ তুলনাত অধিক সংবেদনশীল, সেয়েহে প্ৰকৃতিৰ ধ্বংসলীলাত নাৰীৰ বুকু কঁপে, দুচকুৰে চকুলো বাগৰে। ভাৰতবৰ্ষত এতিয়ালৈকে হোৱা পৰিৱেশ ৰক্ষাৰ বিভিন্ন আন্দোলনত নাৰীয়ে সক্ৰিয় সহযোগ আগবঢ়াইছে। এই নাৰীকেন্দ্ৰিক পৰিৱেশ সম্পৰ্কীয় কিছুমান আন্দোলনৰ বিৱৰণ তলত দাঙি ধৰা হ'ল—

**বিষ্ণৈ আন্দোলন ঃ-** ১৭শ শতিকাত অমৃতাদেৱীৰ নেতৃত্বত এই আন্দোলন ৰাজস্থানৰ মাৰৱাৰ অঞ্চলত আৰম্ভ হৈছিল। এই আন্দোলনৰ মূল উদ্দেশ্য আছিল পৱিত্ৰ গছসমূহ ৰক্ষা কৰা। বিষ্ণৈ সম্প্ৰদায়ৰ লোকসকল মহাৰাজা জাম্বাজীৰ দীক্ষাত দীক্ষিত আছিল। গতিকে তেওঁলোকৰ মাজত গছ কটা আৰু জীৱ-জন্তু হত্যা কৰা নিষিদ্ধ আছিল। সেইসময়ৰ যোধপুৰৰ ৰজা অভয়সিঙে এটা নতুন ৰাজ প্ৰাসাদ নিৰ্মাণৰ বাবে খেজাৰলি গাঁৱত গছ কাটিবলৈ নিৰ্দেশ দিছিল। অমৃতাদেৱী আৰু তেওঁৰ তিনি জীয়ৰী অচু, ৰত্নী আৰু ভগোৰ নেতৃত্বত সেই অঞ্চলৰ লোকসকলে ৰজাৰ সৈনিক সকলক গছ কটাত বাধা আৰোপ কৰে। এই হতাহতিত প্ৰায় ৩৬৩ জন লোকৰ মৃত্যু ঘটে। ৰজাই শেষত তেওঁৰ নিৰ্দেশ উঠাই ল'বলৈ বাধ্য হয়। পাৰিৱেশিক আন্দোলনৰ বাটকটীয়া হিচাপে অমৃতাদেৱী আৰু বিষ্ণৈ আন্দোলনৰ আন্দোলনকাৰী সকলক আজিও সকলোৱে শ্ৰদ্ধাৰে সোঁৱৰে। প্ৰতিবছৰে ভাৰত চৰকাৰে তেওঁৰ নামত (অমৃতাদেৱী বিষ্ণৈ বন্যপ্ৰাণী সংৰক্ষণ বঁটা) আৰু ৰাজস্থান চৰকাৰে "অমৃতাদেৱী বিষ্ণৈ স্মৃতি পৰিৱেশ বঁটা" দি পৰিৱেশ কৰ্মীসকলক উৎসাহ যোগাই আহিছে।

**চিপকো আন্দোলন ঃ** ১৯৭৩ চনত সুন্দৰলাল বহুগুণাৰ নেতৃত্বত উত্তৰাখণ্ডৰ প্ৰথমে চামলি জিলাত আৰু পিছলৈ টেহৰি গাৰোৱাল জিলাত চিপকো আন্দোলন আৰম্ভ হৈছিল। এই অহিংস আন্দোলনৰ মূল আধাৰ আছিল সেই অঞ্চলৰ মহিলাসকল। এই আন্দোলনৰ মুখ্য লক্ষ্য আছিল হিমালয়ৰ পৰিস্থিতি তন্ত্ৰ ৰক্ষা কৰা আৰু নিৰ্বনীকৰণ ৰোধ কৰা। মহিলাসকলে গছকটাৰ বিৰোধিতা স্বৰূপে একোজোপা গছত সাৰটি প্ৰতিবাদ সাব্যস্ত কৰিছিল।

**নীৰৱ উপত্যকাৰ আন্দোলন ঃ** নীৰৱ বা শান্ত উপত্যকা হৈছে কেৰেলাৰ পাল্লাকাৰ জিলাত অৱস্থিত চিৰসেউজ ক্ৰান্তীয় উদ্ভিদৰ পৰিস্থিতিতন্ত্ৰ। এই অঞ্চলত কুন্থীপূজা নৈৰ ওপৰত নিৰ্মাণ কৰা এটা জলবিদ্যুৎ প্ৰকল্পৰ ফলত এই বনাঞ্চল ধ্বংস হোৱাৰ সম্ভাৱনীয়তা প্ৰকট হৈছিল। কেৰেলা শাস্ত্ৰ পৰিষদ আৰু কবি তথা পৰিৱেশকৰ্মী সুগাথাকুমাৰীৰ নেতৃত্বত এই আন্দোলন আৰম্ভ হৈছিল। আন্দোলনৰ ফলশ্ৰুতিত প্ৰকল্পটো বন্ধ হৈছিল আৰু ১৯৮৩ চনত ভাৰত চৰকাৰে এই অঞ্চলটোক ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা কৰে।

**এপ্পিকো আন্দোলন ঃ** চিপকো আন্দোলনৰ দক্ষিণ ভাৰতীয় ৰূপটোৱেই হৈছে এপ্পিকো আন্দোলন। ১৯৮৩ চনত পাণ্ডুৰংগ হেগড়েৰ নেতৃত্বত কৰ্ণাটকৰ উত্তৰ কানাড়া আৰু চিমোগা জিলাত নিৰ্বনীকৰণৰ বিৰুদ্ধে এই আন্দোলন আৰম্ভ হৈছিল। স্থানীয় মহিলাসকলে এই আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰিছিল আৰু একেৰাহে ৩৮ দিন এই আন্দোলন চলিছিল।

**জংগল বাচাও আন্দোলন ঃ** ৮০ দশকত পূৰ্বৰ বিহাৰ আৰু বৰ্তমানৰ ঝাৰখাণ্ডৰ সিংভূম জিলাত শালগছৰ অৰণ্য সমূহক ৰক্ষা কৰিবৰ বাবে এই আন্দোলন আৰম্ভ হৈছিল। মুণ্ডা হ' আৰু অন্যান্য আদিবাসী মহিলাসকলৰ নেতৃত্বত এই আন্দোলন আৰম্ভ হৈছিল।

**নৰ্মদা বছাও আন্দোলন ঃ** নৰ্মদা নৈৰ ওপৰত নিৰ্মাণ কৰা বৃহৎ নদীবান্ধৰ বিৰুদ্ধে ১৯৮৫ চনত মেধা পাটেকাৰ, বাবা আমটে আৰু বিভিন্ন দল সংগঠনৰ নেতৃত্বত নৰ্মদা বচাও আন্দোলনৰ আৰম্ভ হৈছিল। এই আন্দোলনৰ মুখ্য উদ্দেশ্য আছিল চৰ্দাৰ সৰোবৰ বান্ধৰ পৰা হ'ব পৰা

পৰিস্থিতিতন্ত্ৰৰ ধ্বংসক বাধা দিয়া। যদিও এই আন্দোলন সম্পূৰ্ণৰূপে সফল হোৱা নাছিল তথাপিও জনমানসত পৰিৱেশ সম্পৰ্কীয় সজাগতা সৃষ্টিত ই আলোড়নৰ সৃষ্টি কৰিছিল।

**তেহৰি বান্ধ সংঘাত ঃ** ৯০ ৰ দশকত উত্তৰাখণ্ডৰ ভাগীৰথী নৈৰ ওপৰত নিৰ্মাণ কৰা নদীবান্ধৰ বিৰুদ্ধে পৰিৱেশ সুৰক্ষাৰ হেতুকে সেই অঞ্চলৰ স্থানীয় মহিলাসকলে আন্দোলন চলাইছিল।

**নৱদান্য আন্দোলন ঃ** ই ভাৰতবৰ্ষৰ সৰ্ববৃহৎ জৈৱিক আন্দোলন। ১৯৮২ চনত বন্দনা শিৱায়ে এই আন্দোলনৰ আৰম্ভ কৰিছিল। এই আন্দোলনৰ মূল উদ্দেশ্য আছিল জৈৱবৈচিত্ৰ্য ৰক্ষা আৰু জৈৱিক কৃষিৰ প্ৰচলন বৃদ্ধি কৰা।

বৰ্তমান সময়ৰ ভাৰতবৰ্ষৰ কেইগৰাকীমান উল্লেখযোগ্য মহিলা পৰিৱেশকৰ্মীৰ নাম এইছেগতে উল্লেখ কৰিলোঁ—

**তুলসী গৌড়া ঃ** তেওঁ কৰ্ণাটকৰ বিশিষ্ট পৰিৱেশকৰ্মী। বৰ্তমানলৈকে তেওঁ ৩০ হাজাৰৰো ওপৰ গছ ৰোপণ কৰিছে। অৰণ্য আৰু গছৰ ওপৰত তেওঁৰ ইমানেই জ্ঞান আছে যে তেওঁক "Encyclopedia of Forest" বুলি জনা যায়। ২০২০ চনত তেওঁৰ এই জীৱনজোৰা অৱদানৰ বাবে "পদ্মশ্ৰী" সন্মানেৰে সন্মানিত কৰা হয়।

**আলমিত্ৰা পেটেল ঃ** পৰিৱেশ প্ৰদূষণৰ বিৰুদ্ধে সজাগতা সৃষ্টি আৰু পৰিৱেশ ৰক্ষাৰ বাবে কামকৰা তেওঁ একৰাকী বিশিষ্ট পৰিৱেশকৰ্মী। গিৰ অভয়াৰণ্য, ওলচুৰ হ্ৰদ সংৰক্ষণ, গোটা আৱৰ্জনাৰ ব্যৱস্থাপনাৰ ক্ষেত্ৰত তেখেতৰ উল্লেখযোগ্য বৰঙণি আছে।

**ৰাহিবাঈ পোপেৰে ঃ** মহাৰাষ্ট্ৰৰ ৰাহিবাঈ পোপেৰেক "বীজ মাতৃ" (Seed mother) বুলি জনা যায়। স্থানীয় বীজবিলাকৰ সংৰক্ষণৰ ক্ষেত্ৰত তেখেতৰ উল্লেখযোগ্য বৰঙণি আছে। ২০১৮ চনৰ BBC ৰ এশগৰাকী প্ৰভাৱশালী মহিলাৰ তালিকাত তেওঁৰ নামো আছিল। ২০১৮ চনত তেওঁক নাৰী শক্তিৰ পুৰস্কাৰ আৰু ২০২০ চনত "পদ্মশ্ৰী" উপাধিৰে সন্মানিত কৰা হয়।

**চালু মাৰাডা থিম্মাক্কা ঃ** কৰ্ণাটকৰ এই মহিলা পৰিৱেশ কৰ্মী গৰাকী BBC ৰ দ্বাৰা প্ৰস্তুত কৰা সূচীৰ বিশ্বৰ উল্লেখযোগ্য প্ৰভাৱশালী মহিলাৰ এগৰাকী আছিল। ২০১৯ চনত তেওঁ কৰ্ণাটকৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে ৩৮৫ জোপা বটগছ ৰোপণ কৰে। ২০১৯ চনত ভাৰত চৰকাৰে তেওঁক পদ্মশ্ৰী উপাধিৰে সন্মানিত কৰে।

**লিচেপ্ৰিয়া কাংগোজাম ঃ** মনিপুৰৰ যুৱ পৰিৱেশকৰ্মী লিচেপ্ৰিয়াৰ সাত বছৰ বয়সৰ পৰাই জলবায়ু পৰিৱৰ্তন পৰিৱেশ প্ৰদূষণ আদিৰ ওপৰত মাত মাতি আহিছে।

**সুনিতা নাৰায়ণ ঃ** ৮০ দশকৰ পৰাই তেওঁ পৰিৱেশ আৰু জৈৱবৈচিত্ৰ্যৰ সুৰক্ষাৰ বাবে মাত মাতি আহিছে। ২০০৫ চনত তেওঁ পদ্মশ্ৰী সন্মান লাভ কৰে। ইয়াৰ ওপৰিও বৰষুণৰ পানীৰ সংৰক্ষণ আৰু জল ব্যৱস্থাপনাৰ বাবে "বিশ্ব জলবঁটা" লাভ কৰে।

**বন্দনা শিৱা ঃ** ভাৰতবৰ্ষৰ জৈৱিক কৃষিৰ প্ৰচলন আৰু স্থানীয় বীজৰ সংৰক্ষণৰ ক্ষেত্ৰত মহিলা পৰিৱেশকৰ্মী বন্দনা শিৱাৰ নাম সদায় আগত থাকিব। তেওঁৰ নৱদান্য আন্দোলনৰ (ভাৰতবৰ্ষৰ একমাত্ৰ জৈৱিক আন্দোলন) প্ৰতিষ্ঠাপক আছিল।

**মেধা পাটেকাৰ ঃ** পৰিস্থিতিতন্ত্ৰৰ ৰক্ষা আৰু পৰিৱেশ উন্নতিকৰণৰ ক্ষেত্ৰত মেধা পাটেকাৰৰ বৰঙণি উল্লেখযোগ্য। নৰ্মদা বচাও আন্দোলনৰ তেওঁ মুখ্য নেত্ৰী আছিল।

**ৰাধা ভাট ঃ** উত্তৰাখণ্ড আৰু হিমালয়ৰ অৰণ্য পৰিস্থিতি তন্ত্ৰ ৰক্ষা আৰু অবৈধ খননৰ বিৰুদ্ধে তেওঁ সৰল প্ৰতিবাদ সাব্যস্ত কৰিছিল।

এইদৰে বিভিন্ন অঞ্চলত ভাৰতবৰ্ষৰ নাৰীয়ে সক্ৰিয় ভূমিকা গ্ৰহণ কৰি পৰিৱেশ সুৰক্ষাৰ বাবে মাত মাতিছিল আৰু সমাজত বিপ্লৱৰ জোৱাৰ আনিছিল। ওপৰত উল্লেখ কৰা আন্দোলন আৰু নেত্ৰীসকলৰ বাহিৰেও ভাৰতবৰ্ষৰ চুকে কোণে এনেধৰণৰ বহুতো জন আলোড়নৰ উদাহৰণ পোৱা যায় য'ত বিভিন্ন মহিলাকৰ্মীসকলে পৰিৱেশ সুৰক্ষা আৰু সজাগতা সৃষ্টিৰ বাবে অহৰহ চেষ্টা কৰি আহিছে। ভাৰতীয় পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত পৰম্পৰাগতভাৱে নাৰী প্ৰধানকৈ গাৰ্হস্থ্য জীৱনৰ লগত জড়িত। ইয়ে নাৰীক অতি সহজে প্ৰকৃতিৰ ওচৰলৈ লৈ গৈছে। ৰাতিপুৱাৰ পৰা ৰাতিলৈকে প্ৰকৃতিৰ লগত নাৰীৰ এক সুন্দৰ সহাৱস্থান দেখিবলৈ পোৱা যায়। ভাৰতীয় সমাজ আৰু ধৰ্মীয় বিশ্বাসতো বিভিন্ন প্ৰজাতিৰ উদ্ভিদ আৰু প্ৰাণীৰ যথেষ্ট গুৰুত্ব আছে। ইয়ে নাৰীক প্ৰকৃতিক বুজিবলৈ আৰু অলপ সুযোগ দিছে। গতিকে মানুহৰ দ্বাৰা প্ৰকৃতিক কৰা অত্যাচাৰে

স্বাভাৱিকতে নাৰীৰ স্বাভিমানত আঘাত হানে। ইয়াৰ ফলতেই ভাৰতীয় ইতিহাসত সৃষ্টি হৈছিল নাৰীবাদী প্ৰকৃতিকেন্দ্ৰিক জন আন্দোলনৰ। এই আন্দোলনবোৰে সমাজত বৈপ্লৱিক জোৱাৰ আনিছিল, আৰু পৰিৱেশ সুৰক্ষা সম্পৰ্কত জনসজাগতাৰ সৃষ্টি কৰিছিল। কিন্তু পৰিৱেশ সুৰক্ষাৰ দায়িত্ব অকল নাৰীৰ কান্ধত দিলেই নহ'ব। যিদৰে অনাদি কালৰে পৰা পুৰুষ আৰু প্ৰকৃতিৰ মিলনৰ ফলতহে সভ্যতা গতিশীল হৈ আছে, ঠিক সেইদৰে সমাজত নাৰী আৰু পুৰুষৰ উভয়ৰ প্ৰচেষ্টাৰ ফলতহে পৰিৱেশ ৰক্ষা কৰাটো সম্ভৱ। গতিকে আহক আমি সকলোৱে মিলিজুলি আমাৰ এই সেউজী ধৰণীক ৰক্ষা কৰিবৰ বাবে সংকল্পবদ্ধ হওঁ। এইখিনিতেই সৰুতে প্ৰাথমিক বিদ্যালয়ত পঢ়া দিনৰ পাঠ্যপুথিৰ বেটুপাতৰ পিছফালে থকা দুটা শাৰীৰ উদ্ধৃতিৰে এই লেখাটোৰ সামৰণি মাৰিছোঁ।

"টকলা পাহাৰৰ বকৰা মাটিয়ে শিশুৰ মন কঠুৱা কৰে। গছ-গছনিৰ সেউজী শোভাই শিশুৰ মনলৈ উলাহ আনে।" ■

**References :**


1. Agarwal Bina, "Environmental Action, Gender Equity and women's participation," Development and change (val. 28) (1997)
2. Jain, S. 1984. "Women and People's Ecological Movement : A case study of women's Role in chipko Movement in Uttar Pradesh" Economic and political weekly.
3. Mahour Kanhiya, "Role of women in Environment conservation" Journal of Advanced Laboratory Research in Biology, Vol-7, 2016.


## ভাৰতৰ মুখ্য নৃত্যসমূহ—

| **নৃত্য** | | **ৰাজ্য** |
|---|---|---|
| ভাংৰা | ঃ | পাঞ্জাৱ |
| ভাৰত নাট্যম | ঃ | তামিলনাডু |
| সত্ৰীয়া নৃত্য | ঃ | অসম |
| গৰবা | ঃ | গুজৰাট |
| কথক | ঃ | উত্তৰ ভাৰত |
| লাহো | ঃ | মেঘালয় |
| মন্তো | ঃ | গোৱা |
| নাটি | ঃ | হিমাচল প্ৰদেশ |
| ৰুফ | ঃ | জন্মু আৰু কাশ্মীৰ |
| কথাকলি | ঃ | কেৰেলা |
| য়াকচাগান | ঃ | কৰ্ণাটক |
| মানটুস্ম | ঃ | মিজোৰাম |




# অসমত কৃষক বিদ্ৰোহৰ বাটকটীয়া ‘ফুলগুৰি ধেৱা’ঃ এক ঐতিহাসিক বিশ্লেষণ

☛ **ড° মণ্টু চেতিয়া**
সহকাৰী অধ্যাপক, বুৰঞ্জী বিভাগ

**১**৮৫৭ চনৰ মহাবিদ্ৰোহৰ পাছত ভাৰতৰ শাসনভাৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰ পৰা ইংলেণ্ডৰ সংসদৰ অধীনলৈ যায়। কিন্তু শাসনৰ এনে পৰিৱৰ্তনে ভাৰতীয় সমাজলৈ আশাব্যঞ্জক ফলাফল কঢ়িয়াই আনিব নোৱাৰিলে। বৃটিছ চৰকাৰে প্ৰজাৰ ওপৰত চলোৱা শোষণ প্ৰক্ৰিয়া পূৰ্বতকৈ কোনো প্ৰকাৰে হ্ৰাস পোৱাতো পৰিলক্ষিত নহ'ল। বৰঞ্চ বিদ্ৰোহৰ সময়ছোৱাত হোৱা মাত্ৰাধিক খৰচৰ পূৰণাৰ্থে বৃটিছ চৰকাৰে নতুন নতুন কৰৰ বোজা প্ৰজাৰ ওপৰত আৰোপ কৰিবলৈ আৰম্ভ কৰিছিল। ১৮৫৮ চনত চৰকাৰে ষ্টাম্প কৰ, ১৮৬০ চনত আয়কৰ আৰু আমদানি কৰ আদি নতুনকৈ প্ৰৱৰ্তন কৰিছিল। অসমতো কামৰূপ, দৰং, নগাঁও আদি ঠাইৰ সদৰ সমূহত আবকাৰী শুল্কৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। সোণ কমোৱা, বিলত মাছ ধৰি ব্যৱসায় কৰা আদি কামবোৰ সৰ্বোচ্চ দাম দিব পৰা ব্যক্তি বা বিষয়াক এটা নিৰ্দিষ্ট সময়ৰ বাবে ঠিকাত দিয়াৰ ব্যৱস্থা কৰিছিল। তদুপৰি কাঠ, বাঁহ, খেৰ আদি কটা বা যিকোনো প্ৰকাৰে সেইবোৰৰ ব্যৱহাৰৰ বাবে ‘অনুজ্ঞা কৰ’ আৰু চাপৰি বা চৰণীয়া পথাৰত গৰু, ম'হ চৰোৱাৰ বাবে গ্ৰেজিং বা চৰণীয়া পথাৰ কৰ আদায় দিয়াৰ ব্যৱস্থা কৰিছিল। চৰকাৰৰ এই অৰ্থনৈতিক নীতিয়ে সাধাৰণ প্ৰজা আৰু কৃষক ৰাইজৰ

মাজত এক গভীৰ অসন্তুষ্টিৰ সৃষ্টি কৰিছিল। বৃটিছ বিৰোধী মনোভাৱ এনেদৰে জাগৰিত হোৱাত ইয়াৰ পৰৱৰ্তী সময়ছোৱাত অসমৰ ভালেমান কৃষক বিদ্ৰোহ গঢ় লৈ উঠিছিল। তেওঁলোকে স্থানীয় মুখিয়াল লোক বা গাঁওবুঢ়াসকলৰ তত্বাৱধানত 'ৰাইজ মেল' পাতি সমস্যাসমূহৰ বিষয়ে আলোচনা কৰিছিল আৰু উমৈহতীয়া প্ৰচেষ্টাৰে চৰকাৰৰ পৰা ইয়াৰ সদুত্তৰ বিচাৰিছিল।

১৮৬১ চনত নগাঁৱৰ ফুলগুৰিত হোৱা কৃষক বিদ্ৰোহক এই ক্ষেত্ৰত বাটকটীয়া বুলিব পাৰি। এই বিদ্ৰোহ 'ফুলগুৰি কৃষক বিদ্ৰোহ' বা 'ফুলগুৰি ধেৱা' নামেৰে অসম বুৰঞ্জীত জনাজাত। এই আন্দোলনৰ বা বিদ্ৰোহৰ সৰহসংখ্যক ৰাইজ আছিল জনজাতীয়। তেওঁলোকে আফুখেতি বন্ধ কৰিবৰ বাবে দিয়া বৃটিছ চৰকাৰৰ আদেশক বিৰোধিতা কৰিছিল। কিয়নো সেই সময়ত নগাঁও জিলাত কলং নদীৰ পৰা ব্ৰহ্মপুত্ৰলৈকে এই বিৰাট অঞ্চলটোত অতি কম পৰিশ্ৰমতে প্ৰচুৰ পৰিমাণে আফু খেতি কৰা হৈছিল। ব্ৰহ্মপুত্ৰ আৰু কলঙৰ বানপানীয়ে পলস পেলাই থৈ যোৱা মাটিত অতি কম পৰিশ্ৰমতে সেই খেতি লহপহকৈ বাঢ়ি আহি প্ৰচুৰ পৰিমাণে ফচল যোগাইছিল। ৰাইজে নিজে আফুখেতি কৰি কানি খোৱাৰ উপৰিও ৰাজ্যৰ অন্যান্য ঠাইলৈকে কানি ৰপ্তানি কৰি আৰ্থিকভাৱে লাভৱান হ'ব পাৰিছিল। তদুপৰি চৰকাৰে তামোল পাণৰ ওপৰতো কৰ লগাব বুলি এটা জনৰৱ ওলোৱাত এইচাম কৃষকৰ অসন্তুষ্টি আৰু বৃদ্ধি পাইছিল। ফলস্বৰূপে ১৮৬১ চনৰ অক্টোবৰ মাহত প্ৰতিবাদ কৰি প্ৰায় ১৫০০ কৃষকে তেতিয়াৰ নগাঁৱৰ ডেপুটি কমিচনাৰ লেফটেনেণ্ট হাৰবাৰ্ট স্কন্সৰ ওচৰত আবেদন কৰিছিল। কিন্তু সময়ত তাৰ কোনো সদুত্তৰ নাপাই চহৰৰ পৰা প্ৰায় ১২ কি.মি. নিলগৰ ফুলগুৰি নামৰ ঠাইত তেওঁলোকে ৰাইজ মেল পাতি অক্টোবৰৰ ১৪ তাৰিখৰ পৰা একেৰাহে পাঁচদিন ধৰি চৰকাৰী নীতিৰ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল। লেফ্‌টেনেণ্ট ছিঙ্গাৰ নামৰ এজন নিম্নবৰ্গৰ সহকাৰী আয়ুক্তই দলবল সহ এই ৰাইজৰ মেলক প্ৰত্যাহ্বান জনাবলৈ গৈ মৃত্যুমুখত পৰিছিল। ৰাইজৰ কথা নুশুনি বল প্ৰয়োগেৰে তেওঁলোকক দমন কৰিবলৈ অহা বুলি জানি ৰাইজৰ এজনে তেওঁক লাঠিৰে মৰিয়াই, কোবাই জ্ঞানহীন কৰিছিল। পিছত তেওঁৰ দেহটো ওচৰৰ কলং নৈত পেলাই দিছিলগৈ। ইয়াৰ চাৰিদিন মানৰ পিছত নগাঁও জিলা প্ৰশাসনে গুৱাহাটী, তেজপুৰ আৰু যোৰহাটৰ পৰা সৈন্য সাহায্য গ্ৰহণ কৰি সেনাপতিসহ বিদ্ৰোহীবোৰক ভালকৈ এশিকনি দিয়াৰ মানসেৰে ফুলগুৰিত উপস্থিত হয়গৈ। সেইদিনাও (২৩ অক্টোবৰ) ফুলগুৰিত বিদ্ৰোহীসকলে এখন গুৰুত্বপূৰ্ণ ডাঙৰ সভাত বহিছিল। কেপ্তেইন কেম্পৱেল চাহাবৰ নিৰ্দেশত প্ৰথমতে বিদ্ৰোহীসকলক সৈন্যবাহিনীয়ে চাৰিওফালৰ পৰা ঘেৰি ধৰে আৰু তাৰ পাছত নিৰস্ত্ৰ ৰাইজৰ ওপৰত অবিৰামভাৱে গুলী চলাবলৈ নিৰ্দেশ দিছিল। ইয়াৰ ফলত ঘটনাস্থলীতে ৩৯ জন মানুহৰ মৃত্যু হয়। চৰকাৰী হিচাপমতে এই হত্যাকাণ্ডৰ ফলত মাত্ৰ ১৯ জন লোকৰহে মৃত্যু হয় বুলি ঘোষণা কৰা হয়। সেই তথ্য কিন্তু একেবাৰেই সত্য নাছিল। ভালেসংখ্যক মানুহ এই ঘটনাৰ ফলত আঘাতপ্ৰাপ্তও হৈছিল। আহতসকলৰ ভিতৰতো ১৫ জন মানুহ ঘটনাৰ দুদিনৰ ভিতৰতে উপযুক্ত চিকিৎসাৰ অভাৱত মৃত্যুমুখত পৰে। ইয়াৰ পৰৱৰ্তী সময়ত স্কন্সে সসৈন্যে ফুলগুৰি, নেলী, ৰহা, কচুহাট আদি অঞ্চললৈ গৈ বিদ্ৰোহৰ লগত জড়িত থকাৰ অভিযোগত বৃদ্ধ লালুং ৰজাৰ পুত্ৰসহ প্ৰায় ৪০ জন লোকক গ্ৰেপ্তাৰ কৰে। ইয়াৰে বিদ্ৰোহত অগ্ৰণী ভূমিকা লোৱা লক্ষণ সিং ডেকা, ছংবৰ লালুং আৰু ৰংবৰ ডেকাক লেফ্‌টেনেণ্ট চিঙ্গাৰৰ হত্যাৰ অপৰাধত বিচাৰত ফাঁচীৰ হুকুম দিয়া হয়। বাকী গ্ৰেপ্তাৰ কৰা লোকসকলক বিভিন্ন ম্যাদৰ কাৰাদণ্ড, দ্বীপান্তৰ আদি দণ্ডৰে দণ্ডিত কৰা হৈছিল। তদুপৰি ৰহীয়াল বৰুৱা, জাগীয়াল গোহাঁই আদি সম্ভ্ৰান্ত লোকসকলকো কাছাৰীলৈ নি লটি ঘটি কৰা হৈছিল। সেই অঞ্চলৰ বহুতো মৌজাদাৰ আৰু চাকৰিয়ালকো চাকৰিৰ পৰা বৰ্খাস্ত কৰি তাৰ ঠাইত নতুন মানুহ নিয়োগ কৰা হৈছিল। এতিয়া প্ৰশ্ন হয় যে বৃটিছ কৰ্তৃপক্ষই আফুখেতিৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰাৰ লগে লগে ফুলগুৰিৰ সাধাৰণ জনজাতীয় খেতিয়কসকল ইমান বেছি ব্যাপক ৰূপত প্ৰতিবাদী হৈ পৰিছিল কিয়? কোৱা বাহুল্য যে বৃটিছ চৰকাৰে আফুখেতিৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰি ইয়াৰ জৰিয়তে কানি বৰবিহৰ পৰা অসমীয়া প্ৰজা সাধাৰণক ৰক্ষা কৰিব বিচাৰিছিল বুলি প্ৰচাৰ চলালেও ইয়াৰ প্ৰকৃত ৰহস্য বেলেগ আছিল। এনে সদইচ্ছা ঔপনিবেশিক শক্তি বৃটিছৰ পৰা কেতিয়াও আশা কৰাটো সমীচিন নহয়। বাস্তৱিকতে চৰকাৰে অসমীয়া মানুহৰ হাতৰ পৰা কানিখেতি নি চৰকাৰীভাৱে কৰি বেছি দামত কানি

বিক্ৰী কৰি চৰকাৰৰ মুনাফাৰ পৰিমাণ বৃদ্ধি কৰিব বিচাৰিছিল। এই কথা বুজি পোৱাৰ লগে লগেই জনজাতীয় কৃষকসকল জাঙুৰ খাই উঠিছিল। অৱশ্যে এটা কথা ঠিক যে নগাঁৱৰ উপৰিও শিৱসাগৰ লক্ষীমপুৰ, দৰং, কামৰূপ আৰু গোৱালপাৰা জিলাতো আফুখেতি কৰা হৈছিল। বহুতেই ভাবিছিল যে আফুখেতি অপৰিকল্পিতভাৱে তুলি দিয়াৰ কাৰণে শিৱসাগৰ আৰু লক্ষীমপুৰ জিলাতো হয়তো বিদ্ৰোহ দেখা দিব। কিন্তু সেই দুখন জিলাৰ ৰাইজে চৰকাৰৰ আদেশ নীৰৱে মানি লৈছিল। উল্লেখযোগ্য যে ফুলগুৰি ধেৱা সংঘটিত হোৱাৰ বাবে অকল বৃটিছ ৰাজহ নীতিকেই দোষাৰোপ কৰিব পৰা নাযায়। ইউৰোপীয় কৰ্মচাৰীসকলৰ মইমতালি বিশেষকৈ লেফটেনেণ্ট স্কন্সক ইয়াৰ বাবে জগৰীয়া কৰিব পাৰি। স্কন্স এজন বৰ অহংকাৰী মইমতীয়া আৰু অনুপযুক্ত প্ৰশাসক আছিল। তেওঁৰ ওচৰত কোনোৱে কিবা আৰ্জি দিলেও তেওঁৰ খং উঠিছিল আৰু ইয়াক তেওঁ ধৃষ্টতা বুলি ধৰি লৈ আৰ্জি দিয়াজনক ফাটেকত দিয়া দৃষ্টান্তও আছিল। ফুলগুৰি বিদ্ৰোহৰ সম্পৰ্কত পিছলৈ হোৱা এক ন্যায়িক তদন্তত উপাযুক্ত স্কন্সৰ বিচক্ষণতাৰ অভাৱ তথা অহমিকা আৰু স্বেচ্ছাচাৰিতাক বিদ্ৰোহৰ মূল কাৰক বুলি গণ্য কৰা হৈছিল। সেয়েহে ন্যায়িক তদন্ত আয়োগৰ প্ৰতিবেদনৰ ভিত্তিত লেফটেনেণ্ট হাৰবাৰ্ট স্কন্সৰ পদমৰ্যাদা আৰু বেতন হ্ৰাস কৰি এচিছটেণ্ট কমিছনাৰ ৰূপে গুৱাহাটীলৈ বদলি কৰা হৈছিল।

১৮৬১ চনৰ ফুলগুৰি কৃষক বিদ্ৰোহৰ আন এটা উল্লেখযোগ্য দিশ আছিল বৃটিছ চৰকাৰৰ কঠোৰ দমননীতি। এই দুৰ্ঘটনাৰ পিছতো চিপাহীবোৰে বিনা দোষতে কোনো সোধ-পোচ নকৰাকৈ নিৰীহ প্ৰজাৰ ওপৰত মাৰকিল কৰিছিল। কুমাৰী আৰু অকুমাৰী নাৰীৰ ওপৰত পাশবিক অত্যাচাৰ কৰিছিল। মুঠতে মানৱ আৰু সেই সময়ৰ ইংৰাজৰ অত্যাচাৰ ফুলগুৰি আৰু ৰহা অঞ্চলৰ ৰাইজে একে পৰ্যায়তে ভোগ কৰিছিল বুলি ক'লেও অধিককৈ কোৱা নহ'ব।

শেষত এটা কথা স্বীকাৰ কৰিব লাগিব যে এই বিদ্ৰোহ বৃটিছ ঔপনিবেশিক শোষণৰ বিৰুদ্ধে সৰ্বপ্ৰথম অসমীয়া ৰাইজৰ থলুৱাভাৱে সংগঠিত এক গণ বিদ্ৰোহ। এই বিদ্ৰোহৰ গুৰুত্বপূৰ্ণ দিশটো হৈছে ইয়াৰ মাধ্যমেদি বৃটিছ চৰকাৰৰ সাম্ৰাজ্যবাদী স্বৰূপটো অসমৰ জনমানসত স্পষ্ট ৰূপত পৰিস্ফুট হৈছিল। তদুপৰি এই বিদ্ৰোহে অসমৰ কৃষক সকলৰ মাজত এক শক্তি সঞ্চাৰ কৰিছিল, যাৰ পৰিপ্ৰেক্ষিতত ইয়াৰ পৰৱৰ্তী সময়ত অসমত কেইবাটাও শক্তিশালী কৃষক বিদ্ৰোহ গঢ় লৈ উঠিছিল। বৰ্তমানেও বিভিন্ন সময়ত ফুলগুৰিৰ কৃষক বিদ্ৰোহে অসমবাসীক উদ্বুদ্ধ কৰি আহিছে আৰু ভৱিষ্যতেও কৰিব এই কথা নিশ্চিত। ■

**প্ৰসংগ পুথি ঃ**


১। হুচেইন, তচদ্দুক আমানুল, 'অসমৰ সংক্ষিপ্ত ইতিহাস' প্ৰথম সংস্কৰণ, ডিব্ৰুগড়, ২০১৬

২। শইকীয়া, ৰাজেন (সম্পাদিত), 'নগাঁৱৰ বুৰঞ্জী', প্ৰথম সংস্কৰণ, গুৱাহাটী, ২০১৭

৩। Baurahm S.L., 'The Comprehensive History of Assam' New Delhi, 2009

৪। Dutta, K.N., 'Landmarks of the Freedom Struggle in Assam. Guwahati, 1969




ধন হেৰালে একোৱেই নেহেৰায়, স্বাস্থ্য হেৰালে সম্পদ হেৰায়, কিন্তু চৰিত্ৰ হেৰালে সকলোখিনিয়ে হেৰায়।

— **চক্ৰেটিছ**



# প্ৰাচীন অসমৰ লোকধৰ্ম হিচাপে শাক্ত ধৰ্ম

☛ **জুৰি দেৱী**
সহকাৰী অধ্যাপিকা, লোক সংস্কৃতি বিভাগ

**অ**তীতৰ পৰা বৰ্তমানলৈকে কোনো অঞ্চলৰ স্থানীয় লোকৰ মাজত পৰম্পৰাগতভাৱে যি স্থানীয় দেৱ-দেৱীৰ উপাসনা চলি আহিছে তাকে লোকধৰ্ম বুলিব পাৰি। অৰ্থাৎ লোকধৰ্মবোৰ একো একোটা জাতি বা জনগোষ্ঠীৰ লোক বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। সৃষ্টিৰ অন্তৰালত যি এক মহাশক্তি সেই শক্তিক যি ধাৰাই মাতৃৰূপে কল্পনা কৰি সেই নাৰী শক্তি উপাসনা কৰে, সেই মতবাদেই হৈছে শক্তিবাদ। প্ৰাচীন কালৰে পৰা কামৰূপ শক্তি সাধনাৰ উপযুক্ত স্থান হিচাপে জনাজাত আছিল। পুৰাণ শাস্ত্ৰৰ পৰা জানিব পাৰি যে প্ৰাগ্জ্যোতিষপুৰৰ ৰজা নৰক শক্তিৰ প্ৰথম সেৱক আছিল। কালিকা পুৰাণৰ মতে বিষ্ণুৱে শিৱৰ অনুমতি লৈ কামৰূপৰ পৰা কিৰাতসকলক আঁতৰাই আনে আৰু কামাখ্যাৰ বাহিৰে অন্য দেৱতাক পূজা নকৰিবলৈ নিৰ্দেশ দিয়ে। বিষ্ণুৱে নৰকক সাৱধান বাণীও শুনায় যে যদি এই কথাৰ ব্যতিক্ৰম হয় তেন্তে নৰকৰ প্ৰাণ নাশ হ'ব। সেইবাবে নৰকাসুৰ শক্তিৰ একান্ত উপাসক হৈ পৰে আৰু তেতিয়াৰ পৰা অসমত শাক্ত ধৰ্ম প্ৰচলন হ'বলৈ ধৰে। আন এক পৌৰাণিক আখ্যান মতে সতীৰ মৃতদেহ মহাদেৱে কান্ধত লৈ ঘূৰি ফুৰোঁতে সতীৰ যোনীমণ্ডল কামৰূপত পৰে। সতীৰ যোনিমণ্ডল পৰাৰ পাছত সেই পাহাৰ শিলাখণ্ডত পৰিণত হয় আৰু ইয়াতে কামাখ্যা দেৱীয়ে অৱস্থান কৰে। এই কামাখ্যা পীঠতে বিষ্ণুৰ নিৰ্দেশ মৰ্মে নৰকাসুৰে কামাখ্যা দেৱীক পূজা-অৰ্চনা কৰে। নৰকৰ পুত্ৰ ভগদত্ত শিৱ ভক্ত আছিল যদিও হৰ-গৌৰীৰ সংবাদ মতে ভগদত্তৰ মন্ত্ৰীয়ে

ৰজাৰ আদেশ মৰ্মে এক হাজাৰ চণ্ডী পাঠ কৰাইছিল। ইয়ে প্ৰমাণ কৰে যে তেওঁ শিৱৰ লগতে শাক্ত ধৰ্মৰ প্ৰতিও আনুগত্য আছিল। আনহাতে অসমত বাস কৰা অনাৰ্য লোকসকলৰ মাজত যোনী পূজা উৰ্বৰতাৰ কামনাৰে প্ৰচলিত আছিল। ইয়াৰ প্ৰমাণস্বৰূপে জয়ন্তীয়াসকলৰ দ্বাৰা পূজিতা বুঢ়াগোঁসানী, খাচীসকলৰ দেৱী কামাখ্যা, বড়ো, ডিমাছাসকলৰ দেৱী হেৰেমতী, তিৱাসকলৰ দেৱী কালিণ্ডা আদিৰ নাম ল'ব পাৰি। মৃদু আৰু উগ্ৰ ৰূপৰ দেৱীসকলৰ উপাসনাই এই ৰাজ্যত প্ৰাক্ঐতিহাসিক কালৰে পৰা শক্তি পূজাৰ এক নিৰৱচ্ছিন্ন সোত প্ৰবাহিত কৰি আহিছে। মৃদুৰূপত তেওঁ কল্যাণময়ী মাতৃৰূপা আই আৰু উগ্ৰৰূপত পৰ্বত-পাহাৰত লুকাই থকা ভীষণ প্ৰকৃতিৰ ৰক্ত লোলুপা দেৱী।

কালিকাপুৰাণৰ বৰ্ণনা সূত্ৰ ধৰি ড° বাণীকান্ত কাকতিয়ে দেৱীৰ চাৰিটা ৰূপৰ কথা কৈছে— মাতৃ দেৱী কামাখ্যা, পত্নীৰূপী পাৰ্বতী, কুমাৰী ত্ৰিপুৰা সুন্দৰী আৰু সংহাৰৰূপিণী কেঁচাইখাতী তাম্ৰেশ্বৰী। তীক্ষ্ণৰূপা শক্তিৰ দেৱীৰূপে অসমৰ পূব প্ৰান্তত কেঁচাইখাতীৰ মহিমা আছিল প্ৰসিদ্ধ। চুতীয়া, দেউৰী আৰু কছাৰীসকলৰ প্ৰব্ৰজন আৰু বসবাসৰ দ্বাৰা এই উগ্ৰৰূপা দেৱীৰ আধিপত্য সেই অঞ্চলত সম্ভৱ হৈছিল। অসমৰ আদিবাসী অষ্ট্ৰিক আৰু মংগোলীয় সকলৰ বিশ্বাস আৰু ব্যৱহাৰত আৰ্য সংস্কৃতিৰ প্ৰলেপ দি শক্তিধৰ্মত এক সৰ্বভাৰতীয় ৰূপ প্ৰদান কৰিছিল পিছত অহা আৰ্যসকলে। অসমৰ লোকদেৱী আৰু পৰম্পৰাগত আচাৰৰ লগত অসমৰ বাহিৰৰ শাক্ত ধাৰাৰ কেতিয়া কোনে সমন্বয় ঘটাইছিল সঠিকভাৱে কোৱা টান যদিও নৰকাসুৰৰ দ্বাৰাই ভাৰতীয় শাক্তপন্থীসকলে সৰ্বভাৰতীয় শক্তি দেৱীৰ লগত অসমৰ লোকদেৱীক সমন্বয় কৰাৰ কৌশল আৰম্ভ কৰিছিল বুলি ক'ব পাৰি।

বুৰঞ্জীবিদ কনকলাল বৰুৱাৰ মতে অসমৰ প্ৰস্তৰ যুগৰ সংস্কৃতি অষ্ট এচিয়াটিক ভাষা-ভাষিসকলৰ অৱদান। তেওঁলোকৰ সমাজ ব্যৱস্থা আছিল মাতৃ প্ৰধান। আইমাতৃক উপাসনা, সৰ্প পূজা, উৰ্বৰতাৰ আকাংক্ষাৰে দিয়া নৰ বা পছু বলি আদি অতি বৈশিষ্ট্যপূৰ্ণ কথা। এইবিলাকেই প্ৰাচীন অসমৰ সংস্কৃতি তথা ধৰ্ম বিশ্বাসৰ ভেটি ৰচনা কৰিছিল বুলি ন দি ক'ব পাৰি। তাম্ৰশাসনৰ যুগত হিন্দু ৰজাসকলৰ তামৰ ফলিবোৰৰ পৰা সমসাময়িক সময়ৰ শাক্ত ধৰ্মৰ কোনো উল্লেখ পোৱা নাযায় যদিও কামৰূপৰ নৃপতিসকলৰ ভিতৰত বনমাল আৰু ইন্দ্ৰপালৰ কথা কামেশ্বৰ মহাগৌৰী মন্দিৰৰ ভূমিদান ফলিত উল্লেখ আছে। ইয়াৰ উপৰিও পাৰ্বতী, গংগা, গিৰিজা আদি দেৱীৰ উল্লেখ পোৱা গৈছে তেজপুৰ, ডুবি, সনামুখী আদি ভূমিদানৰ ফলিত। তিব্বতবৰ্মী, ডিমাছা, কছাৰীসকলেও যমুনা নদীক দেৱী হিচাপে ভক্তি কৰি নৰবলি আগবঢ়াইছিল। অসমৰ শক্তি উপাসনাৰ ধাৰা প্ৰবাহিত কৰাত চুতীয়াসকলৰো যথেষ্ট অৱদান আছে। চুতীয়াসকলে প্ৰধানকৈ কেঁচাইখাতী গোসাঁনীক উপাসনা কৰিছিল। এই দেৱীৰ আগত নৰ বলি দিয়াৰ লগতে জীৱ-জন্তু বলি দিয়াৰ প্ৰথাৰ প্ৰচলন আছিল। কেচাঁইখাতী গোসাঁনীৰ মন্দিৰটো নিৰ্মিত হৈছিল তামৰ ছালেৰে, সেয়ে দেৱীক তামেশ্বৰী আৰু মন্দিৰটোক তামেশ্বৰী মন্দিৰ নামেৰেও জনা যায়। আহোমসকলৰ বুৰঞ্জীৰ পৰা জানিব পাৰি যে আহোমসকলে ব্ৰহ্মপুত্ৰ উপত্যকাত ৰাজ্য স্থাপন কৰাৰ আগতে ইয়াত চুতীয়াসকলে বাস কৰিছিল। অসমৰ শক্তি উপাসনাৰ বিকাশত ভূঞাসকলৰো অৱদান কম নহয়। শক্তি ধৰ্মৰ অনুগামী ভূঞাসকল আছিল অসমৰ বাহিৰৰ পৰা অহা লোক। ৰায়বাহাদুৰ কনকলাল বৰুৱাৰ বুৰঞ্জী মতে ১৩১৪ শতিকাৰ সময়খিনিয়ে ভূঞাসকল কামৰূপলৈ অহাৰ সময়। 'ভূঞা' শব্দটো "ভৌমকাৰ" শব্দৰপৰা অহা প্ৰচুৰ সম্ভাৱনা আছে। উৰিষ্যাৰ ভৌমকাৰসকলৰ সময় আছিল ৭৩৬-৯৪০ শতিকা পৰ্যন্ত। এই ভৌম যুগতে উৰিষ্যাৰ হীৰাপুৰত দেৱী যোগিনীৰ মন্দিৰ, বৰাহী, চমুৱা মন্দিৰৰ পয়োভৰ হৈছিল বুলি হিউৱেনচাঙৰ লেখাৰ পৰা জানিব পাৰি।

চুখামফা স্বৰ্গদেউ হোৱাৰ সময়ত তেওঁৰ কোচবিহাৰত থকা ভাতৃৰ মুখেৰে তাত আৰম্বড়পূৰ্ণ দুৰ্গোৎসৱ হোৱাৰ বাবে কোচবিহাৰলৈ পঠালে। তেতিয়াৰে পৰা দেৱীৰ মৃন্ময় মূৰ্তিৰ পূজা অসমত প্ৰচলন হ'ল। স্বৰ্গদেও প্ৰমত্ত সিংহ, ৰাজেশ্বৰ সিংহ, গদাধৰ সিংহ আদিয়েও দুৰ্গাপূজাৰ পৰম্পৰা অটুট ৰাখিছিল। ৰুদ্ৰ সিংহ শাক্ত ধৰ্মৰ প্ৰতি অনুৰাগী আছিল বাবেই তেওঁ বিখ্যাত শাক্ত গুৰু কৃষ্ণৰাম ভট্টাচাৰ্যৰ পৰা শৰণ লোৱাৰ মানসেৰে মাতি আনিছিল। ৰুদ্ৰ সিংহৰ পুত্ৰ শিৱ সিংহও শাক্ত ধৰ্মৰ অনুগামী আছিল। সেয়ে তেওঁ কৃষ্ণৰাম ভট্টাচাৰ্যৰ পৰা শৰণ লোৱাৰ লগতে তেওঁক ৰাজগুৰুৰ আসনত অধিষ্ঠিত কৰিছিল। ইয়াৰ লগতে তেওঁক কামাখ্যা

মন্দিৰৰ পৰিচালনাৰ দায়িত্বভাৰ দিয়াৰ লগতে বিভিন্ন স্থানত মাটিও দান কৰিছিল। শিৱ সিংহই শাক্ত ধৰ্ম প্ৰসাৰণৰ বাবে ব্ৰাহ্মণসকলক ভূমি দান, দেৱী মন্দিৰ নিৰ্মাণৰ বাবে ভূমি দান আৰু সেইবোৰৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰাৰ উপৰিও নিজে শাক্ত গীত-পদ কিছুমানো ৰচনা কৰিছিল। ইয়াৰ লগতে আন পণ্ডিতৰ হতুৱাই শাক্ত সাহিত্য প্ৰণয়নৰ ব্যৱস্থা কৰিছিল। পিছলৈ শিৱ সিংহৰ পত্নী ফুলেশ্বৰী কুঁৱৰীৰ পৃষ্ঠপোষকতাত শাক্ত ধৰ্ম ৰাজধৰ্ম হৈ পিছলৈ বৰ্তী থাকিল। আহোম স্বৰ্গদেও ৰাজেশ্বৰ সিংহ, লক্ষ্মী সিংহ আৰু গৌৰীনাথ সিংহও শাক্ত ধৰ্মৰ প্ৰতি একান্ত অনুৰক্ত আছিল। আহোমৰ শাসন কালত শাক্ত ধৰ্মই বিকাশ লাভ কৰিছিল যদিও শেষৰফালে বৈষ্ণৱ ধৰ্মই প্ৰসাৰতা লাভ কৰাত শাক্ত ধৰ্মৰ সুঁতি দুৰ্বল হৈ পৰিছিল। ৰুদ্ৰ সিংহৰ ৰাজত্ব কালত ৰুদ্ৰসাগৰ পাৰত দেৱীঘৰ, শ্ৰীসূৰ্য, বিষ্ণু আদি মন্দিৰ নিৰ্মিত হৈছিল। উজনিৰ হৰ-গৌৰী দেৱালয়, কামাখ্যাৰ নাট মন্দিৰ, দীৰ্ঘেশ্বৰী দেৱালয় আদি ৰাজেশ্বৰ সিংহৰ দিনত নিৰ্মিত হৈছিল। সেইদৰে স্বৰ্গদেউ লক্ষ্মী সিংহৰ ৰাজত্ব কালত হাজোৰ জয় দুৰ্গা মন্দিৰ, কমলেশ্বৰ সিংহৰ দিনত গুৱাহাটীৰ ছত্ৰাকাৰ দেৱালয়, শিলঘাটত কামাখ্যা দেৱালয় আদি স্থাপিত হৈছিল। আহোম স্বৰ্গদেউসকলৰ দিনৰ পৰাহে শক্তি পূজাই ৰজাঘৰীয়া মৰ্যাদা লাভ কৰে। আহোমসকলৰ দৰে কোচ সকলো শাক্ত ধৰ্মৰ অনুৰাগী আছিল। কোচ ৰজা বিশ্বসিংহ আছিল শিৱ আৰু দুৰ্গাৰ উপাসক। পৰৱৰ্তী সময়ত তেওঁৰ পুত্ৰ নৰনাৰায়ণো শাক্ত ধৰ্মৰ পৃষ্ঠপোষক আছিল। গৌড়ৰ নবাবে ধ্বংস কৰি থৈ যোৱা কামাখ্যা মন্দিৰ তেওঁ পুনৰ নিৰ্মাণ কৰিছিল আৰু প্ৰতিষ্ঠা উৎসৱত ভায়েক চিলাৰায়ৰ সৈতে নিজে উপস্থিত আছিল। তদুপৰি দৰং ৰাজবংশাৱলীত চিলাৰায়ৰ মুখেৰে কামাখ্যা দেৱীৰ মাহাত্ম্য প্ৰকাশ কৰোৱা হৈছিল বুলি পোৱা যায়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ মাজত প্ৰথম দিনাই শক্তিপূজা আৰু বলি-বিধানক লৈ যুক্তি-তৰ্ক হোৱাৰ কথা চৰিত পুথিত পোৱা যায়। প্ৰাক্ শংকৰী যুগৰ সাহিত্যৰ মাজতো বিভিন্ন দেৱীৰ নাম পোৱা যায়। মাধৱ কন্দলীৰ ৰচনাত "অষ্টমীৰ চাগ" এটি কৌতুকপূৰ্ণ উপমাৰূপে ব্যৱহৃত হৈছে। শংকৰদেৱৰ শিক্ষাগুৰু মহেন্দ্ৰ কন্দলীও শাক্ত ধৰ্মৰ উপাসক আছিল বুলি কথাগুৰু চৰিতত উল্লেখ আছে।

ৰাজগৃহত শাক্ত ধৰ্ম সোমোৱাৰ পাছত প্ৰজাসকলৰ মাজতো শাক্ত ধৰ্মৰ প্ৰবল সোঁত ববলৈ ধৰে। ড° সূৰ্য কুমাৰ ভূঞাৰ মতে অসমত শাক্ত ধৰ্ময়ে প্ৰাধান্য লাভ কৰাৰ কাৰণবোৰৰ ভিতৰত প্ৰধান কাৰণ হ'ল কিছুমান মানুহে শাক্ত ধৰ্মৰ অন্তৰ্নিহিত মাহাত্ম্য উপলব্ধি কৰিব পাৰিছিল। তদুপৰি ৰজা আৰু বিষয়াসকলৰ ধৰ্ম একে হ'লে সাংসাৰিক পতি-পত্তি লাভৰ সুবিধা হ'ব বুলি শাক্ত ধৰ্মৰ মন্ত্ৰবোৰ পাঠ কৰিছিল। অসমৰ দেৱালয়বোৰত শাক্ত ধৰ্মৰ মতেই পূজাৰ কাম সম্পাদিত হৈছিল। সেই দেৱালয়বোৰৰ পূজাৰী সকলেও ৰজাৰ দ্বাৰা নিযুক্ত শাক্ত ধৰ্মচাৰ্যসকলৰ পৰা মন্ত্ৰ শিকিবলৈ সুবিধা লাভ কৰিছিল। সময়ৰ অগ্ৰগতিৰ লগে লগে অসমৰ জাতি-জনজাতিৰ মাজত সাৰ্বজনীন উৎসৱৰূপে শক্তি পূজাৰ প্ৰচলন হ'ব ধৰিলে। শংকৰদেৱৰ নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱৰ ফলস্বৰূপে লাহে লাহে এই ধৰ্মৰ সুঁতি স্তিমিত হৈ আহিছিল যদিও বিভিন্ন স্থানত বিভিন্ন নামেৰে দেৱীৰ পূজা বৰ্তমানেও প্ৰচলিত হৈ আছে। এনেদৰেই দেৱীৰ উপাসনা ভৱিষ্যতলৈকো গভীৰ আৰু ব্যাপকৰূপত ধাৰাবাহিকভাৱে চলি থাকিব বুলি আশা কৰিব পাৰি। ■



জন্মৰ দ্বাৰা নহয়, কৰ্মৰ দ্বাৰাহে মানুহ মহান হয়।

**— মহাবীৰ**



# কামপুৰৰ বানপানী
# — এক সংক্ষিপ্ত ভৌগোলিক বিশ্লেষণ

☛ **ৰিজু লস্কৰ**
সহকাৰী অধ্যাপিকা, ভূগোল বিজ্ঞান বিভাগ

**অ**সমৰ প্ৰাচীন সভ্যতা-সংস্কৃতিৰ পৰিচয় বহন কৰা ঐতিহ্যপূৰ্ণ ঠাইসমূহৰ ভিতৰত নগাঁও জিলাৰ কামপুৰ অন্যতম। কামপুৰৰ এই ঐতিহ্যৰ মূলতেই হ'ল কামপুৰৰ ভৌগোলিক অৱস্থান। বিশেষকৈ প্ৰাচীন কালৰ এই ঐতিহ্যক সমৃদ্ধ কৰি তুলিছিল চিৰপ্ৰবহমান কপিলী, বৰপানী, হাৰিয়া, নিশাৰী আদি নৈ-উপনৈ আৰু কৃষি উপযোগী উৰ্বৰ ভূমিখণ্ডই। অতীতত কামপুৰৰ পৰা উজনি নামনিৰ সুচল যাতায়াতৰ একমাত্ৰ উপায় আছিল কপিলী নদীখন। বেহা-বেপাৰকে আদি কৰি জীৱিকা নিৰ্বাহৰো অন্যতম উৎস আছিল কপিলী নৈখন। ইয়াৰ পাৰতে গঢ় লৈ উঠিছিল নদীকেন্দ্ৰিক সমাজ আৰু সংস্কৃতি।

সাগৰ পৃষ্ঠৰ পৰা ৫০-৬০ মিটাৰ উচ্চতাত অৱস্থিত কামপুৰ অঞ্চলটো ২৬°-৯´-২২´´ উত্তৰ অক্ষ্যাংশ আৰু ৯২°-৩১´-২২´´ পূৰ দ্ৰাঘিমাংশৰ মিলনস্থলত অৱস্থিত। কামপুৰৰ পশ্চিমফালে মেঘালয় মালভূমি, দক্ষিণফালে কাৰ্বি আংলং আৰু দক্ষিণ-পূৱত উত্তৰ কাছাৰ পাৰ্বত্য জিলা, পূৱত কঠীয়াতলী, যমুনামুখ আদি। উত্তৰ দিশৰ বাহিৰে কামপুৰৰ তিনিওফালে পাহাৰ, মালভূমি আদিৰ অৱস্থানে বৃহত্তৰ কামপুৰ অঞ্চলৰ প্ৰাকৃতিক পৰিবেশৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। কপিলী নৈ আৰু বৰপানী, নিশাৰী, লুটুমাৰী উপনৈয়ে উৰ্বৰ কৰিছে কামপুৰৰ বৃহত্তৰ কৃষিভূমি অঞ্চল। এই নৈসমূহে কামপুৰ অঞ্চলক অসমৰ ভিতৰতে এখন বৃহৎ কৃষি প্ৰধান

অঞ্চলত পৰিণত কৰাত মুখ্য ভূমিকা পালন কৰিছে। অঞ্চলটোক শস্যে মৎসে চহকী কৰা এই নৈ কেইখনে সময়ে সময়ে প্ৰলয়ংকাৰী ৰূপত মানুহৰ মাজত বান বিভীষিকাৰো সৃষ্টি কৰি আহিছে।

বানপানী প্ৰকৃততে এটা প্ৰাকৃতিক পৰিঘটনা যদিও প্ৰলয়ংকাৰী বানপানীয়ে মানুহ, জীৱ-জন্তু, সা-সম্পত্তিৰ বৃহৎ ক্ষতি কৰি মানুহৰ জীৱন আৰু জীৱিকাৰ বাবে হৈ পৰে এক ডাঙৰ প্ৰত্যাহ্বান। নদীমাতৃক ৰাজ্য হিচাপে অসমত প্ৰতিবছৰে বানপানীৰ সৃষ্টি হয়। অসমৰ প্ৰধান বানাক্ৰান্ত ঠাইসমূহৰ ভিতৰত কামপুৰ অঞ্চল অন্যতম। কোনো এখন ঠাইৰ ভৌগোলিক অৱস্থান, ভূতাত্বিক গঠন, ভূ-প্ৰকৃতি, জলবায়ু আৰু মানুহৰ বিবেচনাহীন কাৰ্যকলাপ আদিয়েই বানপানীৰ প্ৰধান কাৰক। কামপুৰৰ বানপানীৰ ক্ষেত্ৰতো এই কাৰকবোৰ পৰিদৃষ্ট। কামপুৰ অঞ্চলৰ বানপানীৰ বিষয়টো বিশ্লেষণ কৰিলে দেখা যায় যে— অঞ্চলটোৰ তিনিওফালে অৱস্থিত পাহাৰ আৰু মালভূমি, অঞ্চলটোৰ মাজেৰে বৈ যোৱা নৈ উপনৈ, বানপানী প্ৰতিৰোধৰ বাবে নিৰ্মাণ কৰা মথাউৰি, নদীৰ বান্ধ নিৰ্মাণ আৰু পাহাৰ, ভৈয়াম তথা নৈপৰীয়া গছ-গছনিৰ ধ্বংস আদিয়ে প্ৰধানকৈ অঞ্চলটোত হৈ থকা বানপানীৰ বাবে জগৰীয়া।

কামপুৰ অঞ্চলৰ বানপানীৰ বিষয়টো আলোচনা কৰিবলৈ যাওঁতে এই অঞ্চলৰে বৈ যোৱা নৈ উপনৈ কেইখনৰ গতিবিধি জনাটো অতি প্ৰয়োজনীয়। এই অঞ্চলৰ প্ৰধান নৈ কপিলী। কপিলী নৈখন মেঘালয় মালভূমিৰ অন্তৰ্গত বৰাইল পাহাৰৰ (১৫২৫ মিটাৰ উচ্চ) পৰা উদ্ভৱ হৈ অসমৰ ডিমাহাচাও, কাৰ্বি আংলং, হোজাই, নগাঁও আৰু মৰিগাঁও জিলাৰ মাজেৰে বৈ গৈ মৰিগাঁও জিলাত কলং নৈ (সুঁতি)ৰ লগ হৈ কাজলীমুখত ব্ৰহ্মপুত্ৰত পৰিছে। কপিলী নৈ মূলত মেঘালয়ত উদ্ভৱ হৈছে যদিও কেইবাটাও জানৰ সৈতে সংযুক্ত হৈ হাফলং মহকুমাৰ তুৰুঙৰ পৰাহে আকাৰত ডাঙৰ হৈ বৈছে। নৈখনে সৰ্পিল গতিপথেৰে হোজাই জিলা পাৰ হৈ উত্তৰ পশ্চিমলৈ বৈ আহোতে কলঙামুখত কলঙাজানক আৰু যমুনামুখত যমুনা, বটামাৰী, যোগীজান, ডিমৰী, লুটুমাৰী আদি কেইবাটাও জানৰ লগ হৈ পশ্চিমমুৱা হৈ বৈ আহিছে। কামপুৰ অঞ্চল পাৰ হৈ নৈখন দুভাগত বিভক্ত হৈ এটা ভাগ পশ্চিমলৈ বৈ গৈ বৰপানী নৈত মিলিছে আৰু আনটো ভাগ কলঙৰ লগ হৈ ব্ৰহ্মপুত্ৰত পৰিছে। কপিলী নৈৰ অফুৰন্ত সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি জলসিঞ্চন, বিদ্যুৎ উৎপাদন আৰু বানপানী নিয়ন্ত্ৰণৰ উদ্দেশ্যেৰে ১৯৭৬ চনত বৰ্তমানৰ ডিমা হাচাও জিলাৰ উমৰাংচ'ত ২৭৫ মেগাৱাট শক্তি সম্পন্ন জলবিদ্যুৎ প্ৰকল্প কপিলী নৈৰ ওপৰত নিৰ্মাণ কৰা হৈছিল।

কামপুৰৰ অঞ্চলত বানপানী সৃষ্টিকাৰী আন এখন নৈ বৰপানী। এই নৈখন প্ৰকৃততে মেঘালয়ৰ জোৱাই জিলাৰ টিৰছাঙৰ পৰা ওলাই অসমৰ ডিমা হাচাও জিলাৰ পাৰ্বত্য অংশৰ পৰা কাৰ্বি আংলং জিলাৰ হামৰেন মহকুমাৰ মাজেৰে বৈ আহি কামপুৰ অঞ্চলৰ মাজেৰে গৈ চাপৰমুখৰ ওচৰত মেঘালয়ৰ পৰা নামি অহা কিলিং (উমিয়াম) নামৰ অন্য এখন নৈৰ লগ হৈ কপিলীৰ লগ লাগিছে। বৰপানী নৈৰ লগ হৈছে উমলেৰ, আমটুন, লুটুমাৰী, বালিজুৰি, শুকানি আদি উপনৈ। মানুহৰ কল্যাণৰ বাবেই কাৰ্বি আংলং জিলাৰ আমট্ৰেঙত বৰপানী নৈৰ ওপৰত ২০০৭ চনত ১০০ মেগাৱাট শক্তি সম্পন্ন কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণ কৰা হৈছিল।

নিশাৰী নৈ কামপুৰত বানপানী সৃষ্টি কৰা আন এখন উপনৈ। এই নৈখন কাৰ্বি আংলং জিলাৰ ডিফু মহকুমাৰ মধ্যাংশৰ ১৩৬০ মিটাৰ উচ্চ শৃংগ এটাৰ পৰা যমুনা নাম লৈ ওলাইছে। নৈখনে হোজাই জিলাৰ উত্তৰ পূৱ সীমাৰে সোমাই বুঢ়ীগংগাক সামৰি লৈ ডবকা যমুনামুখ পাৰ হৈ তেতেলিসৰাত নিশাৰী নামেৰে বৈ আহিছে। কলাইখোৱাৰ ওচৰত ননৈৰ লগ লাগি হাৰিয়া নাম লৈ বৈ গৈ হাৰিয়ামুখত কলঙত পৰিছে।

কামপুৰ অঞ্চলৰ এই নৈ উপনৈ সমূহৰ লগতে অলেখ সৰু ডাঙৰ বিল জলাহ আদি আৰ্দ্ৰভূমিয়েও অঞ্চলটোৰ প্ৰাকৃতিক পৰিবেশক সমৃদ্ধ কৰাৰ লগতে কিছু পৰিমাণে বানপানী নিয়ন্ত্ৰক হিচাপেও মুখ্য ভূমিকা পালন কৰি আহিছে। এই অঞ্চলৰ প্ৰধান বিলসমূহৰ ভিতৰত দিঘলী, ফাকলি, ৰৌমাৰী, মাইকলং, মানুহমাৰা, পুথিমাৰী, চটামাৰী, ওৱাইলঙি, শিঙিমাৰি, গেধেমা, ভদ্ৰেশ্বৰী আদি উল্লেখনীয়। এই অঞ্চলৰ বিলসমূহ ভূ-প্ৰাকৃতিক কাৰণত, নদীৰ গতিপথৰ পৰিৱৰ্তন আদিৰ ফলশ্ৰুতিত সৃষ্টি হৈছিল। এই আৰ্দ্ৰভূমিসমূহে বানপানীৰ সময়ত নদীৰ অতিৰিক্ত পানীভাগ জমা কৰি ৰাখি বসতি অঞ্চলত বানপানীৰ মাত্ৰা কিছু পৰিমাণে নিয়ন্ত্ৰণ কৰি ৰখাত সহায় কৰে। কিন্তু বৰ্তমান

প্ৰাকৃতিক আৰু মানৱসৃষ্ট উভয় কাৰকৰ প্ৰভাৱত এই বিলসমূহৰ সৰহভাগেই বিলুপ্তিৰ পথত গতি কৰিছে যাৰ ফলত কামপুৰত বানপানীৰ প্ৰকোপ বৃদ্ধি পোৱাত বহু পৰিমাণে অৰিহণা যোগাইছে।

**কামপুৰত বানপানীৰ কাৰণ ঃ**

কামপুৰত অতীজৰে পৰা বানপানী হৈ অহা পৰিলক্ষিত হৈছে। ইয়াৰ প্ৰকৃত কাৰণসমূহ বিশ্লেষণ কৰিলে দেখা যায়, অতীজতে এই অঞ্চলত হোৱা বানপানীৰ প্ৰধান কাৰণবোৰ আছিল প্ৰাকৃতিক। কিন্তু যোৱা কেইটামান দশকৰ পৰা দেখা গৈছে যে প্ৰাকৃতিক কাৰণতকৈ মানৱসৃষ্ট কাৰণতহে কামপুৰত প্ৰলয়ংকাৰী বানপানীৰ সৃষ্টি হৈছে। বানপানী সৃষ্টিকাৰী প্ৰাকৃতিক আৰু মানৱজনিত কাৰকবোৰ তলত আলোচনা কৰা হ'ল।

**প্ৰাকৃতিক কাৰণ ঃ**

১। বাৰিষা কালত অৰ্থাৎ মে' মাহৰ পৰা ছেপ্টেম্বৰ মাহলৈ স্বাভাৱিকতেই বছৰটোৰ প্ৰায় ৮০ শতাংশ বৰষুণ হয়। সেয়েহে কামপুৰৰ নৈ কেইখনত প্ৰবাহিত পানীৰ পৰিমাণ বেছি হৈ ওফন্দি উঠে আৰু নৈৰ দাঁতিকাষৰীয়া অঞ্চল বিলাকত বানপানীৰ সৃষ্টি হয়।

২। কামপুৰ অঞ্চলটোৰ উত্তৰ দিশটোৰ বাহিৰে তিনিওফালে পাহাৰ আৰু মালভূমিৰ অৱস্থানৰ বাবে বৰষুণৰ সময়ছোৱাত তিনিওফালৰ উচ্চ অংশৰ পৰা কামপুৰ সমভূমি অংশলৈ বৃহৎ পৰিমাণৰ পানী নৈৰ বুকুৰে নামি আহি অঞ্চলটো প্লাৱিত কৰে।

৩। কামপুৰ অঞ্চলৰ ভূভাগৰ মাটিৰ ঢাল গড় হিচাপে ১ মিটাৰ/১০ কি.মি.। আনহাতে অঞ্চলটোৰ দক্ষিণ আৰু দক্ষিণ পশ্চিমফালে ১ মিটাৰ/৩ কি.মি. আৰু উত্তৰ পশ্চিমফালে ১ মিটাৰ/২০ কি.মি.। সেয়েহে কপিলী আৰু ইয়াৰ উপনৈ সমূহ দক্ষিণ, দক্ষিণ-পশ্চিমৰ পাহাৰী অঞ্চলৰ পৰা সমভূমি অংশত প্ৰৱেশ কৰোতে হঠাতে নৈসমূহৰ গতিবেগ কমি যায় আৰু নৈৰ পানী ওফন্দি উঠি এই অঞ্চলটোত বানপানীৰ সৃষ্টি কৰে।

৪। কপিলী আৰু নিশাৰী নৈয়ে যথেষ্ট পৰিমাণে গেদ কঢ়িয়াই আনি সমভূমি অংশত নদীৰ তলিভাগত জমা কৰে আৰু বাম হৈ নদীৰ পানীৰ চলিত বৰ্ষতো ধাৰণ ক্ষমতা হ্ৰাস কৰে। সেয়েহে বৰষুণৰ মাত্ৰা বাঢ়িলেই নৈকেইখনত বানপানীৰ সৃষ্টি হয়। ইয়াৰোপৰি ১৯৫০ চনৰ ভূমিকম্পৰ ফলতো নৈৰ তলিভাগ ওপৰলৈ উঠি আহি বাম হৈ বানপানীৰ সম্ভাৱনীয়তা বৃদ্ধি কৰিছে।

৫। কামপুৰ অঞ্চলৰ নৈ কেইখনৰ বিশেষকৈ কপিলী নৈৰ গতিপথৰ পৰিৱৰ্তন আৰু গৰাখহনীয়াৰ বাবেও বানপানীৰ পৰিৱেশ সৃষ্টি হোৱাত সহায়ক হৈছে।

৬। বতৰৰ পৰিৱৰ্তনো বানপানীৰ অন্যতম কাৰণ। বৰষুণৰ পৰিমাণ অস্বাভাৱিক বৃদ্ধি হোৱাৰ বাবেও বানপানীৰ সৃষ্টি হৈছে।

**মানৱজনিত কাৰণ ঃ**

১। জনসংখ্যাৰ দ্ৰুতবৃদ্ধিৰ ফলত নদীৰ উৎসস্থল (কেটছমেণ্ট) অঞ্চলত অৰণ্য ধ্বংস কাৰ্য (বিশেষকৈ ঝুম খেতিৰ বাবে) যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে। ইয়াৰ ফলত নৈসমূহৰ খনন প্ৰক্ৰিয়া বৃদ্ধি হয় আৰু পাহাৰীয়া অংশত ক্ষয়ীভূত (শিল, বালি, অন্যান্য জাবৰ জোথৰ) পদাৰ্থ নৈৰ বুকুৰে নামনি অংশলৈ নামি আহি নদীৰ তলিভাগত ক্ৰমান্বয়ে জমা হয়। পাহাৰীয়া অংশৰ এই অবাধ বন ধ্বংস কাৰ্যই পৰোক্ষভাৱে বানপানীৰ সৃষ্টিত অৰিহণা যোগায়।

২। কামপুৰ অঞ্চলত অতীজৰ পৰা হৈ থকা বানপানী প্ৰতিৰোধ কৰিবলৈ কেইবাটাও মথাউৰি নিৰ্মাণ কৰা হৈছিল। কিন্তু মথাউৰি সমূহ সুপৰিকল্পিত আৰু বিজ্ঞানসন্মতভাৱে নিৰ্মাণ নকৰাৰ বাবে কামপুৰ বাসীলোকক সাময়িক সকাহ দিছিল যদিও ক্ৰমে ইয়াৰ ম্যাদ উকলাৰ বাবে পানী বাঢ়িলেই দুৰ্বল অংশত ভাগি যায়। পুৰণি আৰু দুৰ্বল মথাউৰিসমূহ বৰ্তমান কামপুৰৰ বানপানীৰ অন্যতম প্ৰধান কাৰণ হিচাপে পৰিগণিত হৈছে। ইয়াৰোপৰি মথাউৰি নিৰ্মাণ বিজ্ঞানসন্মত নোহোৱাৰ বাবেও বানৰ পানী সহজে ওলাই যাব নোৱাৰে আৰু বানপানীৰ সমস্যাই মানুহক দীৰ্ঘদিনৰ বাবে দুৰ্ভোগ ভোগায়।

৩। কপিলী নদীৰ ওপৰত ওমৰাংচ'ত স্থাপন হোৱা নেপক' বান্ধ প্ৰকল্প আৰু বৰপানী নদীৰ ওপৰত আমট্ৰেঙত স্থাপন হোৱা কাৰ্বি লাংপি বান্ধ কামপুৰ অঞ্চলত হোৱা বিধ্বংসী বানপানীৰ অন্যতম প্ৰধান কাৰণ। নদীৰ উৎস অঞ্চলত বৰষুণৰ পৰিমাণ বাঢ়িলেই নদীবান্ধৰ জলধাৰাৰ পানীৰ পৰিমাণ বাঢ়ি যায় আৰু নদীবান্ধৰ দুৱাৰ খুলি দিবলৈ বাধ্য হয়। এইদৰে পানী এৰি দিলেই নদীৰ নামনি অংশত অভাৱনীয়ভাৱে পানী বাঢ়ি আকস্মিক বানপানীৰ সৃষ্টি হয়।

৪। শেহতীয়াকৈ কপিলী নদীৰ গতিপথৰ পৰিৱৰ্তন

আৰু গৰাখহনীয়া ৰোধৰ বাবে নদীৰ পাৰত ঠায়ে ঠায়ে ডাঙৰ শিলেৰে বান্ধ দিয়া হৈছে। নদী এখনৰ গতিপথত মানুহৰ হস্তক্ষেপ বৃদ্ধি পোৱাৰ ফলতো নদীৰ ধ্বংসাত্মক প্ৰতিক্ৰিয়া বৃদ্ধি হৈছে বুলি ক'ব পাৰি।

৫। কামপুৰ অঞ্চলত আৰ্দ্ৰভূমিসমূহৰ অৱক্ষয় বানপানীৰ এটা অন্যতম কাৰণ। নদীৰ দাঁতিকাষৰীয়া অঞ্চলত থকা অসংখ্য খাল, বিল, জলাহ আদিয়ে অসময়ত বানপানীৰ অতিৰিক্ত পানী জমা কৰি ৰাখি বানপানীৰ প্ৰকোপ কমোৱাত কিছু পৰিমাণে সহায় কৰিছিল। কিন্তু জনসংখ্যা বৃদ্ধি আৰু মানুহৰ উন্নয়নমুখী কাৰ্যকলাপৰ ফলত আৰ্দ্ৰভূমিসমূহ সংকোচিত হৈছে বা বিলুপ্তিৰ দিশে গতি কৰিছে। যাৰ ফলশ্ৰুতিত বাৰিষা নদীৰ পানী বাঢ়িলে বা বানপানী আহিলেই অতিৰিক্ত পানীখিনি বাধাহীনভাৱে মানুহৰ বসতি অঞ্চলত প্ৰৱেশ কৰি মানুহক বিপদত পেলায়।

৬। কামপুৰত বানপানী হোৱাৰ আন এটা কাৰণ হৈছে এই অঞ্চলৰ দলং আৰু কালভাৰ্ট বিলাক জোখতকৈ সৰু। বানপানীৰ সময়ত নদীৰ পানী ওফন্দি উঠিলে সৰু কালভাৰ্ট আৰু দলঙৰ তলেৰে সহজে পাৰ হৈ যাব নোৱাৰে, যাৰ ফলত অতিৰিক্ত পানী দীঘলীয়া সময়লৈ জমা হৈ থাকে আৰু বানপানীৰ তীব্ৰতা বৃদ্ধি কৰি বাটপথ, দলং আদি ধ্বংস কৰে।

৭। নদীৰ উৎসস্থল পাহাৰীয়া অঞ্চলত আৰু নদীৰ দাঁতি কাষৰীয়া সমভূমি অংশতো গছ-গছনি সমূহ মানুহে ধ্বংস কৰাৰ ফলত ভূমিক্ষয় বৃদ্ধি হৈছে আৰু বানপানী সৃষ্টিত অৰিহণা যোগাইছে।

**কামপুৰত বানপানীৰ প্ৰভাৱ ঃ**

কামপুৰ অঞ্চলত সঘনাই হৈ থকা বানপীৰ বাবে অঞ্চলটো উন্নয়নৰ দিশত সামগ্ৰিকভাৱে পিছপৰি আছে বুলি ক'ব পাৰি। বানপানী এই অঞ্চলৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান স্বৰূপ। লগতে ই বিভিন্ন আনুষংগিক সমস্যাৰো সৃষ্টিৰ কাৰণ। অতীজতেও অঞ্চলটোত বানপানী হৈছিল, ক্ষয়ক্ষতিও হৈছিল। কিন্তু পানী দীঘলীয়া সময়ৰ বাবে থিতাপি লোৱা নাছিল। কৃষিভূমি সাৰুৱা কৰি তুলিছিল। খাল-বিল সমূহ সজীৱ কৰি প্ৰাকৃতিক পৰিবেশ সমৃদ্ধ কৰিছিল।

কিন্তু বৰ্তমান সময়ত বানপানীৰ ধনাত্মক প্ৰভাৱতকৈ ঋণাত্মক প্ৰভাৱৰ মাত্ৰা বৃদ্ধি পাইছে। বানপানীৰ বিভীষিকাই মানুহক ত্ৰাসিত কৰিছে। অস্বাভাৱিক আৰু আকস্মিকভাৱে হোৱা বানপানীয়ে মানুহৰ ঘৰ-দুৱাৰ, সা-সম্পত্তি, খেতি-পথাৰ, বাট-পথ, দলং, জীৱ-জন্তু, গছ-গছনি আদি ধ্বংস কৰি স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত কৰাই নহয়, মানুহক জীয়াই থকাৰ মনোবল ভাঙি পেলোৱা বুলি ক'ব পাৰি। মানুহে ঘৰবাৰী এৰি ওখ ঠাই, ৰেলপথ, মটৰপথ, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠানত আশ্ৰয় ল'ব লগা হয়। বিশেষকৈ কামপুৰ অঞ্চলটো বৰ্হিজগতৰ লগত সংযোগ বিচ্ছিন্ন হৈ এটা দ্বীপৰ দৰে হৈ পৰে। কামপুৰ-কঠীয়াতলী, কামপুৰ-বৈঠালংছ', কামপুৰ-দক্ষিণপাট, কামপুৰ-ৰহা এই গোটেই কেইটাপথ বিচ্ছিন্ন হৈ পৰে।

কৃষিক্ষেত্ৰত কামপুৰ চহকী অঞ্চল হিচাপে জনাজাত আছিল। এই অঞ্চলৰ মাটি ধান, মাহ, কঁহিয়াৰ খেতিৰ বাবে উপযোগী। এটা সময়ত কামপুৰ কুঁহিয়াৰৰ পৰা তৈয়াৰী গুৰৰ বাবে বিখ্যাত আছিল। কিন্তু বৰ্তমান কামপুৰে অতীতৰ সেই গৰিমা হেৰুৱাই পেলাইছে। বছৰি বছৰি হোৱা বানপানীয়ে বিস্তীৰ্ণ কৃষিভূমি প্লাৱিত কৰি কৃষকসকলৰ শাৰীৰিক মানসিক বল আৰু আত্মবিশ্বাস ভাঙি পেলাইছে। হতাশাত ভুগি বহুতো কৃষকে কৃষিকৰ্ম ত্যাগ কৰি বিকল্প জীৱিকাৰ পথৰ চিন্তা কৰিবলৈ বাধ্য হৈছে। যিসকলে এতিয়াও কৃষিকৰ্মত জড়িত হৈ আছে তেওঁলোকেও শালি খেতিৰ পৰিৱৰ্তে বড়োধানৰ খেতিৰ প্ৰতিহে আকৰ্ষিত হৈছে। বানপানীয়ে সমগ্ৰ কামপুৰ অঞ্চলৰ কৃষি উৎপাদন বিঘ্নিত কৰিছে আৰু অৰ্থনৈতিক বুনিয়াদ ধ্বংস কৰি অঞ্চলটোক এটা অনুন্নত অঞ্চললৈ পৰ্যবসিত কৰিছে।

বানপানীয়ে পৰিৱেশ পৰিস্থিতিতন্ত্ৰৰ ওপৰতো বিশেষভাৱে প্ৰভাৱ পেলায়। পৰিস্থিতিতন্ত্ৰৰ মূল উপাদান জৈৱবৈচিত্ৰৰ ধ্বংস বানপানীৰ এক উল্লেখযোগ্য পৰিণাম। বানবিধ্বস্ত কামপুৰ অঞ্চলত এই অবাঞ্চিত পৰিণতি পৰিদৃশ্যমান হৈছে।

বানপানীয়ে অঞ্চলটোৰ লোকসকলক দৰিদ্ৰতাৰ দিশলৈ ঠেলি দিছে। খোৱা পানী, কাপোৰ-কানি আদি সকলো প্ৰয়োজনীয় বস্তুৰ অভাৱ জনিত দৰিদ্ৰতাই মানুহৰ শিক্ষা, স্বাস্থ্য আৰু জীৱন ধাৰণৰ মানদণ্ড অৱনমিত কৰিছে। সামাজিক-সাংস্কৃতিক ক্ষেত্ৰতো সুস্থ বাতাবৰণ বৰ্তাই ৰখাত বান পীড়িত ৰাইজ বিফল হৈছে। দৰিদ্ৰতাৰ কবলত পৰাৰ

বাবে মানুহে নৈতিকতা বিসর্জন দি অসামাজিক কৰ্মত লিপ্ত হ'বলৈ কুণ্ঠাবোধ নকৰা হৈছে।

কামপুৰ অঞ্চলৰ শৈক্ষিক ক্ষেত্ৰখনতো বানপানীয়ে যথেষ্ট নেতিবাচক প্ৰভাৱ পেলাইছে। প্ৰলয়ংকাৰী বানপানীৰ সময়ত বানাক্ৰান্ত লোকসকলে শিক্ষানুষ্ঠানসমূহত আশ্ৰয় লোৱাৰ বাবে পাঠদান কাৰ্য ব্যাহত হৈ পৰে আৰু শিক্ষাৰ্থীসকলৰ অপূৰণীয় ক্ষতি হয়।

বানপানীয়ে যে কেৱল বানপানীৰ সময়ছোৱাতহে ক্ষতি কৰে তেনে নহয়, পানী ওলাই যোৱাৰ পাছত মানুহ, জীৱ-জন্তু, পশু-পক্ষী নানান ধৰণৰ বেমাৰৰ দ্বাৰাও আক্ৰান্ত হয়। বানাক্ৰান্ত অঞ্চলবিলাকত বিশেষকৈ জ্বৰ, ডিচেণ্টেৰী, ডায়ৰিয়া আদি সোঁচৰা বেমাৰ বিলাকৰ প্ৰাদুৰ্ভাৱ ঘটে।

বানাক্ৰান্ত অঞ্চলবিলাকৰ লোকসকলে ঘৰদুৱাৰ, সা-সম্পত্তি, পোহনীয়া জীৱ-জন্তু আদিও হেৰুৱাব লগা হোৱাত সেইবিলাক পুনৰ নিৰ্মাণ কৰি পুনৰ ঘৰ এখন পাতিবলৈ বহুতো সমস্যাৰ সন্মুখীন হয়। চৰকাৰীভাৱে কিছু সা-সুবিধা প্ৰদান কৰা হয় যদিও সেই সীমিত সাহায্যই মানুহৰ ক্ষতিপূৰণ কৰিব নোৱাৰে। মানুহৰ শাৰীৰিক, মানসিক আৰু অৰ্থনৈতিক সক্ষমতা ঘূৰাই আনিবলৈ দীৰ্ঘদিনৰ প্ৰয়োজন হয়। বাটপথ, দলং, কালভাৰ্ট আদি পুনৰ নিৰ্মাণ কৰিবলৈও চৰকাৰে তৎকালীন ভাৱে ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰাৰ বাবে যাতায়াতৰ ক্ষেত্ৰতো দিঘলীয়া দিনলৈ মানুহে অসুবিধা ভোগ কৰিব লগা হয়।

বানাক্ৰান্ত অঞ্চলবিলাকত আন এটা সমস্যা সততে দেখা যায়। আশ্ৰয় শিবিৰত থকা লোকসকলক চৰকাৰী-বেচৰকাৰী সা-সুবিধা আগবঢ়োৱা হয় যদিও সাহায্যসমূহৰ সমবিতৰণ আৰু পৰ্যাপ্ত সাহায্য পোৱাৰ ক্ষেত্ৰত হোৱা খেলি-মেলিৰ বাবে মানুহৰ মাজত অসন্তুষ্টি আৰু দ্বন্দ্ব খৰিয়াল বৃদ্ধি পায়।

**কামপুৰত বানপানী সমস্যা সমাধানৰ উপায় ঃ**

প্ৰকৃততে বানপানী এটা প্ৰাকৃতিক পৰিঘটনা যদিও মানুহৰ বিবেচনাহীন কৰ্মকাণ্ডই ইয়াক এটা ভয়াবহ সমস্যাত পৰিণত কৰিছে। বানপানী সমস্যাটো সম্পূৰ্ণৰূপে নিৰ্মূল কৰাটো এটা জটিল বিষয়। কিন্তু বানপানীৰ পৰা হ'ব পৰা ক্ষয়ক্ষতিৰ পৰিমাণ হ্ৰাস কৰি এই সমস্যাটো নিয়ন্ত্ৰণলৈ আনিব পাৰি। এই সমস্যাটোৰ নিয়ন্ত্ৰণ কৰিবলৈ হ'লে অঞ্চলটোৰ পৰিবেশ পৰিস্থিতিৰ বিষয়ে অধ্যয়ন কৰি সমাধানৰ পথ প্ৰশস্ত কৰিব লাগিব।

১। বানপানী সৃষ্টি হোৱাৰ প্ৰথম আৰু প্ৰধান কাৰক হৈছে বৰষুণ আৰু প্ৰবাহিত পানী। মানুহে এই দুয়োটাকে বাধা দিব নোৱাৰে। কিন্তু নদীৰ উৎস পাহাৰীয়া উচ্চ অঞ্চলৰ বন ধ্বংস প্ৰতিৰোধ কৰি ভূমিক্ষয় ভূমিস্খলন কিছু পৰিমাণে নিয়ন্ত্ৰণ কৰিব পাৰি। পাহাৰী অঞ্চলত ঝুম খেতিৰ প্ৰচলন বন্ধ কৰি, গছ-গছনি ৰোপণ কৰি বানপানীৰ মাত্ৰা আৰু বিস্তৃতি কমাব পাৰি। কামপুৰৰ নৈকেইখনৰ ক্ষেত্ৰতো এইটো প্ৰযোজ্য।

২। কামপুৰ অঞ্চলৰ বানপানী প্ৰতিৰোধৰ বাবে নিৰ্মাণ কৰা মথাউৰি বিলাক সুপৰিকল্পনাৰে বিজ্ঞানসন্মত ভাৱে নিৰ্মাণ কৰিব লাগে যাতে নদীৰ পানী বাঢ়িলেও বাগৰি অহা পানী জমা হৈ নাথাকি সোনকালে ওলাই যোৱাৰ সুবিধা হয়।

৩। প্ৰাকৃতিক দুৰ্যোগ ব্যৱস্থাপনা সংস্থাৰ যোগেদি উন্নত বিজ্ঞান প্ৰযুক্তিৰ সহায়ত বতৰ আৰু বানপানীৰ আগজাননী আৰু সতৰ্কবাণী দিয়াৰ ব্যৱস্থা কৰিব পাৰিলে বানপানীৰ পৰা হ'ব পৰা বিপদ আৰু ক্ষয়ক্ষতি বহুপৰিমাণে কম কৰিব পৰা যাব।

৪। বানপানীৰ সময়ত অতিৰিক্ত পানীভাগ সহজে বোৱাই নিবলৈ দলং, কালভাৰ্ট বিলাকৰ আকাৰ ডাঙৰ কৰি, নলা খাৱৈ আদিৰ পৰিষ্কাৰ কৰি পানী নিৰ্দিষ্ট বাটেৰে বৈ যাবলৈ দিলে আকস্মিক বানপানীৰ প্ৰকোপ হ্ৰাস পাব। লগতে বিলুপ্তপ্ৰায় বিল-জলাহসমূহ উপযুক্ত ভাৱে সংৰক্ষণ কৰিলে বানপানীৰ অতিৰিক্ত পানীভাগ ধাৰণ কৰি ৰাখি বানপানীৰ ক্ষয়ক্ষতিৰ মাত্ৰা হ্ৰাস হ'ব।

৫। এই অঞ্চলৰ জনসাধাৰণক বানপানীৰ সময়ত ল'ব লগা সতৰ্কতামূলক ব্যৱস্থা আৰু সম্ভাব্য ক্ষয়ক্ষতিৰ পৰিমাণ হ্ৰাস কৰিব পৰা ব্যৱস্থাবোৰৰ বিষয়ে সচেতন কৰিব লাগে। ওখ ঠাইত গৃহ নিৰ্মাণ, খৰালিকালৰ কৃষিত গুৰুত্ব, পাহাৰীয়া অঞ্চল আৰু নদীৰ দাঁতি কাষৰীয়া অঞ্চলৰ বনাঞ্চল বৃদ্ধি, আৰ্দ্ৰভূমিৰ সংৰক্ষণ আদি বিষয়বিলাকত মানুহৰ মাজত সজাগতা বৃদ্ধি কৰিব লাগে।

৬। কামপুৰ অঞ্চলৰ মাজেৰে বৈ যোৱা নৈ-উপনৈ কেইখনৰ বিজ্ঞানভিত্তিক অধ্যয়ন কৰি এই ভয়ংকৰ দুৰ্যোগটোৰ স্থায়ী সমাধানৰ বাবে চৰকাৰীভাৱে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

৭। বানাক্ৰান্ত অঞ্চলবিলাকত জনসাধাৰণৰ পুনৰ সংস্থাপনৰ বাবেও যথোপযুক্ত ব্যৱস্থা চৰকাৰে লোৱা উচিত।

শেষত এটা কথা ক'ব পাৰি যে যিহেতু এই অঞ্চলবিলাক বানপানীপ্ৰৱণ অঞ্চল, সেয়ে মানুহে ইয়াৰ লগত সহাৱস্থান কৰিবলৈও প্ৰয়োজনীয় শক্তি, সামৰ্থ আহৰণ কৰিব লাগে।

**সামৰণি ঃ**

কামপুৰ অঞ্চলৰ বানপানীৰ বিষয়ে অধ্যয়ন আৰু বিশ্লেষণ কৰি এটা কথা নিশ্চিতভাৱে ক'ব পাৰি যে প্ৰাকৃতিক ভাৱে হোৱা বানপানীতকৈ মানৱসৃষ্ট বানপানীয়েহে বেছি প্ৰলয়ংকাৰী হৈ বিভীষিকাৰ সৃষ্টি কৰে। মানুহে সাজু হ'বলৈ সময় আৰু সুবিধা নেপায়। মথাউৰি চিঙা আৰু নদী বান্ধৰ দুৱাৰ খুলি দিয়াৰ ফলতে কামপুৰত আকস্মিকভাৱে প্ৰলয়ংকাৰী বানপানীৰ সৃষ্টি হৈছে আৰু এনেধৰণৰ বানপানী সমগ্ৰ অঞ্চলটোৰ বাবে প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে। মানৱসৃষ্ট বানপানীয়েই কামপুৰ অঞ্চলৰ সামগ্ৰিক উন্নয়নৰ হেঙাৰ হিচাপে পৰিগণিত হৈছে। সেয়েহে বানপানী আৰু ইয়াৰ আনুষংগিক সমস্যাসমূহক বিশেষ ভাৱে গুৰুত্ব দি সুপৰিকল্পিতভাৱে স্থায়ী সমাধানৰ ব্যৱস্থা কৰাটো অতি প্ৰয়োজন হৈ পৰিছে। চৰকাৰী, বেচৰকাৰী আৰু জনসাধাৰণে নিজেও এই দুৰ্যোগটোৰ প্ৰতিৰোধৰ ক্ষেত্ৰত আগবাঢ়ি আহি ঠাইখনৰ উন্নয়নৰ পথ প্ৰশস্ত কৰাটো বৰ্তমান সময়ৰ আহ্বান। আহক, আমি সকলোৱে এই আহ্বানৰ প্ৰতি সহযোগিতা আগবঢ়াওঁ। ■

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। Kar Manik : The Brahmaputra, Flood and its Preventive Measures.
২। ড° অদিতি বেজবৰুৱা (সম্পাদিত) ঃ পানী আৰু আমি।
৩। ৰেৱত কুমাৰ হাজৰিকা ঃ কপিলীৰ পলস কামপুৰ।
৪। ড° ৰাজেন শইকীয়া (সম্পাদিত) ঃ নগাঁৱৰ বুৰঞ্জী।
৫। Dr, A.K. Bhagawati, Dr, A.K. Bora, Dr. B.K. Kar : Geography of Assam.

## প্ৰতীক বা সাংকেতিক চিহ্ন

| | |
|---|---|
| ● কপৌ নাইবা পাৰ চৰাই | ☛ শান্তি। |
| ● ৰঙা ত্ৰিভুজৰ সাংকেতিক ভাষা | ☛ পৰিয়াল পৰিকল্পনা। |
| ● এগৰাকী চকু বন্ধা তিৰোতাই হাতত তৰ্জু লৈ থকা | ☛ ন্যায় (আইন)। |
| ● চক্ৰ বা চকা | ☛ উন্নতি বা প্ৰগতি। |
| ● পদুম ফুলৰ | ☛ সভ্যতা-সংস্কৃতি |
| ● অৰ্ধনমিত পতাকা | ☛ শোক |
| ● ৰঙা পতাকা | ☛ বিপ্লৱ অথবা বিপদ। |
| ● কলা পতাকা | ☛ প্ৰতিবাদ নাইবা শোক। |

# এখন নৈৰ আৰ্তনাদ

☛ **জোনমণি ৰাজখোৱা**
চতুৰ্থ ষাণ্মাসিক

নৈপৰীয়া অঞ্চলৰ বাবে নৈখন আছিল হৃৎপিণ্ড স্বৰূপ। এই অঞ্চলটো আজিৰ পৰা প্ৰায় ৩০ বছৰ মান আগলৈকে যথেষ্ট নদন-বদন আছিল। নৈপৰীয়া হোৱা হেতুকে ৰমেনৰো নৈৰ লগত এক অবিচ্ছেদ্য সম্বন্ধ আছিল। সৰুৰে পৰা সমনীয়াৰ লগত নৈখনত সি সাঁতুৰি-নাদুৰি ডাঙৰ হৈছিল। নৈখনেই আছিল সেই বৃহত্তৰ অঞ্চলৰ জীৱিকাৰো উৎস। নৈত সিহঁতে মাছ ধৰিছিল আৰু মাছৰ ব্যৱসায় কৰিছিল। খৰালি দিনত নৈপৰীয়া বালিত যথেষ্ট শাক-পাচলি কৰিছিল। এনেদৰেই সি নিজৰ পৰিয়ালক পোহপাল দিছিল।



কিন্তু ১৯৯০ দশকৰ পৰৱৰ্তী সময়ছোৱাৰ পৰা আৰম্ভ হোৱা বিশ্বায়ন আৰু বাণিজ্যিকীকৰণৰ প্ৰভাৱ সেই অঞ্চলতো পৰিল। ফলস্বৰূপে, অঞ্চলটোৰ আশে-পাশে বিভিন্ন উদ্যোগ গঢ় লৈ উঠিল। উদ্যোগসমূহৰ পৰা নিৰ্গত লেতেৰা আৱৰ্জনাবোৰৰ সহজলভ্য গন্তব্যস্থান হৈ পৰিল। ৰমেনহঁতৰ অতিকৈ আপোন আৰু জীৱিকাৰ একমাত্ৰ উৎস নৈখন। সময় বাগৰাৰ লগে লগে অঞ্চলটোৰ প্ৰাণস্বৰূপ নৈখন উদ্যোগসমূহৰ আৱৰ্জনাৰে ভৰি পৰিল। দূষিত পদাৰ্থ নৈত মিহলিৰ ফলত নদীৰ পানী খোৱাৰ বাবে অনুপযোগী হ'ল। বিষাক্ত পানীৰ বাবে নদীৰ মাছবোৰো প্ৰায় শেষ হৈ গ'ল। আৱৰ্জনাই পুতি পেলোৱাৰ ফলত নৈখনৰ গতিও কমি আহিল। লাহে লাহে এসময়ৰ চঞ্চল নৈখন হৈ পৰিল এটা কদৰ্যময় জলাশয়। ইয়াৰ প্ৰভাৱ পৰিছিল সেই নৈপৰীয়া মানুহখিনিৰ জীৱিকাৰ ওপৰত। ৰমেনৰ লগতে আন বহুতৰ জীৱনলৈ নামি আহিছিল ঘোৰ অমানিশা। আগৰ দৰে সি ঘৰখন চলাব নোৱাৰি নিজৰ পৰিয়ালসহ প্ৰাণৰ মমতাত এখন ভগ্ন হৃদয়েৰে নৈপৰীয়া তাৰ ঘৰখন এৰি বহু দূৰৰ নগৰৰ বস্তি এটালৈ গুচি আহিবলৈ বাধ্য হৈছিল। কিন্তু তাতো তাৰ অৱস্থা অতি পুতৌজনকহে হ'ল। কিয়নো সি বৰ্তমান এটা দৈনিক মজদুৰ। নিতৌ দিন হাজিৰা কৰি পোৱা তাৰ টকা কেইটাৰে তাৰ ঘৰ চলোৱাৰ বাবে যথেষ্ট নাছিল। সিহঁতে প্ৰায় লঘোনে ভোকে দিন কটাইছিল। বস্তি অঞ্চলৰ কদৰ্যময় অৱস্থা, নলা-নৰ্দমাৰ দূষিত পানী আৱৰ্জনা, খাদ্যৰ অভাৱ আদিৰ বাবে সি অতি কম দিনৰ ভিতৰতে বেমাৰত পৰিল। দিন বাগৰাৰ লগে লগে তাৰ স্বাস্থ্যৰ আৰু অৱনতি ঘটিল। এটা সময়ত সি শয্যাশায়ী ৰোগী হ'ল। বিছনাত পৰি পৰি সি সদায় ছয়াময়া সপোনত দেখে এখন চিৰপ্ৰবাহিত নৈ। যিখন নৈৰ পাৰত সপোন ৰচে এজাক সহজ-সৰল গাঁৱলীয়াই। য'ত অংকুৰিত হয় নৈ কেন্দ্ৰিক গ্ৰাম্য সভ্যতা...। ■

# সময়ৰ চাকনৈয়া

☛ হীমা দাস
চতুৰ্থ ষাণ্মাসিক

শৰতৰ শেৱালি সৰা সেই অপেক্ষাকৃত দিনটো সঁচাকৈয়ে আহিল আজি। প্ৰিয়াই ঘড়ীটোলৈ চাই দেখিলে, ৫ বাজিবৰে হ'ল। নিদ্ৰাচ্ছন্ন চকুহাল মোহাৰি সাউতকৈ বিচনাৰ পৰা নামিল। অলপ পাছতেই ততাতয়াকৈ কাপোৰ যোৰ পিন্ধি পূজাৰ থালখন লৈ প্ৰিয়াৰ ওলাল মন্দিৰলৈ।

পুৱাৰ খিৰিকীখন খুলিয়েই প্ৰিয়ম ব্যস্ত হৈ পৰিল ম'বাইল টিপাত। অৱশ্যে এইয়া কোনো নিত্য নৈমিত্তিক নহয়। হঠাৎ টেবুলত ৰখা বায়েকৰ ফোনটো বাজি উঠিছিল কিৰিং কিৰিংকৈ। উঠাওঁ নুঠাওঁকৈ সংকোচ মনেৰে হেল্ল'ৰে আৰম্ভ কৰি ফোনটোত সিচোন একেৰাহে ব্যস্ত হৈ পৰিল। প্ৰিয়মৰ এটা বুজাব নোৱাৰা অনুভূতি। যিহেতু ইতিমধ্যে জ্ঞাত প্ৰিয়াৰ দুবছৰীয়া সম্পৰ্কৰ কথা। ফোনটো ৰাখি পুনৰ সি আকৌ আগৰ দৰে ব্যস্ত হৈ পৰিল। তথাপিও তাৰ মনত এক ডাঙৰ দোমোজা কথাবোৰে যেন তাৰ চৌপাশে ভাঁহিবলৈ ধৰিলে। তেনেতে প্ৰিয়া আহি ঘৰ সোমাল। ঘৰখনৰ পেটমোচা প্ৰিয়ম যেন আজি এজন চি.আই.ডি অফিচাৰহে। কিমানবাৰ ৰুমটো ভুমুকিয়াইছে তাৰো হিচাপ নাই। বেলেগ দিনাৰ দৰে নহয়, আজি প্ৰিয়াৰ মুখত এক উজ্জ্বল চমকণি, বুকুত দুৰ্বাৰ হেঁপাহ, আনন্দত আত্মহাৰা তাইৰ প্ৰফুল্লিত মন, কোঠাটোৰ চৌপাশে যেন আনন্দৰ বতাহজাকেই বিৰাজ কৰিছে।

লাহে লাহে প্ৰিয়মৰ দৃষ্টিটো আজি সকলোবোৰ উজ্জ্বল হৈ পৰিল আৰু গধুৰ হৈ পৰা মনটো কিবা পাতল পাতল লাগিল। কেইমুহূৰ্তমানৰ পাছত তাৰ 'এনিভাৰছেৰী' উপহাৰটো দিয়াৰ কথা মনতে খেলালে। সময়চোন এতিয়া বহুত, ১২ বাজি পাৰ হ'বৰ হ'ল। প্ৰিয়মে পলম কৰি নাথাকি মুখত এটা মিঠা হাঁহি বিৰিঙাই ততাতৈয়াকৈ চহৰৰ অভিমুখে ৰাওনা হ'ল। চহৰৰ নিলগত সেই ৰাস্তাটোত চোন মানুহৰ হুৰাদুৰা। চৌপাশে হুলস্থূলীয়া পৰিৱেশ। লাহে লাহেকৈ খোজ দি প্ৰিয়মো ঘটনাস্থলীত গৈ উপস্থিত। সকলোতে মাথো তেজৰ চেকোৰা চেকুৰ, ওচৰতে তেজেৰে লুতুৰি-পুতুৰি যুৱকজন। গাৰ নোম শিঁয়ৰি উঠা দৃশ্য। উপস্থিত থকা সকলৰ বহুতে ভিডিঅ' বনোৱাত ব্যস্ত, কোনোবাই আকৌ ফটো উঠোৱাত। একেদৰে প্ৰিয়মৰো সেই একেই কাম, ব্যস্ত মাথো ভিডিঅ'ত। খবৰটো সকলোতে জুইৰ দৰে বিয়পি পৰিল, অথচ আঘাতপ্ৰাপ্ত ল'ৰাজন পৰিয়েই থাকিল। খবৰটো শুনি সীমান্তই সেই ঠাইত আহি উপস্থিত হ'ল। সেই সময়ত তাৰ শত্ৰুতাৰ কথাও পাহৰি ল'ৰাজনক হস্পিতাললৈ নিবলৈ ধৰিলে আৰু সকলোকে অনুৰোধ কৰিলে— 'সহায় কৰক প্লিজ'। সহায়ৰ বাবে আগবাঢ়ি কোনো নাহিল, মাথোঁ কিছুমান নিষ্ঠুৰ শব্দ ল'ৰাজনৰ ঘৰৰ কোনোবা নিশ্চয় আহিব, পুলিচৰ বেমেজালিত মিছাতে সোমোৱাৰ কি প্ৰয়োজন? সকলোৰে সৈতে প্ৰিয়মেও মতামত দিলে। সকলোবোৰ পাহৰি সি প্ৰিয়ালৈ বুলি হাতত উপহাৰ লৈ ঘৰলৈ উভতিল। উপহাৰ দিম বুলি তাৰো আকৌ হেঁপাহ যে কিমান? নঙলা মুখ পাওঁতেই হাঁহি হাঁহি বায়েকক মাতিবলৈ ধৰিলে। কোঠালিটোত সোমাই প্ৰিয়া যন্ত্ৰণাত চতফটাই থকা দেখি প্ৰিয়ম হতভম্ব। এক পলকতে যেন তাৰ হৃদয়খন ভাগি চূড়মাৰ হ'ল। চৌপাশে কেৱল কান্দোন। একমাত্ৰ প্ৰিয়ম নিস্তব্ধ হৈ ৰ'ল। তাৰ দুচকুত মাথোঁ হৈ যোৱা ঘটনাটোৰ দৃশ্যবোৰ এফালৰ পৰা ভাহি উঠিল। তেজেৰে লুতুৰি-পুতুৰি সেই ল'ৰাজনক নেওচি কেনেকৈ ঘৰমুৱা হৈছিল সি? সময়ৰ চাকনৈয়াত যেন দুটি জীৱন হৈ পৰিল নিঠৰুৱা, চৌপাশে মাথোঁ কোলাহল। ক্ষন্তেক সময়তেই সলনি হোৱা সকলোবোৰ কথা ভাবি ব্ৰজপাত পৰাৰ দৰে কুচি মুচি বহি থাকিল? ক্ষন্তেক সময়ৰ আগতে সি তেওঁৰ লগত কথা পাতিছিল। বায়েকেও নিশ্চয় তেওঁৰ শুভ কামনা কৰিয়েই মন্দিৰলৈ গৈছিল। অথচ সময়ৰ কি চাকনৈয়া! ■

# ক্ষমা প্ৰাৰ্থনা

☛ **ভৱানী প্ৰজাপতি**
চতুৰ্থ যাণ্মাসিক

হঠাৎ ইমান জোৰেৰে ধুমুহা আহিল এতিয়া কি কৰা যায়, ইমান সময়েচোন বতৰ ভালেই আছিল। সি ম'বাইলত চাই দেখিলে এঘাৰটা বাজিবৰ হ'ল, এতিয়া আৰু গাড়ী চলাই গৈ থাকিব নোৱাৰি। ধুমুহা কমিলেহে যাব লাগিব, নহ'লে বিপদ হ'ব পাৰে। সি ঘাইপথটোৰ সিটো পাৰে থকা ঘৰ এখনলৈ গ'ল। সি বেল বজাইছে, গৃহস্থ ওলাই অহা নাই, সি বাৰাণ্ডাতে ৰৈ আছে, সি ভাবিছে বিজুলী ঢেৰেকনীৰ শব্দৰ বাবে চাগে' গৃহস্থই শুনা পোৱা নাই। সি আকৌ বেল বজাবলৈ লওঁতেই এজন ব্যক্তিয়ে দৰ্জাখন খুলিলে, গৃহস্থই কিবা কোৱাৰ আগতেই সি কৈ উঠিল, সি ইয়াত অলপ সময়ৰ আশ্ৰয় বিচাৰি আহিছে, বৰষুণ কমিলেই সি যাবগৈ। ব্যক্তিজনে তাক ভিতৰলৈ মাতিলে। সি ক'লে— 'ইয়াতেই হ'ব বৰদেউতা, ধুমুহা কমিলেই মই যামগৈ।' এইবাৰ ব্যক্তিজনৰ অধিক আগ্ৰহত সি ভিতৰলৈ সোমাই গৈ ছ'ফাখনত বহিলে। তাৰ বিপৰীত দিশত বয়স্ক গৃহস্থজনো বহিল। অলপ সময়ৰ পিছত ব্যক্তিজনে তাৰ পৰিচয় সুধিলে আৰু ইমান ৰাতি ক'ৰ পৰা আহি আছিল সেইটোও সুধিলে। সি ব্যক্তিজনৰ প্ৰশ্নৰ উত্তৰ দি গ'ল— 'মোৰ নাম অম্লানদ্বীপ চলিহা, মোৰ ঘৰ নগাঁৱত, মই কাম এটাৰ বাবে ৰাতিপুৱা যোৰহাটলৈ গৈছিলোঁ, কামটো শেষ হওঁতে পলম হ'ল। এতিয়া আকৌ বতৰ এনেকুৱা হ'ল। এইবাৰ ব্যক্তিজনে ক'লে— 'ভাইটি, এতিয়াৰ দিনকালবোৰ ভাল নহয়। সোনকালে ঘৰ নোসোমোৱালৈকে ঘৰৰ মানুহ বহুত চিন্তাত থাকে।' সি ক'লে— 'হয় হয় বৰদেউতা, ম'বাইলৰ নেটৱৰ্ক বেয়া হৈ আছে বাবে মই ঘৰত যোগাযোগ কৰিব পৰা নাই।' এনেতে ভিতৰৰ পৰা যুৱতী এগৰাকীয়ে চাহ লৈ আহিল, সি চাহ কাপ হাতত তুলি লৈ সুধিলে— 'আপোনাৰ ছোৱালী?' ব্যক্তিজনে ক'লে— 'হয়, তাইৰ নাম অৰ্পিতা। এইবাৰ স্নাতকোত্তৰ ফাইনেল দিছে।' সি পুনৰ ব্যক্তিজনক সুধিলে— 'বৰদেউতা, বৰমা ঘৰত নাই নেকি, মানে দেখা পোৱা নাই যে।' ব্যক্তিজনে অলপ সময়ৰ নিস্তব্ধতা ভাঙি ক'লে— 'নাই'। সি অধিক আগ্ৰহেৰে সুধিলে— 'ক'ত আছে?' এইবাৰ ব্যক্তিজনে অলপ গভীৰ ভাৱে ক'লে— 'য'ত থাকিব লাগে তাতে আছে মাক-পুতেক।' মানে আপোনাৰ ল'ৰাও আছে। বতাহ ধুমুহাৰ গতি অধিক তীব্ৰ হৈ উঠিল। ব্যক্তিজনে পুনৰ কৈ গ'ল— 'চাৰি বছৰৰ আগৰ কথা। তেতিয়া মই ৰিটায়াৰমেণ্ট লৈছিলোঁ। ছোৱালীজনী কলেজত পঢ়ি আছিল আৰু মোৰ ল'ৰা ৰঞ্জন চাকৰিৰ বাবে নগাঁওলৈ গৈছিল। আবেলি সি ফোন কৰি জনালে যে তাৰ চাকৰি ঠিক হৈ গ'ল, অলপ বজাৰ সমাৰ কৰি সি আহি পাওঁতে দেৰি হ'ব, চিন্তা কৰিব নালাগে। ৰাতি দহটা বাজিছে। ৰাহুল আহি ঘৰ পোৱা নাই। তাৰ পিছত এঘাৰটা

বাজিল নাই, আহি পোৱা নাই। বেয়া চিন্তা মনলৈ আহিবলৈ ধৰিলে। ইতিমধ্যে বাৰ বাজিল। এটা অচিনাকি নম্বৰৰ পৰা ফোন আহিল অম্লানে ৱালত আঁৰি থোৱা ডাঙৰ ৱালঘড়ীটোলৈ চাই পঠিয়ালে তাতো বাৰ বাজিছে। তাৰ পিছত ব্যক্তিজনে কোৱা কথাখিনিয়ে তাক চাৰি বছৰ আগৰ সেই দুৰ্ভগীয়া ৰাতি সংঘটিত হোৱা ভয়ানক ঘটনাটোলৈ মনত পেলাই দিলে। সি তেতিয়া তাৰ বন্ধুৰ লগত গাড়ী চলাই গৈ আছিল। দুয়োজনে ড্ৰাগচ সেৱন কৰি নিচাসক্ত অৱস্থাত ল'ৰা এজনক খুন্দিয়ালে, এক্সিডেণ্ট হোৱাৰ পিছত দুয়ো বন্ধুৰ নিচা কাটিল। তেতিয়া সিহঁতে নতুনকৈ কাৰ চলোৱা শিকিছিল হে। দুয়ো গাড়ীৰ পৰা নামিল। দেখিলে যে এক্সিডেণ্ট বহুত বেয়াকৈয়ে হ'ল। কিন্তু ল'ৰাজন এতিয়াও জীৱিত। সোনকালে হস্পিতেল লৈ যাওঁ তাক। কিন্তু তাৰ বন্ধুৱে সন্মতি নিদিলে। ভাৰ্গৱে ক'লে তাক হস্পিতাললৈ লৈ গ'লে আমি জেল খাটিব লাগিব। নাই নাই, এনে কাম কৰিব নোৱাৰি। অম্লানে ক'লে নাই তাক হস্পিতাল নিবই লাগিব, ভাৰ্গৱে ক'লে— 'তই পাগল হ'লি নেকি? ব'ল ইয়াৰ পৰা।' সি ভাৰ্গৱৰ কথামতেই ল'ৰাজনক তেনেকৈ পেলাই থৈ দুয়ো পলাল। দুয়ো বন্ধুৱে নিজা নিজা ঘৰলৈ গ'ল। অম্লান আৰু ভাৰ্গৱ দুয়োৱে বহুত ভয় খাইছিল। দুয়ো নিজৰ নিজৰ ৰূমত বন্দী হ'ল। তাৰ পিছদিনাও অম্লান ৰূমৰ পৰা ওলোৱা নাই। বৌৱেকে তাক ভাত বাঢ়ি খাবলৈ মাতিছিল যদিও সি কেনেকৈ খাব ভাত! কেনেকৈ সি দাদা-বৌয়েকৰ সন্মুখত আহিব, নোৱাৰে সি। তাৰ হাত-ভৰি কঁপিবলৈ ধৰিলে। তাৰ পিছত সি ৰূমৰ পৰা ওলাই আহিল। গাড়ীখন ভালদৰে পৰীক্ষা কৰিলে নাই তাৰ গাড়ীখন ঠিকে আছে, অলপ ক্ৰেছ আহিছে। বাকী ঠিকে আছে। ঘৰত বৌয়েক-দদায়েকো নাই দুয়ো ডিউটিলৈ গ'ল। সি ভাৰ্গৱলৈ ফোন কৰিবলৈ লওঁতেই ভাৰ্গৱে ফোন কৰিলে। ভাৰ্গৱৰ কথামতে সি টিভিত নিউজ লগালে। নিউজত বিগ ব্ৰেকিং নিউজ হৈ পৰিছে। এইকেইদিন চহৰৰ নামী-দামী উকীল পদ্মধৰ হাজৰিকাৰ পুত্ৰ ৰাহুল হাজৰিকাই এক্সিডেণ্টত প্ৰাণ হেৰুৱালে। এতিয়াও দুধৰ্ষ গাড়ীচালকক পুলিচে চিনাক্ত কৰিবলৈ অক্ষম হৈ আছে। অম্লানৰ হাতভৰি এতিয়া আৰু অধিক জোৰেৰে কঁপিবলৈ ধৰিলে। বৰদেউতাকজনৰ কথাত সি বৰ্তমানলৈ উভতি আহিল। এতিয়াও বোলে তেওঁৰ পুত্ৰৰ অপৰাধী মুকলি আকাশৰ তলত বিচৰণ কৰি আছে। এইবাৰ সি আৰু ব্যক্তিজনৰ ফালে মূৰ দাঙি চাব নোৱাৰা হ'ল। সি স্তব্ধ হৈ গ'ল— ভাৱ সাগৰত। ব্যক্তিজনে তাক উদ্দেশ্যি পুনৰ ক'লে— সেইবাবেই পৰাপক্ষত সন্ধিয়াৰ আগে আগে ঘৰত সোমাব লাগে। কাৰণ এক্সিডেণ্ট হ'লেও চিকিৎসাৰ অভাৱতহে প্ৰাণ হেৰুৱাব লগা হয়। মোৰ ল'ৰাজনে যদি চিকিৎসা পালেহেঁতেন সি আজি বাচি থাকিলেহেতন। ব্যক্তিজনৰ চকুৰে পানী নিগৰি আহিল। তেওঁ কৈ গ'ল— 'তাৰ মাক, মোৰ পত্নী তাৰ এনেকুৱা হোৱাত মানসিকভাৱে ভাৰসাম্য হেৰুৱাই পেলাইছিল। মোৰ ছোৱালীজনী তেতিয়া হোষ্টেলত আছিল। তাইতো বহুত দেৰিকৈয়ে গম পালে। তাই পৰীক্ষা দি আহি পোৱালৈ মাকৰো মৃত্যু হ'ল।' অৰ্পিতাই ভিতৰৰ পৰা দেউতাকক মাত লগালে—'দেউতা, বতাহ-ধুমুহা কমিল, ভাত বাঢ়িছোঁ। আপোনালোক দুয়ো আহক।' ব্যক্তিজনে পুনৰ ক'লে— 'ব'লা অম্লান, ভাত বাঢ়িছে। খাই কৰি আজি ইয়াতে থাকা। ৰাতিপুৱা ওলাবা।' সি মনে মনে ৰ'ল, ভাতৰ কথা সি গমেই পোৱা নাই। অৰ্পিতাই যেতিয়া আহি পুনৰ মাত লগালে— 'দাদা, বলক ভাত...।' সি অৰ্পিতাৰ ফালে চাব নোৱাৰিলে। তাৰ চকুপানী বৈ আহিল। এতিয়া যেন সমস্ত ধুমুহা তাৰ মনৰ মাজতে হৈ গ'ল। সি আৰু কাকো একো নক'লে। থানাত ফোন লগালে আৰু ১০ মিনিটতে পুলিচ আহি তাক এৰেষ্ট কৰিলে। সি হাতযোৰ কৰি অৰ্পিতা আৰু ইমান পৰে মাতি থকা বৰদেউতাজনৰ পৰা ক্ষমা খুজিলে। পুলিচে ভাৰ্গৱকো এৰেষ্ট কৰিলে। বঢ়া ভাত সাজ তেনেকৈয়ে ৰ'ল। অৰ্পিতা আৰু দেউতাক ছ'ফাখনত বহি পৰিল।■

# প্ৰেম গাথা

☛ **মিনি দেৱী**
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ

স্বতঃস্ফুৰ্ত্ত আবেগৰ বন্যাই
বুকুখনিত খলকনি তুলিছে
ধুৱাই নিছে
বুকুৰ সাৰুৱা বীজ।
কেনেকৈনো কওঁ
বিষবাষ্পই সানি থকা
কোলাহল মনৰ গুপুত কথা
সামৰি থ'বও নোৱাৰি
থিতাতে নিঃশেষ হ'ব খোজা
মমতাৰ মিচিকিয়া হাঁহি।
বুকুখনচোন সদায় গধূৰ ভৰা
এটা এটা গধূলি...
সন্ধিয়াৰ বন্তিগছিয়ে তোলপাৰ লগাই
নিশাটোক আৱাহন জনাই
ধিমিক ধামাককৈ
জ্বলি জ্বলি নুমাই যায়
ৰাতিপুৱাৰ অপেক্ষাত
সময়ে হাঁহে, সময়ে কান্দে
সময়ৰ বিচিত্ৰ ৰূপ
অনাদি কালৰ পৰাই
গতি সলাই আপোন ভঙ্গিমাত মন্দাকিনী নৈত
গা-টো তিয়াই
কিয় বাৰু নলয় জুৰ।
সময়ৰ ছন্দই সময়ৰ গীত গাই
আগবাঢ়ি যায় স্বছন্দ গতিত
আৰু আবেগৰ বন্যাই
বুকুভেদ কৰি শুনাই যায়
ন ন দিনৰ কল্পলোকৰ
গুপুত সত্যৰ প্ৰেম গাথা।■



# এমুঠি গদ্যৰ কথকতা

☛ **জ্যোতিৰেখা কলিতা**
কাৰ্যালয় সহায়ক

দিনটো ৰজনজনাই থাকিল...
চেঃ হৃদয়ৰ এমুঠি কোলাহল
প্ৰিয় গান এটা হৈ
বাজি থাকিল বুকুত।
ইমান কথা ক'ব পাৰি জানো?
কবিতাত জানো থাকে ইমান বাৰ্তালাপ?
জীৱনৰ সমীকৰণবোৰে দেখুৱাই দিয়ে জানো
পোহৰমুখী বাট?
এই যে মই ভাবি থকা শব্দটোৰ মুক্তিৰ অপেক্ষাত
হোৱা জন্ম যাতনা,
লগতে
সপোন খেদি ভাল পোৱা সময়ৰ পৰা
এতিয়া সপোনৰ ভয়ত সাৰে থকা
দুঃসময়লৈকে এই পৰিক্ৰমা।
শিশুৰ নতুন খোজটোৰ দৰেই
থৰক বৰক সময়খিনিত
জীৱনৰ পৃষ্ঠাত প্ৰকাশ কৰাৰ বাবে
ক'ত যে বিচাৰি ফুৰো কবিতা কবিতা লগা
এটি গদ্যৰ কথকতা। ■

# প্ৰাৰ্থনা

☛ **পান্নালাল পুৰকায়স্থ**
উচ্চ বৰ্গৰ সহায়ক



হে ঈশ্বৰ
জাগ্ৰত হ'লা তুমি
পৃথিৱীৰ প্ৰয়োজনত
প্ৰত্যাশাৰ প্ৰপঞ্চৰ প্ৰহৰত,
মৰণশীল জীৱনত সিঁচি দিলা
নৱ ঊষাৰ আশাৰ আলোক!
সূক্ষ্ম এক ক্ৰান্তি বিন্দু
প্ৰকম্পিত পৃথিৱী, কপোঁ থৰ্ থৰ
চাৰিওফালে দ্বান্দ্বিক জড়বাদ
লালসাৰ লাভাৰ প্লাৱন
লোভৰ অগণিত ইন্দ্ৰজাল
হত্যা, হিংসা আৰু অমানুষিক অত্যাচাৰ
মুহূৰ্তৰ অৱহেলা,
মুহূৰ্তৰ ভ্ৰম,
বন্ধ্যা বিবেক আৰু ঘৃণিত ব্যতিক্ৰম,
ক্ষণিক অসংযম
অপৰাধৰ অন্তহীন যাত্ৰা
দুৰ্মতিৰ আৰোপ, প্ৰতি আৰোপ
এনেকৈয়ে মনুষ্যত্বৰ ঘটে
অৱলোপ। ভয়ংকৰ হৈ উঠে
লোলুপ প্ৰেতাত্মা।
হে ঈশ্বৰ
জ্যোতিৰ্ময় ৰূপত হৈ উঠা প্ৰোজ্জ্বল!

পৃথিৱীৰ যত আছে দুখ-বেদনা,
আকুলতা কাতৰ হৃদয়ৰ,
দূৰ কৰা, দূৰ কৰা
জ্বলাওঁ দীপ-ধূপ
দিয়া আশ্বাস, পূৰ্ণ কৰা মোৰ
অভিপ্সিত লগ্ন,
দিয়া নৰৰূপ,
লওক নৱ ৰূপ
মোৰ পংকিল পৃথিৱীয়ে
পৃথিৱীৰ জীৱন পাত্ৰত ঢালি দিয়া
প্ৰেম, ক্ষমা, দয়া!!
স্বৰ্গীয় সৌন্দৰ্যৰে কৰি তোলা পূৰ্ণ
পৃথিৱীৰ হৃদয়, জয় জয়, ময় ময়।
প্ৰতিটো সূৰ্য্যোদয়ৰ পৰা সূৰ্য্যোদয়লৈ
দিবা হওক, ৰাত্ৰি হওক
কৰি তোলা
অমৃতময়, অমৃতময়, অমৃতময়।■

# দেউতা

☛ ধৰিত্ৰী বড়ো
দ্বিতীয় ষান্মাসিক

দেউতা মাথো এটি শব্দ নহয়
ই এক শিহৰণ
দেউতা।
তোমাৰ আঙুলি মূৰত ধৰি
শিকিছিলোঁ প্ৰথমটো খোজ
তোমাৰ নিস্বাৰ্থ মৰমৰ মাজত ডাঙৰ হ'লোঁ।
তুমি শিকোৱা অ-ফলা, ক-ফলাই
আজি শিকাই আছে
জীৱনৰ অলেখ অধ্যায়।
জীৱন সংগ্ৰামত যুঁজি যুঁজি
আজি তুমি ভাগৰুৱা,
পৰিয়ালৰ হাঁহিৰ বাবে
তুমি নিৰৱে সহি গৈছা অজস্ৰ কষ্ট।
তথাপিও তুমি হাঁহিছা, হাঁহিৰে চকুলো ঢাকিছা
অ' দেউতা
তুমিয়েই মোৰ সাহস হৈ থাকিবা
চিৰদিনলৈ...। ■






# ধৰাৰ বিননি

☛ ৰুবলী বৰা
দ্বিতীয় ষান্মাসিক

মেৰুত গলিছে বৰফ
মৰুত পৰিছে বৰফ।
যন্ত্ৰ বাঢ়িছে
যান্ত্ৰিকতাই কৰিছে গ্ৰাস।
যন্ত্ৰবিহীন মানৱ
আজি মেৰুদণ্ডহীন।
জনসংখ্যা বাঢ়িছে
কাৰখানাও বাঢ়িছে
প্ৰদূষিত ধোঁৱাই আকাশ ছানিছে।
ধৰাত বাঢ়িছে তাপ
কমিছে সেউজীয়া বননি,
পৃথিৱীয়ে কান্দিছে
অ'জন স্তৰ খহিছে
নিতৌ ন ন মহামাৰী আহিছে।
আৰু কিমান দিনলৈ
থাকিব এই ধুনীয়া ধৰণী
ধুনীয়া হৈ?
যদিহে নহয় মানুহৰ কাম কাজ সলনি
জাগা হে, জাগা জীৱ শ্ৰেষ্ঠ মানৱ
কাণ পাতি শুনা ধৰাৰ হিয়া ভৰা বিননি
সময় থাকোঁতেই হাতে কামে ধৰা
সুন্দৰ এই ধৰাৰ অস্তিত্ব ৰক্ষা কৰা। ■

# নাৰী তুমি অনন্যা

☛ বন্দিতা দেৱী
চতুৰ্থ ষান্মাসিক

"নাৰী তুমি অনন্যা, তুমিয়েই মহীয়সী
তুমিয়েই নতুন জীৱন দায়িনী।
তোমাৰ পৰশতে কত হৃদয় প্ৰাণ পায় উঠে তোমাৰ
স্নেহসনা মৌ বৰষা মাতে অটুত ৰাখে
এখনি ঘৰ, এখনি সংসাৰ
তুমিয়েই সৃষ্টিৰ আদি মূল;
তুমি অবিহনে কোনো সৃষ্টি নহয় সম্ভৱ।
তুমি কত জনৰ জীৱন যুঁজৰ সফলতাৰ আঁৰৰ
সংগিনী;
তুমিয়েই শত সহস্ৰ জনৰ অগ্ৰগামী তটিনী।
তুমিয়েই ভগ্নী, তুমিয়েই তনয়া, তুমিয়েই মাতৃ।
তুমিয়েই জীৱন সংগ্ৰামী, তুমিয়েই স্বাধীন চিত,
তুমি নহয় কাৰোৰে অধীন
তোমাৰ জীৱন ব্ৰত "কৰ্মই ধৰ্ম" ৰে আগুৱাই গৈ
তুমিয়েই কৰিব পাৰা পৰ্বতাৰোহণ, আকাশ বিচৰণ।
সময়ত তুমিয়েই মা দুৰ্গা, তুমিয়েই সতী, তুমিয়েই
সাবিত্ৰী, তুমিয়েই মূলাগাভৰু, তুমিয়েই কনকলতা,
তুমিয়েই বিৰাংগণা।।
আপোন শোক দুখ যন্ত্ৰণা, কত বাধা বিঘিনিকো নেওঁচি
দহৰ বাবে হেলাৰঙে সেৱা কৰি তুমিয়েই নিজক
চিনাকি দিয়া তুমিয়েই যাজ্ঞসেনী।
তুমি নহয় অবলা, তুমি নহয় নিষ্পেষিতা।
হে "নাৰী" তোমাক জনালো শত কোটি প্ৰণাম।। ■



# বসুন্ধৰাৰ দুৰ্দশা

☛ পংখী গোঁহাই
চতুৰ্থ ষান্মাসিক

চোৱা চোৱা কি বেয়া দিন আহিল
য'ত আছিল সেউজীয়া গছৰ ছাঁ,
এতিয়া হ'লগৈ শুকান বসুন্ধৰা
য'ত বৈ গৈছিল কুলু কুলু বোঁৱতী নদী,
এতিয়া আকৌ সেই নদীৰ শুকান বক্ষ
চোৱা চোৱা কি বেয়া দিন আহিল।
আমি দিলোঁ পৃথিৱীক ইমান কষ্ট, অশান্তি
যাৰ ফলত হ'লগৈ ভূমিকম্প, বানপানী।
উশাহ ল'বলৈ হৈছে কষ্ট,
বন্যপ্ৰাণীবোৰ হৈছে দিনক দিনে বিলুপ্ত
চোৱা চোৱা কি বেয়া দিন আহিল।
উত্তাপো বাঢ়িল, বৰফো গলিল
মানৱ সভ্যতাৰ মাজলৈ অমানিশা আহিল
কিয় হৈছোঁ আমি ইমান মতলবী?
সলনি হৈ যা অ' মানৱজাতি
নহলে ধ্বংস হ'ব এই পৃথিৱী
সলনি হৈ যা অ' মানৱজাতি।
তেহে গঢ় লৈ উঠিব এক সুন্দৰ পৃথিৱী।। ■

# শ্বহীদ তুমি মহান

☛ স্বৰূপ ৰয়
দ্বিতীয় যান্মাসিক

ভাৰতীয় সৈনিকৰ অদম্য শক্তি
অদম্য মনোবল আৰু অদম্য দেশ ভক্তি
স্থল, জল, আৰু বায়ু
তিনিওখন ক্ষেত্ৰতে মহান
আমাৰ ত্ৰিশক্তি।
আজি বিশ্বই সমীহ কৰে
শত্ৰুৱে কৰে ভয়,
পশ্চিম সীমান্তত
প্ৰতিটো আক্ৰমণত
শত্ৰুক কৰি আহিছে জয়।
কোটি কোটি প্ৰণাম
বীৰগতি প্ৰাপ্ত
প্ৰতিজন শ্বহীদ সৈনিকক।
সৈনিক মাথোঁ সৈনিক
তেওঁলোকৰ নামেই সৈনিক,
তেওঁলোকেই হ'ল এই দেশৰ
প্ৰকৃত অৰ্থত দেশপ্ৰেমিক।
মহান সেই পিতৃ মাতৃ
যাৰ সন্তান এক সৈনিক,
কোটি কোটি প্ৰণাম
সৈনিক সকলৰ দেশ ভক্তিক। ■



# বন্ধুত্ব

☛ ভাৰতী প্ৰজাপতি
চতুৰ্থ যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

সময়ৰ সোঁতে লৈ যায়,
গভীৰৰ পৰা গভীৰতালৈ,
হৃদয়ৰ ৰাজমহললৈ।
নাথাকে কোনো তেজৰ সম্পৰ্ক
তথাপিও আজীৱন সংগ,
বন্ধুত্ব, এক অনন্য অনুভূতি।
উকা, উৰুঙা, নিৰস জীৱনতো
লৈ আহে সুখৰ খলকনি।
শিকাই যায়, জীৱনৰ আদিপাঠ।
দি যায়, একোটা পোহৰৰ বাট।
থিয় দিয়ে, অনুপ্ৰেৰণাৰ উৎস হৈ।
বন্ধুত্ব, আবেগ অনুভূতিৰ
কি যে এক মিঠা শিহৰণ! ■



# আহ্বান

☛ মুনি হাঞ্চে
চতুৰ্থ ষান্মাসিক

জাগি উঠা, জাগি উঠা
সমগ্ৰ কাৰ্বি জাতি
জাতীয় চেতনা জাগ্ৰত কৰা
উজ্বলোৱা আপোন মাটি।
কৃষ্টি সংস্কৃতি অবাটে গৈছে,
গৌৰৱ পৰিছে ম্লান
এতিয়াও যদি জাগ্ৰত নোহোৱা
জাতিটোৰে অপমান।
গোষ্ঠী গোষ্ঠী আপোন ভাই
সম্প্ৰীতি সমন্বয়
বৈচিত্ৰ্যৰ মাজত ঐক্য জানা
আমাৰ পৰিচয়।
স্বপ্ন স্বপ্ন জাতীয় স্বপ্ন
কৰি তোলা সাকাৰ
প্ৰাণপণে যুঁজি হ'লেও
কৰা আত্ম উদ্ধাৰ।।■

# প্ৰতিবাদী কণ্ঠ

☛ চিন্ময় চৌধুৰী
দ্বিতীয় ষান্মাসিক

সকলো নদী একাকাৰ হৈ যোৱাৰ পাছত
বালিচৰত থকা গছবোৰ উটুৱাই নিয়াৰ পাছত
বন্দীশালত শেষজন ভিকহু বন্দী হোৱাৰ পাছত
মই নিৰ্ভীক হ'বলৈ নিশিকাটো
মোৰ অপৰাধ,
সত্যক সত্য বুলি ক'বলৈ নিশিকাৰ
পিছত যদি মই, ৰজাও হওঁ
সেইয়াও মোৰ অপৰাধ।
এইয়া বৰ্তমানৰ আহ্বান
অন্যায়ৰ বিপক্ষে
প্ৰতিবাদ কৰাৰ।
শান্তিৰ শ্ল'গান কেতিয়াও
ৰাজপথত
থমকি নৰয়,
থমকি নৰয়
প্ৰতিবাদী কণ্ঠ,
কেতিয়াও বিফল নহয়
এদিন ই সফল হ'বই।
সেয়ে,
আমি সদায় প্ৰাপ্য আৰু অধিকাৰৰ কথা ক'ম।
অথবা মানুহৰ বাবে জীৱন দিয়া মানুহৰ কথা ক'ম।
আমি দৰিদ্ৰতাৰ কথা ক'ম।
নিবনুৱা সমস্যাৰ কথা ক'ম।
দুনীৰ্তিৰ কথা ক'ম।
বিপ্লৱৰ কথা ক'ম।
উন্নয়নৰ কথাও ক'ম।
আৰু
ক্ষোভবোৰ চিঞৰ হোৱালৈ পিঠি পাতি
বহি ৰ'ম আলিবাটত।■

# প্ৰাণ পোৱাৰ পিছত

☛ **সুৰুজমনি দেৱী**
চতুৰ্থ ষান্মাসিক

গান গালেইতো
গায়িকা নহয়,
যদি সেই গানৰ
কোনো অৰ্থ নাথাকে।
কবিতা লিখিলেইতো
কবি নহয়,
যদি সেই কবিতাৰ
কোনো ছন্দ নিমিলে।
আগুৱাই গ'লেই জানো
যাত্ৰা হয়?
যদি সেই যাত্ৰাৰ
কোনো লক্ষ্য নাথাকে।
হাঁহিলেইতো, আনন্দ
কৰাতো নুবুজায়
যদি সেই হাঁহিত
কোনো প্ৰাণ নাথাকে। ■



# মই ভবাৰ দৰেই সকলো নহয়

☛ **নিপন ৰাজখোৱা**
চতুৰ্থ ষান্মাসিক

সেইজীয়া বননিৰে ভৰি থাকিলেই ধাননি নহয়,
নীলা পানীৰে উপচি থাকিলেই সাগৰ নহয়,
আকাশত উৰি ফুৰিলেই
চৰাই নহয়।
মই ভবাৰ দৰে সকলো নহয়।
গান গাব পাৰিলেই গায়ক নহয়,
নৃত্য কৰিব জনা সকলো নৰ্তকী নহয়,
মই ভবাৰ দৰে সকলো নহয়।
কবিতা লিখিব জানিলেই তেওঁ কবি নহয়,
চিকমিকাই থাকিলেই কোনো বস্তু মুকুতা নহয়
মই ভবাৰ দৰে সকলো নহয়। ■



# English Section

# The Role of Draupadi in Mahabharata

☛ **Kabyashree Saikia**
B.A. 2nd Semester

**Introduction :**

In the epic Mahabharata, Draupadi is the daughter of king Drupada, originally known as Krishna due to her dark complexion. For many years Drupada the king of Panchala had no children so, to have children he performed austerities. He thought only of God, day and night and prayed to him. God blessed him and two children were born out of the heaven fire lit by drupada. Here to fulfil his determination of vengeance against Dronacharya his enemy, through death. The first to emerge out of the holy prayer was a son called Dhristadyumna and the second a daughter called Draupadi. She was extremely beautiful, intelligent and virtuous women with her body smelling like fresh bloom lotus. She also known as Panchali, Yajnaseni and Drupadkanya. Arjuna won at the archery competition. As soon as the brothers arrived home with Draupadi they asked their mother Kunti, to take a look at what they had brought home, without looking she asked them to share it equally among themselves. In order to obey their mothers order the five Pandavas accepted Draupadi as their wife without discussing it with her or asking for her consert.

In the game of dice, Shakuni had always wanted to bring his cousin down. Together with his brothers friend Karna and Shakuni called the Pandavas to a place called Hastinapura to play a game of dice. In the game of dice, Yudhisthira lost all his wealth and kingdom, in the stakes. He went on to put each of his brothers at stake and lost them too. Ultimately he put himself at stake and lost again. All the Pandavas became servents of Kauravas. Yudhisthira put Draupadi as a bet for the next round. Shakuni won this round too, and Duryodhana commanded his younger brother Dushasana to present Draupadi at the forum. Dushasana braged into Draupadi's living quarters. She bagged him not to take her to the court filled with dignitaries. But Dushasana grabbed her by the hair and presented her into the court.

Draupadi repeatedly questioned the right of Yudhisthira to place her at stake when he himself has lost his freedom in the first place. No one could give her answer. Then everybody present Duryodhana ordered his brother to strip Draupadi of her Sari. Dushasana procceded to obey the



order and starts disrobing Draupadi. On the realization that her husband's were unable and unwilling to come to her resuce, Draupadi started praying to Krishna to protect her. Krishna answered her prayer and a miracle occurred in front of everyone's eyes. Instead of being stripped naked, Draupadi's sari kept getting extened as Dushasana unwrapped layers and layers of it. In the meantime, Draupadi was last in prayer and was oblivious for her surroudings. Finally an exhausted Dushasana gave up his effort and fell to the ground. This way Draupadi was protected from being himiliated in front of the entire congrogation. Following the subsequent episodes Draupadi and the Pandavas are exiled for 13 years. In the game of dice, Dhritarashtra who granted Draupadi three boons. Draupadi in her first boon asked her husbands to be freed from bondage. In her second boon she asked for all the wealth Pandavas had lost in the game of dice to be restored to them. Draupadi refused the theird boon.

In conclusion, Draupadi and the Pandavas are exlied for 13 years. Draupadi found strength in herself to fight the injustices meted on to her by cruel males in a male dominated society. It is because of that resilience and valour displayed by Draupadi that transforms her into paragon of gender and resistance. ■



# Sudraka's Mrichchhakatikam

☛ **Basumati Das**
B.A. 2nd Semester, English honous

Sudraka was an ancient Indian writer, who wrote the three Sanskrit plays Mrichchhakatika, Vinavasavadatta and Padmaprabhritaka. According to the prologue of Mrichchhakatika, Sudraka was a king. Mrichchhakatika also known as 'The little Clay Cart' is a Prakarana include different elements like romance, humor and pobitical tension. The play Mrichchhakatika took place in Ujjayini, during the period of king Palaka. The hero of the play Charudatta, is a poor Brahmin, who has lost his wealth for his helping nature massive charities. And the heroine of the play, Vasantasena, a courtesan. The play is about the love story of Charudatta and Vasantasena.

In the starting of the play, Charudatta is seen to be crying infront of Sutradhara over his poverty as he is not able to help people through his wealth. Charudatta is a married man and has a son. His wife is Dhuta and son named Rohasena. Yet he has love feelings for Vasantasena. Vasantasena is a wealthy courtesan and is in love with Charudatta since the first time she saw him. Vasantasena is a self-confident and independent woman. She knows what she wants and doesn't let herself to be as everybody's property.

Samsthanaka, king's brother-in-law is after vasantasena and tries to pursue her. One day evening, when Samsthanaka and his men are following Vasantasena when she is carrying her jewelry, she enters charudatta's house to save herself from them and she gives jewelry to Charudatta promising to come back to take them again. And the next day, when Vasantasena visits Charudatta's house she meets his son Rohasena, crying for a golden car like his neighbour kid. Seeing this Vasantasena overwhelmed with emotions and left her jewelry inside Rohasena's little clay eart. But, Sarvitake, the lover of Madanika steals the jewelry from Charudatta's house to free his lover Madanika, who is a slave of Vasantasena. As the jewelry was stealed, instead of those jewelry Charudatta sends a necklace of Dhuta to Vasantasena. In the next morning, Charudatta sends a carriage of Vasantasena to drop her at the Pushparandaka. But by mistook, she gets o Smsthanaka's a carriage without recognizing it.

On the other hand, Aryaka is captured in the dungeon by the rulling king in a fear of being uprooted from his position. Charudatta finds Aryaka hiding in the carriage that he is travelling in. Charudatta decides to help the rebel and the guards let the carriage pass inside.

Then when Vasantasena reaches the garden, Samsthanaka is very glad to see Vasantasena in his carriage. He tries to pursue her and tries to strangle Vasantasena in order to take away her life. He then blamed Charudatta that he has killed Vasntasena for her jewels. For which Charudatta is accused guilty and ordered to death by the king Palaka. The orders Charudatta to execute him and he is taken to the execution ground.

When Charudatta is taken to the execution ground, Vasantasena retruns. When she hears that her lover is going to die. She dashes into the execution-ground and saves him.

On the other hand, Aryaka has killed the king Palaka and becomes the king of Ujjayini. Since once Charudatta has helped Aryaka, so he offers the king of Kusavati to him.

The king's men catch Sakara and he begs for mercy to Charudatta. He forgive him. Thus the play ends and Ujjayini has got a deserving king. ■




# Indian English Poetry : An Overview

☛ **Dr. Nalini Bora**
Assistant Professor, Department of English

The poetry written by Indian writers in the English language is termed as Indian English Poetry. It is the oldest form of Indian writing in English. In this context, mention may be made of the opinion of Pankaj Mishra in the Times Literary Supplement: "Indian Poetry in English has a longer and more distinguished tradition than Indian fiction in English". Indian English poetry has brought revolutionary changes into Indian literary scenario. Henry Louis Vivan Derozio is considered as the pioneer of Indian English Poetry. The credit of writing the first modern Indian English poem goes to Nissim Ezekiel.

Indian English Poetry has been divided into three phases-the Imitative (1850-1900), the Assimilative (1900-1947) and the Experimental (1947- ). The first phase that is the Imitative is called so as the poets like Henry Louis Vivan Derozio, Michael Madhusudhan Dutt, Toru Dutt, Monmohan Ghosh etc. imitated the English Romantic poets such as Wodsworth, Coleridge, Shelley, Keats, Byron etc. The poetry of this

phase has reflected theme, form and style of the English Romantic poems. To illustrate, Derozio's poem 'Freedom to the Slave' resemblances to Shelley's poem 'Ode to Liberty'. We can quote a few lines from Derozio's poem 'Freedom to the Slave' :

> How felt he when he first was told
> A slave he ceased to be
> How proudly beat his heart when first
> He knew that he was free !

But there are many Indian matters in Toru Dutt's poetry. She wrote on the myths, legends, epics and tradition of her motherland India. Dutt's remarkable anthology of poetry is 'Ancient Ballads and Legends of Hindustan'. Toru Dutt's skill of expression and spiritual depth can be well conceived from the bellow quoted lines from the poem 'Lakshman' :

> Hark ! Lakshman ! Hark, again that cry!
> It is, it is my husband's voice !
> Oh hasten, to his succour fly,
> .......................................
> ......................................
> Here with an arrow, lo, I trace
> A magic circle ere I leave,
> No evil thing within this space
> May come to harm thee or to grieve.
> Step not for ought, across the line...

हिन्दी शब्द बास्तव में सिन्धु शब्द का प्रतिरूप है। हिन्दी शब्द की निष्पति सिन्धु, सिंध से हुई है क्योकि ईरानी भाषा मे ‘स’ को ‘ह’ बोला जाता है। कालांतर मे हिंद शब्द सम्पूर्ण भारत का पर्याय बनकर उभरा इसी ‘हिंद’ से हिन्दी शब्द बना। आज हम जिस भाषा को हिन्दी के रूप में जानते है वह आधुनिक आर्य भाषाओ में से एक है। आर्य भाषा का प्राचीनतम रूप वैदिक संस्कृत है, जो साहित्य की परिनिष्ठित भाषा थी। वैदिक भाषा में वेद, संहिता एंव उपनिषदो- वेदेतं का सृजन हुआ है। वैदिक भाषा के साथ-साथ ही बोलचाल की भाषा संस्कृत ती, जिसे लौकिक संस्कृत भी कहा जाता है। संस्कृत का बिकास उतरी भारत मे बोली जाने वाली वैदिककालीन भाषाओ से माना जाता है। अनुमानत : ८ वी. शताब्दी ई. पूं. मे इसका प्रयोग साहित्य में होने लगा था। संस्कृत भाषा में ही रामायण तथा महाभारत जैसे ग्रन्थ रचे गये। वाल्मीकि, व्यास, कालिदास, अश्वघोष, भारवी, माघ, भबभूति, विशाख, मम्मट, दंडी तथा श्रीहर्ष आदि संस्कृत की महात बिभूतियाँ है। इसका साहित्य विश्व के समृद्ध साहित्य में से एक है। संस्कृतकालीन आधारभूत बोलचाल की भाषा परिवर्तित होते-होते ५०० ई. पू. के बाद तक काफी बदल गई, जिसे ‘पालि’ कहा गया। महात्मा बुद्ध के समय मे पालि लोक भाषा ती और उन्होंने पालि के द्वारा हो अपने उपदेशौ का प्रचार-प्रसार किया। संभवत यह भाषा ईसा की प्रथम इसवी तक रही। पहली ईसवी तक आते-आते पालि भाषा और परिवर्तित हुई, तब इसे ‘प्राकृत’ की संज्ञा दी गई। इसका काल पहली ई. से ५०० ई. तक है। पालि की विभाषाओ के रूप मे प्राकृत भाषाये-परिचमी, पूर्वी पश्चिमोतरी तथा मध्य देशो, अब साहित्यिक भाषाओ के रूप में स्वीकृत हो चुकी थी, जिन्हे माघधो, शौरसेती, महाराष्ट्री, पैशाची, ब्राचड़ तथा अर्धमागधी भी कहा जा सकता है। आगे चलकर, प्राकृत भाषाओ के क्षेत्रीय रूपो से अपभँश भाषाये प्रतिष्ठित हुई। इनका समय ५०० ई. से २००० ई. तक माना जाता है। अपभंश भाषा साहित्य के मुख्यत: दो रूप मिलते है पश्चिमी और पूवी। अनुमानत २००० ई. के आसपास अपभंश के विभिन्न क्षेत्रीय रूपो से आधुनिक आर्य भाषाओ का जन्म हुआ। अपभंश से हिन्दी भाषा का जन्म हुआ॥ आधुनिक आर्य भाषाओं में, जिनमे हिन्दी भी है, का जन्म २००० ई. के आसपास ही हुआ था, किंतु उस मे साहित्य रचना का कार्य ११५० या इसके बाद प्रारम्भ हुआ। ■



# असम में भक्ति आन्दोलन

☛ **प्रशांत लस्कर**
सहकारी अध्यापक, हिन्दी विभाग

**भ**क्ति का स्वरूप–संस्कृत 'भज' धातु के साथ 'क्तिन' प्रत्य के संयोग से 'भक्ति' शब्द का उत्पति हुआ। 'भजन' भक्ति अर्थात् भगवान के प्रति परम अनुरक्ति ही भक्ति है। भक्ति ग्रन्थों में 'भक्ति' की अनेक परिभाषाएँ एवं उनकी विषद व्याख्या प्रस्तुत की गई है। श्रीमद्भागवत, गीता, नारदभक्तिसूत्र, भक्तिरसायन आदि प्रमुख ग्रन्थों मे 'भक्ति' के तात्विक विवेचन किया गया है।

श्रीमद्भागवत में उल्लेख है –

''सवै पुंसां परो धर्मो यतो भक्ति रधोक्षजे।
अहैतुक्य प्रतिहता ययात्मा सम्प्रसीदति॥' 126

अर्थात् भगवान श्रीकृष्ण के प्रति भक्ति ही मनुष्यों के लिए सर्वश्रेष्ठ धर्म है। वह श्रेष्ठ भक्ति हेतुरहित निष्काम एक निष्ठायुक्त अनवरत प्रेम और सेवा मनोभाव निहित है जिसे आत्मा प्रसन्न होती है। नारदभक्तिसुत्र में उल्लेख हैं–

''सा त्वस्मिन परमप्रेमरुपा। अमृतस्वरुपा च।
यल्लब्ध्वा पुमान सिद्धो भवति अमृतों भवति नृप्तो भवति॥ 26

अर्थात् ईश्वर के प्रति परम प्रेम ही भक्ति है जो अमृतस्वरूपा है। उसे प्राप्त करके मानव सिद्धहोता है, अमर और तृप्त होता है। अपने इष्ट देव के प्रति प्रेम के साथ साथ श्रद्धा की भावना का संयोजन ही भक्ति है। वस्तुत:

भक्ति आत्मा की भागवत चेतना है जो स्वत: ही मानव हृदय में पल्लवित व पुष्पित होती है।

**भक्ति आन्दोलन का इतिहास :**

भारतीय भक्ति आन्दोलन का बहुत ही महत्वपूर्ण एवं लम्बा इतिहास रहा है। भारतीय सभ्यता एवं संस्कृति के विकास के समय से लेकर मध्यकालीन भक्ति आन्दोलन के काल तक भक्ति भावना का विकास कई अवस्थाओं में हुआ है। डॉ. बच्चन सिंह जी ने 'हिन्दी साहित्य का दूसरा इतिहास' में लिखा है – 'भक्ति आन्दोलन इतना व्यापक गहरा लोकोन्मुखी और प्रभावशाली था कि इसे देखकर किसी का आश्यर्यचकित् हो जाना अस्वाभाविक नहीं है। यह पहला भारतीय नवजागरण था जो कश्मीर से लेकर कन्याकुमारी और गुजरात से लेकर असम तक फैला हुआ था। हिन्दी साहित्येतिहास में सं. 1375 से 1700 वि. तक भक्तिकाल माना जाता है। भारतीय भक्ति आन्दोलन मध्यकालीन भारतीय परिस्थिति की उपज है। राजनीतिक सामाजिक आर्थिक, धार्मिक और सांस्कृतिक परिस्थितियों की दयनीय अवस्था में भक्ति आन्दोलन उभरकर सामने आया था। ऐसी विषय परिस्थितियों में भारत के विभिन्न प्रान्त-प्रदेशों के संतों, महात्माओं, कवियों ने अपनी अमर वाणी के माध्यम से भक्ति का मार्ग अपनाया और समाज में शांति स्थापना के लिए अथक प्रयास किया। भारतीय भक्ति धारा साधारणत: दक्षिण भारत से प्रवाहित माना जाता हैं। (पृ.– 129)

डॉ. नगेन्द्र ने 'हिन्दी साहित्य का इतिहास' में लिखा है– ''वैदिक भक्ति परम्परा के समान्तर दक्षिण भारत में द्रविड़-संस्कृति गर्भित पृथक भक्ति परम्परा का सुत्रपात हो चुका था। यह परम्परा ईसा पूर्व कई शताब्दियों से चली आ रही थी, जिस में शरणागति और समर्पण की भावना प्रवलरूप में पायी जाती थी और जो कालान्तर में दाक्षिणात्य के आचार्यो द्वारा उत्तर भारत में भी लोकप्रिय बनी।'' (पृ– 88)

इस प्रकार देखा जाता है कि यह भक्ति धारा दक्षिण से होकर उत्तर भारत से असम तक प्रवाहित हुई।

**असम में भक्ति आन्दोलन :**

हिन्दी साहित्य इतिहास में भक्ति आन्दोलन का महत्वपूर्ण स्थान है। यह केवल एक धार्मिक आन्दोलन ही नहीं बल्की एक महत्वपूर्ण साहित्यिक आन्दोलन भी कहा जा सकता है। मानवतावादी समाज सुधारक कवि संतों में से रामानन्द, नामदेव, कबीर, तुलसी, चैतन्य, देव, मीराबाई, शंकरदेव, माधवदेव आदि के नाम उल्लेखनीय है।

भारत के पूर्वप्रान्त में स्थित पवित्रभूमि असम में 1400 ई. में श्रीमन्त शंकरदेव ने नववैष्णव धर्म का प्रवर्तन किया था। उसी समय असम के विभिन्न उपजाति, जाति-जनजातियों में प्रचलित सामाजिक रीति-रिवाज, नीति-नियम, कुसंस्कारों से ग्रासित हुई थी। उच्च-नीच, अनीति, आत्याचार से ग्रसित उस समाज में ही महापुरुष श्रीमन्त शंकरदेव हमारे बीच आए। असमीया जातीय जीवन में श्रीमन्त शंकरदेव का योगदान अत्यन्त महस्तपूर्ण रहा। श्रीमन्त शंकरदेव केवल असम के ही नहीं समग्र भारतवर्ष के लिए बहुआयामी और उज्ज्वल व्यक्तित्व के अधिकारी थे। असमीया समाज संस्कृति के आप एक आलोक स्तम्भ है। श्रीमन्त शंकरदेव सच्चे अर्थ में एकाधार समाज सुधारक, कलाकार, नाटककार, दार्शनिक, संगीतज्ञ, कवि, चित्रकार और नववैष्णव धर्म प्रचारक संत थे।

प्राचीन असम में शैव तथा शाक्त मत का बोलवाला था। उसी समय राजा बाण से लेकर अनेक आहोम राजाएँ शाक्त धर्म के अनुगामी थे, तात्रिक और शक्तिपूजा के साथ साथ यहाँ योनी-पूजा, कुमारीपूजा आदि भी प्रचलित थी। इतना ही नहीं शाक्त मन्दिरों में नरबलि तक दी जाती थी। परिणाम स्वरूप समाज में खुलेआम व्यभिचार चलने लगा था। श्रीमन्त शंकरदेव ने ऐसे भ्रष्ट समाज को तथा समस्त उत्तर पूर्वांचल को अज्ञान अंधकार से मुक्ति दिलाकर आलोकित किया कि उसका प्रभाव आज तक असमीया जाति गठन प्रक्रिया में देखने को मिलते है। उनके द्वारा रचित बरगीत, नाटक, ग्रन्थ तथा वाणी, उपदेश आदि का महत्व 'नाम प्रसंग' में उल्लेख इस प्रकार हैं –

''कि नामे बांधिला भेटि शंकर गुरु
कि नामे बांधिला भेटि।
तुमार गीते माते कविता सुरेरे
आमि असमीया जाति।''

उसी प्रकार भारतीय वैष्णव आन्दोवन के महानायक श्रीमंत शंकरदेव ने इस पूण्यभूमि भारतवर्ष में अन्मा हेतु मनुष्य मात्र को धन्य मानते हुए कहा –

"धन्य धन्य कलि काल
धन्य नरतनु भाल
धन्य धन्य भारतबरिष।"

श्रीमद्भागवत और श्रीमद्भागवत पूरान आपके भक्ति मार्ग का आधार ग्रन्थ था। शंकरदेव अपने प्रथम तीर्थाटन के बाद भक्ति आन्दोलन से अधिक प्रभावित हुए। तीर्थाटन में वे संत कवि कबीर दास जी से भी मिले थे। इसी समय ही समाज संस्कार तथा मानवता और ईश्वर भक्ति भावना उनके मन में अधिक उभरकर आयो। वे विश्वास रखते है कि सामाजिक और आध्यात्मिक विकास केवल धर्म के द्वारा ही सम्भव है। सामाजिक एकता और धर्म संस्कृति विकास तथा प्रचार-प्रसार के लिए 'नामघर' की प्रतिष्ठा की। श्रीमंत शंकरदेव का कृतित्व बहुआयामी हैं। उसका वर्गीकरण कई दृष्टियों से किया जा सकता है। आपके साहित्यिक रचनावली को अध्ययन की सुविधा के लिए छह भागों में इस प्रकार बांटा गया है –

1. अनुवादमूलक ग्रन्थ : श्रीमद्भागवत के प्रथम, द्वितीय, षष्ठ, अष्टम, दशम, एकादश और द्वादश अध्याय और उत्तरकाण्ड रायायण।

2. काव्य ग्रन्थ : हरिश्चन्द्र उपाख्यान, रुकमीणि हरण, अजामिल उपाख्यान, बलिचलन, अमृत मन्थन, कुरुक्षेत्र काव्य, ग्राह-गजेन्द्र उपाख्यान।

3. नाटक : पत्नी प्रसाद, पारिजात हरण, केलि गोपाल, कालीय दमन, रुक्मीणि हरण, राम विजय।

4. गीत : बरगीत, भटिमा, टोटय. छप्पय।

5. नाम प्रसंग : कीर्तन घोषा, गुण माला।

6. भक्तिमूलक : भक्ति प्रदीप, भक्ति रत्नाकर, अनादि पातन, निमि नव सिद्धि संवाद।

शंकरदेव द्वारा विरचित साहित्यिक रचनावली ने असमीया साहित्य भण्डार का अधिक समृद्धिशाली बनाया। वे ब्रजबुलि में लिखते थे। इतना ही नहीं महापुरुष शंकरदेव ने विद्यालय (उसी समय 'टोल' कहा जाता था) में कदम रखते ही केवल व्यंजन वर्ण का ज्ञान प्राप्त करके बगैर मात्राओं की एक भावपूर्ण सुन्दर कविता की रचनाकर डाली, जिससे आचार्य महेन्द्र कन्दलि जी आश्चार्य चक्ति हुए बिना न रह सके। जैसे –

"करतल कमल कमल दल नयन।
भबदब दहन गहन वन शयन॥
नपर नपर पर सतरत गमय।
सभय मभय भय ममहर सततय॥
खरतर बरशर हत दशवदन।
खगचर नगधर फनधर शयन॥"

महापुरुष श्रीमंत शंकरदेव के द्वारा प्रवर्तित नववैष्णव धर्म की विशेषताओं पर चर्चा करते हुए झर्णा देवी ने 'भक्ति आन्दोलन और राष्ट्रीय एकता' में इस प्रकार उल्लेख किया है –

1. नववैष्णव दर्म के मूल आधार चरीत्र विष्णु के पूर्ण अवतार श्रीकृष्ण है। विष्णु के अवतार में श्रीराम का स्थान भी महात्वपूर्ण माना जाता है।

2. नवधा भक्ति में से श्रवण-कीर्तन को श्रेष्ठ माना जाता है।

3. तीर्थाटन और पूजा पाठ को महत्व नहीं दिया गया है।

4. वात्सल्य और दास्य भाव को सर्वाधिक महत्व दिया गया है।

5. भक्ति मार्ग के मूल आधार ग्रन्थ है श्रीमद्भागवत गीता और श्रीमद्भागवत पुराण।

6. याग-यज्ञ, तप, तपस्या आदि कतई स्वीकार नहीं किया गया है।

7. धर्म के माध्यम से सामाजिक सम्प्रीति, दया, अहिंसा और पर्यावरण, विश्वबन्धुत्य आदि भाव प्रसार करना।

8. जाति भेद प्रथा, वर्ण व्यवस्था, भाषा की भिन्नता आदि का नववैष्णव धर्म में स्थान नहीं हैं। (पृ-64-65)

श्रीमंत शंकरदेव के नववैष्णव धर्म की प्ररम्परा उनके कई भक्तों ने उनके वैकुण्ठ प्रयाण के वाद प्रचार-प्रसार में तल्लीन रहते हुए श्रीमंत शंकरदेव के विचारधारा को आगे बढ़ाया। इनमें से उल्लेखनीय है रामराम गुरु, माधवदेव, रामदास, नारायण ठाकुर, नरोत्तम, रामराय, सत्यानन्द, दामोदर देव, कण्ढ भूषण, गोविन्द, परमानन्द, चांदखाई आदि।

श्रीमंत शंकरदेव के बहुमुखी प्रतिभा का गंभीर अध्ययन करते हुए शंकरी साधक, गवेषक, बापचन्द्र महन्त ने अपने ग्रंथ 'ऐतिहासिक पटभूमित महापुरुष शंकरदेव' में

लिखा है – 'शंकरदेव केवल एक धर्म प्रचारक नहीं थे। वे असम के साहित्य, संस्कृति जगत में एक उज्ज्वल नक्षत्र है। वे सांस्कृतिक जगत से जुड़े हुए एक महापुरुष, युग प्रवर्तक, महान कलाकार, दार्शनिक और चिर नमस्य व्यक्ति हैं। शंकरदेव के विचारधारा धर्म–भावना और कार्यावली इतनी गंभीर है, जिसका मूल्यायन हमारे लिए संभव नहीं है।' (पृ–10)

ऐसे सर्वगुण सम्पन्न महापुरुष श्रीमंत शंकरदेव के वंदना से आज समग्र वातावरण गुंज रहा है।

श्रीमंत शंकरदेव का मूलभ्त आदर्श है, मनुष्य को सच्चे अर्थ में मनुष्य बनाना। मानव जीवन को सार्थक बनाने का मार्ग दिखाना। उसी कारण शंकरदेव ने जितना महत्व अशिक्षित, उपेक्षित और निम्न वर्ग को दिया, तथाकथित उच्च वर्ग और राजा सामंतों को नहीं दिया। इसी कारण शंकरदेव के मूलभूत आदर्शो पर विचार करते हुए राम निरंजन गोवेंका जी ने अपने ग्रंथ महापुरुष श्रीमन्त शंकरदेव में लिखा है – ''असम में सबका बराबर समता के स्थिति तक पहुँचाने का भक्ति की सैद्धांतिक भावभूमि पर एक महाजाति निर्माण करा, सबको श्रेय माग पर लाने का उनका प्रयास था। भले ही आगे चलकर उनके अनुयायी उस आदर्श का पालन करने में अपेक्षित उदारता और दृढ़ता नहीं दिया सके और शंकरदेव का धर्म, समाज संगठन को उनके आदर्श अनुसार रूप न मिल मिल सका पर शंकरदेव का मूलभूत आदर्श अब भी समग्र मानव समाज के लिए बना हुआ है और आगे भी बना रहेगा।'' (पृ–29)

निष्कर्ष रूप में हम कह सकते हैं कि भक्ति रुपी पावन जलधारा को भारतवर्ष का उत्तर–पूर्व प्रांत असम में प्रवाहित हुआ, जिसका सूत्रधार थे महान वैष्णव संत महापुरुष श्रीमंत शंकरदेव। उन्होंने विभिन्न जाति जनजातियों, संस्कृतियों के इस पवित्र भूमि को भारतीयता की चेतना से भी संजीवित किया। आज भी महापुरुष श्रीमंत शंकरदेव की कीर्तिगाथा भारतीय धर्मचेतना का अभिन्न, अखंड रूप में रहा और आगे भी रहेगा। ■

**आधार ग्रंथ :**


1. भक्ति आन्दोलन और राष्ट्रीय एकता, सम्पादक द्वय – जीवकांत नाथ और रामजीतन चौहान।
2. हिन्दी काव्य में भक्ति–स्वरूप, डॉ. नित्यानन्द शर्मा
3. ऐतिहासिक पटभूमित महापुरुष शंकरदेव बापचन्द्र महंत
4. श्रीश्री शंकरदेव आरु श्रीश्री माधवदेव, लक्ष्मीनाथ बेजबरुवा
5. हिन्दी साहित्य का इतिहास, सम्पादक – डॉ. नगेन्द्र
6. महापुरुष श्रीमंत शंकरदेव, राम निरंजन गोवेनका




# धैर्य

☛ **भवानी प्रजापति**
चतुर्थ षान्मासिक, शिक्षा विभाग

**म**हात्मा बुद्ध को एक सभा में भाषण देना था जब समय हो गया तब महात्मा बुद्ध आऐ और बिना कुछ बोले ही वहाँ से चले गये। तकरीबन एक सो पचास के करीब श्रीता थे। दूसरे दिन तकरीबन सौ लोग थे, पर उसदिन भी बुद्ध बिना कुछ बोले चले गये। तिसरा दिन क्या साठ के करीब लोग महात्मा बुद्ध आऐ इधर-उधर देखा और बिना कुछ बोले वापिस चले गये। चौथा दिन हुआ तो कुछ लोग और कम हो गये तब भी बुद्ध कुछ नहीं बोले जब पांचवें दिन हुआ तो देखा सिर्फ चौदह लोग थे। महात्मा बुद्ध उसदिन भाषण दिया और चौदह लोग उनके भाषण में सामिल हुए।

उनमें से किसी एक ने पूछा आपने चारदिन कुछ नहीं बोले, इसका क्या कारण था। तब बुद्ध ने कहा मुझे भीड़ नहीं काम करने बाले चाहिए था। यहाँ वो लोग हो टिक सकेगा जिसमें धैर्य है। और जिसमे धैर्य था वह रह गए।

केवल भीड़ ज्यादा होना से कोई काम नहीं होता, समझने वाले चाहिए, तमशा देखने वाले रोज इधर-उधर ताक-झाक करते है। समझ ने वाला धीरज रखता है। कई लोगों की दुनिया का तामाशा अच्छा लगता है। समझने वाला सायद एक हजार में एक ही होता है जो वास्तव में ऐसा ही देखा जाता है। ■



# कलम

☛ **भारती प्रजापति**
चतुर्थ षान्मासिक, राजनीति विज्ञान बिभाग

मैं कलम हूँ।
मेरे जरिए तुम लिखा करो।
मुझमें स्याही दालकर
सफेद पन्नों को रंगीन करो।

मैं कलम हूँ।
अगर किसी बच्चे के हाथों ने मुझे स्पर्श किया,
तो मैं उसे लिखना सिखाअगीं।
उसे हिम्मत दूंगो, कि तुम लिखी
अपना नाम रोशन करो।
कुछ इस तरह लिखो कि अगली सौ पीढ़ो तक
तुम याद रहे।

लिखना आसान होता है,
बस दिल की पुकार सुनी।
कामयाबी तुम्हारे हाथो में है,
बस थोड़ा ओर मेहनत करों।
अन्याय के विरुद्ध तुम लिखा करो,
न किसी से तुम डरा करो।
सबसे शक्तिशाली अस्त्र तुम्हारे पास है,
बस सही राह पर तुम चला करी। ■

# मैं एक सैनिक हुँ

☛ **सुमन बरा**
विद्यार्थी हिन्दी विभाग

हाँ, मैं एक सैनिक हुँ...
ना मेरे कोई ठिकाना
ना है कोई मेरा यार।
जिंदा हु सिर्फ ...
देश की रक्षा के लिए
सह के दुशमनों का वार।
यह मेरे देश की मिट्टी
कसम है मुझे तेरी
जब तक ना कर हु ...
खतम दुशमनीं की टीली,
है मेरी जान
सामने हाजिर तेरी।
जिन्दगी सैनिक की
हीती है एक खेल,
अगर मिट गए
इस घरती पर
तब विछड़ जाओगे
अपनीं से ... इसलिए
ना खाना यारीं...
अपने परिवारों से मेल॥ ■



# मेरा देश

☛ **महानन्द बरदलै**
बुरञ्जी बिभाग

आजादी की कभी शाम ना
होने देंगे
शहीदो की कुर्बानी
बदनाम न होने देंगे
बची ही जब तक भी
बूंढ लहु की रगो में
तब तक भारत माता का
आँचल नीलाम न होने
देंगे...
बन्दें मातरम।
भारत माता की जय... ■



# অন্যান্য শিতান



# সভাপতিৰ প্ৰতিবেদন...

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহানুভৱ ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টাৰ ফলত কামপুৰ মহাবিদ্যালয়ৰ দৰে এক মহান আনুষ্ঠানৰ জন্ম হ'ল সেই সকললৈ মোৰ সহস্ৰ প্ৰণাম জনাইছোঁ। দ্বিতীয়তে কামপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় শ্ৰদ্ধাৰ ড° অসীম বৰা ছাৰৰ লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বহু হেঁপাহ বুকুত বান্ধি কামপুৰ মহাবিদ্যালয়ৰ ২০২১-২০২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সভাপতিৰ পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলোঁ আৰু এই নিৰ্বাচনত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে হয়তো মোৰ ওপৰত সম্পূৰ্ণ আস্থা ৰাখিছিল, বিপুল ভোটত মই জয়লাভ কৰিবলৈ সক্ষম হৈছিলোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই ছাত্ৰ একতা সভাৰ উদ্যোগত ২০২১-২০২২ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ' ২,৩,৪ ফেব্ৰুৱাৰী তাৰিখে আয়োজন কৰিছিলোঁ। মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা সকলো অনুষ্ঠান তথা কাৰ্যসমূহ আন আন বিভাগৰ বিষয় ববীয়া সকলৰ সৈতে মিলি মই তদাৰক কৰিছিলোঁ আৰু প্ৰতিটো অনুষ্ঠানেই যাতে নিয়াৰিকৈ সম্পন্ন হয় তাৰ ওপৰত সততে দৃষ্টি ৰাখিছিলোঁ।

ইয়াৰ পিছতে ৫ ফেব্ৰুৱাৰী, ২০২২ তাৰিখে শিক্ষক তত্বাৱধায়ক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত মহাবিদ্যালয়ৰ পৰম্পৰা অনুসৰি শিক্ষাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজা অনুষ্ঠিত কৰিছিলোঁ। পূবাৰ ভাগত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পূজাৰ নিৰ্মালি গ্ৰহণ আৰু দুপৰীয়া ভাগত খিচিৰি আৰু পায়সৰ ব্যৱস্থা কৰা হয়। মহাবিদ্যালয়ৰ NSS গোটৰ উদ্যোগত ৯ ফেব্ৰুৱাৰী, ২০২২ তাৰিখে মহাবিদ্যালয়ত আয়োজিত বিনামূলীয়া চকু পৰীক্ষা শিবিৰৰ সফল ৰূপায়ণৰ ক্ষেত্ৰতো আমাৰ ছাত্ৰ- একতা সভাৰ সদস্য সকলে সবল ভূমিকা গ্ৰহণ কৰে।

কামপুৰ মহাবিদ্যালয়ত বহু দিনৰে পৰা ছাত্ৰ-একতা সভাৰ স্থায়ী কাৰ্যালয় নাছিল। আমাৰ অধ্যক্ষ মহোদয়ৰ সৌহাদ্যপূৰ্ণ প্ৰচেষ্টাত মহাবিদ্যালয়ৰ পিছফালে থকা বিল্ডিঙটোৰ এটি কোঠালী আমাৰ ছাত্ৰ একতা সভাৰ কাৰ্য্যালয়ৰ কাৰণে সুব্যৱস্থা কৰি দিয়ে আৰু যোৱা ইং ১৪ ফেব্ৰুৱাৰী, ২০২২ তাৰিখে কাৰ্যালয়টো মুকলি কৰা হয়।

ৰঙালী বিহু অসমীয়া জাতিৰ উৎসৱ। এই উৎসৱত ডেকা-গাভৰু সকলোৱে মিলি ৰং আনন্দ কৰে, গীত নৃত্য কৰে। কামপুৰ মহাবিদ্যালয়ৰ বাকৰিতো যোৱা ইং ৭ মে, ২০২২ তাৰিখে "হেঁপাহৰ ৰঙালী উৎসৱ ২২" অনুষ্ঠিত হয়। এই উৎসৱত আমি শিক্ষাগুৰু তথা

উদ্‌যাপন সমিতিক সক্ৰিয় ভাৱে সহযোগিতা আগবঢ়াওঁ। এই উৎসৱত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে, চুবুৰীয়া কনিষ্ঠ মহাবিদ্যালয় আৰু বিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিহু দলেও অংশগ্ৰহণ কৰে।

মে' মাহৰ আৰম্ভণিতে নেৰানেপেৰা বৰষুণৰ ফলত সমগ্ৰ কামপুৰ অঞ্চল তথা কপিলী পৰীয়া ৰাইজক আবতৰীয়া বাণপানীয়ে বুৰাই পেলায়। ২০০৪ চনত হোৱা প্ৰলয়ংকাৰী বানপানীতকৈও এইবাৰৰ বানপানীয়ে ৰাইজক সকলোফালৰ পৰা কোঙা কৰি পেলালে। বানাক্ৰান্ত ৰাইজক কিছু পৰিমাণে সকাহ দিবৰ কাৰণে কামপুৰ মহাবিদ্যালয়ৰ শিক্ষাগুৰুৰ লগতে আমাৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলেও সহায় সহযোগিতা আগবঢ়ায়।

নৱ নিযুক্ত অধ্যক্ষ মহোদয় শ্ৰদ্ধাৰ ড° অসীম বৰা ছাৰে কামপুৰ মহাবিদ্যালয়ত নিযুক্তি লাভ কৰাৰে পৰা মহাবিদ্যালয়খনক কেনেদৰে সৌন্দৰ্যশালী কৰি তুলিব পাৰে তাৰে এক পদক্ষেপ হিচাপে যোৱা ইং ১ জুন, ২০২২ তাৰিখে মহাবিদ্যালয়ৰ চৌহদত বহু পৰিমাণৰ ফুল গছ ৰোপণ কৰা হয়। মহাবিদ্যালয়ৰ সৌন্দৰ্য বৰ্দ্ধনৰ বাবে লোৱা কাৰ্যসূচীত আমাৰ ছাত্ৰ একতা সভাৰ সদস্যসকলেও সহযোগিতা আগবঢ়াওঁ। প্ৰদূষণ মুক্ত পৰিৱেশৰ কাৰণে সমগ্ৰ পৃথিৱীত ৩ জুন তাৰিখে বিশ্ব চাইকেল দিৱস' পালন কৰে। আমাৰ মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী সকলেও হাতত প্লে কাৰ্ড লৈ, চাইকেল চলাই কামপুৰ চহৰত সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰে।

শেষত ৫ জুন তাৰিখে সমগ্ৰ বিশ্বতে বিশ্ব পৰিৱেশ দিৱস পালন কৰাৰ দৰে আমাৰ শিক্ষক আৰু ছাত্ৰ সমাজৰ যুটীয়া উদ্যোগত মহাবিদ্যালয়ৰ চৌহদত মূল্যবান গছ পুলি ৰোপণ কৰি বিশ্ব পৰিৱেশ দিবস উদ্‌যাপন কৰা হয়। ওপৰত মোৰ কাৰ্যকালত হোৱা কামসমূহৰ এটি চমু খতিয়ান দাঙি ধৰিলোঁ।

মোৰ এই এবছৰীয়া সীমিত কাৰ্যকালত মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰী সকলৰ অভাৱ অভিযোগৰ প্ৰতি সদায় গুৰুত্ব দিছিলোঁ। কিমান পাৰিলোঁ কিমান নোৱাৰিলোঁ এয়া আপোনালোকৰ বিচাৰ্য বিষয়।

আমাৰ মহাবিদ্যালয়ত সততে পৰিলক্ষিত হোৱা কিছুমান সমস্যাৰ বিষয়ে ছাত্ৰ একতা সভাই কৰ্তৃপক্ষৰ ওচৰত সঘনে আলোচনা কৰিছিলোঁ যদিও মহাবিদ্যালয়ৰ পুঁজিৰ অভাৱত এই সমস্যাবোৰ পূৰণ কৰিব পৰা নগ'ল। যেনে—

১। মহাবিদ্যালয়খনত উন্নত মানৰ প্ৰেক্ষাগৃহ এটি অতিকৈ প্ৰয়োজন। কাৰণ যিকেনো সভা অনুষ্ঠান আদি আয়োজন কৰিলে বহু টকা খৰচ কৰিব লগীয়া হয়।

২। মহাবিদ্যালয়ৰ খেল পথাৰৰ চাৰিসীমা উলিয়াই মহাবিদ্যালয়ৰ খেলপথাৰৰ মাজেদি যোৱা পথটিৰ স্থানান্তৰ কৰণ কৰা।

৩। বাইক, চাইকেল ষ্টেণ্ড নিৰ্মাণ কৰা।

৪। মহাবিদ্যালয়ৰ ছাত্ৰ আৰু ছাত্ৰী আৱাসৰ ব্যৱস্থা কৰা আদি পৰৱৰ্তী ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলে ওপৰোক্ত সমস্যাৰাজি সমাধানৰ ক্ষেত্ৰত গুৰুত্ব দিব বুলি আশা কৰিলোঁ।

শেষত মোৰ কাৰ্যকালত বিভিন্ন কামত দিহা পৰামৰ্শ সহায় সহযোগ আগবঢ়োৱাৰ কাৰণে কামপুৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰু ছাত্ৰ-ছাত্ৰী তথা বন্ধু বান্ধৱীৰ ওচৰত চিৰঋণী। এই চেগতে সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰু কৰ্মচাৰীবৃন্দ, বন্ধু বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা মাগিছোঁ। অনাগত দিনত কামপুৰ মহাবিদ্যালয়খনে উচ্চ শিখৰত আগবাঢ়ি যাওক। কামপুৰ মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি সভাপতিৰ প্ৰতিবেদন ইমানতে সামৰিছোঁ।

জয়তু কামপুৰ মহাবিদ্যালয়।

জয়তু কামপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

জয় আই অসম।

ধন্যবাদেৰে —

**শ্বহিদুল ইছলাম**

সভাপতি, ছাত্ৰ একতা সভা



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন...

জয়জয়তে যি সকল মহানুভৱ ব্যক্তিৰ আপ্ৰাণ চেষ্টাৰ ফলত কামপুৰ মহাবিদ্যালয়ৰ দৰে এক মহান গৌৰৱময় অনুষ্ঠানৰ জন্ম হ'ল সেই মহান ব্যক্তি সকললৈ মোৰ সহস্ৰ প্ৰণাম যাচিলোঁ। দ্বিতীয়তে ঐতিহ্যমণ্ডিত কামপুৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ শিক্ষাগুৰু ছাৰ-বাইদেউসকললৈ মোৰ প্ৰণিপাত জনাইছোঁ।

বৃহত্তৰ কামপুৰ অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান কামপুৰ মহাবিদ্যালয়ৰ ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দৰে গুৰুত্ব পূৰ্ণ পদত এই অভাজনক নিৰ্বাচন কৰি মহাবিদ্যালয়ৰ সেৱাৰ সুযোগ প্ৰদান কৰাৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে মোৰ বন্ধু বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সাধাৰণ সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্বভাৰ গ্ৰহণ কৰিয়েই ছাত্ৰ একতাৰ সভাৰ উদ্যোগত ২০২১-২২ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ সমাৰোহ তিনিদিনীয়া কাৰ্যসূচীৰে ফেব্ৰুৱাৰী মাহৰ ২ তাৰিখ, বুধবাৰৰ পৰা ৪ তাৰিখলৈ আমি জাক-জমকতাৰে অনুষ্ঠিত কৰোঁ। অনুষ্ঠিত হোৱা এই সমাৰোহত আমি ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক, শাৰীৰিক আৰু সাংস্কৃতিক দিশত উন্নতিৰ বাবে নানান প্ৰচেষ্টা হাতত লৈছিলোঁ। সাংস্কৃতিক দিশত সাংস্কৃতিক সম্পাদকৰ সহায়-সহযোগিতাত আমি কেইবাটাও অনুষ্ঠান তথা প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। তৰ্ক শাখাৰ সম্পাদক আৰু তত্বাবধায়কৰ সহায়-সহযোগিতাত এখনি তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ।

তিনি গৰাকী খেল সম্পাদক আৰু তিনি গৰাকী তত্বাৱধায়কৰ সহায় সহযোগিতাত বিভিন্ন খেল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

পৰৱৰ্তী সময়ছোৱাত সৰস্বতী পূজা, বিশ্ব পৰিৱেশ দিৱস, এখনি মুকলি বিহু প্ৰতিযোগিতা, বিশ্ব বাইকচাইকেল দিৱস আদি নানা ধৰণৰ অনুষ্ঠান সুচাৰোৰূপে অনুষ্ঠিত কৰা হৈছিল। আমাৰ কাৰ্য কালত ছাত্ৰী জিৰণি কোঠাৰ বিভিন্ন ধৰণৰ সমস্যা সমাধান কৰিবলৈ সক্ষম হৈছিলোঁ। লগতে কৰ্তৃপক্ষৰ সকলৰ সহযোগত ছাত্ৰ আগৰ প্ৰস্ৰাৱাগাৰটোকে উন্নত কৰা কাম হাতত লৈছিলোঁ।

মোৰ এই এবছৰীয়া সীমিত কাৰ্যকালত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ অভাৱ অভিযোগৰ প্ৰতি সদায় গুৰুত্ব দিছিলোঁ। কিমান পাৰিলোঁ-নোৱাৰিলোঁ এয়া আপোনালোকৰ বিচাৰ্য বিষয়। আমাৰ মহাবিদ্যালয়ত সঘনে পৰিলক্ষিত হোৱা সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত আমি ছাত্ৰ একতা সভাই কৰ্তৃপক্ষৰ ওচৰত সততে আলোচনা কৰিছিলোঁ যদিও মহাবিদ্যালয়ৰ পুঁজিৰ অভাৱত এই সমস্যাবোৰ পূৰণ কৰিবপৰা নগ'ল। সমস্যাসমূহ এনেধৰণৰ—

১। মহাবিদ্যালয়খনত উন্নতমানৰ প্ৰেক্ষাগৃহ (Auditorium) এটিৰ প্ৰয়োজন। সভাৰ অনুষ্ঠান আদি আয়োজন কৰিলে বহু টকা খৰচ কৰিবলগীয়া হয়।

২। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এটি চাইকেল, মটৰ-বাইক ৰখা ঠাই বা ষ্টেণ্ডৰ এটিৰ প্ৰয়োজন।

৩। সুকীয়াকৈ ছাত্ৰ জিৰণি কোঠাৰ অভাৰ।

৪। মহাবিদ্যালয়ৰ খেল পথাৰখন সুপৰিকল্পিতভাৱে নিৰ্মাণ কৰা।

পৰৱৰ্তী ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলে সমস্যাৰাজি সমাধানৰ ক্ষেত্ৰত গুৰুত্ব দি ব্যৱস্থা ল'ব বুলি আশা কৰিলোঁ।

শেষত মোৰ কাৰ্যকালত বিভিন্ন কামৰ দিহা-পৰামৰ্শ, সহায়-সহযোগ আগবঢ়োৱাৰ কাৰণে কামপুৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীৰ ওচৰত মই সদায় কৃতজ্ঞ হৈ ৰ'ম। মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ, বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা মাগিছোঁ। অনাগত দিনত কামপুৰ মহাবিদ্যালয়খনে উচ্চ শিখৰলৈ আগবাঢ়ি যাওক। মহাবিদ্যালয়খনৰ সৰ্বাংগীণ উন্নতি কামনা কৰি সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ইমানতে সামৰিছোঁ।

জয়তু কামপুৰ মহাবিদ্যালয়।
জয়তু কামপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা।
জয় আই অসম।

ধন্যবাদেৰে —
**মুনি হাণ্ডে**
সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা



# সহ-সাধাৰণ সম্পাদকৰ প্ৰতিবেদন...

পোন প্ৰথমে যিসকল ব্যক্তিৰ প্ৰচেষ্টাত এই অনুষ্ঠানটিৰ গঢ় লৈ উঠিল সেই সকলৰ প্ৰতি সশ্ৰদ্ধ প্ৰণিপাত জনোৱাৰ লগতে কামপুৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰু সকল আৰু কৰ্মচাৰী বৃন্দলৈও মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

২০২১-২২ বৰ্ষত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক সহঃ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি কামপুৰ মহাবিদ্যালয়ৰ কাৰণে সেৱা আগবঢ়াবলৈ সুযোগকণ দিয়াৰ বাবে বন্ধু-বান্ধৱী, দাদা-বাইদেউ তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয় সপ্তাহ সমাৰোহ তিনিদিনীয়া কাৰ্যসূচীৰে জাকজমকতাৰে পালন কৰা হয়। এই সপ্তাহ সমাৰোহ অনুষ্ঠিত হৈছিল ২-২-২০২২ তাৰিখৰ পৰা ৪-২-২০২২ তাৰিখৰ লৈকে। এই সপ্তাহ সমাৰোহত আমি ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক, শাৰীৰিক আৰু সাংস্কৃতিক দিশত উন্নতিৰ বাবে নানান প্ৰচেষ্টা হাতত লৈছিলোঁ।

এই সপ্তাহ সমাৰোহত মই বিশেষভাৱে সাংস্কৃতিক সম্পাদকক কেইবাটাও অনুষ্ঠান তথা প্ৰতিযোগিতা অনুষ্ঠিত কৰাত সহযোগিতা আগবঢ়াইছিলোঁ। তদুপৰি এই সপ্তাহ সমাৰোহত আমি তৰ্ক সম্পাদকৰ সৈতে মিলি এখনি তৰ্ক প্ৰতিযোগিতাও অনুষ্ঠিত কৰিছিলোঁ। ইয়াৰোপৰি ক্ৰীড়া সম্পাদকৰ সৈতে মিলি আমি বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ।

মোৰ কাৰ্যকালৰ দ্বিতীয়টো উল্লেখযোগ্য কাৰ্য আছিল মহাবিদ্যালয়ত সুকলমে সৰস্বতী পূজাভাগ পালন কৰা। সকলোৰে প্ৰচেষ্টাত আমি এই অনুষ্ঠানটো সুন্দৰকৈ চলাই নিবলৈ সক্ষম হৈছিলো।

ইয়াৰ পাছৰ পদক্ষেপ আছিল আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণী কোঠা আৰু ছাত্ৰী জিৰণী কোঠাৰ সমস্যা সমূহৰ সমাধান কৰা। ছাত্ৰী জিৰণী কোঠাৰ কিছুমান সমস্যা সামাধানত সফলতা পালোঁ। আনহাতে ছাত্ৰ জিৰণী কোঠাৰ সমস্যা বৰ্তমানেও সমাধান নহ'ল। কৰ্তৃপক্ষৰ সৈতে আলোচনাত মিলিত হৈছিলোঁ যদিও সফল হ'ব নোৱাৰিলোঁ। অনাগত দিনত নিশ্চয় জিৰণী কোঠাৰ সমস্যাসমূহ সমাধান হ'ব।

যোৱা ইং ৭-৫-২০২২ তাৰিখে আমি মহাবিদ্যালয়ত এখনি মুকলি বিহুৰ আয়োজন কৰিছিলোঁ। উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ উপৰিও কামপুৰ অঞ্চলৰ কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিছিল। সেয়া ইতিবাচক দিশ আছিল আমাৰ বাবে।

ইয়াৰ পাছত আমি পাঁচ জুনত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰিছিলোঁ। আমি বিশ্বপৰিৱেশ দিৱস অনুষ্ঠানটি জাকটজিলিকা কৰি তুলিবলৈ কিছুমান পদক্ষেপ হাতত লৈছিলোঁ।

যেনে— মহাবিদ্যালয়খনৰ বাবে ২৪০ টা ফুলৰ পুলি আৰু প্ৰায় ৯০টা ফুলৰ টাব আনিবলৈ সক্ষম হলোঁ। কামপুৰ মহাবিদ্যালয়ৰ সৌন্দৰ্য বৰ্দ্ধক কোষ আৰু ছাত্ৰ একতা সভাৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান আস্বাষণ কোষৰ সহযোগত ওচৰৰ বিদ্যালয় সমূহত বৃক্ষ ৰোপণ কাৰ্যসূচী হাতত লৈছিলোঁ।

মহাবিদ্যালয়খনৰ আৰ্থিক সমস্যাৰ বাবে আমি বহুতো কাম কৰিবলৈ অসমৰ্থ হৈছোঁ। ইয়াৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। অনাগত দিনবোৰত পৰৱৰ্তী ছাত্ৰ একতা সভাৰ সদস্যসকলে মহাবিদ্যালয়খনৰ সমস্যা সমূহ সমাধান কৰিব বুলি আশা কৰিলোঁ।

সদৌ শেষত কামপুৰ মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি আৰু উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিলোঁ।

জয়তু কামপুৰ মহাবিদ্যালয়।
জয়তু কামপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা।
জয় আই অসম।

ধন্যবাদেৰে—
**ভাস্কৰজ্যোতি নাথ**
সহঃ সাধাৰণ সম্পাদক



# গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন...

প্ৰতিবেদনখনৰ আৰম্ভণিতে মই সেইসকল মহানুভৱ ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। যিসকলৰ চিন্তা-চেতনা, কষ্ট, সাহস আৰু ত্যাগৰ ফলত এই ঐতিহাসিক কামপুৰ মহাবিদ্যালয়খন গঢ় লৈ উঠিল। লগতে আমাৰ মহাবিদ্যালয়ৰ বৰ্তমানৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি সন্মানীয় শিক্ষাগুৰুসকল আৰু কৰ্মচাৰীবৃন্দলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

২০২১-২২ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিজয়ী হৈ মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ আশীৰ্বাদ শিৰোধাৰ্য কৰি গুৰু ক্ৰীড়া বিভাগৰ সম্পাদক পদৰ দায়িত্ব গ্ৰহণ কৰোঁ। কাৰ্যভাৰ গ্ৰহণ কৰিয়েই ছাত্ৰ-একতা সভাৰ উদ্যোগত ২০২১-২২ বৰ্ষৰ ‘মহাবিদ্যালয় সপ্তাহ-সমাৰোহ’ অনুষ্ঠিত কৰা হয়। এই সমাৰোহত গুৰুক্ৰীড়া প্ৰতিযোগিতাসমূহ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত কৰা হয়। বিশ্বৰ বিভিন্ন প্ৰান্তত ক্ৰীড়াক্ষেত্ৰখনক বৰ্তমান অধিক গুৰুত্ব প্ৰদান কৰা হৈছে যদিও আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এই দিশত বহু পিছপৰি আছে। এই দিশত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক আগবঢ়াই নিবলৈ হ’লে আমাৰ সকলোৰে বহু কৰণীয় আছে। মোৰ সীমিত কাৰ্যকালত ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক মানসিক উৎকৰ্য সাধনৰ ক্ষেত্ৰত বিশেষ কৰিব নোৱাৰিলোঁ। আশা ৰাখিছোঁ, ভৱিষ্যতে পৰৱৰ্তী সম্পাদকে এই দিশত গুৰুত্বসহকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোৰ কাৰ্যকালত অনুষ্ঠিত প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰিছিল তেওঁলোকলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ। ক্ৰীড়া ক্ষেত্ৰত তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

শেষত মোৰ কাৰ্যকালত মোক দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু ড° নুৰুল হাছান ছাৰলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয় সপ্তাহ সমাৰোহ অনুষ্ঠিত কৰিবলৈ দি আমাক কৃতাৰ্থ কৰাৰ বাবে শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ক মোৰ ফালৰ পৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছোঁ। সদৌ শেষত ছাত্ৰ একতা সভাৰ মোৰ সতীৰ্থসকলক ধন্যবাদ জনাই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু কামপুৰ মহাবিদ্যালয়।
জয়তু কামপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা।
জয় আই অসম।

ধন্যবাদেৰে—

**চুনিতা লস্কৰ**

সম্পাদিকা, গুৰুক্ৰীড়া বিভাগ



# লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন...

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেই মহানুভৱ ব্যক্তিসকলক মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ, যিসকলৰ অসীম ত্যাগ, কষ্ট আৰু চিন্তাচৰ্চ্চাৰ ফলত আমাৰ কামপুৰ মহাবিদ্যালয়খনে গঢ় লৈ উঠি অঞ্চলটোৰ শৈক্ষিক ক্ষেত্ৰখন পোহৰাই তুলিলে। লগতে এই সুযোগতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল তথা কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।

কামপুৰ মহাবিদ্যালয়ৰ ২০২১-২২ বৰ্ষৰ লঘু ক্ৰীড়া বিভাগৰ সম্পাদক ৰূপে মোক সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মই সকলোৰে প্ৰতি অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্যকালত ক্ৰীড়া বিভাগৰ তত্বাৱধায়ক ড° নুৰুল হাছান ছাৰৰ তত্বাৱধানত মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰিবলৈ সাহস আৰু সহযোগিতা লাভ কৰিছিলোঁ। সকলোৰে আন্তৰিক সহযোগিতাৰ বাবে প্ৰতিযোগিতাসমূহ সুকলমে পৰিচালনা কৰিবলৈ প্ৰেৰণা পাইছিলোঁ। এই সুযোগতে মই ক্ৰীড়া বিভাগৰ তত্বাৱধায়ক শিক্ষাগুৰুসকল ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল আৰু ছাত্ৰ-ছাত্ৰীসকলক কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

মোৰ সীমিত কাৰ্যকালত যিমানবোৰ কৰণীয় আছিল সকলো কাম কৰিব নোৱাৰিলোঁ। তাৰ বাবে মই দুঃখিত। মোৰ আধৰুৱা কামখিনি মোৰ পৰৱৰ্তী সম্পাদকে ৰূপায়ণ কৰিব বুলি আশা ৰাখিছোঁ।

মোৰ কাৰ্যকালত জ্ঞাতে অজ্ঞাতে হোৱা ভুল ত্ৰুটিৰ বাবে সকলোৰে পৰা ক্ষমা বিচাৰিছোঁ।

শেষত আশা ৰাখিছোঁ ক্ৰীড়াৰ জৰিয়তে আমাৰ ছাত্ৰ ছাত্ৰীসকলে কামপুৰ মহাবিদ্যালয়খনক উজলাই তুলিব। পুনৰবাৰ সকলোলৈকে শ্ৰদ্ধা, ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি কলেজৰ সৰ্বাংগীণ উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু কামপুৰ মহাবিদ্যালয়।

জয়তু কামপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

জয় আই অসম।

ধন্যবাদেৰে—

**স্বৰূপ ৰয়**

সম্পাদক, লঘু ক্ৰীড়া বিভাগ



# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন...

প্ৰতিবেদনৰ আৰম্ভণিতে মই নিজ মাতৃভূমিৰ বাবে যিসকল যুৱক যুৱতীয়ে প্ৰাণ আহুতি দিছিল সেইসকল বীৰ শ্বহীদলৈ শ্ৰদ্ধা আৰু শতকোটি প্ৰণাম জনাইছোঁ। লগতে আমাৰ এই ঐতিহ্যমণ্ডিত কামপুৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, অধ্যাপক আৰু কৰ্মচাৰী বৃন্দলৈও মোৰ ফালৰ পৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

২০২১-২২ বৰ্ষৰ কামপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা সাধাৰণ নিৰ্বাচনত মোক সাংস্কৃতিক সম্পাদক হিচাপে নিৰ্বাচিত হৈ কামপুৰ মহাবিদ্যালয়ৰ কাৰণে যৎকিঞ্চিৎ সেৱা আগবঢ়াবলৈ পাই নথৈ আনন্দিত হৈছোঁ।

২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ প্ৰচেষ্টাত মহাবিদ্যালয় সপ্তাহ সমাৰোহ তিনিদিনীয়া কাৰ্যসূচীৰে ২-২-২০২২ তাৰিখৰ পৰা ৪-২-২০২২ তাৰিখৰলৈকে অনুষ্ঠিত কৰা হয়।

এই "সপ্তাহ সমাৰোহত" সাংস্কৃতিক বিভাগৰ ফালৰ পৰা বিভিন্ন ধৰণৰ প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ ভিতৰত লোক নৃত্য, একক আধুনিক নৃত্য, দলীয় আধুনিক নৃত্য, বিয়া নাম, দিহা নাম, ভূপেন্দ্ৰ সংগীত, ৰাভা সংগীত, জ্যোতি সংগীত আদি অন্যতম। এই প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত সাংস্কৃতিক বিভাগৰ তত্বাৱধায়িকা শ্ৰীপাৰুল ভূঞা বাইদেউৰ দিহা-পৰামৰ্শ অনুযায়ী সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ সক্ষম হওঁ। পূৰ্বতে আশা কৰাতকৈ এই অনুষ্ঠানটি বহু ভালদৰে সম্পন্ন হয়। এই অনুষ্ঠানটিত কামপুৰ মহাবিদ্যালয়ৰ শিক্ষাগুৰু শ্ৰদ্ধাৰ শ্ৰীভলিন্দৰ সিং ছাৰ, শ্ৰীদেৱাশীষ শইকীয়া ছাৰ, ড° প্ৰশান্ত ছাৰ, ড° কুশল টাইদ ছাৰ আৰু কামপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য সকলে বিশেষ ভাৱে সহায় সহযোগিতা আগবঢ়াইছিল। পৰৱৰ্তী সময়ত সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা "সৰস্বতী পূজা" উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানটিত কামপুৰ মহাবিদ্যালয়ৰ শিক্ষাগুৰু শ্ৰীপাৰুল ভূঞা বাইদেউ, ড° প্ৰশান্ত কুমাৰ দাস আৰু শ্ৰীদেৱাশীষ শইকীয়া ছাৰে বিশেষ ভাৱে সহায় কৰিছিল।

মোৰ এই এবছৰীয়া কাৰ্যকালৰ যিমানবোৰ কাম আছিল সুচাৰুৰূপে কৰিবলৈ চেষ্টা কৰিছিলোঁ। মোৰ কাৰ্যকালত মোক প্ৰয়োজনীয় দিহা পৰামৰ্শ দি সহায় কৰা অধ্যক্ষ মহোদয় শ্ৰদ্ধাৰ ড° অসীম বৰা ছাৰ, তত্বাৱধায়িকা শ্ৰীপাৰুল ভূঞা বাইদেউৰ লগতে বন্ধু-বান্ধৱী সকললৈও আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে মোৰ এই কাৰ্যকালত হোৱা ভুল-ত্ৰুটিবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমা বিছাৰিছোঁ। সদৌ শেষত কামপুৰ মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি আৰু উজ্জ্বল ভৱিষৎ কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিলোঁ।

জয়তু কামপুৰ মহাবিদ্যালয়, জয়তু ছাত্ৰ একতা সভা।

ধন্যবাদেৰে—

**বিশাল মেধী**

সাংস্কৃতিক সম্পাদক



# তৰ্ক শাখা সম্পাদকৰ প্ৰতিবেদন...

কামপুৰ মহাবিদ্যালয়ৰ তৰ্ক সম্পাদক হিচাপে প্ৰতিবেদন লিখিবলৈ লোৱাৰ আৰম্ভণিতে যিসকল মহান ব্যক্তি আৰু মনিষীৰ প্ৰচেষ্টাত এই অনুষ্ঠানটিৰ জন্ম হ'ল সেইসকলৰ প্ৰতি সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ, লগতে আমাৰ এই কামপুৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰু সকল আৰু কৰ্মচাৰীবৃন্দলৈও মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত তৰ্ক সম্পাদক হিচাপে নিৰ্বাচিত হৈ কামপুৰ মহাবিদ্যালয়ৰ কাৰণে যথাসাধ্য সেৱা আগবঢ়াবলৈ পাই মই নথৈ আনন্দিত হৈছোঁ।

২০২১-২২ বৰ্ষত ছাত্ৰ একতা সভাৰ প্ৰচেষ্টাত মহাবিদ্যালয় সপ্তাহ সমাৰোহ তিনিদিনীয়া কাৰ্যসূচীৰে ধুমধামেৰে পালন কৰা হয়। এই সমাৰোহত আমি এখনি তৰ্ক প্ৰতিযোগিতাৰো আয়োজন কৰাৰ সুবিধা পাওঁ। বিভাগীয় তত্বাৱধায়ক ড° মন্টু চেতিয়া ছাৰৰ দিহা পৰামৰ্শ আৰু প্ৰচেষ্টাত এই তৰ্ক প্ৰতিযোগিতাখন সফলভাৱে আৰু সুকলমে সম্পন্ন কৰিবলৈ সক্ষম হওঁ। এই তৰ্ক প্ৰতিযোগিতাখন অনুষ্ঠিত কৰাত আমাক ছাত্ৰ একতা সভাৰ সকলো সদস্যই সহায় সহযোগিতা আগবঢ়াইছিল। প্ৰতিযোগিতাখনৰ ব্যৱস্থাপনাৰ দ্বাৰা জীৱনত বহু অভিজ্ঞতা লাভ কৰাৰ লগতে অনুপ্ৰেৰণাও লাভ কৰিবলৈ সক্ষম হ'লোঁ।

মোৰ এই এবছৰীয়া কাৰ্যকালত যিমান কৰণীয় কাম আছিল সুচাৰুৰূপে পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ। অনাগত দিনত আৰু অধিক প্ৰতিযোগিতাৰ জৰিয়তে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক উৎকৰ্ষ সাধন কৰাৰ লগতে কামপুৰ মহাবিদ্যালয়খনক বহল প্ৰেক্ষাপটত উজ্জ্বলাই তুলিব বুলি আশা ৰাখিছোঁ।

শেষত কামপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ সকলো ছাৰ বাইদেউ, বন্ধু-বান্ধৱীলৈ আৰু অনুজ সকললৈ ধন্যবাদ জনাই মোৰ প্ৰতিবেদন সামৰিছোঁ।

জয়তু কামপুৰ মহাবিদ্যালয়।
জয়তু কামপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা।
জয় আই অসম।

ধন্যবাদেৰে —
**জোনমনি ৰাজখোৱা**
সম্পাদক, তৰ্ক বিভাগ



# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন...

প্ৰতিবেদনৰ আৰম্ভণিতে মই অসমী আইৰ হকে প্ৰাণ বিসৰ্জন দিয়া জাতীয় শ্বহীদ সকলক শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ। কামপুৰ মহাবিদ্যালয় ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা ৰূপে মোক নিৰ্বাচিত কৰা ছাত্ৰ-ছাত্ৰী সকলক মোৰ ফালৰ পৰা ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ। মই মহাবিদ্যালয়ৰ ছাত্ৰী সকলৰ বাবে অকণমান সেৱা আগবঢ়াবলৈ সুবিধা পোৱাৰ বাবে নিজকে ধন্য মানিছোঁ।

মই অতি দুখেৰে প্ৰকাশ কৰিবলৈ বাধ্য হৈছোঁ যে অসমৰ অন্যান্য মহাবিদ্যালয়ৰ তুলনাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণী কোঠাটোৰ সা-সুবিধাসমূহ তেনেই সীমিত। মোৰ কাৰ্যকালত অভাৱসমূহ দূৰ কৰি সা-সুবিধাসমূহ বৃদ্ধি কৰিবলৈ প্ৰচেষ্টা লৈছিলোঁ যদিও কাৰ্যতঃ সম্পূৰ্ণ কৃতকাৰ্য হ'ব নোৱাৰিলোঁ। আশা ৰাখিছোঁ যে আগন্তুক দিনত পৰৱৰ্তী সম্পাদিকাই মহাবিদ্যালয় কৰ্তৃপক্ষৰ সহায়-সহযোগত ছাত্ৰী জিৰণী কোঠাৰ প্ৰয়োজনীয় সা-সুবিধাসমূহৰ অভাৱ অভিযোগবোৰ দূৰ কৰিব।

সদৌ শেষত মোক সকলো ফালৰ পৰাই সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শ আগবঢ়োৱা মাননীয় অধ্যক্ষ ড° অসীম বৰা ছাৰক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ কৰণীয়খিনিত মোক বাট দেখুৱাই দিয়া ছাত্ৰ জিৰণী কোঠাৰ তত্ত্বাৱধায়িকা মাননীয়া শ্ৰীৰুবী দত্ত বাইদেউক ধন্যবাদ জনাইছোঁ। লগতে মোৰ সকলো কামতে মোক সহায়-সহযোগ কৰা ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু বন্ধু-বান্ধৱীসকলক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

জয়তু কামপুৰ মহাবিদ্যালয়।
জয়তু কামপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা।
জয় আই অসম।

ধন্যবাদেৰে —

**সংগীতা দেৱনাথ**

ছাত্ৰী জিৰণী কোঠা সম্পাদিকা

# ২০২১-২২ বৰ্ষৰ
# কামপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য

| | | |
|---|---|---|
| সভাপতি | ঃ | শ্বহিদুল ইছলাম |
| সাধাৰণ সম্পাদক | ঃ | মুনি হান্সে |
| সহকাৰী সম্পাদক | ঃ | ভাস্কৰজ্যোতি নাথ |
| ক্ৰীড়া সম্পাদক (গুৰু আৰু লঘু) | ঃ | পাৰ্থজিৎ বৰুৱা |
| | | সুনিতা লস্কৰ |
| | | স্বৰূপ ৰয় |
| সাংস্কৃতিক সম্পাদক | ঃ | বিশাল মেধি |
| সাহিত্য আৰু সুকুমাৰ কলা সম্পাদক | ঃ | গৰিস্মা বৰুৱা |
| আলোচনী সম্পাদক | ঃ | ৰিচা বৰা |
| তৰ্ক শাখা সম্পাদক | ঃ | জোনমণি ৰাজখোৱা |
| ছাত্ৰ জিৰণী কোঠা সম্পাদক | ঃ | নিপন ৰাজখোৱা |
| ছাত্ৰী জিৰণী কোঠা সম্পাদিকা | ঃ | সংগীতা দেৱনাথ |

# কামপুৰ মহাবিদ্যালয়ৰ প্ৰকাশিত আলোচনীসমূহৰ সম্পাদক আৰু তত্ত্বাৱধায়কসকল

| **বৰ্ষ** | **সম্পাদক** | **তত্ত্বাৱধায়ক** |
|---|---|---|
| ১৯৯১-৯২ | তৰুপ্ৰসাদ শৰ্মা | মহেন্দ্ৰ নাথ হাজৰিকা (অসমীয়া বিভাগ) |
| ১৯৯৪-৯৫ | অৰুণ বৰা | মহেন্দ্ৰ নাথ হাজৰিকা (অসমীয়া বিভাগ) |
| ১৯৯৭-৯৮ | সঞ্জীৱ শইকীয়া | হেমচন্দ্ৰ লস্কৰ (ইংৰাজী বিভাগ) |
| ১৯৯৮-৯৯ | বৰ্ণালী মজুমদাৰ | হেমচন্দ্ৰ লস্কৰ (ইংৰাজী বিভাগ) |
| ২০০০-২০০১ | নিৰ্মল চৰকাৰ | মহেন্দ্ৰ নাথ হাজৰিকা (অসমীয়া বিভাগ)<br>প্ৰদীপ লস্কৰ (ভূগোল বিভাগ) |
| ২০০২-২০০৩ | নীৰৰজ্যোতি শইকীয়া<br>অম্বিকা গোস্বামী | ড° লালাতেন্দু চাহু (ইংৰাজী বিভাগ)<br>মিনি দেৱী (অসমীয়া বিভাগ) |
| ২০১০-১১ (কিশলয়) | পম্পী বৰা | ভানু শইকীয়া (অসমীয়া বিভাগ)<br>নলিনী বৰা (ইংৰাজী বিভাগ) |
| ২০১২-১৩ | নিহা ডেকাৰজা | ৰূপা লস্কৰ (ৰাজনীতি বিজ্ঞান বিভাগ)<br>নলিনী বৰা (ইংৰাজী বিভাগ) |
| ২০১৫-১৬ | ময়ুৰী দাস | মিনি দেৱী (অসমীয়া বিভাগ)<br>ৰিজু লস্কৰ (ভূগোল বিভাগ) |
| ২০১৮-১৯ | লোনামণি বৰা | ড° কুশল টাইদ (অসমীয়া বিভাগ) |
| ২০২১-২২ | ৰিচা বৰা | ৰিজু লস্কৰ (ভূগোল বিভাগ)<br>প্ৰশান্ত লস্কৰ (হিন্দী বিভাগ) |

(প্ৰাপ্ত আলোচনীৰ পৰা সংগৃহীত)

# ২০২১-২২ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ বিভিন্ন প্ৰতিযোগিতাসমূহৰ ফলাফল

**ক্ৰীড়া শাখাৰ প্ৰতিযোগিতাৰ ফলাফলসমূহ ঃ**

**বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ ঃ পাৰ্থজিৎ বৰুৱা**

১। **ল'ৰাৰ ২০০ মিটাৰ দৌৰ**
প্ৰথম ঃ আকাশ দাস
দ্বিতীয় ঃ পাৰ্থজিৎ বৰুৱা

২। **ছোৱালীৰ ২০০ মিটাৰ দৌৰ**
প্ৰথম ঃ হিমাক্ষী হাজৰিকা
দ্বিতীয় ঃ নিকিতা শইকীয়া

৩। **ল'ৰাৰ ১০০ মিটাৰ দৌৰ**
প্ৰথম ঃ আকাশ দাস
দ্বিতীয় ঃ পাৰ্থজিৎ বৰুৱা

৪। **ছোৱালীৰ ১০০ মিটাৰ দৌৰ**
প্ৰথম ঃ দলিকণী দেৱী
দ্বিতীয় ঃ চেৰ্লিবিন ৰংপিপি

৫। **গধুৰ বস্তু দলিওৱা (ল'ৰা)**
প্ৰথম ঃ বিকাশ ফুকন
দ্বিতীয় ঃ অনু দাস

৬। **ডিচকাচ্ দলিওৱা (ল'ৰা)**
প্ৰথম ঃ জাহাংগীৰ আলম
দ্বিতীয় ঃ অভিজিৎ বিশ্বাস

৭। **ভলীবল (ল'ৰাৰ) ঃ**
**(ৰাজনীতি বিজ্ঞান বিভাগ)**
প্ৰসেনজিৎ বড়ো (অধিনায়ক), ইন্দ্ৰ বৰদলৈ, কপিল দেৱ পাটৰ, আবিদুৰ ৰহমান, অবিনাশ কোঁৱৰ, জয়ন্ত বৰুৱা

৮। **কাবাডি (ল'ৰাৰ) ঃ**
**(ৰাজনীতি বিজ্ঞান বিভাগ)**
জাহাংগীৰ আলম (অধিনায়ক), ইন্দ্ৰ বৰদলৈ, প্ৰসেনজিৎ বড়ো, মুনি হান্সে, জয়ন্ত বৰুৱা, অবিনাশ কোঁৱৰ, কপিল পাটৰ, পাৰ্থজিৎ বৰুৱা

৯। **কাবাডি (ছোৱালী) ঃ এন.চি.চি.**
নিকিতা শইকীয়া (অধিনায়ক), সুৰুজমণি দেৱী, হিমাখি হাজৰিকা, দুলুমণি দেৱী, জ্যোতিকা শইকীয়া, সংগীতা ধৰ, ৰিম্পি কাকতি, বন্দিতা দেৱী

১০। **ক্ৰিকেট (ল'ৰাৰ) ঃ**
**(ৰাজনীতি বিজ্ঞান বিভাগ)**
লুচন দাস (অধিনায়ক), প্ৰাচুৰ্য্য হাজৰিকা, জাহাঙ্গীৰ আলম, সঞ্জীৱ হাজৰিকা, জিতু দাস, তফাজুল হক, সুৰজ দাস, পাৰ্থজিৎ বৰুৱা, মুনি হান্সে, নয়নমণি বৰা

১১। **জেভলিন দলিওৱা ঃ (ল'ৰাৰ)**
প্ৰথম ঃ পাৰ্থজিৎ বৰুৱা
দ্বিতীয় ঃ প্ৰবীণ হীৰা

১২। **কেৰম ঃ**
প্ৰথম ঃ শ্বহিদুল ইছলাম
দ্বিতীয় ঃ পাৰ্থজিৎ বৰুৱা

১৩। **মিউজিক চেয়াৰ ঃ**
প্ৰথম (যুটিয়াভাৱে) ঃ ধ্যানন্দিতা বৰা
অৰ্পনা শইকীয়া
দ্বিতীয় (যুটিয়াভাৱে) ঃ পুষ্পা দাস
সূৰুজমণি দাস

১৪। **ল'ৰাৰ দীঘল জাপ ঃ**
প্ৰথম ঃ প্ৰবীণ হীৰা
দ্বিতীয় ঃ নৱজ্যোতি বৰুৱা

১৫। **ছোৱালীৰ দীঘল জাপ ঃ**
প্ৰথম ঃ প্ৰমীক্ষা পাটৰ
দ্বিতীয় ঃ চেৰলিন বন

**সাংস্কৃতিক প্ৰতিযোগিতাৰ ফলাফলসমূহ ঃ**

১। **সমবেত সংগীত ঃ**

প্ৰথম ঃ ভূগোল বিজ্ঞানৰ বিভাগ
দ্বিতীয় ঃ ইংৰাজী বিভাগ
তৃতীয় ঃ অৰ্থনীতি বিজ্ঞান বিভাগ

২। **দিহানাম ঃ**

প্ৰথম ঃ ভূগোল বিজ্ঞান বিভাগ (পংখী গোঁহাইৰ দল)
দ্বিতীয় ঃ ইংৰাজী বিভাগ (অংকুৰ মহন্তৰ দল)

৩। **দলীয় লোক নৃত্য ঃ**

প্ৰথম ঃ শিক্ষা বিভাগ (ৰিচা বৰাৰ দল)
দ্বিতীয় ঃ ইংৰাজী বিভাগ (নেইনা লস্কৰৰ দল)
তৃতীয় ঃ অসমীয়া বিভাগ (নিহাৰিকা দল)

৪। **দলীয় আধুনিক নৃত্য**

প্ৰথম ঃ শিক্ষা বিভাগ
দ্বিতীয় ঃ লোক সংস্কৃতি বিভাগ

৫। **বিয়ানাম ঃ**

প্ৰথম ঃ অৰ্থনীতি বিজ্ঞান বিভাগ
দ্বিতীয় ঃ ইংৰাজী বিভাগ

৬। **ৰাভা সংগীত ঃ**

প্ৰথম ঃ অংকুৰ মহন্ত
দ্বিতীয় ঃ নিপন ৰাজখোৱা

৭। **ভূপেন্দ্ৰ সংগীত**

প্ৰথম ঃ কবিনা লস্কৰ
দ্বিতীয় ঃ অংকুৰ মহন্ত

৮। **আধুনিক নৃত্য (একক)**

প্ৰথম ঃ অমৃত লস্কৰ
দ্বিতীয় ঃ দিব্যজ্যোতি হাজৰিকা
তৃতীয় ঃ প্ৰিয়ংকা লস্কৰ

৯। **মিছ কামপুৰ কলেজ ঃ**

প্ৰথম ঃ সংগীতা দেৱনাথ
দ্বিতীয় ঃ পংখী গোঁহাই
তৃতীয় ঃ বৰষা কাকতি

**সাহিত্য আৰু সুকুমাৰ কলা প্ৰতিযোগিতাৰ ফলাফলসমূহঃ**

১। **কবিতা আবৃত্তি ঃ অসমীয়া**

প্ৰথম ঃ দিব্যজ্যোতি পাটৰ
দ্বিতীয় ঃ চিন্ময় চৌধুৰী
তৃতীয় ঃ বৰষা বৰা

**কবিতা আবৃত্তি ঃ ইংৰাজী**

প্ৰথম ঃ ধ্যানন্দিতা বৰা
দ্বিতীয় ঃ বিজয় লক্ষ্মী দাস
তৃতীয় ঃ ববী বৰা

২। **থিতাতে কবিতা লিখা ঃ**

প্ৰথম ঃ বৰষা বৰা
দ্বিতীয় ঃ ভাৰতী প্ৰজাপতি
তৃতীয় ঃ মুকতাৰ হুছেইন

৩। **মহাবিদ্যালয়ৰ বিভাগীয় প্ৰাচীৰ পত্ৰিকা ঃ**

প্ৰথম ঃ ৰাজনীতি বিজ্ঞান বিভাগ (বোধিদ্ৰুম)
দ্বিতীয় ঃ অসমীয়া বিভাগ (জ্ঞানজ্যোতি)
তৃতীয় ঃ শিক্ষা বিভাগ (অন্বেষণ)
তৃতীয় ঃ ভূগোল বিজ্ঞান বিভাগ (বসুন্ধৰা)

৪। **চিত্ৰকৰণ (পেইণ্টিং) ঃ**

প্ৰথম ঃ সুৰজিৎ গোস্বামী
দ্বিতীয় ঃ জাহাংগীৰ আলম
তৃতীয় ঃ পবিত্ৰ মুদৈ
তৃতীয় ঃ হবিবুৰ ৰহমান

৫। **মেহেন্দী আঁকা ঃ**

প্ৰথম ঃ পলী দেৱী
দ্বিতীয় ঃ গাৰ্গী ঘোষ
তৃতীয় ঃ চিম্পী শইকীয়া

৬। **আল্পনা প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ হিমাক্ষী দেৱী
দ্বিতীয় ঃ মেৰী দাস
তৃতীয় ঃ বিতুপৰ্ণা চৰকাৰ
তৃতীয় ঃ হবিবুৰ ৰহমান

**তৰ্ক শাখাৰ প্ৰতিযোগিতাৰ ফলাফল ঃ**

১। **তৰ্ক প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ জোনটি দেৱী
দ্বিতীয় ঃ মুকতাৰ হুছেইন
তৃতীয় ঃ মুন আলি



সুৰজিৎ গোস্বামী

## মহাবিদ্যালয় সপ্তাহৰ চিত্ৰাংকন প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত



সুৰজিৎ গোস্বামী



জাহাংগীৰ আলম



হবিবুৰ ৰহমান



পৱিত্ৰ মুদৈ

## মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু অধ্যাপক-অধ্যাপিকাসকল



বাওঁফালৰ পৰা (বহি) ক্ৰমে ঃ ড° নলিনী বৰা, শ্ৰীপাৰুল ভূএগ্ৰা, ড° প্লাৰিকা নেওগ, শ্ৰীৰিজু লস্কৰ, শ্ৰীমিনি দেৱী, ড° অসীম বৰা (অধ্যক্ষ), শ্ৰীপদুম কাকতি, শ্ৰীবিনোদ চন্দ্ৰ বৰা, শ্ৰীপ্ৰশান্ত লস্কৰ, ড° প্ৰশান্ত কুমাৰ দাস, শ্ৰীদীপ কলিতা।

বাওঁফালৰ পৰা (থিয়হৈ) ক্ৰমে ঃ শ্ৰীজগজিৎ বৰুৱা (তথ্য প্ৰযুক্তিৰ নিৰ্দেশক), ড° মণ্টু চেতিয়া, শ্ৰীভলিন্দৰ সিং, শ্ৰীভূপেন চন্দ্ৰ শৰ্মা, শ্ৰীবনশ্ৰী দেৱী, শ্ৰীএলিজাবেথ এল থেইক, শ্ৰীৰুবী দত্ত, ড° জ্যোতিৰূপা ডেকা, শ্ৰীজুৰী দেৱী, ড° নুৰুল হাছান, ড° কুশল টাইদ, ড° নিৰঞ্জন ঠেঙাল, শ্ৰীদেৱাশীষ শইকীয়া, অনুপস্থিত - শ্ৰীদীপামণি দাস (গ্ৰন্থগাৰিক)

## মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ



বাওঁফালৰ পৰা (বহি) ক্ৰমে ঃ শ্ৰীনবীন বৰা (চতুৰ্থ বৰ্গৰ কৰ্মচাৰী), শ্ৰীপ্ৰদীপ লস্কৰ (পুথিভঁৰাল বাহক), শ্ৰীজ্যোতিৰেখা কলিতা (কাৰ্যালয় সহায়ক), শ্ৰীঅতনু বৰা (কাৰ্যালয় সহায়ক), শ্ৰীপান্নালাল পুৰকায়স্থ (উচ্চবৰ্গৰ সহায়ক), শ্ৰীঅৰূপ বৰদলৈ (কম্পিউটাৰ সহায়ক), শ্ৰীপুলিন বৰা (পুথিভঁৰাল সহায়ক)

বাওঁফালৰ পৰা (থিয়হৈ) ক্ৰমে ঃ শ্ৰীখৰ্গেশ্বৰ বৰা (চতুৰ্থ বৰ্গৰ কৰ্মচাৰী), শ্ৰীজ্যোতিকা বৰুৱা (চতুৰ্থ বৰ্গৰ কৰ্মচাৰী), শ্ৰীপল্লবী লস্কৰ (চতুৰ্থ বৰ্গৰ কৰ্মচাৰী), শ্ৰীকাশ্যপ ৰাজ বৰা (চতুৰ্থ বৰ্গৰ কৰ্মচাৰী), অনুপস্থিত - শ্ৰীলক্ষীপ্ৰভা ডেকা (ভকেচনেল)

## সম্পাদনা সমিতি



বাওঁফালৰ পৰা (বহি) ক্ৰমে ঃ ড° নলিনী বৰা (শিক্ষক সদস্যা), শ্ৰীৰিজু লস্কৰ (তত্বাৱধায়িকা), ড° অসীম বৰা (অধ্যক্ষ), শ্ৰীপ্ৰশান্ত লস্কৰ (তত্বাৱধায়ক), ড° কুশল টাইদ (শিক্ষক সদস্য)

বাওঁফালৰ পৰা ( থিয়হৈ) ক্ৰমে ঃ শ্ৰীৰিচা বৰা (আলোচনী সম্পাদিকা), শ্ৰীমুনি হান্সে (ছাত্ৰ সদস্য), মোঃ শ্বহিদুল ইছলাম (ছাত্ৰ সদস্য)

## ছাত্ৰ একতা সভাৰ সদস্যসকল



বাওঁফালৰ পৰা ক্ৰমে ঃ শ্ৰীসংগীতা দেৱনাথ (ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা), শ্ৰীচুনিতা লস্কৰ (গুৰুক্ৰীড়াৰ সম্পাদিকা), শ্ৰীৰিচা বৰা (আলোচনী সম্পাদিকা), শ্ৰীনিপন ৰাজখোৱা (ছাত্ৰ জিৰণী কোঠা সম্পাদক), মোঃ শ্বহিদুল ইছলাম (সভাপতি), শ্ৰীমুনি হান্সে (সাধাৰণ সম্পাদক), শ্ৰীবিশাল মেধি (সাংস্কৃতিক সম্পাদক), শ্ৰীস্বৰূপ ৰয় (লঘূ ক্ৰীড়া সম্পাদক), শ্ৰীজোনমণি ৰাজখোৱা (তৰ্ক শাখা সম্পাদক), শ্ৰীভাস্কৰ জ্যোতি নাথ (সহ সাধাৰণ সম্পাদক), অনুপস্থিত - শ্ৰীপাৰ্থজিৎ বৰুৱা

# মহাবিদ্যালয়ত অনুষ্ঠিত বিভিন্ন অনুষ্ঠানৰ দৃশ্যাংশ













































# ২০২১-২২ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ দৃশ্যাংশ




















# ২০২১-২০২২ বৰ্ষৰ মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ প্ৰাচীৰ পত্ৰিকা































কামপুৰ মহাবিদ্যালয়
স্থাপিত ১৯৬৮
KAMPUR COLLEGE
ESTD 1968